● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত
গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

*সামাজিক দায়বদ্ধতাত অবিচল*

**দিগ্দৰ্শন**

যেতিয়া মই আজি কি হৈ আছে তাক বুজিবলৈ অথবা কাইলৈ কি হ'ব তাৰ গম ল'বলৈ চেষ্টা কৰোঁ, তেতিয়াই মই উভতি চাওঁ।

ওমৰ খয়াম
*কবি-দাৰ্শনিক*



www.dainikagradoot.in
৭ থাৰুৰৰ বিৰুদ্ধে সভাপতিৰ প্ৰাৰ্থী বিচাৰি হাহাকাৰ
১৫ টি-২০ বিশ্বকাপৰ ভাৰতীয় দল ঘোষণা
৪ হিতেই বিপৰীত হৈছে নেকি?

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩৩৪ তম সংখ্যা ● গুৱাহাটী ● মঙলবাৰ ২৭ ভাদ ১৪২৯ ভাস্কৰাব্দ ১৩ ছেপ্টেম্বৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Tuesday 13 September 2022 মূল্য ঃ ৯.০০ টকা

■ এয়াই চৰকাৰৰ নীতি ঃ বিধানসভাত ঘোষণা ড° শৰ্মাৰ ■ আমি উদ্যোগপতি নহয়, উদ্যোগ চলোৱা কাম চৰকাৰৰ নহয় ■ ৰাজ্যত ৪১টা ৰাজহুৱা প্ৰতিষ্ঠানৰ ভিতৰত ২০টা উদ্যোগেই বন্ধ

# আমি ৰাজহুৱা উদ্যোগ নাপাতো ঃ মুখ্যমন্ত্ৰী

**উদ্যোগ চলাবলৈ প্ৰশিক্ষিত বিষয়া নাই, ব্যক্তিগত খণ্ডৰ উদ্যোগ স্থাপনতহে দিছপুৰৰ গুৰুত্ব**

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১২ ছেপ্টেম্বৰ ঃ** উদ্যোগ খণ্ডত অসমক আগুৱাই নিয়াৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণৰ কথা সময়ে সময়ে ঘোষণা কৰিছে যদিও সেয়া যে বাস্তৱিকতে অন্তঃসাৰশূন্য ঘোষণাহে সেয়া স্পষ্ট কৰি আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰে যে অসম চৰকাৰে নতুনকৈ ৰাজহুৱা খণ্ডৰ উদ্যোগ স্থাপন নকৰে। নতুনকৈ উদ্যোগ স্থাপন কৰিব নিবিচৰাটোৱেই চৰকাৰৰ নীতি বুলিও তেওঁ কয়। আজি সদনত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে নতুনকৈ উদ্যোগ স্থাপন কৰি লোকচানৰ সন্মুখীন হোৱাতকৈ সেই ধন স্বাস্থ্য, শিক্ষা আদি ক্ষেত্ৰসমূহত ব্যয় কৰা হ'ব। বিৰোধী বিধায়ক অখিল গগৈৰ সমালোচনাৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰীয়ে কয় যে উদ্যোগ চলোৱা কাম চৰকাৰৰ নহয়। চৰকাৰৰ উদ্যোগ চলোৱাৰ কোনো অভিপ্ৰায় নাই বুলি স্পষ্ট কৰি দি মুখ্যমন্ত্ৰীয়ে কয়, 'আমি উদ্যোগপতি নহয়, আমি চৰকাৰহে।' এই চৰকাৰখন সমাজবাদী চৰকাৰ নহয় বুলিও মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে লোকচানৰ সন্মুখীন হ'বলগীয়া উদ্যোগ চৰকাৰে স্থাপন নকৰে। অৱশ্যে তেওঁ সদনক এই কথাও জনায় যে চৰকাৰৰ নিৰ্দিষ্ট উদ্যোগনীতি আছে আৰু সেই মতেহে উদ্যোগ ক্ষেত্ৰত চৰকাৰে নিজৰ কাম কৰিব। বিজেপি চৰকাৰৰ শাসন কালত কেইটা নতুন উদ্যোগ স্থাপন কৰিছে বুলি বিধায়ক গগৈয়ে উত্থাপন কৰা প্ৰশ্নৰ উত্তৰ দি মুখ্যমন্ত্ৰীয়ে *১০ পৃষ্ঠাত চাওক*



*পুঁজিপতি বণিয়াৰ হাতোৰাৰ পৰা জনজাতিৰ বাবে সংৰক্ষিত ভূমি উদ্ধাৰৰ দাবী ট্ৰাইবেল সংঘৰ।*

■ কংগ্ৰেছ-ৰাইজৰ দলৰ সভাস্থগিত প্ৰস্তাৱ ■ 'মাতৃভাষাৰ মৰ্যাদা ৰক্ষা কৰক' হাতে হাতে প্লেকাৰ্ড লৈ সদনত বিৰোধীৰ প্ৰতিবাদ ■ উচ্ছেদৰ বিৰোধিতাৰে এআইইউডিএফৰ সদন ত্যাগ

## মাধ্যম বিতৰ্কক লৈ উত্তাল হ'ল বিধানসভা

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১২ ছেপ্টেম্বৰ ঃ** চৰকাৰী বিদ্যালয় বন্ধ কৰাৰ বিৰোধিতা আৰু মাতৃভাষা মাধ্যম ৰক্ষাৰ দাবীৰে আজি উত্তাল হ'ল অসম বিধানসভাৰ শৰৎকালীন অধিবেশনৰ প্ৰথমটো দিন। বিৰোধীৰ প্ৰবল প্ৰতিবাদত সদন স্থগিত ৰাখিবলৈ বাধ্য হয় বিধানসভাৰ অধ্যক্ষ। ইফালে, ৰাজ্যৰ ভিন্ন প্ৰান্তত বিগত সময়ত অব্যাহত থকা উচ্ছেদৰ বিৰোধিতাৰে সভাস্থগিত প্ৰস্তাৱ অনা বিৰোধী এআইইউডিএফে সদন ত্যাগ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ্য যে আজি অসম বিধানসভাৰ প্ৰথম দিনৰ প্ৰশ্নোত্তৰ কাৰ্যসূচী অন্ত পৰাৰ পাছতে বিৰোধী কংগ্ৰেছৰ নেতা দেৱব্ৰত শইকীয়া, এআইইউডিএফৰ নেতা হাফিজ বছিৰ আহমেদ আৰু ৰাইজৰ দলৰ বিধায়ক অখিল গগৈয়ে সুকীয়া সুকীয়াকৈ সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰে। বিৰোধী দলপতি শইকীয়াই কংগ্ৰেছৰ হৈ মাতৃভাষা মাধ্যমলৈ নামি অহা সংকট আৰু ভিন্ন অজুহাতত চৰকাৰে বিদ্যালয় বন্ধ কৰি দিয়াৰ বিষয়টো অতি স্পৰ্শকাতৰ বুলি অভিহিত কৰি এই সন্দৰ্ভত সদনৰ মজিয়াত দিনটোৰ অন্যান্য কাৰ্যসূচী বাতিল কৰি আলোচনাৰ দাবী উত্থাপন কৰে। কংগ্ৰেছৰ এই প্ৰস্তাৱৰ স'তে অনুৰূপ বিষয়ত আন এটা সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰি ৰাইজৰ দলৰ বিধায়ক গগৈয়ে কয় যে ৰাজ্যৰ শিক্ষাখণ্ডক লৈ এতিয়া চৰকাৰে কেতবোৰ *১০ পৃষ্ঠাত চাওক*

■ জনজাতিৰ মৰ্যাদা বিচাৰি কোচ ৰাজবংশী, মাননি বৃদ্ধিৰ দাবীত অংগনৱাড়ী কৰ্মী-সহায়িকা, দৰমহা বিচাৰি প্ৰাথমিক শিক্ষক, সংৰক্ষিত ভূমিৰ পৰা অবৈধ কাৰখানা উচ্ছেদৰ দাবীত ট্ৰাইবেল সংঘৰ প্ৰতিবাদ

## শৰৎকালীন অধিবেশনৰ প্ৰথম দিনাই প্ৰাপ্যৰ দাবীৰে উত্তাল ধৰ্ণাস্থলী চচল

'ছেল্ফি মামাৰ কাম নাই' শ্ল'গান দি মূল্যবৃদ্ধি ভাট্টা দাবী ভোটাৰ্চ্ছ পাৰ্টি ইণ্টাৰনেচনেলৰ



**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১২ ছেপ্টেম্বৰ ঃ** আজিৰে পৰা অনুষ্ঠিত অসম বিধানসভাৰ শৰৎকালীন অধিবেশনৰ আজি প্ৰথমটো দিনাই প্ৰাপ্যৰ দাবীৰে উত্তাল হৈ পৰে চচলৰ ধৰ্ণাস্থলী। ট্ৰাইবেল বেল্ট আৰু ব্লকৰ পৰা বেদখল তথা অবৈধ নিৰ্মাণ কাৰ্য উচ্ছেদৰ দাবীত সদৌ অসম ট্ৰাইবেল সংঘ, কোচ ৰাজবংশীসকলক শীঘ্ৰে জনজাতিৰ মৰ্যাদা প্ৰদানৰ *১০ পৃষ্ঠাত চাওক*

**শোভা**

■ সঞ্জীৱ সভাপণ্ডিত



কেয়ূৰা ন বিভূষয়ন্তি পুৰুষম্/ হাড়া ন চন্দ্ৰৌজ্বলা/ নস্নানং ন বিলেপনং ন কুসুমম/নালংকৃতা মূৰ্দ্ধজা/ বাণী একা সমলংকৰোতি পুৰুষম/ যা সংস্কৃতা ধাৰ্য্যতে ক্ষিয়ন্তে খল ভূষণানি শততম— বাক ভূষণম ভূষণম।

মহান ভাৰতীয় সভ্যতা-সংস্কৃতিয়ে আমাক দিয়া এয়া হ'ল এক অমল-অমৰ শিক্ষা, দীক্ষা, জ্ঞান, নীতি আৰু মূল্যবোধ। মানুহক সোণ-ৰূপ, মণি-মুকুতাৰ আ-অলংকাৰ-মুকুট-কিৰীটি বা সুন্দৰ স্নান-প্ৰসাধন-সুগন্ধি-আতৰ আদিৰ আভৰণ বা *১০ পৃষ্ঠাত চাওক*

সন্ত্ৰাসৰ সৃষ্টি কৰাৰ বাবেই মৰিয়াই হত্যা

## সাপেখাতীৰ শালকাঠনি চাহ বাগিচাত গণ প্ৰহাৰত মৃত্যু এজনৰ



**অগ্ৰদূত বাৰ্তা**
**সোণাৰি, ১২ ছেপ্টেম্বৰ ঃ** বিভিন্ন অপৰাধমূলক কাৰ্যকলাপত অভিযুক্ত এজনক একাংশ লোকে মৰিয়াই মৰিয়াই হত্যা কৰা ঘটনাই চৰাইদেউ জিলাত চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই ঘটনা সংঘটিত হৈছে জিলাখনৰ সাপেখাতী নগৰৰ *আঠ পৃষ্ঠাত চাওক*

## ভৰেশ কলিতাৰ বিৰুদ্ধে চাকৰিৰ বিনিময়ত ধনদাবীৰ অভিযোগ

অগপ সদস্যাৰ অভিযোগ নাকচ বিজেপি সভাপতিৰ

**অগ্ৰদূত বাৰ্তা**
**ৰঙিয়া, ১২ ছেপ্টেম্বৰ ঃ** মিত্ৰদল অগপৰ এগৰাকী সদস্যাৰ গুৰুতৰ অভিযোগে সম্প্ৰতি নিদ্ৰা হৰণ কৰিছে ৰাজ্যিক বিজেপিৰ সভাপতি তথা ৰঙিয়াৰ বিধায়ক ভৰেশ কলিতাৰ। কিয়নো সামাজিক মাধ্যমত অগপ সদস্যাগৰাকীয়ে কলিতাৰ বিৰুদ্ধে উত্থাপন কৰিছে চাকৰিৰ বিনিময়ত ধন দাবীৰ অভিযোগ। এই অভিযোগে সম্প্ৰতি ৰাজ্যজুৰি *আঠ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩১° | ২৫° |
| ডিব্ৰুগড় | ৩১° | ২৪° |
| দিল্লী | ৩৬° | ২৭° |
| কলকাতা | ২৮° | ২৬° |
| মুম্বাই | ২৯° | ২৬° |
| চেন্নাই | ৩৫° | ২৭° |
| বাংগালুৰু | ২৭° | ১৯° |
| শ্বিলং | ২২° | ১৮° |

১২ ছেপ্টেম্বৰ, ২০২২

**চেঙা তেল**



*দলত থাকিম নে ওলাই গৈ আন দলত যোগ দিম? তাৰ উত্তৰ ওলালেই ৰক্ষা!*

চিআইডি তদন্ত দাবী ■ অভিযোগকাৰীক গ্ৰেপ্তাৰৰ বাবে চৰকাৰক সমালোচনা বিৰোধীৰ

## ভিক্টৰ দাসৰ বাসগৃহত তালাচী ঃ লেপটপ জব্দ

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১২ ছেপ্টেম্বৰ ঃ** ৰাজ্যত চলি থকা বৃহৎ নিযুক্তি প্ৰক্ৰিয়াৰ মাজতে দালাল চক্ৰৰ সক্ৰিয়তাক লৈ অভিযোগ উত্থাপন কৰি গ্ৰেপ্তাৰ হোৱা প্ৰশিক্ষক ভিক্টৰ দাসৰ বিষয়টোৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াই বিস্তাৰিত ৰূপ ধাৰণ কৰিছে। বেআইনীভাৱে ভিক্টৰ দাসক গ্ৰেপ্তাৰ কৰা বুলি *১০ পৃষ্ঠাত চাওক*



## গণিত-বিজ্ঞান বিষয় দুটাহে ইংৰাজীত পঢ়ুওৱা হ'ব ঃ শিক্ষামন্ত্ৰী পেগু

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১২ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ চৰকাৰী বিদ্যালয়সমূহত মাধ্যম সলনিৰ কোনো সিদ্ধান্ত লোৱা হোৱা নাই। কেৱল বিজ্ঞান আৰু গণিতৰ পাঠ্যপুথিহে ইংৰাজীত প্ৰৱৰ্তনৰ সিদ্ধান্ত *আঠ পৃষ্ঠাত চাওক*

## প্ৰতিটো জাতি-জনগোষ্ঠীৰ বিশ্বাসভাজন হ'ব লাগিব অগপ ঃ বৰা

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১২ ছেপ্টেম্বৰ ঃ** 'তিনিজন ব্যক্তি আৰু এখন বেনাৰ লৈ সংবাদ মাধ্যমৰ সন্মুখত জাতীয়তাবাদৰ শ্ল'গান দি জন্ম হোৱা দল অসম গণ পৰিষদ নহয়। অসম গণ পৰিষদ অসমৰ ৰাইজৰ তেজেৰে গঢ়া *আঠ পৃষ্ঠাত চাওক*

■ সংশোধিত নাগৰিকত্ব আইনৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত শুনানি আৰম্ভ ■ অসমসহ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে সুকীয়া সময় থাকিব

## চলিচিটৰ জেনেৰেলক চাৰি সপ্তাহৰ ভিতৰত ৰূপৰেখা প্ৰস্তুতৰ নিৰ্দেশ

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১২ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰে দেশত সংশোধিত নাগৰিকত্ব আইন কাৰ্যকৰী কৰিবলৈ অব্যাহত ৰখা তৎপৰতাৰ মাজতে ইয়াৰ বিৰুদ্ধে দাখিল হোৱা আবেদনবোৰক লৈ আজিৰ পৰা উচ্চতম ন্যায়ালয়ত শুনানি আৰম্ভ হ'ল। প্ৰথম দিনটোতেই প্ৰায় চাৰে চাৰি ঘণ্টা জুৰি অনুষ্ঠিত শুনানিৰ অন্তত মুখ্য ন্যায়াধীশ উদয় উমেশ ললিত আৰু ন্যায়াধীশ ৰবীন্দ্ৰ ভাটৰ খণ্ড বিচাৰপীঠে পৰৱৰ্তী *আঠ পৃষ্ঠাত চাওক*



**৩১ অক্টোবৰত পৰৱৰ্তী দিন ধাৰ্য ঃ দেশজুৰি দাখিল হোৱা ২১৯ খন আবেদনৰ ভিত্তিত শুনানি আৰম্ভ**

■ মহানগৰীৰ বৰবাৰীৰ এটা গেষ্ট হাউচত বাহৰ পাতি মুকলি কৰিছিল বজাৰ



## ঠিকাভিত্তিক নিযুক্তিৰ জাল নিযুক্তিপত্ৰ দিয়া চক্ৰৰ সাতজনক গ্ৰেপ্তাৰ আৰক্ষীৰ

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১২ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰৰ চলিত নিযুক্তি প্ৰক্ৰিয়াত দালাল চক্ৰৰ তৎপৰতা সন্দৰ্ভত উত্থাপিত অভিযোগক লৈ অব্যাহত থকা চৰ্চাৰ মাজতে ভুৱা নিযুক্তিপত্ৰ প্ৰদানৰ লগত জড়িত থকা বুলি মহানগৰীত সাতজন লোকক যোৱা নিশা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা হয়। এই দলটোৰ আন তিনিজনৰ সন্ধানত আৰক্ষীৰ অভিযান অব্যাহত *আঠ পৃষ্ঠাত চাওক*

■ প্ৰশিক্ষণ শিবিৰত অংশগ্ৰহণ কৰিছিল ধৃত মোছাদ্দিক-ইক্ৰামূলে

## জেহাদীৰে সম্পৰ্ক থকাৰ অভিযোগত মৰিগাঁৱত পুনৰ দুজনক গ্ৰেপ্তাৰ



**বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা**
**নগাঁও/ভূৰাগাঁও/মৰিগাঁও, ১২ ছেপ্টেম্বৰ ঃ** এইবাৰ পুনৰ মৰিগাঁও আৰক্ষীৰ জালত পৰিছে সন্ত্ৰাসবাদী সংগঠন আনছাৰুল্লাহ বাংলা টীমৰ দুই যোগসূত্ৰকাৰী। যোৱা নিশা মৰিগাঁও আৰক্ষীয়ে পৃথকে অভিযান চলাই দুই সন্দেহযুক্ত জেহাদীক গ্ৰেপ্তাৰ কৰে। জেহাদী সংগঠনৰ স'তে তেওঁলোক জড়িত থকাৰ বহু প্ৰমাণ লাভ কৰা বুলি মৰিগাঁও আৰক্ষীয়ে দাবী কৰিছে। ধৃত লোক দুজন হৈছে নগাঁও জিলাৰ ভকতগাঁও টকৌবাৰীৰ *১০ পৃষ্ঠাত চাওক*



## ৩০ অৱসৰপ্ৰাপ্ত আমোলাক দৰমহা-বানচ দি নিয়োগ

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১২ ছেপ্টেম্বৰ ঃ** উদং ৰাজকোষত আৰু অধিক বোজা জাপি দি দৰমহা, অন্যান্য সা-সুবিধাৰে ৰাজ্য চৰকাৰে ৩০ জনকৈ অৱসৰপ্ৰাপ্ত আমোলাক ভিন্ন বিভাগত নিযুক্তি দি ৰাখিছে। কংগ্ৰেছ বিধায়ক দেৱব্ৰত শইকীয়াৰ এক প্ৰশ্নৰ *আঠ পৃষ্ঠাত চাওক*

■ ঘৰুৱা সহায়কাৰী শিশু-কিশোৰীৰ সবিশেষ পঞ্জীয়ন কৰিব লাগিব থানাত, বিদ্যালয়ত পঢ়ুওৱাটো বাধ্যতামূলক ঃ মুখ্যমন্ত্ৰীৰ ঘোষণা

## ৰাজ্যত বৃদ্ধি যুৱতী-মহিলাৰ চোৰাং সৰবৰাহ, ১৫ মাহতে ১৭৪টা গোচৰ

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১২ ছেপ্টেম্বৰ ঃ** এতিয়াৰে পৰা ঘৰত 'বনকৰা ছোৱালী' থাকিলে কিশোৰীগৰাকীৰ সবিশেষ তথ্য জনাই স্থানীয় আৰক্ষী থানাত নাম পঞ্জীয়ন কৰিব লাগিব গৰাকীয়ে। সমান্তৰালকৈ ঘৰুৱা সহায়কৰূপে অনা শিশু কিশোৰীগৰাকীক বিদ্যালয়ত পঢ়ুওৱাটো বাধ্যতামূলক। গুৱাহাটীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত আদিবাসী, চাহ বাগিচা শ্ৰমিকৰ কন্যা সন্তানক পিতৃ-মাতৃৰ ইচ্ছা সাপেক্ষে ঘৰুৱা কাম-বনত সহায়কাৰী হিচাপে অনা লোকসকলৰ ক্ষেত্ৰত আজি এই বাধ্যতামূলক নিয়ম আৰোপ কৰিছে ৰাজ্য চৰকাৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অসম বিধানসভাত এই কথা সদৰী কৰি কয় যে কোনো লোকে যদিহে ঘৰত কাম কৰাৰ বাবে এনে শিশু-কিশোৰীক আনি স্থানীয় থানাত নাম পঞ্জীয়ন নকৰে বা তেনে শিশু কিশোৰীক বিদ্যালয়ত *১০ পৃষ্ঠাত চাওক*

■ সমাজৰ সংকীৰ্ণতাৰ বলি হ'ল নগাঁৱৰ পৰিয়াল ■ পুত্ৰক নিলগাই ৰাখিও কুসংস্কাৰীৰ পৰা ৰেহাই নাপালে ■ নামঘৰত প্ৰৱেশ বন্ধ

## গাহৰি পালন কৰা বাবেই এঘৰীয়া কৰিলে সমাজে, নিষেধাজ্ঞা আৰোপ

**বিশেষ সংবাদদাতা**
**নগাঁও, ১২ ছেপ্টেম্বৰ ঃ** সংকীৰ্ণতা আৰু কুসংস্কাৰত আচ্ছন্ন একাংশ লোকৰ দৌৰাত্ম্যত সমাজৰ পৰা এঘৰীয়া হৈ সম্প্ৰতি তীব্ৰ মানসিক যন্ত্ৰণাত ভুগিবলগীয়া হৈছে নগাঁও জিলাৰ দেওবালি কাকতিগাঁৱৰ এটা দৰিদ্ৰ পৰিয়ালে। ইয়াৰ লগতে জীৱিকা হেৰুওৱাৰ আশংকাতো ভুগি পৰিয়ালটোৱে ভৱিষ্যতৰ চিন্তাত থৰকাছুটি *১০ পৃষ্ঠাত চাওক*

■ আৰক্ষী লগাই গাহৰি নিয়াৰ ভাবুকিৰ পাছত উপাৰ্জন হেৰুওৱাৰ আশংকাত ভুক্তভোগী



■ আলফা (স্বাধীন)লৈ আকৰ্ষণ বৃদ্ধিৰ কথা বিধানসভাতে স্বীকাৰ কৰিলে মুখ্যমন্ত্ৰীয়ে
■ এবিটিৰ ৪০-জেএমবিৰ ৩৫-হিজবুল মুজাহিদীনৰ নজন সন্ত্ৰাসবাদীৰ বিৰুদ্ধে চলিছে বিচাৰ

## বিজেপিৰ শাসনত ডেৰ সহস্ৰাধিক আলফালৈ

**ষ্টাফ ৰিপৰ্টাৰ**
**গুৱাহাটী, ১২ ছেপ্টেম্বৰ ঃ** ৰাজ্যত বিজেপি চৰকাৰ গঠনৰ পাছৰে পৰা অৰ্থাৎ ২০১৬ৰ পৰা বৰ্তমানলৈ অসম আৰক্ষীয়ে জেহাদীৰ সন্দেহত মুঠ ৮৪ জন অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। ইয়াৰে ভিতৰত সৰহসংখ্যকে বাংলাদেশৰ আনছাৰুল্লাহ বাংলা টীম চমুকৈ এবিটিৰ সদস্য। বিগত ছবছৰত আৰক্ষীয়ে জেহাদী সন্দেহত গ্ৰেপ্তাৰ কৰা অভিযুক্তসকলৰ ভিতৰত এবিটিৰ সৰ্বাধিক ৪০জন সদস্য থকাৰ বিপৰীতে জামাত-উল-মুজাহিদীন বাংলাদেশ (জেএমবি)ৰ ৩৫ জন আৰু হিজবুল মুজাহিদীনৰ নজন সদস্যক গ্ৰেপ্তাৰ কৰা হৈছে। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াৰ এক প্ৰশ্নৰ উত্তৰত আজি বিধানসভাত এই পৰিসংখ্যা দাঙি ধৰি গৃহ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই *আঠ পৃষ্ঠাত চাওক*



দৈনিক অগ্রদূত
গুৱাহাটী, ১৩ ছেপ্টেম্বৰ, ২০২২ মঙলবাৰ পৃষ্ঠা তিনি



## শোণিতপুৰত গাহৰিৰ দেহত আফ্ৰিকান ছোৱাইন জ্বৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১২ ছেপ্টেম্বৰ ঃ** শোণিতপুৰৰ ঢেকিয়াজুলিৰ কাৰৈমাৰীৰ দুই নম্বৰ বামুণ পুখুৰীত আফ্ৰিকান ছোৱাইন জ্বৰত গাঁহৰি আক্ৰান্ত হোৱা বুলি জানিব পৰা গৈছে। ইতিমধ্যে পশুপালন বিভাগে আজি এনে আঠটা গাহৰি নিধন কৰি পোতাৰ ব্যৱস্থা কৰিছে। গাহৰিৰ এই *ছয় পৃষ্ঠাত চাওক*

## শালবাৰীত সুৰামত্ত বৃদ্ধৰ দাৰ ঘাপত নিহত মহিলা

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১২ ছেপ্টেম্বৰ ঃ** বাগ্‌সাৰ শালবাৰীৰ সমীপৱৰ্তী পূব উধিয়াগুৰি গাঁৱত যোৱা নিশা এক হত্যাকাণ্ড সংঘটিত হয়। নিশা প্ৰায় ১০ বজাত এজন সুৰামত্ত বৃদ্ধৰ দাৰ ঘাপত এগৰাকী মহিলা নিহত হয়। প্ৰাপ্ত তথ্য অনুসৰি, পূব উধিয়াগুৰি গাঁৱৰ ধনেশ্বৰ দাস (৬৫) নামৰ লোকজনে তেওঁৰ বাসগৃহতেই নিকটৱৰ্তী শান্তিপুৰ গাঁৱৰ বন কৰা শ্ৰমিক পহৰী সূত্ৰধৰ (৬০) নামৰ মহিলাগৰাকীক দাৰে ঘপিয়াই হত্যা কৰে। উল্লেখ্য যে শালবাৰীৰ শান্তিপুৰ গাঁৱৰ থানেশ্বৰ সূত্ৰধৰৰ পত্নী পহৰীয়ে দেওবাৰে নিশা হত্যাত অভিযুক্ত দাসৰ বাসগৃহত দাস আৰু তেওঁৰ পত্নীৰ স'তে একেলগে মদ্যপান কৰি আছিল। মদৰ নিচাত দুয়োৰে মাজত কোনো কথাক লৈ বাক-বিতণ্ডা চলে। ইয়াতে হিতাহিত জ্ঞান হেৰুৱাই নিশা প্ৰায় ১০ বজাত দাসে মহিলাগৰাকীক এখন দাৰে ডিঙিত উপৰ্যুপৰি ঘপিয়ায়। ফলত মহিলাগৰাকী থিতাতে নিহত হয়। ঘটনাটো সংঘটিত হোৱাৰ পাছতে স্থানীয় লোকৰ খবৰৰ ভিত্তিত শালবাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰূপজ্যোতি দত্তসহ আৰক্ষীৰ এটা দলে ঘটনাস্থলীত উপস্থিত হৈ অভিযুক্ত দাসক কৰায়ত্ত কৰাৰ লগতে হত্যাত ব্যৱহৃত দাখন জব্দ কৰে। আৰক্ষীয়ে নিশাই ক্ষত-বিক্ষত মৃতদেহটো উদ্ধাৰ কৰে। অত্যধিক মদ্যপানৰ ফলতে এই হত্যাকাণ্ড সংঘটিত হোৱা বুলি জানিবলৈ দিয়ে স্থানীয় লোকে।

### 'দৈনিক অগ্ৰদূত'ৰ 'চৰকাৰী চোৰাং চাউল পুনৰ খাদ্য নিগমকে বিক্ৰী'ক লৈ সদনত আলোচনা

# তিনিমাহতে ৪৮০০ কুইণ্টল চোৰাং চাউল জব্দ



*বিভিন্ন দাবীৰ সমৰ্থনত লাষ্টগেটত অংগনৱাড়ী কৰ্মী-সহায়িকা সন্থাৰ প্ৰতিবাদ, সোমবাৰে।*

### ৰাজ্যত পি ডি এছৰ চাউলৰ চোৰাং বেহা অব্যাহত থকাৰ কথা স্বীকাৰ যোগানমন্ত্ৰীৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ১২ ছেপ্টেম্বৰ ঃ** ৰাজ্যত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত যোগান ধৰা চাউলৰ চোৰাং বেহাৰ কথা স্বীকাৰ কৰিলে ৰাজ্যৰ যোগানমন্ত্ৰীয়ে। যোৱা ২৬ আগষ্টৰ সংখ্যা 'দৈনিক অগ্ৰদূত'ৰ প্ৰথম পৃষ্ঠাত প্ৰকাশিত 'চৰকাৰী চোৰাং চাউল পুনৰ খাদ্য নিগমকে বিক্ৰী ক'লা বেপাৰী চক্ৰৰ' শীৰ্ষক বাতৰিটো সন্দৰ্ভত আজি অসম বিধানসভাৰ মজিয়াত এক বিবৃতিযোগে যোগানমন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কয় যে চোৰাং ব্যৱসায়ী চক্ৰই পি ডি এছৰ চাউলৰ চোৰাং বেহা অব্যাহত ৰাখিছে যদিও সমানে অসম আৰক্ষীয়েও চোৰাং বেপাৰীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। উল্লেখ্য যে অসম বিধানসভাৰ মজিয়াত আজি এআইইউডিএফৰ *ছয় পৃষ্ঠাত চাওক*

### ■ শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰাৰ সংকল্প যশস্বী সাহিত্যিক য়েছে দৰজে ঠংচিৰ ■ কনিষ্ঠ ভ্ৰাতৃ ঠংচিয়ে এই যাত্ৰাত সফলতা লাভ কৰক ■ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ইমৰান শ্বাহ

## অসমীয়া ভাষা সাহিত্যক বিশ্বদৰবাৰত সোণালী পথেৰে আগুৱাই নিয়াৰ প্ৰতিশ্ৰুতি



বিশেষ সংবাদদাতা

**শিৱসাগৰ, ১২ ছেপ্টেম্বৰ ঃ** অসম সাহিত্য সভাৰ সভাপতি পদৰ প্ৰাৰ্থী, স্বনামধন্য সাহিত্যিক, পদ্মশ্ৰী য়েছে দৰজে ঠংচিয়ে আজি পুৱা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ইমৰান শ্বাহৰ বাসভৱনত উপস্থিত হয়। শ্বাহে ঠংচিক নিজৰ ৰচনাৱলী উপহাৰ দিয়াৰ পাছত য়েছে দৰজে ঠংচিয়েও 'পাপৰ পুখুৰী' নামৰ গ্ৰন্থখন তেওঁৰ হাতত অৰ্পণ কৰে। দীৰ্ঘ সময় দুয়োজন সাহিত্যিকে অন্তৰংগভাৱে মত বিনিময় কৰাৰ পাছত যশস্বী সাহিত্যিক ঠংচিয়ে সাংবাদিকৰ আগত কয়, 'অসম সাহিত্য সভা অসমৰ সৰ্ববৃহৎ জাতীয় অনুষ্ঠান। য'ত সমাজৰ সকলো স্তৰৰ লোক হাড়ে হিমজুৰে *ছয় পৃষ্ঠাত চাওক*

### পুৱতি নিশা বৰঘাট বাইপাছত ট্ৰাকসহ ৩২ টাকৈ চোৰাং গৰু জব্দ

## নগাঁৱৰ মাজেৰে চোৰাং গৰু সৰবৰাহ অব্যাহত



বিশেষ সংবাদদাতা

**নগাঁও, ১২ ছেপ্টেম্বৰ ঃ** ৰাজ্যখনত গো-সুৰক্ষা আইনক কঠোৰভাৱে বলবৎ কৰাৰ কথা চৰকাৰে বাৰম্বাৰ দোহাৰি অহাৰ সময়তে নগাঁও জিলা প্ৰমুখ্যে ৰাজ্যখনৰ কেতবোৰ জিলাৰ পৰা নগাঁৱৰ মাজেৰে যোৱা ঘাইপথেৰেই কেতবোৰ চোৰাং গৰু সৰবৰাহকাৰী চক্ৰই অবৈধভাৱে গৰু সৰবৰাহ অব্যাহত ৰাখিছে। চোৰাং গৰু সৰবৰাহকাৰী চক্ৰই নগাঁও জিলাৰ মাজেৰে কে'বাটাও ৰাজ্যিক পথ আৰু চাৰিপথযুক্ত ঘাইপথক নিৰাপদ কৰিড'ৰ হিচাপে ব্যৱহাৰ কৰি মেঘালয় হৈ বাংলাদেশলৈ বুলি গৰু অবৈধভাৱে সৰবৰাহ কৰে বুলি নগাঁও *ছয় পৃষ্ঠাত চাওক*

## কলাগুৰু-নটসূৰ্যৰ সান্নিধ্যৰে ধন্য সুদক্ষ অভিনেতা, সমাজকৰ্মী, জ্যোতিপ্ৰসাদ শইকীয়াৰ বিয়োগ



ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১২ ছেপ্টেম্বৰ ঃ** তেজপুৰৰ সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনৰ অন্যতম সুপৰিচিত ব্যক্তি তথা এগৰাকী সুদক্ষ অভিনেতা, সমাজকৰ্মী তথা অৱসৰপ্ৰাপ্ত বেংক বিষয়া, তেজপুৰ নিবাসী জ্যোতিপ্ৰসাদ শইকীয়া (৭৬)ৰ আজি পুৱা প্ৰায় চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। তেজপুৰৰ সাংস্কৃতিক তথা সামাজিক ক্ষেত্ৰখনত তেওঁৰ মৃত্যুত শোকৰ ছাঁ পৰিছে। ১৯৪৭ৰ আঠ জুনত জন্মগ্ৰহণ কৰা শইকীয়াই অধ্যয়নৰ সমান্তৰালভাৱে শৈশৱৰে পৰা অভিনয়ৰ ক্ষেত্ৰখনৰে জড়িত হৈ পৰে। দৰং মহাবিদ্যালয়ত অধ্যয়ন কৰি থকা অৱস্থাত মহাবিদ্যালয়খনত একাধিকবাৰ শ্ৰেষ্ঠ অভিনেতাৰ সন্মান অৰ্জন কৰা শইকীয়াই শৈশৱতে কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা, নটসূৰ্য ফণী শৰ্মাৰ স'তে শৈশৱতে অভিনয় কৰাৰ সুযোগ লাভ কৰিছিল। তদুপৰি দুৰ্গা গোস্বামী, চন্দ্ৰধৰ গোস্বামী, তুলসী দাস, দেৱেন শৰ্মা, ভোলা কলিতা, কৰুণা দত্ত হাজৰিকা, গোপাল শৰ্মা এসময়ৰ দিগ্বজ শিল্পীসকলৰ স'তেও অভিনয় কৰা শইকীয়াই পৰৱৰ্তী সময়ত নিপন গোস্বামী, সুৰেণ মহন্ত, চেতনা দাস, সুজিত শৰ্মা আদি সকলৰ দৰে প্ৰখ্যাত অভিনেতা-অভিনেত্ৰীৰ স'তেও অভিনয় কৰিছিল। তেজপুৰৰ অপেছাদাৰী নাট্যক্ষেত্ৰৰ এজন বলিষ্ঠ অভিনেতা হিচাপে পৰিচিত শইকীয়াই পূৰ্বে মাজগাঁৱৰ শ্ৰীশ্ৰীশংকৰ মন্দিৰ অনুষ্ঠানৰ সভাপতিৰ দায়িত্ব পালনৰ লগতে এই অনুষ্ঠানৰ তেওঁ আজীৱন সদস্য আছিল। ইয়াত তেওঁ 'ভোগজৰা, কিয়, এমুঠি *ছয় পৃষ্ঠাত চাওক*

## মুছলপুৰত বাগ্‌সা পলিটেকনিকৰ কৰ্মচাৰীৰ অনিৰ্দিষ্টকালীন কৰ্মবিৰতি

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১২ ছেপ্টেম্বৰ ঃ** বিগত ১১ মাহ ধৰি বন্ধ হৈ থকা দৰমহা আদায়ৰ দাবীত আজিৰে পৰা বাগ্‌সা জিলাৰ সদৰ মুছলপুৰস্থিত বাগ্‌সা পলিটেকনিকৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলে অনিৰ্দিষ্টকালীন কৰ্মবিৰতি পালন কৰে। তথ্য মতে, ৰাজ্যখনৰ নৱনিৰ্মিত ১১ খন পলিটেকনিক আৰু দুখনকৈ অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ মুঠ ৩৮৪ গৰাকী কৰ্মচাৰীয়ে বিগত ১১ মাহ ধৰি প্ৰাপ্য দৰমহাৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ উঠিছে। উল্লেখ্য যে ৰাজ্য চৰকাৰৰ পলিটেকনিক প্ৰতিষ্ঠানসমূহৰ সঞ্চালকৰ স'তে হোৱা চুক্তি অনুসৰি মাইক্ৰোচম, এইছআৰডি আদি প্ৰতিষ্ঠানসমূহে ৰাজ্যখনত নতুনকৈ স্থাপিত হোৱা ১১খনকৈ পলিটেকনিক প্ৰতিষ্ঠানত চতুৰ্থবৰ্গৰ কৰ্মচাৰী নিয়োগ কৰিছিল। কিন্তু পলিটেকনিকসমূহত কৰ্মৰত চতুৰ্থবৰ্গৰ কৰ্মচাৰীয়ে এতিয়া ১১ মাহলৈকে লাভ কৰা নাই নিজৰ প্ৰাপ্য দৰমহা। মাথোঁ ১০ হোজাৰ টকাৰ নিৰ্ধাৰিত দৰমহাৰে সেৱা আগবঢ়াই অহা এইসকল কৰ্মচাৰীয়ে মাহৰ পাছত মাহ ধৰি দৰমহাৰ পৰা বঞ্চিত হৈ থকাত পানীত হাঁহ নচৰা অৱস্থা হৈছে। সেয়ে বন্ধ হৈ থকা দৰমহা শীঘ্ৰে আদায় দিয়াৰ দাবীত বাগ্‌সা পলিটেকনিকৰ চতুৰ্থবৰ্গৰ ২৪ গৰাকী কৰ্মচাৰীয়ে আজিৰে পৰা অনিৰ্দিষ্টকালীন কৰ্মবিৰতি কাৰ্যসূচী গ্ৰহণ কৰিছে। অতি কম পাৰিশ্ৰমিকৰে সেৱা আগবঢ়াই থকা এইসকল কৰ্মচাৰীৰ অতি শীঘ্ৰে দৰমহা বৃদ্ধি কৰাৰ লগতে নিয়মীয়াকৈ দৰমহা প্ৰদান কৰা উপৰি চাকৰি নিয়মীয়া কৰিবলৈ দাবী জনাইছে।

## ফাদিল হ'ল মুন্নাভাই এমবিবিএছৰূপী লক্ষেশ্বৰ দাসৰ ভুৱা ডিগ্ৰী

অগ্ৰদূত বাৰ্তা

**চতিয়া, ১২ ছেপ্টেম্বৰ ঃ** ১৮ বছৰে জামুগুৰি, চতিয়া, কুসুমতলা, নাৰায়ণপুৰকে ধৰি বহু ঠাইত ভুৱা ডিগ্ৰীৰে চিকিৎসা বৃত্তি চলাই অহা লক্ষেশ্বৰ দাস নামৰ ভুৱা চিকিৎসকজনক চতিয়া প্ৰেছ ক্লাবৰ অভিযোগৰ ভিত্তিত বিশ্বনাথ জিলা প্ৰশাসনে চলোৱা তদন্তত ধৰা পৰা কাৰ্যই অঞ্চলকেইটাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য মতে, ২০০৩-২০০৪ত জামুগুৰিহাটৰ কৰতি পাৰৰ এঘৰ লোকৰ ঘৰত থিতাপি লোৱা লক্ষেশ্বৰ দাস নামৰ ভুৱা চিকিৎসকেজনে *ছয় পৃষ্ঠাত চাওক*

## কাজলগাঁৱত ছহিদ লাফিকুল ইছলাম হত্যাৰ ন্যায় বিচাৰি এবিএমছুৰ প্ৰতিবাদ

### নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি ৰক্ষাত ব্যৰ্থ হৈছে প্ৰমোদ বড়ো



অগ্ৰদূত বাৰ্তা

কাজলগাঁও, ১২ ছেপ্টেম্বৰ ঃ চিৰাং জিলাৰ কাজলগাঁও উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত সদৌ বিটিচি সংখ্যালঘু ছাত্ৰ সন্থা চমুকৈ এবিএমছুৰ (মইদুল গোটৰ) দুই ঘন্টীয়া অৱস্থান ধৰ্মঘট ৰূপায়ণ কৰে। নিৰ্বাচনৰ পুৰ্বে প্ৰমোদ বড়োৱে বিটিচিৰ সংখ্যালঘুসকলক দিয়া প্ৰতিশ্ৰুতি ৰক্ষাত ব্যাৰ্থ হোৱাৰ অভিযোগ কৰে এবিএমছু নেতৃত্বই। এবিএমছুৰ প্ৰায়ত *ছয় পৃষ্ঠাত চাওক*

## আছুৰ প্ৰাক্তন সহকাৰী সাধাৰণ সম্পাদক মণিময় গোস্বামীৰ দেহৱসান



বিশেষ সংবাদদাতা

**মঙলদৈ, ১২ ছেপ্টেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সহকাৰী সাধাৰণ সম্পাদক, সদৌ দৰং জিলা ছাত্ৰ সন্থা আৰু আন্তঃ মঙলদৈ ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি, মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় ছাত্ৰ একতা সভা আৰু মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক প্ৰচুৰ সম্ভাৱনাময় আৰু প্ৰতিশ্ৰুতি সম্পন্ন, প্ৰতিভাধৰ যুৱক মণিময় গোস্বামী (৪৪)ক কালি সন্ধিয়া নিজ বাসভৱনৰ বিছনাত মৃত অৱস্থাত উদ্ধাৰ কৰা ঘটনাই শোকৰ ছাঁ পেলাইছে। উল্লেখ্য যে মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° বিজয় গোস্বামী আৰু একে মহাবিদ্যালয়ৰে অৱসৰপ্ৰাপ্ত অধ্যাপিকা বন্দনা গোস্বামীৰ একমাত্ৰ পুত্ৰ প্ৰাক্তন ছাত্ৰ নেতা মণিময় বিগত কে'বাবছৰ ধৰি যকৃতজনিত ৰোগত আক্ৰান্ত হৈ আছিল আৰু দিল্লীৰ গংগাৰাম হাস্পতালকে ধৰি বিভিন্ন চিকিৎসালয়ত চিকিৎসা গ্ৰহণ কৰিছিল। শেহতীয়াকৈ তেওঁৰ সহধৰ্মিণী ভূমিকা গোস্বামী চাকৰি সূত্ৰে গোলাঘাট আইন মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে গোলাঘাটত থাকিলগীয়া হোৱাৰ বিপৰীতে মাতৃৰ বিবাহিতা জীয়ৰী মধুস্মিতা গোস্বামীৰ ঘৰলৈ যোৱাত নিজ বাসভৱনত অকলশৰীয়াকৈ থকা অসুস্থ প্ৰাক্তন ছাত্ৰ নেতাজনৰ মৃত্যুৰ প্ৰকৃত কাৰণ মৰণোত্তৰ পৰীক্ষাৰ ফলাফলেহে নিৰ্ণয় কৰিব। মণিময়ৰ *ছয় পৃষ্ঠাত চাওক*

### যুৱতীয়ে কৌশলেৰে আৰক্ষীক গতালে ভণ্ড প্ৰেমিকক

## চুৰি কৰি বিয়া কৰাবলৈ গৈ বিপদত পৰিল যুৱক

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ১২ ছেপ্টেম্বৰ ঃ** নিজে কাম কৰা প্ৰতিষ্ঠানৰ লগতে সহকৰ্মীৰ পৰা নগদ ধন, ম'বাইল, সাজ-পোছাক আৰু স্কুটী চুৰি কৰি বিয়া কৰাবলৈ যোৱা এজন ভণ্ড প্ৰেমিকক খোদ প্ৰেমিকাই গতালে আৰক্ষীক। এই আমোদজনক ঘটনাটো সংঘটিত হৈছে ডিব্ৰুগড় জিলাৰ ৰাজগড়ৰ উপকণ্ঠ বৰবাম অঞ্চলত। অৱশ্যে ঘটনাৰ উৎপত্তি স্থল হ'ল যোৰহাট।

আৰক্ষী সূত্ৰই জনোৱা মতে, যোৰহাট নগৰৰ উপকণ্ঠ বাইপাছৰ জুক' ভেলী ধাবাৰ কৰ্মচাৰী হেমন্ত গগৈয়ে যোৱা সপ্তাহত ধাবাৰ কেছ বক্স ভাঙি নগদ ধনৰ উপৰি মালিকৰ স্কুটী আৰু সতীৰ্থৰ ম'বাইল আৰু সাজপাৰ চুৰি কৰি পুৱাই উপস্থিত হয়গৈ ডেৰশ কিলোমিটাৰ নিলগৰ ডিব্ৰুগড় জিলাৰ বৰবামত। বিবাহৰ উদ্দেশ্যৰে প্ৰেমিকাৰ গৃহত উপস্থিত হৈছিল যদিও হেমন্তৰ উদ্দেশ্য সিদ্ধি নহ'ল। বৰঞ্চ যাক বিয়া কৰাবলৈ ইমান দূৰ গৈছিল, সেই প্ৰেমিকাই কৌশলেৰে আৰক্ষীক গতাই দিলে প্ৰেমিকৰূপী চোৰ হেমন্তক। লক্ষ্যণীয়ভাৱে হেমন্তই যোৰহাটৰ পৰা চুৰি কৰি নিয়া স্কুটীতে তেওঁক বহুৱাই প্ৰেমিকাই নিজে চলাই গৈ হেমন্তক স্থানীয় বৰবাম *ছয় পৃষ্ঠাত চাওক*

## শিৱসাগৰ জিলা শিক্ষা বিষয়াৰ কাৰ্যালয়ত আজব কাণ্ড

### মৃত শিক্ষকৰ সুস্বাস্থ্য-দীৰ্ঘায়ু কামনা কৰিলে জিলা শিক্ষা বিষয়াই

অগ্ৰদূতবাৰ্তা

গৌৰীসাগৰ, ৰচ ছেপ্টেম্বৰ ঃ এজন মৃত শিক্ষকৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি সম্প্ৰতি হাঁহিয়াতৰ পাত্ৰত পৰিণত হৈছে শিৱসাগৰ জিলা শিক্ষা বিভাগ। এই ঘটনাই সম্প্ৰতি জিলা শিক্ষা বিভাগৰ প্ৰকৃত ফোঁপোলা স্বৰূপটো উদঙাই দিয়া বুলিও চৰ্চা চলিছে। লগতে এজন প্ৰয়াত শিক্ষকক বিভাগৰ তৰফৰ পৰা অপমানিত কৰা বুলিও বিভিন্নজনে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে।

উল্লেখ্য যে শিৱসাগৰ জিলা শিক্ষা বিভাগৰ দ্বাৰা জিলাখনত এইবাৰ পোনপ্ৰথমবাৰৰ বাবে এজন শিক্ষকক মৰণোত্তৰভাৱে প্ৰদান কৰা হ'ল কৃতী শিক্ষকৰ বঁটা। স্বাভাৱিকতে শিক্ষা বিভাগৰ এনে পদক্ষেপে শিক্ষানুৰাগী ৰাইজক উৎফুল্লিত কৰিছিল যদিও পলমকৈ বঁটাৰ স'তে শিক্ষা বিভাগে প্ৰদান কৰা এখন সম্বৰ্ধনা পত্ৰই বিতৰ্কৰ সূচনা কৰাৰ লগতে হাঁহিৰ খোৰাকো যোগায়। শিৱসাগৰ জিলা শিক্ষা বিষয়া কমলজ্যোতি গগৈ আৰু জিলা উপায়ুক্ত আদিত্য বিক্ৰম যাদৱ স্বাক্ষৰিত সম্বৰ্ধনা পত্ৰখনিৰ এক বিতৰ্কিত বাক্যই জিলাখনৰ শিক্ষানুৰাগী ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। স্মৰ্তব্য যে যোৱা ২৬ আগষ্টত অকালতে মৃত্যু হোৱা দুই নম্বৰ কলিয়ৰি প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক তথা শিৱসাগৰ মহকুমা শিক্ষক সন্মিলনীৰ সাধাৰণ সম্পাদক বিনন্দ দত্তলৈ মৰণোত্তৰভাৱে জিলা কৃতী শিক্ষকৰ বঁটা প্ৰদান কৰিছিল জিলা শিক্ষা বিভাগে। পলমকৈ পোহৰলৈ অহা খবৰ অনুসৰি, শিৱসাগৰৰ নৱনিযুক্ত উপায়ুক্ত যাদৱ সভাপতি আৰু শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ বিদ্যালয়সমূহৰ *ছয় পৃষ্ঠাত চাওক*

## মিজোৰামলৈ সৰবৰাহ কৰা দুখন ইউৰিয়া সাৰভৰ্তি ট্ৰাকসহ আটক তিনি



অগ্ৰদূত বাৰ্তা

**যমুনামুখ, ১২ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ কৃষকসকলে এবস্তা ইউৰিয়া সাৰৰ বাবে হাহাকাৰ কৰিব লগা হোৱাৰ সময়তে এচাম অসাধু চক্ৰই ক'লা বজাৰত উচ্চ দৰদ সাৰ বিক্ৰী কৰি ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। যোৱা নিশা এনে এটা চক্ৰই চোৰাংভাৱে সৰবৰাহ কৰা দুখনকৈ ইউৰিয়া সাৰভৰ্তি ট্ৰাক হোজাই জিলাৰ ডবকাত আৰক্ষীয়ে জব্দ কৰাৰ লগতে এই কাৰ্যৰ স'তে জড়িত তিনিজনক *ছয় পৃষ্ঠাত চাওক*

### দুৰ্গা পূজালৈ উচ্ছেদ প্ৰক্ৰিয়া স্থগিত ৰখাৰ আহ্বান ব্যৱসায়ী সন্থাৰ

## কোকৰাঝাৰত ৰেলৱেৰ বেদখলকাৰীক উচ্ছেদ

অগ্ৰদূত বাৰ্তা

**কোকৰাঝাৰ, ১২ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ চহৰৰ শান্তিনগৰস্থিত বিবেকানন্দ পথৰ সমীপত সুদীৰ্ঘ বছৰ ধৰি ৰেলৱেৰ মাটি অবৈধভাৱে বেদখল কৰি একাংশ অসাধু চক্ৰই মুকলিকৈ ৰেলৱেৰ সীমাত দোকান, ঘৰ, ক্লাব, আৱাসিক আৰু টেক্সী ষ্টেণ্ড বনোৱাত আজি আলিপুৰদুৱাৰ ৰেলৱে সংমণ্ডল বিভাগে নিৰাপত্তাৰ কঠোৰ বেষ্টনীত বেদখলকাৰীসকলক উচ্ছেদ কৰে। জানিব পৰা মতে, ৰেলৱে বিভাগে বিগত তিনিমাহ পূৰ্বে অবৈধ বেদখলকাৰীক উচ্ছেদৰ জাননী দিছিল কিন্তু অসাধু চক্ৰটোৱে জাননীত কোনোধৰণৰ গুৰুত্ব প্ৰদান নকৰাত আজি যুদ্ধংদহি প্ৰস্তুতিৰে বেদখলকাৰীসকলক বুল'ডজাৰ চলাই উচ্ছেদ চলায়। ইতিমধ্যে ৰেল বিভাগে কোকৰাঝাৰ চহৰৰ শান্তিনগৰৰ পৰা টেঙাপাৰালৈ শতাধিক লোকে ৰেলৱেৰ ভূমি বেদখলৰে ঘৰ-বাৰী, দোকান আৰু ক্লাব ঘৰ বনোৱাত আজি প্ৰথম অৱস্থাত ১২টাৰো অধিক বেদখলকাৰীক উচ্ছেদ কৰে। একেদৰে অসম-বংগ সীমান্তৱৰ্তী শ্ৰীৰামপুৰতো ৰেল বিভাগে বেদখলকাৰীক অচিৰেই উচ্ছেদ কৰাৰ বিভাগীয় নিৰ্দেশ অহা বুলি বিভাগীয় সূত্ৰত জনা গৈছে। ইপিনে, কোকৰাঝাৰ চহৰৰ শান্তিনগৰত ৰেলৱেৰ মাটি বেদখল কৰা ব্যৱসায়িক *ছয় পৃষ্ঠাত চাওক*

### ধুবুৰী জিলা উপায়ুক্তৰ জৰিয়তে ভাৰতৰ প্ৰধানমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰদান

## কেপিপি জিলা কমিটীৰ প্ৰতিবাদী সমদল



**ধুবুৰী, ১২ ছেপ্টেম্বৰ ঃ** আজি ধুবুৰীত কমতাপুৰ প্ৰ'গ্ৰেছিভ পাৰ্টি চমুকৈ কেপিপিৰ ধুবুৰী জিলা কমিটীৰ উদ্যোগত প্ৰতিবাদী সমদল উলিয়ায়। চহৰখনৰ মিছন ৰোডৰ পৰা বিভিন্ন অঞ্চলৰ জিলা কমিটীৰ সদস্যসকলে বিভিন্ন শ্ল'গানেৰে আকাশ-বতাহ কঁপাই ধুবুৰী জিলা উপায়ুক্তৰ কাৰ্যালয়লৈ আহি জিলা উপায়ুক্তৰ জৰিয়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ ১৫ দফীয়া দাবী সম্বলিত এখন স্মাৰকপত্ৰ প্ৰদান কৰে। তেওঁলোকৰ মুখ্য দাবীসমূহৰ ভিতৰত অন্যতম হৈছে পৃথক কমতাপুৰ ৰাজ্য পুনৰ্গঠন, ভাৰতৰ সংবিধানৰ অষ্টম অনুসূচীৰ অধীনত কমতাপুৰী ভাষাৰ স্বীকৃতি তৎক্ষণাৎ দিয়া, কোচ বা ৰাজবংশী সম্প্ৰদায়ক অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান, আলিপুৰদুৱাৰ বা কোচবিহাৰ *ছয় পৃষ্ঠাত চাওক*

### তেজপুৰত লোমহৰ্ষক হত্যাকাণ্ড

## ককায়েক-ভতিজাকে মিলি হত্যা কৰিলে এজনক

ষ্টাফ ৰিপ'ৰ্টাৰ

তেজপুৰ, ১২ ছেপ্টেম্বৰ ঃ তেজপুৰ সদৰ আৰক্ষী থানাৰ অধীনস্থ শালনিবাৰী আৰক্ষী চকীৰ অন্তৰ্গত ঘোঁৰামাৰী ঢেকিদ'লত যোৱা নিশা সংঘটিত হয় এক জঘন্য হত্যাকাণ্ড। সুৰাৰ ৰাগিত পিতা-পুত্ৰই মিলি চোকা অস্ত্ৰৰে উপৰ্যুপৰি আক্ৰমণ কৰি হত্যা কৰে পঞ্চাশোৰ্ধ্বৰ ভগৱান ওৰাং নামৰ এজন লোকক। আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি যোৱা নিশা প্ৰায় ৮-৩০ বজাত ঢেকিদলত সংঘটিত এই ঘটনাৰ বিষয়ে স্থানীয় শালনিবাৰী আৰক্ষীয়ে জানিব পাৰে। উল্লেখ্য যে অঞ্চলটোত মুৰ্গী চুৰ হোৱাৰ ঘটনা ঘটিছে আৰু কালি ওৰাঙে ইয়াকে লৈ গালি-গালাজ কৰি আছিল। সেই সময়তে সুৰামত্ত ভগৱানৰ প্ৰতিৱেশী তথা ভতিজাক পানিকাই আহি খালী হাতেৰেই খুড়াক ভগৱানক প্ৰহাৰ কৰে। 'আমাক কিয় গালি পাৰিবি বুলি ভতিজাকে উপৰ্যুপৰি প্ৰহাৰ কৰাৰ ফলত তেজৰে তুমুৰলি *ছয় পৃষ্ঠাত চাওক*

## ভুৱা উপহাৰ পত্ৰ খেলক লৈ বাগ্‌সাত উত্তপ্ত পৰিস্থিতি

অগ্ৰদূত বাৰ্তা

**বৰপেটাৰোড, ১২ ছেপ্টেম্বৰ ঃ** ৰাজ্যত ভুৱা উপহাৰ পত্ৰ খেল অনুষ্ঠিত কৰিবলৈ আহি যোৱা নিশা বাগ্‌সা জিলাৰ পশ্চিম লুবাশুৰ বটতলাত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। যাৰ বাবে উদ্যোক্তাসকল পলাই যাবলৈ সক্ষম হয় যদিও ইতিমধ্যে বাগ্‌সা আৰক্ষীয়ে পাঁচজন লোকক সোধ-পোছৰ বাবে থানালৈ লৈ আনে। উল্লেখ্য যে বৰপেটাৰোড পশ্চিম লুৱাশুৰ শিৱ মন্দিৰ নিৰ্মাণৰ সাহায্যাৰ্থে বাগ্‌সাৰ শিমলাগুৰি আৰক্ষী পহৰা চকীৰ অন্তৰ্গত পশ্চিম লুৱাশুৰ বটতলাত এখন উপহাৰ পত্ৰ খেল অনুষ্ঠিত কৰা হৈছিল। য'ত স্থানীয় এজেন্টৰ লগতে বহিঃজিলাৰো উদ্যোক্তা জড়িত আছে। এশ টকীয়া মূল্যৰ **১,২৯,৯,৯৯** টা টিকটৰ বিপৰীতে বলেৰ গাড়ী, অল্ট', মটৰ চাইকেল, ই-ৰিক্সা আদিকে ধৰি মুঠ ১৫টা পুৰস্কাৰ প্ৰদানৰ কথা ঘোষিত হৈছিল। যাৰ মূল্য এক কোটি ৩০ লাখৰ অধিক হ'ব। পিছে তাৎপৰ্যপূৰ্ণ কথা যে স্থানীয় শিৱ মন্দিৰৰ সাহায্যাৰ্থে এই খেলখন অনুষ্ঠিত কৰা দেখুৱালেও এই খেল পৰিচালনাৰ আঁৰত আছে ৰাজ্যৰ এটা বৃহৎ চক্ৰ। এই উপহাৰ পত্ৰ খেলৰ টিকট ৰাজ্যজুৰি বিক্ৰী কৰাই নহয়, এশ টকীয়া এটা টিকট বিক্ৰীৰ বাবে একো একোজন এজেন্টক প্ৰলোভিত কৰি ৫০ টকা দিয়া হৈছিল। আনহাতে, মন্দিৰ সমিতিক সেই টিকটৰ বিপৰীতে ৫০ টকা আদায় দিয়া হ'ব বুলি চুক্তি কৰিছিল। যাৰ বাবে হেজাৰ হেজাৰ টিকট বিক্ৰী কৰা হৈছিল উল্লেখিত টিকটৰ বিপৰীতে গোপনে আকৌ কে'বালাখ টিকট ছপা কৰি উলিওৱা হৈছিল। *ছয় পৃষ্ঠাত চাওক*

## সোণালীৰ মৃত্যুৰ চিবিআই তদন্তৰ নিৰ্দেশ গোৱা চৰকাৰৰ



নিউজ ব্যুৰ', পানাজী, ১২ ছেপ্টেম্বৰ ঃ বিজেপি নেত্ৰী তথা টিকটক তাৰকা সোণালী ফ'গটৰ মৃত্যুৰ ৰহস্য উন্মোচনৰ দায়িত্ব চিবিআইৰ হাতত অৰ্পণ কৰা হ'ল। গোৱাৰ মুখ্যমন্ত্ৰী প্ৰমোদ চাৱন্তে এই কথা সদৰী কৰি কয় যে ৰাইজৰ দাবী অনুসৰি সোণালীৰ মৃত্যুৰ তদন্তৰ দায়িত্ব চিবিআইক অৰ্পণৰ সিদ্ধান্ত লোৱা হ'ল। যদিও আৰক্ষীয়ে এই ঘটনাৰ তদন্ত অব্যাহত ৰাখিছে, জনতাৰ দাবী স্বীকাৰ কৰি কেন্দ্ৰীয় তদন্তকাৰী সংস্থাক সোণালীৰ মৃত্যুৰ ৰহস্য উন্মোচনৰ দায়িত্ব দিয়া হ'ল বুলি মুখ্যমন্ত্ৰীজনে জানিবলৈ দিয়ে। উল্লেখ্য যে যোৱা ২৩ আগষ্টত গোৱাৰ এখন ৰিছ'ৰ্টত ৰহস্যজনক অৱস্থাত সোণালীৰ মৃত্যু হৈছিল। ঘটনাৰ সন্দৰ্ভত বৰ্তমানলৈকে আৰক্ষীয়ে তদন্ত চলাই কে'বাজনো লোকক গ্ৰেপ্তাৰ কৰিছে।

## আজিও বিশ্বত প্ৰতি ৪৪ ছেকেণ্ডত এজন লোকৰ মৃত্যু হৈছে ক'ভিডত



নিউজ ব্যুৰ', জেনেভা, ১২ ছেপ্টেম্বৰ ঃ ক'ভিডৰ আতংক যথেষ্ট হ্ৰাস পালেও বিশ্বত এই ভয়াৱহ ভাইৰাছৰ সংক্ৰমণত মৃত্যু অব্যাহত আছে। বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ শেহতীয়া প্ৰতিবেদনত তথ্য অনুসৰি, ক'ভিডৰ আতংক নোহোৱা হ'ল যদিও এতিয়াও বিশ্বত প্ৰতি ৪৪ ছেকেণ্ডত এজনকৈ লোকৰ মৃত্যু হৈছে কৰ'না ভাইৰাছৰ সংক্ৰমণত। হুৱে লগতে কয় যে সহজে ক'ভিডে এই বিশ্বৰ পৰা বিদায় লোৱাৰ সম্ভাৱনা নাই। বিশ্ব স্বাস্থ্য সংস্থাই শেহতীয়া প্ৰতিবেদনত এইদৰে কয়, 'সমগ্ৰ বিশ্বত কৰ'নাৰ সংক্ৰমণ আৰু মৃত্যুৰ হাৰ হ্ৰাস পাইছে। এয়া ভাল খবৰ। কিন্তু এনে কোনো নিশ্চয়তা নাই যে এই হাৰ হ্ৰাস অব্যাহত থাকিব। এনেদৰে ভবাটো ভুল হ'ব। যোৱা ফেব্ৰুৱাৰীৰ পৰা ক'ভিডত মৃত্যুৰ হাৰ প্ৰায় ৮০ শতাংশ হ্ৰাস পালে। কিন্তু যোৱা সপ্তাহৰ পৰিসংখ্যা অনুসৰি, বিশ্বত প্ৰতি ৪৪ ছেকেণ্ডত এজনকৈ লোকৰ ক'ভিডত মৃত্যু হৈছিল।'

## বাংগালুৰুৰ পাছত এইবাৰ বানত হাহাকাৰ অৱস্থা পুনেত



নিউজ ব্যুৰ', পুনে, ১২ ছেপ্টেম্বৰ ঃ যোৱা সপ্তাহত অভূতপূৰ্ব বানৰ তাণ্ডৱৰ সন্মুখীন হৈছিল কৰ্ণাটকৰ ৰাজধানী বাংগালুৰু। দেওবাৰে বাংগালুৰু সদৃশ ভয়াৱহ বান সমস্যাত আক্ৰান্ত হ'ল মহাৰাষ্ট্ৰৰ পুনে চহৰ। দেওবাৰে হোৱা প্ৰবল বৃষ্টিপাতৰ ফলত পুনেৰ প্ৰায়বোৰ অঞ্চল জলবদ্ধ হৈছিল। ৰাজপথ পানীৰে আবদ্ধ হোৱাৰ ফলত যাতায়াত ব্যৱস্থা ব্যাহত হোৱাৰ লগতে প্ৰবল যান-জঁটে চহৰবাসীক অতিষ্ঠ কৰিলে। বতৰ বিজ্ঞান বিভাগৰ তথ্য অনুসৰি পুনেত দেওবাৰে প্ৰায় দুঘণ্টা ধৰি ৯০ মিলিমিটাৰৰো অধিক বৃষ্টিপাত হৈছিল।

## উপহাৰ হিচাপে মোদীয়ে লাভ কৰা ১২০০ সামগ্ৰী কৰা হ'ব নিলামত বিক্ৰী



নিউজ ব্যুৰ', নতুন দিল্লী, ১২ ছেপ্টেম্বৰ ঃ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিভিন্ন ব্যক্তি-সংগঠনৰ পৰা উপহাৰ হিচাপে লাভ কৰা ১২০০ৰো অধিক সামগ্ৰী অহা ১৭ ছেপ্টেম্বৰত নিলামযোগে বিক্ৰী কৰা হ'ব। নিলামৰ জৰিয়তে সংগ্ৰহ কৰা ধনৰাশি নমামি গংগে মিছনলৈ দান কৰা হ'ব। নেচনেল গেলেৰী অৱ মৰ্ডাৰ্ণ আৰ্টৰ সঞ্চালক প্ৰধান অদ্বৈত গডনায়কে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি ৱেব প'ৰ্টেল pmmementos.gov.in ৰ জৰিয়তে নিলাম অনুষ্ঠিত হ'ব আৰু অহা দুই অক্টোবৰত সমাপ্ত হ'ব। নিলামত এইসমূহ উপহাৰৰ আধাৰ মূল্য ১০০ টকাৰ পৰা ১০ লাখ টকালৈকে নিৰ্ধাৰণ কৰা হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে লাভ কৰা উপহাৰৰ চতুৰ্থবাৰৰ বাবে অনলাইন নিলামৰ আয়োজন কৰা হৈছে।

## আই আই এম বাংগালুৰুক ভাৰতৰ সৰ্বশ্ৰেষ্ঠ বিজনেছ স্কুলৰ স্বীকৃতি



নিউজ ব্যুৰ', বাংগালুৰু, ১২ ছেপ্টেম্বৰ ঃ ইণ্ডিয়ান ইনষ্টিটিউট অৱ মেনেজমেণ্ট (আই আই এম)-বাংগালুৰুত ফাইনেন্সিয়েল টাইমছ মাষ্টাৰ্ছ ইন মেনেজমেণ্ট (এম আই এম) ৰেংকিং ২০২২ত ভাৰতৰ সৰ্বশ্ৰেষ্ঠ বিজনেছ স্কুলৰ স্বীকৃতি প্ৰদান কৰা হ'ল। উল্লেখ্য যে ২০২২ বৰ্ষত আই আই এম-বাংগালুৰুৰে আন্তৰ্জাতিক পৰ্যায়তো ৩১ সংখ্যক শ্ৰেষ্ঠ বিজনেছ স্কুল হিচাপে স্বীকৃতি লাভ কৰিছিল। ২০২১ত এই তালিকাত আই আই এম বাংগালুৰুৱে ৪৭ সংখ্যক স্থান লাভ কৰিছিল।

### দলৰ একাংশ জ্যেষ্ঠ নেতাই সভাপতি পদত বিচাৰিছে যদিও ৰাহুলে সেউজ সংকেত দিয়া নাই

## থাৰুৰৰ বিৰুদ্ধে সভাপতিৰ প্ৰাৰ্থী বিচাৰি হাহাকাৰ গান্ধী পৰিয়ালৰ

নিউজ ব্যুৰ'
নতুন দিল্লী, ১২ ছেপ্টেম্বৰ ঃ দীৰ্ঘ বিৰতিৰ পাছত কংগ্ৰেছ দলত সভাপতিৰ নিৰ্বাচন অনুষ্ঠিত কৰা হ'ব। ১২ দিন পাছত এই নিৰ্বাচনৰ মনোনয়ন পৰ্ব আৰম্ভ হ'ব। কংগ্ৰেছৰ সভাপতি পদত কোনে প্ৰতিদ্বন্দ্বিতা কৰিব সেয়া এতিয়াও স্পষ্ট হোৱা নাই। দলৰ একাংশ জ্যেষ্ঠ নেতাই ৰাহুল গান্ধী পুনৰ কংগ্ৰেছৰ সভাপতি হোৱাটো বিচাৰিছে যদিও ৰাহুলে এই ক্ষেত্ৰত সেউজ সংকেত দিয়া নাই। ইফালে বিক্ষুব্ধ গোষ্ঠীৰ হৈ কংগ্ৰেছ সাংসদ শশী থাৰুৰে দলৰ সভাপতিৰ পদত প্ৰতিদ্বন্দ্বিতা কৰাৰ সম্ভাৱনা প্ৰকট হৈছে। ইতিমধ্যে থাৰুৰে ইয়াৰ বাবে প্ৰস্তুতিও আৰম্ভ কৰিছে। থাৰুৰে যদি সভাপতি পদৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰে, তেন্তে ইয়াৰ বিৰুদ্ধে দ্বিতীয় প্ৰাৰ্থী কোন হ'ব? প্ৰকাশিত বাতৰি অনুসৰি ছোনিয়া গান্ধীয়ে অশোক গেহলটক সভাপতি পদৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিব বিচাৰিছে। কিন্তু গেহলটে এই ক্ষেত্ৰত চৰ্ত আৰোপ কৰি কৈছে যে সভাপতিৰ পদৰ



বাবে তেওঁ সাজু আছে যদিও দলে শচীন পাইলটক ৰাজস্থানৰ মুখ্যমন্ত্ৰী নিযুক্ত কৰিব নোৱাৰিব। এই চৰ্ত আৰোপৰ পাছতে থাৰুৰৰ বিৰুদ্ধে প্ৰাৰ্থী নিৰ্বাচনৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হৈছে গান্ধী পৰিয়াল।

ছোনিয়াই প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী সুশীল কুমাৰ সিন্ধেকো সভাপতি পদৰ বাবে প্ৰস্তাৱ দিছিল যদিও এতিয়াও সিন্ধেয়ে সন্মতি দিয়া নাই। কংগ্ৰেছৰ এক সূত্ৰই প্ৰকাশ কৰা অনুসৰি মল্লিকাৰ্জুন খাৰ্গে আৰু মুকুল ৱাছনিকৰ নামো গান্ধী পৰিয়ালে সভাপতি পদৰ প্ৰাৰ্থী হিচাপে বিবেচনা কৰিছে। গান্ধী পৰিয়ালে শেষ ভৰসা হিচাপে দিগ্বিজয় সিংকো সভাপতি পদৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰাৰ সম্ভাৱনা আছে।

## কাশ্মীৰত সেনাৰে সংঘৰ্ষত নিহত এজন সন্ত্ৰাসবাদী



নিউজ ব্যুৰ'
শ্ৰীনগৰ, ১২ ছেপ্টেম্বৰ ঃ জম্মু-কাশ্মীৰৰ ছ'পিয়ানৰ হেফ চিৰমলত নিৰাপত্তা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত হোৱা এক সংঘৰ্ষৰ ঘটনাত ধৰাশায়ী হ'ল এজন সন্ত্ৰাসবাদী। সেনাৰ সূত্ৰই আজি এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, ছ'পিয়ানত সন্ত্ৰাসবাদীয়ে বাহৰ পতাৰ বাতৰি লাভৰ পাছত সেনা আৰু আৰক্ষীয়ে অঞ্চলটোত তালাচী চলোৱাৰ সময়তে আত্মগোপনকাৰী সন্ত্ৰাসবাদীয়ে নিৰাপত্তা বাহিনীলৈ গুলিবৰ্ষণ কৰাত উভয় পক্ষৰ সংঘৰ্ষৰ সূত্ৰপাত ঘটিছিল। দীৰ্ঘসময় ধৰি হোৱা গুলীয়াগুলিত এজন সন্ত্ৰাসবাদীয়ে প্ৰাণ হেৰুৱালে। নিহত সন্ত্ৰাসবাদীৰ পৰিচয় উদ্ধাৰ হোৱা নাই।

## ৰামমন্দিৰ নিৰ্মাণত ব্যয় হ'ব ১৮০০ কোটি টকা, চূড়ান্ত হ'ল নিৰ্মাণ বিধি



নিউজ ব্যুৰ', অযোধ্যা, ১২ ছেপ্টেম্বৰ ঃ অযোধ্যাত নিৰ্মীয়মান ৰাম মন্দিৰৰ নিৰ্মাণ কাৰ্যত ব্যয় কৰা হ'ব মুঠ ১৮০০ কোটি টকা। মন্দিৰ নিৰ্মাণৰ দায়িত্বত থকা শ্ৰীৰাম জনমভূমি তীৰ্থক্ষেত্ৰ ন্যাসে এই কথা সদৰী কৰিলে। উল্লেখ্য যে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত গঠন কৰা হৈছিল এই ন্যাস। উত্তৰ প্ৰদেশৰ অযোধ্যাত ন্যাসে ৰাম মন্দিৰ নিৰ্মাণৰ কাম অব্যাহত ৰাখিছে। কালি এখন বৈঠকত ন্যাসে মন্দিৰ নিৰ্মাণ সংক্ৰান্ত বিধি আৰু নিয়ম চূড়ান্ত কৰিলে। ফৈজাবাদৰ আৰৰ্ত ভৱনত আয়োজিত উক্ত বৈঠকত ন্যাসৰ ১৫ জন সদস্যৰ ১৪ জন উপস্থিত আছিল। এই বৈঠকত ন্যাসে ঘোষণা কৰি কয় যে বহু প্ৰতীক্ষিত ৰাম মন্দিৰ নিৰ্মাণত ১৮০০ কোটি টকা ব্যয় কৰা হ'ব। ৰামায়ণৰ মুখ্য চৰিত্ৰৰ মূৰ্তিসমূহ মন্দিৰৰ কোন স্থানত স্থাপন কৰা হ'ব সেই সন্দৰ্ভত ইতিমধ্যে ন্যাসে প্ৰয়োজনীয় সিদ্ধান্ত গ্ৰহণ কৰিলে। ন্যাসে লগতে প্ৰকাশ কৰা অনুসৰি ২০২৩ৰ ডিচেম্বৰৰ ভিতৰত ৰাম মন্দিৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰা হ'ব।

## ব্ৰিটিছ ৰাজ পৰিয়াললৈ উভতি আহিব নেকি হেৰী-মেগান?



নিউজ ব্যুৰ'
লণ্ডন, ১২ ছেপ্টেম্বৰ ঃ ৰাণী দ্বিতীয় এলিজাবেথৰ মৃত্যুৰ পাছত ব্ৰিটেইনৰ নতুন ৰজাৰ মুকুট পিন্ধিলে চাৰ্লছে। ব্ৰিটিছ ৰাজ পৰিয়ালৰ এই ৰাজনৈতিক পৰিৱৰ্তনৰ পাছত এতিয়া এক পাৰিবাৰিক সমস্যাও সমাধানৰ দিশত অগ্ৰসৰ হৈছে। অচিৰে পুনৰ একত্ৰিত হ'ব পাৰে ব্ৰিটেইনৰ ভগ্ন ৰাজ পৰিয়াল। ৰাণীৰ মৃত্যুৰ পাছত চাৰ্লছে কণিষ্ঠ পুত্ৰ হেৰীলৈ ফোন কৰিছিল আৰু এই ফোনকলৰ পাছতে গলিবলৈ আৰম্ভ কৰিছে হেৰীৰ অভিমানৰ বৰফ। উল্লেখ্য যে পূৰ্বে বিবাহ বিচ্ছেদিতা, অশ্বেতাংগ হলিউড অভিনেত্ৰী মেগান মৰ্কেলক ব্ৰিটিছ ৰাজপৰিয়ালে বোৱাৰী হিচাপে স্বীকৃতি দিয়া নাছিল। এনে সংঘাতৰ পৰিপ্ৰেক্ষিতত হেৰী আৰু মেগানে ব্ৰিটিছ ৰাজপৰিয়ালৰ স'তে সম্পৰ্ক বিচ্ছিন্ন কৰিছিল। মেগানে বিচাৰিছিল যাতে তেওঁৰ সন্তানে ৰাজ বৈভৱৰ পৰা বাহিৰত থাকি ডাঙৰ-দীঘল হওক। এই সিদ্ধান্তৰ পাছৰে পৰা বাকিংহাম পেলেচৰ স'তে হেৰী আৰু মেগানৰ দূৰত্ব বৃদ্ধি পাইছিল। কিন্তু ৰাণীৰ প্ৰয়াণৰ পাছত পুনৰ ব্ৰিটিছ ৰাজপৰিয়াল একত্ৰিত হ'ব নেকি বুলি প্ৰশ্ন উত্থাপিত হৈছে। যোৱা শনিবাৰে সন্ধিয়া উইনচৰত প্ৰাসাদৰ সন্মুখত উইলিয়াম-কে'ট আৰু হেৰী-মেগানক একেলগে দেখা গৈছিল। হেৰী আৰু মেগানে চাৰ্লছৰ ৰাজত্বত পুনৰ ৰাজপৰিয়াললৈ প্ৰত্যাৱৰ্তন ঘটাব নেকি বুলি ব্যাপক জল্পনা-কল্পনা অব্যাহত আছে।

## খাৰকীভত ৰাছিয়াৰ বৃহৎ পৰাজয় ঃ ৰুছ সেনাৰ ঘাটি দখল ইউক্ৰেইনৰ

নিউজ ব্যুৰ', কীভ, ১২ ছেপ্টেম্বৰ ঃ ইউক্ৰেইনত ৰাছিয়াই আক্ৰমণ চলোৱাৰ ছমাহৰো অধিক দিন অতিবাহিত হ'ল। প্ৰাথমিকভাৱে ধাৰণা কৰা হৈছিল যে অতি কম দিনৰ ভিতৰতে ৰাছিয়াই ইউক্ৰেইন দখল কৰিবলৈ সফল হ'ব। কিন্তু যিমানে দিন অতিবাহিত হৈছে, ক্ৰমান্বয়ে কীভ দখলৰ পথ প্ৰতিকূল হৈছে ৰুছ বাহিনীৰ বাবে। ইতিমধ্যে খাৰকীভ পুনৰ দখলৰ বাবে মৰণপণ যুঁজ অব্যাহত ৰাখিছে ইউক্ৰেইনৰ সেনা বাহিনীয়ে। ইতিমধ্যে খাৰকীভৰ ইজিউম চহৰ পুনৰ দখল কৰিলে ইউক্ৰেইনৰ সেনাই। উল্লেখ্য যে এই চহৰখন আছিল ৰুছ সেনা বাহিনীৰ ৰেছন ইত্যাদি মজুত ৰখাৰ অন্যতম প্ৰধান ঘাটি। ইজিউম চহৰ ইউক্ৰেইনে পুনৰ দখল কৰাটো ৰাছিয়াৰ বাবে এক মোক্ষম আঘাত বিবেচিত হৈছে। বিগত কে'বাদিন ধৰি খাৰকীভত ইউক্ৰেইন আৰু ৰাছিয়াৰ সেনাৰ মাজত যুঁজ অব্যাহত আছে। এই অঞ্চলৰ প্ৰায় ৩০ টা জনবহুল অঞ্চল



ইউক্ৰেইন সেনাই পুনৰ উদ্ধাৰ কৰিলে। প্ৰবল প্ৰতিআক্ৰমণত ক্ৰমশঃ খাৰকীভৰ পৰা পিছুৱাই যাবলৈ বাধ্য হৈছে ৰুছ সেনা।

## আহমেদাবাদত আপৰ কাৰ্যালয়ত আৰক্ষী, কেজৰিৱালে ক'লে, 'ভয় খাইছে বিজেপিয়ে'



নিউজ ব্যুৰ', আহমেদাবাদ, ১২ ছেপ্টেম্বৰ ঃ এইবাৰ চিবিআই-ইডিৰ তালাচী নহয়, আহমেদাবাদত আম আদমী পাৰ্টি (আপ)ৰ কাৰ্যালয়ত তালাচী অভিযান চলালে গুজৰাট আৰক্ষীয়ে। গুজৰাট আৰক্ষীৰ এটি দলে হঠাতে আহমেদাবাদত আপৰ কাৰ্যালয়ত প্ৰৱেশ কৰি তালাচী চলায়। এই ঘটনাক লৈ গুজৰাটত ব্যাপক চাঞ্চল্য অব্যাহত আছে। বিজেপিৰ বিৰুদ্ধে ইতিমধ্যে ৰাজনৈতিক প্ৰতিহিংসাৰ অভিযোগ উত্থাপন কৰিছে আপে। গুজৰাট বিধানসভাৰ আগন্তুক নিৰ্বাচনৰ বাবে আপে ৰাজ্যখনত ব্যাপক প্ৰস্তুতি অব্যাহত ৰখাৰ সময়তে আৰক্ষীয়ে ৰাজনৈতিক দলটোৰ কাৰ্যালয়ত প্ৰৱেশ কৰা ঘটনাই প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই ঘটনাৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আপৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে কয় যে দৰাচলতে আপক ভয় কৰা হেতুকে বিজেপিৰ নিৰ্দেশত আৰক্ষীয়ে এনে পদক্ষেপ গ্ৰহণ কৰিলে। এক টুইটত কেজৰিৱালে কয়, 'আৰক্ষীয়ে আহমেদাবাদত তালাচী চলাই একো নাপালে। আমাৰ কৰ্মীসকল সৎ। বিজেপিয়ে ভয় খোৱাত এনেধৰণৰ কাণ্ড সংঘটিত কৰিছে।'

## দলিত নাবালিকাক দলবদ্ধ ধৰ্ষণ, বলপূৰ্বক অগ্নিসংযোগ, ধৃত দুই যুৱক

নিউজ ব্যুৰ', লক্ষ্ণৌ, ১২ ছেপ্টেম্বৰ ঃ উত্তৰ প্ৰদেশৰ পিলভিটত দুজন যুৱকৰ বিৰুদ্ধে দলিত নাবালিকাক দলবদ্ধ ধৰ্ষণ আৰু অগ্নিসংযোগ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হ'ল। উত্থাপিত অভিযোগ অনুসৰি উক্ত নাবালিকাৰ বাসগৃহত প্ৰৱেশ কৰি দুই যুৱকে প্ৰথমে ধৰ্ষণ কৰে আৰু তাৰ পাছত পীড়িতাৰ শৰীৰত অগ্নিসংযোগ কৰি পলায়ন কৰিছিল। পাছত নাবালিকাৰ পিতৃয়ে কন্যাক উদ্ধাৰ কৰি অগ্নিদগ্ধ অৱস্থাত চিকিৎসালয়ত ভৰ্তি কৰে। সম্প্ৰতি গুৰুতৰ অৱস্থাত চিকিৎসাধীন হৈ আছে নাবালিকা। যোৱা সাত ছেপ্টেম্বৰতে পিলভিটত এই ঘটনা সংঘটিত হৈছিল। ঘটনাৰ সন্দৰ্ভত তদন্ত চলাই আৰক্ষীয়ে ইতিমধ্যে দুই অভিযুক্তক গ্ৰেপ্তাৰ কৰিছে। উল্লেখ্য যে পূৰ্বেও উত্তৰ প্ৰদেশত নাবালিকা ধৰ্ষণ আৰু হত্যাৰ একাধিক ঘটনা সংঘটিত হৈছিল।




## নেপালত সাধাৰণ নিৰ্বাচনত আসন বণ্টনক লৈ শাসকীয় মৰ্চাত সংঘাত



নিউজ ব্যুৰ'
কাঠমাণ্ডু, ১২ ছেপ্টেম্বৰ ঃ নেপালত অনুষ্ঠিত হ'ব লগা সাধাৰণ নিৰ্বাচনত আসন বণ্টনক লৈ শাসকীয় মৰ্চাৰ মাজত সংঘাতে দেখা দিছে। নেপালী কংগ্ৰেছৰ নেতৃত্বত গঠিত পাঁচ দলৰ মৰ্চাই আসন ভাগ বাটোৱাৰাক লৈ চূড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰিবলৈ ১১ জনীয়া সদস্যৰে এখন টাস্ক সমিতি গঠন কৰিছিল। যোৱা আঠ ছেপ্টেম্বৰত এই সমিতিয়ে প্ৰতিবেদন দাখিল কৰিছিল। সমিতিখনে আসন বণ্টনৰ ক্ষেত্ৰত চাৰিটা পদ্ধতি অৱলম্বনৰ পৰামৰ্শ দিছিল যদিও কোন দলে কিমান আসন লাভ কৰিব সেয়া নিৰ্ধাৰণ নকৰিলে। ফলত আগন্তুক সাধাৰণ নিৰ্বাচনত নেপালী কংগ্ৰেছৰ নেতৃত্বত পাঁচ দলৰ শাসকীয় মৰ্চাই সমষ্টি বণ্টনক লৈ সমস্যাৰ সন্মুখীন হৈছে। একাধিক সমষ্টিত একাধিক দলে নিজৰ বাবে টিকট বিচৰাৰ ফলতো শাসকীয় মৰ্চাত সংঘাতে দেখা দিছে। উল্লেখ্য যে অহা ২০ নৱেম্বৰত নেপালত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ব।

## পঞ্জাৱত অচিৰে বৃদ্ধি পাব পাৰে উদ্যোগ খণ্ডৰ বিজুলীৰ মাচুল



নিউজ ব্যুৰ', চণ্ডীগড়, ১২ ছেপ্টেম্বৰ ঃ পঞ্জাৱৰ আম আদমী পাৰ্টি (আপ)ৰ চৰকাৰে বিদ্যুতৰ মাচুল বৃদ্ধিৰ এক প্ৰস্তাৱ গ্ৰহণ কৰিছে। প্ৰকাশিত বাতৰি অনুসৰি, উদ্যোগ খণ্ডৰ বাবে ৰাজ্যখনত প্ৰতি ইউনিট বিদ্যুতৰ মাচুল ৫০ পইচা বৃদ্ধিৰ এক সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। পঞ্জাৱবাসীক বিনামূলীয়া বিদ্যুতৰ যোগানৰ প্ৰতিশ্ৰুতিৰে ৰাজ্যৰ ক্ষমতা দখল কৰা আপৰ চৰকাৰে এতিয়াৰে পৰা প্ৰতি বছৰে বিজুলীৰ মাচুল তিনি শতাংশ হাৰত বৃদ্ধি কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। চৰকাৰে উদ্যোগ খণ্ডৰ বিদ্যুতৰ মাচুল বৃদ্ধি কৰাৰ প্ৰস্তাৱ গ্ৰহণৰ লগে লগে ৰাজ্যখনত বিভিন্ন বাণিজ্যিক প্ৰতিষ্ঠানে ইয়াৰ তীব্ৰ বিৰোধিতা কৰিছে। ইতিমধ্যে জলন্ধৰৰ ব্যৱসায়িক সংগঠনে এই প্ৰস্তাৱ স্থগিত ৰাখিবলৈ চৰকাৰক দাবী জনাইছে। ব্যৱসায়িক প্ৰতিষ্ঠানৰ অভিযোগ অনুসৰি চৰকাৰে পঞ্জাৱবাসীক বিনামূলীয়া বিদ্যুৎ যোগান ধৰাৰ বিপৰীতে ইয়াৰ বোজা বিদ্যুতৰ মাচুল বৃদ্ধিৰে উদ্যোগ আৰু বাণিজ্যিক খণ্ডত জাপি দিব বিচাৰিছে।

## ৰাষ্ট্ৰীয় দল গঠন কৰিব বিচাৰিছে তেলেংগানাৰ মুখ্যমন্ত্ৰী চন্দ্ৰশেখৰে

নিউজ ব্যুৰ'
হায়দৰাবাদ, ১২ ছেপ্টেম্বৰ ঃ শীঘ্ৰে নতুন ৰাষ্ট্ৰীয় দল গঠনৰ প্ৰস্তুতি চলাইছে তেলেংগানা ৰাষ্ট্ৰীয় সমিতিৰ নেতা তথা তেলেংগানাৰ মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাৱে। টি আৰ এছৰ মুৰব্বীয়ে এক বিবৃতিত এই কথা প্ৰকাশ কৰি কয়, 'তেলেংগানা আন্দোলনৰ আৰম্ভণিৰে পৰা আমি যি পদক্ষেপ গ্ৰহণ কৰিছিলো, এইবাৰো একে পদক্ষেপ গ্ৰহণ কৰিম। বুদ্ধিজীৱী, অৰ্থনীতিবিদ আৰু বিভিন্ন ক্ষেত্ৰৰ বিশেষজ্ঞৰ স'তে এই বিষয়ত দীঘলীয়া আলোচনা কৰা হৈছে। ইয়াৰ ভিত্তিতে বিকল্প ৰাষ্ট্ৰীয় এজেণ্ডা তৈয়াৰৰ কাম অব্যাহত আছে।' টি আৰ এছৰ এজন নেতাই দাবী কৰা অনুসৰি ইতিমধ্যে আন কে'বাজনো আঞ্চলিক নেতাই



ৰাৱৰ প্ৰস্তাৱলৈ সঁহাৰি জনাইছে। অৱশ্যে এই বিষয়ত এতিয়াও আলোচনা বাকী আছে। ৰাৱে দেশৰ বামপন্থী দল, বুদ্ধিজীৱী আৰু ৰাইজৰ পৰা নতুন ৰাষ্ট্ৰীয় দল গঠনৰ বাবে সহযোগিতা বিচাৰিছে।



## ২৪ ঘণ্টাত দেশত ক'ভিড সংক্ৰমিত ৫২২১ জন, মৃত্যু ১৫ জনৰ

নিউজ ব্যুৰ', নতুন দিল্লী, ১২ ছেপ্টেম্বৰ ঃ কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত দেশত ৫২২১ জন লোক ক'ভিড সংক্ৰমিত হ'ল। বৰ্তমানলৈকে ভাৰতত ৪,৪৫,০০,৫৮০ জন লোক ক'ভিড-১৯ত আক্ৰান্ত হ'ল। বৰ্তমানে ভাৰতত ৪৭,১৭৬ জন সক্ৰিয় ক'ভিড ৰোগী আছে। ইফালে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত যোৱা ২৪ ঘণ্টাত দেশৰ বিভিন্ন ৰাজ্যত মুঠ ১৫ জন ৰোগীয়ে প্ৰাণ হেৰুৱালে। বৰ্তমানলৈকে ভাৰতত ৫,২৮,১৬৫ জন লোকৰ ক'ভিডত মৃত্যু হ'ল।

## চিকিৎসালয়ত কৰিব লাগে জৰুৰী অস্ত্ৰোপচাৰ, যান-জঁটত আবদ্ধ চিকিৎসকে তিনি কিলোমিটাৰ দৌৰি দৌৰি উপস্থিত হ'ল কৰ্তব্যত

নিউজ ব্যুৰ', বাংগালুৰু, ১২ ছেপ্টেম্বৰ ঃ বাংগালুৰুত কৰ্মৰত এজন চিকিৎসকৰ এটি ভিডিঅ' সম্প্ৰতি সামাজিক মাধ্যমত যথেষ্ট ভাইৰেল হৈছে। এই ভিডিঅ'ত চিকিৎসকজনে ৰাজপথত দৌৰি থকাৰ দৃশ্য আবদ্ধ হৈছিল। দৰাচলতে চিকিৎসকজনে এইদৰে ৰাজপথত দৌৰিব লগা হোৱাৰ কাৰণ হৈছে চিকিৎসালয় অভিমুখে যাত্ৰা কৰাৰ সময়ত তেওঁ যান-জঁটত আবদ্ধ হৈছিল আৰু এক জৰুৰী অস্ত্ৰোপচাৰৰ বাবে সময়ত চিকিৎসালয়ত উপস্থিত হ'বলৈ চিকিৎসকজনে নিজৰ গাড়ীখন চালকসহ যান-জঁটতে এৰি থৈ ৰাজপথত দৌৰি দৌৰি



চিকিৎসালয়লৈ গৈছিল। এইজন চিকিৎসকৰ নাম গোবিন্দ নন্দকুমাৰ। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ বাতৰি অনুসৰি ডাঃ নন্দকুমাৰে চিকিৎসালয়লৈ যোৱাৰ সময়ত বাটত অত্যধিক যান-জঁটৰ সন্মুখীন হোৱাত সময় অপচয় হৈছিল। চিকিৎসকজনে কানিংঘাম পথৰে সৰজাপুৰৰ মণিপাল চিকিৎসালয় অভিমুখে ৰাওনা হৈছিল। ৰাজপথত এইদৰে কিছু সময় গাড়ীত আবদ্ধ থকাৰ পাছত ডাঃ নন্দকুমাৰে গুগল মেপ পৰীক্ষা কৰি জানিব পাৰিলে যে যান-জঁট অতিক্ৰমী চিকিৎসালয়ত উপস্থিত হ'বলৈ তেওঁক কমেও ৪৫ মিনিট সময়ৰ প্ৰয়োজন হ'ব। লগে লগে ডাঃ নন্দকুমাৰে গাড়ীৰ পৰা নামি চিকিৎসালয় অভিমুখে দৌৰিবলৈ আৰম্ভ কৰে। এইদৰে প্ৰায় তিনি কিলোমিটাৰ পথ দৌৰি চিকিৎসালয়ত উপস্থিত হৈছিল কৰ্তব্যৰ প্ৰতি অতি সচেতন এইজন চিকিৎসকে। প্ৰতিবেদনৰ তথ্য অনুসৰি অস্ত্ৰোপচাৰৰ বাবে ৰোগী চিকিৎসালয়ত সাজু হৈ আছিল আৰু অন্যান্য ৰোগীয়েও ডাঃ নন্দকুমাৰৰ অপেক্ষাত আছিল। উল্লেখ্য যে কৃত্ৰিম বানৰ ফলত বাংগালুৰুত ব্যাপক যান-জঁটৰ সৃষ্টি হৈছিল আৰু এই সমস্যাত ডাঃ নন্দকুমাৰৰ দৰে বহু লোকে উপায়হীন হৈ বিকল্প ব্যৱস্থা অৱলম্বন কৰিবলৈ বাধ্য হৈছিল। ডাঃ নন্দকুমাৰে প্ৰকাশ কৰা মতে, ৰোগীৰ অস্ত্ৰোপচাৰৰ সময় নিৰ্ধাৰণ কৰা আছিল আৰু এই ক্ষেত্ৰত যাতে কোনো বাধাৰ সৃষ্টি নহয় তাক নিশ্চিত কৰিবলৈ তেওঁ যান-জঁটত আবদ্ধ নাথাকি দৌৰি চিকিৎসালয় অভিমুখে গৈছিল।

# জৰাজীৰ্ণ ঐতিহাসিক নগা আলি পুনৰ নিৰ্মাণৰ দাবী ৰাইজৰ দলৰ

## লোকনিৰ্মাণ বিভাগৰ ভূমিকাক ধিক্কাৰ ঃ মহকুমাধিপতিক স্মাৰকপত্ৰ

অগ্ৰদূত বাৰ্তা

**শিমলুগুৰি, ১২ ছেপ্টেম্বৰ ঃ** বৰ্তমানৰ চৰকাৰে সৰ্ব সমষ্টিতে সম ব্যৱস্থাৰে ৰাজ্যখনৰ বাট-পথ পুনৰ নিৰ্মাণৰ ক্ষেত্ৰত অভিলেখ সৃষ্টি কৰা বুলি জয়ঢোল কোবাই আহিছে যদিও বিৰোধী দলৰ বিধায়ক থকা সমষ্টিসমূহত প্ৰকৃততে ইয়াৰ এখন বিপৰীত ছবিহে পৰিস্ফুট হৈছে। অসম বিধানসভাৰ বিৰোধী দলপতিৰ গৃহ সমষ্টি নাজিৰাৰ বিভিন্ন বাট-পথৰ জৰাজীৰ্ণ অৱস্থাই ইয়াৰ জ্বলন্ত উদাহৰণ। উল্লেখ্য যে নাজিৰা নগৰ সংযোগী ঐতিহাসিক নগা আলিটোৰেদি বৰ্তমান যাতায়াত কৰোতে যাত্ৰী তথা পথচাৰীয়ে অকাল মৰণৰ আশংকা বুকুত বান্ধি যাব লগা হয়। পথটোৰ প্ৰান্তে প্ৰান্তে সৃষ্টি হোৱা দ' দ' গাঁতসমূহ চৰকাৰী মীনপাম সদৃশ পুখুৰীলৈ উপক্ৰম হৈছে। নাজিৰা নগৰ, দ'ল পুখুৰী, ওপৰ নাজিৰা, সন্দিকৈ গাঁও, বুদবাৰী সত্ৰ, চানবছা, মাউৎ গাঁও, শেনৰ আলি, সুন্দৰ পুখুৰী, মেঠনচোৱা, বামুণ পুখুৰী আদিকে ধৰি ২০খনৰো অধিক ৰাজহ গাঁৱৰ ছাত্ৰ-ছাত্ৰী, বয়োজ্যেষ্ঠ নাগৰিক তথা ৰাইজে ঐতিহাসিক নগা আলিয়েদি যাতায়াত কৰাত যমৰ যাতনা ভোগ কৰিব লগা হৈছে। দীৰ্ঘদিন ধৰি অতি বিধ্বস্ত হৈ থকা এই পথটো সুপৰিকল্পিতভাৱে পুনৰ নিৰ্মাণৰ দাবীত বিভিন্ন দল-সংগঠনে অৱস্থান ধৰ্মঘট, লোক নিৰ্মাণ বিভাগৰ নাজিৰা সংমণ্ডলৰ কাৰ্যালয় ঘেৰাও, স্মাৰকপত্ৰ আদি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি অহাৰ পাছতো চৰকাৰী বিভাগীয় কৰ্তৃপক্ষই গান্ধাৰীৰ ভূমিকা পালন কৰি আহিছে। লোক নিৰ্মাণ বিভাগৰ কৰ্তৃপক্ষৰ এনে ভূমিকাক ধিক্কাৰ দি অৱশেষত ৰাইজৰ দলৰ নাজিৰা সমষ্টি সমিতিৰ সভাপতি দিলৱাৰ হুছেইন আৰু সাধাৰণ সম্পাদক ঋতুৰাজ বৰগোহাঁইৰ স্বাক্ষৰেৰে ঐতিহাসিক নগা আলিৰ লগতে অতি বিধ্বস্ত হৈ পৰা ঐতিহাসিক বাহগড় পথকে ধৰি সমষ্টিৰ জৰাজীৰ্ণ পথসমূহ বিজ্ঞানসন্মতভাৱে পুনৰ নিৰ্মাণৰ দাবী জনাই নাজিৰা মহকুমাৰ মহকুমাধিপতি আৰু লোক নিৰ্মাণ বিভাগৰ নাজিৰা সংমণ্ডলৰ কৰ্তৃপক্ষক এখন স্মাৰকপত্ৰ প্ৰদান কৰে। সমষ্টিৰ পথসমূহ শীঘ্ৰে পুনৰ নিৰ্মাণৰ ব্যৱস্থা নকৰিলে ৰাইজৰ স্বাৰ্থত তীব্ৰ গণ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি সকীয়াই দিয়ে।

## বিজনীত ঠাকুৰ অনুকূল চন্দ্ৰৰ আৰিৰ্ভাৱ মহোৎসৱ

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ১২ ছেপ্টেম্বৰ ঃ** চিৰাং জিলাৰ বিজনীৰ সৎসংগ বিহাৰত অহা ১৬ ছেপ্টেম্বৰত শ্ৰীশ্ৰী ঠাকুৰ অনুকূল চন্দ্ৰৰ ১৩৫ সংখ্যক আৰিৰ্ভাৱ দিৱস মহোৎসৱৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী মৰ্মে, ঊষাকীৰ্তন, পুৱা প্ৰাতঃকালীন বিনতি প্ৰাৰ্থনা, নামজপ আৰু অমিয় গ্ৰন্থাদি পাঠ, অৰ্ঘাঞ্জলিসহ প্ৰণাম নিবেদন তৎপৰ ভোজন- কীৰ্তন, সংগীতাঞ্জলি, চিকিৎসালয়ৰ ৰোগীৰ মাজত ফল-মূল বিতৰণ, শোভাযাত্ৰা, শ্ৰীশ্ৰী ঠাকুৰ, শ্ৰীশ্ৰী বড়মা আৰু শ্ৰীশ্ৰী বড়দাৰ ফলভোগ নিবেদন আৰু ধৰ্মালোচনী সভা অনুষ্ঠিত হ'ব। বিয়লি তিনি বজাত মাতৃ সন্মিলন, সন্ধিয়া সান্ধ্যকালীন বিনতি প্ৰাৰ্থনা, নামজপ, অমিয় গ্ৰন্থাদি পাঠ, আলোকসজ্জা তথা আতচবাজী প্ৰদৰ্শন আৰু ৬.৩০ বজাৰ পৰা সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব।

# ৩০ অৱসৰপ্ৰাপ্ত আমোলাক দৰমহা-বানচ

*এক পৃষ্ঠাৰ পৰা* উত্তৰত আজি মুখ্যমন্ত্ৰীয়ে নিবনুৱা সমস্যাৰে ভাৰাক্ৰান্ত ৰাজ্যখনত এনেদৰে বৃহৎসংখ্যক অৱসৰপ্ৰাপ্ত আমোলাক ভিন্ন চৰকাৰী বিভাগৰ গুৰুত্বপূৰ্ণ পদবীত অধিষ্ঠিত কৰাৰ তথ্য সদৰী কৰিছে। মুখ্যমন্ত্ৰীয়ে বিধানসভাত দাখিল কৰা তথ্য অনুসৰি, অৱসৰপ্ৰাপ্ত আইপিএছ বিষয়া বিবেকানন্দ দাসক গৃহ বিভাগত, ড° অনিতা চৌধুৰীক খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগত, অশোক কুমাৰ শৰ্মাক কৃষি বিভাগত, দেবাংশু দাস, মহেন্দ্ৰ নাথ শৰ্মা, কল্প ভট্টাচাৰ্য, দৰ্শন কৌৰ, সুজিত কুমাৰ ধৰ, দীপ্তিৰাণী নাথ, পদ্মনাথ দাস, প্ৰীতম শইকীয়া, গুণগোবিন্দ দাস, ৰাজেশ কেম্প্ৰাই, ৰাজ চক্ৰৱৰ্তী, দিব্যজ্যোতি চহৰীয়া, বিভূতি শইকীয়া, হিৰন্ময় সেন, বিৰাজ তালুকদাৰ, ব্ৰজমোহন চৌধুৰী, কুশল কুমাৰ শইকীয়া, নৰ কুমাৰ মজুমদাৰ, ভূপেন্দ্ৰ চন্দ্ৰ শৰ্মা, জ্যোতিষ কুমাৰ শৰ্মা, শান্তনু ভট্টাচাৰ্য, অনিল শৰ্মা, বিশ্বদ্বীপ দাস, ৰাজবী হুছেইন, ৰঞ্জিত কুমাৰ মহন্ত, ঈশান বৰদলৈ আৰু নৰ কোঁৱৰ। উল্লেখ্য যে এওঁলোকৰ ভিতৰত সৰ্বাধিক ১৩ জন অৱসৰপ্ৰাপ্ত বিষয়াই হৈছে লোক নিৰ্মাণ বিভাগৰ।

# সাপেখাতীৰ শালকাঠনি চাহ বাগিচাত

*এক পৃষ্ঠাৰ পৰা* নিকটৱৰ্তী শালকাঠনি চাহ বাগিচাত। বাগিচাখনৰ ধোবি লাইনত আজি পুৱা প্ৰায় সাত বজাত মংলু তাঁতী (৩২) নামৰ বিবাহিত চাহ শ্ৰমিকজনৰ গণ প্ৰহাৰত মৃত্যু হয়।

প্ৰাপ্ত তথ্য অনুসৰি, হত্যাৰ বলি হোৱা উদণ্ড প্ৰকৃতিৰ মংলুৱে আজি পুৱা হাতত চোকা দা এখন লৈ অকাৰণতে এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে। একাংশ স্থানীয় লোকে মংলুৰ এনে কাণ্ডত অতিষ্ঠ হৈ তেওঁক উক্ত স্থানৰ পৰা আঁতৰি যাবলৈ কয়। যদিও মংলুৱে সেই কথালৈ গুৰুত্ব নিদি পুনৰ অশ্লীল ভাষাৰে গোৱালগালি পাৰিবলৈ ধৰাত স্থানীয় লোক ক্ষোভিত হৈ পৰে। একাংশ ক্ষুব্ধ লোকে হাতে হাতে লাঠি-লোৰ ৰড আদি লৈ মংলুক প্ৰহাৰৰ বাবে চোঁচা লয়। এনে অৱস্থাত মংলুৱে গণপ্ৰহাৰৰ পৰা ৰক্ষা পাবলৈ বুলি শহুৰেক প্ৰয়াত বুদ্ধেশ্বৰ কৰ্মকাৰৰ ঘৰলৈ দৌৰ মাৰে। শতাধিক ক্ষুব্ধ পুৰুষ-মহিলাই বুদ্ধেশ্বৰৰ ঘৰটো ঘেৰি ধৰে আৰু ঘৰৰ ভিতৰতে মংলুক উত্তম-মধ্যম শোধাবলৈ ধৰে। এটা সময়ত গণ প্ৰহাৰত ঢলি পৰা মংলুক উত্তেজিত ৰাইজে ঘৰৰ ভিতৰৰ পৰা চোঁচৰাই চোতাললৈ আনে আৰু পুনৰ লাঠি-ৰডেৰে প্ৰহাৰ কৰিবলৈ ধৰে। স্থানীয় লোকে জনোৱা মতে, মাৰপিট-চুৰি আদি বিভিন্ন অপৰাধজনিত ঘটনাত সততে জড়িত থকা মংলুৱে একাধিকবাৰ কাৰাবাস খাটিছিল। প্ৰায় এমাহৰ পূৰ্বে জেলৰ পৰা ওলাই অহা মংলুৱে পুনৰ শ্ৰমিক লাইনটোত ত্ৰাসৰ সৃষ্টি কৰাত স্বাভাৱিকতেই ৰাইজ খৰ্গহস্ত হৈ পৰিছিল। উদণ্ড মংলুৰ ওপৰত স্থানীয় ৰাইজৰ ইমানেই খং আছিল যে গণ-প্ৰহাৰত ইতিমধ্যেই প্ৰাণবায়ু যোৱা লোকজনৰ ৰক্তাক্ত দেহটো প্ৰায় এশ মিটাৰ চোঁচৰাই আনি পথৰ দাঁতিত পেলাই থয়। ইফালে, ঘটনাস্থলীত উপস্থিত হোৱা সাপেখাতী আৰক্ষীয়ে পৰিয়াল তথা স্থানীয় ৰাইজক প্ৰাথমিক সোধপোছ কৰাৰ অন্তত মংলুৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। লক্ষণীয় দিশটো হ'ল, ঘটনাৰ সংক্ৰান্তত সাপেখাতী আৰক্ষীয়ে এই পৰ্যন্ত কোনো লোককে গ্ৰেপ্তাৰ বা আটক কৰা নাই। ইফালে, মংলু হত্যা সন্দৰ্ভত কোনো এজন লোকক আটক বা গ্ৰেপ্তাৰ কৰিব নোৱাৰিব বুলি চাহ শ্ৰমিকসকলে হুংকাৰ দিছে। 'গ্ৰেপ্তাৰ কৰিলে আমাৰ সকলোকে গ্ৰেপ্তাৰ কৰিব লাগিব' বুলি স্থানীয় চাহ শ্ৰমিকসকলে স্পষ্ট কৰি দিয়াত এতিয়া বিবুদ্ধিত পৰিছে আৰক্ষী। প্ৰচলিত আইনী ব্যৱস্থাৰ ওপৰত আস্থা নোহোৱাৰ বাবেই চাহ শ্ৰমিকসকলে নিজেই আইন হাতত তুলি মংলুৰ দৰে দাগী অপৰাধীক হত্যা কৰিলে বুলি অঞ্চলটোত চৰ্চা চলিছে।

# ধুবুৰীৰ বি এন কলেজত 'সীমা সুৰক্ষা-ৰাষ্ট্ৰীয় সুৰক্ষা-নাগৰিকৰ কৰ্তব্য' শীৰ্ষক মত বিনিময়



**ধুবুৰী, ১২ ছেপ্টেম্বৰ ঃ** ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয় আৰু সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰ ধুবুৰী নগৰৰ উদ্যোগত আজি ধুবুৰী ভোলানাথ মহাবিদ্যালয় প্ৰাংগণত প্ৰবোধন আৰু মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। ধুবুৰীৰ ভোলানাথ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি দেৱাশিষ ভট্টাচাৰ্যৰ সভাপতিত্বত অনুষ্ঠিত প্ৰবোধন আৰু মত বিনিময় অনুষ্ঠানত হিমাচল প্ৰদেশৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপ-কুলপতি অধ্যাপক ড° কুলদীপ চান্দ অগ্নিহোত্ৰী মূল বক্তা হিচাপে উপস্থিত থাকি ভাৰত-চীন সীমান্ত আৰু ভাৰত-পাকিস্তান সীমান্তৰ ওপৰত বিস্তৃতভাৱে আলোচনা আগবঢ়ায়। সীমান্ত সমস্যা আৰু সীমান্ত সমস্যাৰ উদ্ভৱ কেনেদৰে হ'ল সেই সন্দৰ্ভত বিস্তৃত বক্তৃতা আগবঢ়ায়। পাকিস্তানৰ স'তে ভাৰতৰ সম্পৰ্ক সন্দৰ্ভত বুৰঞ্জী বহলাই আলোচনা আগবঢ়ায়। চীনৰ স'তে হোৱা ১৯৬২ আৰু ১৯৬৭ৰ যুদ্ধ সন্দৰ্ভত আৰু সেনাৰ ভূমিকা আৰু চৰকাৰৰ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা আগবঢ়ায়। প্ৰবোধন আৰু মত বিনিময় অনুষ্ঠানত সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰৰ সভাপতি ড° প্ৰতিমা নেওগী আৰু সম্পাদক দেৱাশিষ দত্ত উপস্থিত থাকে। অনুষ্ঠানৰ প্ৰথমতে বন্তি প্ৰজ্বলন কৰে ড° কুলদীপ চান্দ অগ্নিহোত্ৰী, বি এন কলেজৰ অধ্যক্ষ ড° ধ্ৰুৱ চক্ৰৱৰ্তীয়ে। এই কাৰ্যসূচীত ধুবহুৰী জিলাৰ বিদ্যালয়সমূহৰ প্ৰধান শিক্ষক, অধ্যক্ষসকল আৰু বহুসংখ্যক শিক্ষাবিদ, ছাত্ৰ-ছাত্ৰী উপস্থিত থাকি মত বিনিময় কৰে। অনুষ্ঠানত সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰৰ পৰিকল্পনা, কাৰ্যক্ৰমণিকা সন্দৰ্ভত বিস্তৃতভাৱে জনায় সভাপতি ড° প্ৰতিমা নেওগীয়ে। অনুষ্ঠানত উপস্থিত শিক্ষাবিদসকলেও প্ৰশ্ন উত্থাপন কৰে আৰু ড° কুলদীপ চান্দ অগ্নিহোত্ৰীয়ে প্ৰশ্নৰ উত্তৰ দিয়ে।

# অনুপম কুমাৰ অনুবাদ সাহিত্য বঁটা ২০২২ৰ বাবে গ্ৰন্থ আহ্বান

**গুৱাহাটী, ১২ ছেপ্টেম্বৰ ঃ** অনুপম কুমাৰ অনুবাদ সাহিত্য বঁটাৰ বাবে অসমীয়া ভাষাত অনুদিত গ্ৰন্থ বিচাৰি ইচ্ছুক লেখকক আবেদনৰ আহ্বান জনাইছে অনুপম কুমাৰ স্মৃতি ন্যাসে। কবি প্ৰয়াত অনুপম কুমাৰৰ স্মৃতিত গঠিত ন্যাসৰ বিষয়ববীয়াসকলে সদৰী কৰা অনুসৰি চলিত বৰ্ষৰ অনুপম কুমাৰ অনুবাদ সাহিত্য বঁটাৰ বাবে লেখক তথা প্ৰকাশকে গ্ৰন্থৰ চাৰিটা কপি পাঁচ নৱেম্বৰৰ ভিতৰত পঠিয়াব লাগিব। এই বঁটাৰ বাবে ২০১৮ৰ পহিলা জানুৱাৰীৰ পৰা ২০২২ৰ ৩১ অক্টোবৰৰ ভিতৰত প্ৰকাশিত গ্ৰন্থ যিকোনো বয়সৰ লেখকে পঠিয়াব পাৰিব। ইচ্ছুকসকলে গ্ৰন্থৰ কপি, নাম-ঠিকনা সম্পূৰ্ণ লিখি 'অনুপম কুমাৰ স্মৃতি ন্যাস' মাৰফৎ-ইন্দিৰা বৰ্মন, জয়ানগৰ, মালিগাঁও, গুৱাহাটী-৭৮১০১১ ঠিকনাত পঠিয়াব পাৰিব। ন্যাসৰ তৰফৰ পৰা জাৰো অনুসৰি অনুপম কুমাৰ অনুবাদ সাহিত্য বঁটাত আছে ২৫ হেজাৰ টকা, স্মাৰক আৰু মানপত্ৰ। উল্লেখ্য যে ২০২০ত অনুপম কুমাৰ অনুবাদ বঁটাৰে সন্মানিত হৈছিল কবি অনুবাদক ড° বিনোদ কুমাৰ গগৈ আৰু ২০২১ৰ অনুপম কুমাৰ অনুবাদ বঁটাৰে সন্মানিত হৈছিল বিশিষ্ট কবি-অনুবাদক আনিছ উজ জামান।

# গণিত-বিজ্ঞান বিষয় দুটাহে ইংৰাজীত

*এক পৃষ্ঠাৰ পৰা* লোৱা হৈছে বুলি আজি বিধানসভাৰ মজিয়াত বিষয়টো স্পষ্ট কৰি দিয়ে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। শিক্ষামন্ত্ৰীজনে কয় যে ৰাষ্ট্ৰীয় শিক্ষানীতি ভালদৰে অধ্যয়ন কৰিলে সকলো পক্ষই বুজি পাব যে মাধ্যম মানে পাঠ্যপুথি নহয়, আচলতে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজৰ মত বিনিময়ৰ ভাষাহে। ছাত্ৰ-ছাত্ৰীয়ে কি ভাষাত কথা কয় বা পাঠ্যক্ৰম বুজি পায় সেয়াহে মাতৃভাষা। ৰাজ্য চৰকাৰে গুৰুত্ব দিছে যাতে ছাত্ৰ-ছাত্ৰীৰ ভাষা আৰু শিক্ষকৰ ভাষা একে হয়, পৰস্পৰৰ বোধগম্য হয়। অসমীয়া মাধ্যমৰ বিদ্যালয়ত আন ভাষাৰ শিক্ষক নিযুক্তি দিয়া নহয় বুলি সদৰী কৰে শিক্ষামন্ত্ৰীজনে। কংগ্ৰেছ বিধায়ক কমলাক্ষ্য দে পুৰকায়স্থই আজি সদনৰ শূন্যকালীন ঘণ্টাত উত্থাপন কৰা ভাষা সম্পৰ্কীয় এটা প্ৰশ্নৰ উত্তৰত শিক্ষামন্ত্ৰীয়ে মাধ্যম বিতৰ্কক লৈ বিভিন্ন দল-সংগঠনে অব্যাহত ৰখা প্ৰতিক্ৰিয়াৰ প্ৰত্যুত্তৰত কয় যে ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে মাতৃভাষাৰ লগতে বহুভাষিক শিক্ষাৰ কথাও কৈছে। ৰাষ্ট্ৰীয় শিক্ষানীতিত ষষ্ঠ শ্ৰেণীৰ পৰাহে বহুভাষিক শিক্ষাৰ কথা কৈছে যদিও অসমত শিক্ষা বিভাগে তৃতীয় শ্ৰেণীৰ পৰাই বহুভাষিক অৰ্থাৎ অসমীয়া, বড়ো ভাষাৰ স'তে ইংৰাজী ভাষাতো শিক্ষাদানৰ সিদ্ধান্ত লৈছে। মন্ত্ৰীজনে কয় যে তৃতীয় শ্ৰেণীৰ পৰা ইংৰাজী ভাষাত শিক্ষাদানৰ মূলতেই হ'ল মাধ্যমিক শিক্ষাৰ বাবে প্ৰস্তুতি। ছাত্ৰ-ছাত্ৰীসকলে নৱম শ্ৰেণীৰ পৰা ইংৰাজীত সল্‌সলীয়াকৈ লিখিব-পঢ়িব পাৰিব লাগিব বুলি ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে স্পষ্ট নিৰ্দেশনা দিছে। শিক্ষানীতিত এই কথাও কোৱা হৈছে যে মাতৃভাষাৰ লগতে আন ভাষাও আয়ত্ত কৰিব লাগে। অসমত আন ভাষা বুলি ক'লে মাতৃভাষাৰ লগতে ইংৰাজী ভাষাই একমাত্ৰ বিকল্প বুলি অভিহিত কৰি শিক্ষামন্ত্ৰীজনে কয় যে মাধ্যমিক শিক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰীক প্ৰস্তুত কৰিবলৈহে তৃতীয় শ্ৰেণীৰ পৰাই দুটা বিষয় ইংৰাজীত পাঠদানৰ সিদ্ধান্ত লোৱা হৈছে। সামগ্ৰিকভাৱে ছাত্ৰ-ছাত্ৰীক মাতৃভাষাতে পাঠদানৰ ব্যৱস্থা কৰাৰ কথা উনুকিয়াই শিক্ষামন্ত্ৰীজনে কয় যে নৱম শ্ৰেণীৰ পূৰ্বে ছাত্ৰ-ছাত্ৰীসকলক মূলতঃ গণিত আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী ভাষাত আয়ত্ত কৰিব পৰাকৈ পাৰ্গত কৰিবলৈ নিৰ্দেশনা দিছে ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে। সেই বাবেহে অসম চৰকাৰে তৃতীয় শ্ৰেণীৰ পৰাই এই দুটা বিষয়ত ইংৰাজীত পাঠদানৰ দিহা কৰা হৈছে বুলি সদনক শিক্ষামন্ত্ৰী পেগুৱে অৱগত কৰে।

# বিশ্বনাথৰ বিশিষ্ট সাহিত্যিক-সাংবাদিক স্বৰ্ণ হাজৰিকাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ১২ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ চাৰিআলিৰ লেহুগাঁও নিবাসী ৰাজ্যৰ মফচলীয় মহিলা সাংবাদিকতাৰ অন্যতম প্ৰতিনিধি তথা সাহিত্যিক পেঞ্চনাৰ স্বৰ্ণ হাজৰিকাই আজি গুৱাহাটীৰ হেল্‌থ চিটি হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰীগৰাকীৰ বয়স আছিল ৮৫ বছৰ। মৃত্যুৰ সময়ত তেওঁ দুজন পুত্ৰ আৰু দুগৰাকী কন্যা সন্তান ইহ সংসাৰত এৰি থৈ যায়। হিন্দী শিক্ষাৰ প্ৰচাৰ আৰু প্ৰসাৰত ব্ৰতী হাজৰিকাই হিন্দী প্ৰচাৰকৰূপে ১৯৫৬ৰ পৰা সেৱা আগবঢ়াই অহাৰ লগতে চাৰিআলি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়, কলাবাৰী উচ্চ (বৰ্তমানে উচ্চতৰ) মাধ্যমিক বিদ্যালয়, কস্তুৰবা মধ্য ইংৰাজী বিদ্যালয় আৰু চাৰিআলি একাডেমীত শিক্ষকতা কৰি ১৯৯২ৰ ১৩ মে'ত চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে। তদুপৰি চাৰিআলি হিন্দী বিশাৰদ কেন্দ্ৰ স্থাপন, চাৰিআলি হিন্দী প্ৰবোধ বিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষৰ দায়িত্বও তেওঁ সম্পাদন কৰে। হাজৰিকাই হিন্দী ছেন্টিনেল, পূৰ্বাঞ্চল প্ৰহৰী, মহাজাতি আদি কাকতত সংবাদ সেৱা আগবঢ়াইছিল। সাহিত্যিক পেঞ্চন লাভৰ লগতে ভাৰতীয় দলিত সাহিত্য একাডেমীৰ বাবে ড° আম্বেদকাৰ ফেল'শ্বিপ, পূণ্যপ্ৰভা ৰাজখোৱা স্মৃতি বঁটা আদি লাভ কৰা হাজৰিকাই প্ৰায় ৩০খন গ্ৰন্থ ৰচনা কৰাৰ উপৰি মহিলা সমিতি, লেখিকা সমাৰোহ আদি বিভিন্ন অনুষ্ঠানৰে জড়িত আছিল। হাজৰিকাৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

# চলিচিটৰ জেনেৰেলক চাৰি সপ্তাহৰ

*এক পৃষ্ঠাৰ পৰা* শুনানিৰ দিন অহা ৩১ অক্টোবৰ ধাৰ্য কৰে। তাৰ পূৰ্বে আজিৰ পৰা চাৰি সপ্তাহৰ ভিতৰত নাগৰিকত্ব আইনখনৰ গোচৰবোৰৰ শুনানি কিদৰে আগবাঢ়িব সেই বিষয়ত সকলো পক্ষৰ দৃষ্টিভংগী বিবেচনা কৰি ছ'লিচিটৰ জেনেৰেলৰ কাৰ্যালয়ক এক ৰূপৰেখা প্ৰস্তুতৰ নিৰ্দেশ দিয়ে। এই নিৰ্দেশটোতে বিগত ২০২০ৰ ২২ জানুৱাৰীত জাৰি কৰা এক নিৰ্দেশনাৰ আধাৰত অসম আৰু ত্ৰিপুৰাসহ উত্তৰ-পূৰ্বাঞ্চলৰ বাবে শুনানিৰ সুকীয়া সময় নিৰ্ধাৰণ কৰা হ'ব বুলি উল্লেখ কৰা হয়।

উল্লেখ্য যে আইনখন ভাৰতৰ স্বাৰ্থৰ পৰিপন্থী বুলি অভিহিত কৰি ইয়াক বাতিলত হস্তক্ষেপ বিচাৰি ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা ২১৯ খন আবেদন উচ্চতম ন্যায়ালয়ত দাখিল হৈছে। এই আটাইবোৰ আবেদনক একত্ৰিত কৰি আজিৰ শুনানি অনুষ্ঠিত হয়। উল্লেখ্য যে অসমৰ কে'বাটাও সংগঠনে আইনখনৰ বিৰুদ্ধে আবেদন দাখিল কৰিছে। অসম সন্মিলিত মহাসংঘ, সদৌ অসম ছাত্ৰ সন্থা, উত্তৰ-পূব ছাত্ৰ সন্থা আদি তেনে সংগঠনবোৰৰ ভিতৰত অন্যতম। প্ৰসংগক্ৰমে উল্লেখ্য যে পহিলা নৱেম্বৰত পাঁচজনীয়া সাংবিধানিক বিচাৰপীঠত নাগৰিকত্ব সংশোধনী আইনখন চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৰ বিৰুদ্ধে মহাসংঘই তৰা গোচৰটোৰো শুনানি অনুষ্ঠিত হ'ব। মহাসংঘই আইনখন অবৈধ আৰু অসাংবিধানিক বুলি গোচৰটোত উল্লেখ কৰিছে।

উল্লেখ্য যে দেশজুৰি গঢ়ি উঠা প্ৰবল প্ৰতিবাদকো উপেক্ষা কৰি কেন্দ্ৰীয় চৰকাৰে বিগত ২০১৯ৰ ১২ ডিচেম্বৰত সংসদত সংশোধিত নাগৰিকত্ব আইনখন অনুমোদন কৰে। আনহাতে, ২০২০ৰ ১০ জানুৱাৰীত ইয়াৰ জাননী জাৰি কৰা হয়। অদ্যাপি আইনখনৰ বিধিসমূহ প্ৰস্তুত নহ'লেও ইয়াৰ জৰিয়তে ২০১৪ৰ ১১ ডিচেম্বৰ অথবা তাৰ আগত ধৰ্মীয় নিৰ্যাতনৰ বলি হৈ হিন্দু, খ্ৰীষ্টান, জৈন, বৌদ্ধ, পাৰ্চি আৰু শিখ সম্প্ৰদায়ৰ লোকে অফগানিস্তান, পাকিস্তান আৰু বাংলাদেশৰ পৰা ভাৰতলৈ প্ৰব্ৰজন কৰিলে তেওঁলোকে এই দেশৰ নাগৰিকত্ব লাভ কৰিব।

# নলবাৰীত নিবনুৱা যুৱক-যুৱতীক কৃষিকৰ্মৰে স্বাৱলম্বনৰ পদক্ষেপ

## চেং নৈ কৃষক উৎপাদক কোম্পানীৰ সাধাৰণ সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা



**নলবাৰী, ১২ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ ঐতিমণ্ডিত কটৰা হাইস্কুল প্ৰাংগণত কালি এখন বিশেষ সভা অনুষ্ঠিত হয়। পুৱা ১০ বজাত বৃক্ষৰোপণ, বন্তি প্ৰজ্বলন কাৰ্যসূচীৰ জৰিয়তে ১১ বজাত সাধাৰণ সভা অনুষ্ঠিত হয়। চেং নৈ অঞ্চলৰ যুৱ সমাজ, বিশিষ্ট মীন পালক, কৃতী শিক্ষক দীনেশ গোস্বামীৰ উদ্যোগত গঢ় লৈ উঠা প্ৰায় পাঁচশ কৃষকৰ যুটীয়া গোট চেং নৈ কৃষক উৎপাদক গোটৰ সাধাৰণ সভাত সভাপতিত্ব কৰে কটৰা হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ত্ৰৈলোক্য গোস্বামীয়ে। সভাত বিশিষ্ট অতিথিৰ আসন গ্ৰহণ কৰে এগ্ৰিকালছাৰ ন'ডেল এজেন্সীৰ মাৰ্কেটিং মেনেজাৰ সন্দীপ যোশী, এগ্ৰিকালছাৰ মাৰ্কেটিং ক'অৰ্ডিনেটৰ সত্যেন তালুকদাৰ, ৰাজ্যিক কিষাণ মৰ্চাৰ উপ-সভাপতি ধনেশ্বৰ ডেকা, নলবাৰী জিলা পৰিষদৰ অধ্যক্ষ নিতুল ডেকা, ৰাষ্ট্ৰীয় জনকল্যাণ পৰিষদৰ পল্লৱী ভাগৱতী, পূব নলবাৰী কিষাণ মৰ্চাৰ সভাপতি বিজয় তামুলী, বড়িগোগ বনভাগ কিষাণ মৰ্চাৰ সভাপতি প্ৰতুল চৌধুৰী, নানকাৰ ভয়ৰা পশু চিকিৎসালয়ৰ চিকিৎসক প্ৰমোদ পাটোৱাৰী, কটৰা হাইস্কুলৰ প্ৰধান শিক্ষক গিৰিধৰ কলিতা, পাঁচ নম্বৰ বতাহগিলা পঞ্চায়তৰ সভাপতি অঞ্জন তালুকদাৰ আদি দুই শতাধিক কৃষক আৰু ৰাইজ। সভাত আমন্ত্ৰিত অতিথিৰ ভাষণত নলবাৰী জিলা পৰিষদৰ অধ্যক্ষ ডেকাই কয় যে ৰাজ্যখনত যিহেতু শিক্ষিত নিবনুৱাৰ হাৰ বেছি, সেই হেতুকে সকলোৱে চাকৰি পোৱাটো ইমান সহজ নহয়। গতিকে সকলোৱে কৃষিকৰ্মত নিয়োজিত হৈ নিজক স্বাৱলম্বী কৰিব লাগে। আনহাতে, এপাৰ্ট আঁচনিৰ কৃষি বিপণন সমন্বয়ক সত্যেন তালুকদাৰে কয় যে সাম্প্ৰতিক সময়ত কৃষিকৰ্মৰে জড়িত সকলক চৰকাৰে সকলো সুবিধা প্ৰদান কৰি আহিছে। গতিকে সকলোৱে কৃষিত জড়িত হৈ দেশৰ অৰ্থনৈতিক দিশটো টনকিয়াল কৰিব লাগে। চেং নৈ কৃষক উৎপাদক গোটৰ জৰিয়তেও প্ৰায় পাঁচ শতাধিক লোক উপকৃত হ'ব বুলি মন্তব্য কৰে। সভাৰ শেষত সকলো কৃষকক তিনিটাকৈ মৌচুমী টেঙাৰ পুলি বিতৰণ কৰা হয়।

# ঠিকাভিত্তিক নিযুক্তিৰ জাল

*এক পৃষ্ঠাৰ পৰা* আছে। ধৃত লোক কেইজন হ'ল—মহানগৰীৰ কাহিলিপাৰাৰ নয়ন শইকীয়া, মণ্ডলদৈৰ ছিৰাজুল হক, নলবাৰীৰ গোবিন্দ চৌধুৰী, প্ৰাঞ্জল বৰ্মন, নুৰ ইছলাম আহমেদ, মহানগৰীৰ বশিষ্ঠৰ জয়ন্ত ডেকা আৰু গোৱালপাৰাৰ জয়ন্ত দাস। আটাইকেইজনক দিছপুৰ আৰক্ষী থানাৰ অধীনৰ বৰবাৰীস্থিত জি ডি নামৰ গেষ্ট হাউচ এটাৰ পৰা গ্ৰেপ্তাৰ কৰা হয়। ধৃত দলটোৰ পৰা এটা লেপটপ, চৰকাৰী মোহৰ আৰু বহু পৰিমাণৰ নথিপত্ৰ উদ্ধাৰ কৰা হয়। দিছপুৰ আৰক্ষীয়ে জনোৱা মতে, এই গেষ্ট হাউচটোত বাহৰ পাতি বৃহৎ ধনৰ বিনিময়ত এই লোক কেইজনে অসম চৰকাৰৰ বিভিন্ন বিভাগৰ ঠিকাভিত্তিক চাকৰিৰ নিযুক্তিপত্ৰ বিতৰণ কৰি আহিছিল। আজি আটাইকেইজনক আদালতত হাজিৰ কৰা হয়। আদালতে প্ৰৱঞ্চকৰ দলটোক তিনিদিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰে।

আৰক্ষীৰ তথ্য অনুসৰি অসম চৰকাৰৰ স্বাস্থ্য, জলসম্পদ আদি বিভাগৰ নামত প্ৰৱঞ্চকৰ দলটোৱে ঠিকাভিত্তিক নিযুক্তিপত্ৰ প্ৰদানৰ অভিযোগ আহিছে। বৰবাৰীৰ গেষ্ট হাউচটোতে তাৰ বাবেই তিনিটা কোঠা ভাড়ালৈ লৈছিল। দুই, চাৰি আৰু ১০৮ নম্বৰ কোঠাকেইটা ভাড়া লৈছিল ৰফিকুল হুছেইন নামৰ আন এজন প্ৰৱঞ্চকে। দলটো এনেদৰে সমবেত হোৱাৰ খবৰ লাভ কৰিয়েই যোৱা নিশা চলোৱা অভিযানত উক্ত সাতজন জালত পৰে। আৰক্ষীয়ে নিযুক্তিপত্ৰ প্ৰদান কৰা আৰু প্ৰদান কৰিবলৈ সাজু কৰা প্ৰাৰ্থীৰ এখন তালিকাও উদ্ধাৰ কৰে। সেইখনৰ ভিত্তিতো তদন্ত অব্যাহত ৰখা হৈছে।

# বিজেপিৰ শাসনত ডেৰ সহস্ৰাধিক

*এক পৃষ্ঠাৰ পৰা* কয় যে গ্ৰেপ্তাৰ কৰাসকলৰ ভিতৰত ১০ জন মাদ্ৰাছাৰ স'তে জড়িত। এওঁলোক হ'ল ক্ৰমে বাংলাদেশৰ ছাইফুল ইছলাম ওৰফে হাৰুল ৰছিদ ওৰফে চুমন, বৰপেটাৰ মামুনুৰ ৰছিদ, মৰিগাঁৱৰ মুস্তাফা ওৰফে মুফটি মুস্তাফা, গোৱালপাৰাৰ মৰনৈৰ আব্দুছ ছোহাবান, গোৱালপাৰাৰ জালালুদ্দিন শ্বেখ, গোৱালপাৰাৰ গোবিন্দপুৰ চালাৰ আব্দুছ ছোবাহান, বঙাইগাঁৱৰ মুফটি হাফিজুৰ ৰহমান, গুৱাহাটীৰ আজমল হুছেইন, বৰপেটাৰ আকবৰ আলী আৰু আব্দুল কালাম আজাদ। মাদ্ৰাছাৰ স'তে জড়িত এই ধৃত জেহাদীসকলে কিছুমান মছজিদ, মাদ্ৰাছা, ধৰ্ম সভাত ভাষণ দি মুছলমান যুৱকসকলক জেহাদী কাৰ্যকলাপত জড়িত হ'বলৈ অনুপ্ৰাণিত কৰিছিল। দেখাত মাদ্ৰাছাৰ স'তে জড়িত হ'লেও এওঁলোকে মুছলমান লোকৰ মাজত জেহাদ সম্পৰ্কীয় বিভিন্ন পুস্তিকা বিতৰণৰ লগতে পৰস্পৰৰ স'তে যোগাযোগৰ বাবে উচ্চ প্ৰযুক্তি সম্পন্ন কনভাৰচেছন এপ 'ওমেমো' আৰু 'ব্লেবাৰ' ব্যৱহাৰ কৰিছিল। উল্লেখ্য যে জেহাদী সন্দেহত গ্ৰেপ্তাৰ কৰা এই অভিযুক্তসকলৰ বিৰুদ্ধে ৰুজু হোৱা গোচৰসমূহৰ তদন্ত এতিয়াও অব্যাহত আছে বুলি মুখ্যমন্ত্ৰীয়ে সদৰী কৰে।

ইফালে, ২০১৬ৰ পৰা বৰ্তমানলৈ ৰাজ্যৰ প্ৰায় ১,৫৬১ জন যুৱক-যুৱতীয়ে বিভিন্ন উগ্ৰপন্থী সংগঠনত যোগদান কৰাৰ তথ্য অসম চৰকাৰে লাভ কৰাৰ কথাও সদৰী কৰে মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি বিধানসভাত এই কথাও সদৰী কৰে যে ৰাজ্যত বিজেপি চৰকাৰ গঠন হোৱাৰ পাছৰে পৰা বৰ্তমানলৈকে বিভিন্ন উগ্ৰপন্থী সংগঠনৰ অভিলেখসংখ্যক ৭,৯৩৫ জন সদস্যই অস্ত্ৰ ত্যাগ কৰি মূলসুঁতিলৈ উভতি আহিছে। উগ্ৰপন্থী সংগঠন বিশেষকৈ আলফা (স্বাধীন)লৈ যুৱক-যুৱতীৰ আকৰ্ষণ বৃদ্ধি পোৱাৰ কথা স্বীকাৰ কৰি মুখ্যমন্ত্ৰীয়ে আজি বিধানসভাক জনায় যে বিভিন্ন সামাজিক মাধ্যম বিশেষকৈ ফেচবুক, মেছেঞ্জাৰ, টুইটাৰ আদিৰ যোগেদি সংগঠনটোৱে নিজৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰাত ব্যস্ত হৈছে। এনে মাধ্যমৰে যুৱচামক বিভিন্ন ছলাহী কথাৰে আকৃষ্ট কৰিব বিচাৰিছে আৰু বহু যুৱকক ছ'চিয়েল মিডিয়াৰ জৰিয়তে প্ৰভাৱিত কৰি আলফা স্বাধীনত যোগদান কৰিবলৈ উৎসাহিত কৰাও দেখা গৈছে বুলি মুখ্যমন্ত্ৰীয়ে আজি বিধানসভাৰ মজিয়াত ব্যক্ত কৰে। তেওঁ কয় যে ছ'চিয়েল মিডিয়াত বিগত সময়ছোৱাত এনে বিভিন্ন পক্ষই আপত্তিজনক প'ষ্ট দিয়াৰ কথা ধৰা পেলাইছে আৰক্ষীয়ে। ২০২১-২২ৰ তেনে ৯৯০ টা ৰাষ্ট্ৰবিৰোধী আৰু সন্ত্ৰাসবাদক উদগনি দিয়াটো আৰক্ষীয়ে ধৰা পেলাইছে। ইয়াৰে ভিত্তিত অসমৰ বিভিন্ন জিলাত এশটা গোচৰ ৰুজু কৰাৰ লগতে ৮৫ জনক গ্ৰেপ্তাৰ কৰা হৈছে। আন ৫৮১ জন যুৱক-যুৱতীক তেওঁলোকৰ অভিভাৱকৰ সন্মুখত মনস্তাত্ত্বিক পৰ্যবেক্ষণৰ জৰিয়তে শুধৰণিৰ পদক্ষেপ লোৱা হৈছে। আকৌ অসম আৰক্ষীৰ বিশেষ শাখাত স্থাপিত 'চাইবাৰড'ম প্ৰজেক্ট'ৰ অধীনত চাৰিশটা এনে ৰাষ্ট্ৰবিৰোধী প'ষ্ট সামাজিক মাধ্যমৰ পৰা আঁতৰাই দিয়া হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে বিধানসভাত অৱগত কৰে।

# কাইলৈ উদ্বোধন হ'ব এশখন বিছনাযুক্ত জখলাবন্ধা চিকিৎসালয়

## কলিয়াবৰৰ নৱনিৰ্মিত মহকুমা অসামৰিক চিকিৎসালয় ভৱন পৰিদৰ্শন স্বাস্থ্যমন্ত্ৰী মহন্তৰ

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ১২ ছেপ্টেম্বৰ ঃ** কলিয়াবৰৰ জখলাবন্ধাৰ নৱনিৰ্মিত কলিয়াবৰ মহকুমা অসামৰিক চিকিৎসালয়খন অহা ১৪ ছেপ্টেম্বৰত ৰাইজৰ বাবে মুকলি কৰা হ'ব। সেইদিনা চিকিৎসালয়খনৰ দ্বাৰ উদ্বোধন কৰিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। কলিয়াবৰ মহকুমা অসামৰিক চিকিৎসালয়ত আজি স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই এক সংবাদমেলযোগে এই কথা সদৰী কৰে। স্বাস্থ্য মন্ত্ৰী মহন্তই নৱনিৰ্মিত চিকিৎসালয়খনত চিটী স্কেন, ব্লাড বেংককে ধৰি অত্যাধুনিক সা-সুবিধা থাকিব বুলি উল্লেখ কৰে। ১৭ জন চিকিৎসকে চিকিৎসা প্ৰদান কৰিবলগীয়া চিকিৎসালয়খন এশখন বিছনাযুক্ত হোৱাৰ লগতে সকলো কক্ষতে অক্সিজেন সংযুক্ত থাকিব বুলি ঘোষণা কৰে। ইয়াৰ আগেয়ে মন্ত্ৰীজনে নৱনিৰ্মিত ভৱনটো পৰিদৰ্শন কৰে। উল্লেখ্য যে স্থানীয় বিধায়ক তথা মন্ত্ৰী মহন্তৰ প্ৰচেষ্টাত তদানীন্তন স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কলিয়াবৰবাসীক জখলাবন্ধা এফআৰইউ চিকিৎসালয়খনক এশখন বিছনাযুক্ত কলিয়াবৰ মহকুমা অসামৰিক মহকুমা চিকিৎসালয়লৈ উন্নীতকৰণৰ বাবে এটা তিনিমহলীয়া ঘৰ নিৰ্মাণৰ বাবে ১২ কোটি ৪৭ লাখ টকা মোকলাই দিছিল। উক্ত কামৰ ঠিকা লাভ কৰিছিল মেচাৰ্ছ কে কে এণ্টাৰপ্ৰাইজ নামৰ এটা ঠিকাদাৰ প্ৰতিষ্ঠানে। ইতিমধ্যে চিকিৎসালয়খনৰ কাম এশ শতাংশই সম্পন্ন হৈ উঠিছে।

# তেজপুৰত দুৰ্ঘটনাত যুৱকৰ মৃত্যু

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ১২ ছেপ্টেম্বৰ ঃ** আজি নিশা প্ৰায় ৯-২০ বজাত তেজপুৰৰ মিছন চাৰিআলিত সংঘটিত এক শোকাৰহ পথ দুৰ্ঘটনাত জয়ন্ত বৰা (উৎপল) নামৰ এজন চাইকেল আৰোহী যুৱকৰ থিতাতে মৃত্যু হয়। এ এছ-০১ এইচ চি-৫৩১৪ নম্বৰ ট্ৰাকখনে ঢেকিয়াজুলিৰ দিশৰ পৰা আহি নগাঁও অভিমুখে যোৱাৰ সময়ত চাৰিআলিৰ ট্ৰেফিক পইণ্টৰ প্ৰায় সমীপতে চাইকেল আৰোহী যুৱকজনক মহতিয়াই নিয়ে। উল্লেখ্য যে তেজপুৰ ডিপোতা দিহিঙীয়া চুবুৰিৰ যুৱকজন মাত্ৰ দুমাহমান পূৰ্বে বিবাহপাশত আবদ্ধ হৈছিল। অতি সৎ স্বভাৱৰ আৰু অমায়িক যুৱকজনে স্থানীয় এক ব্যক্তিগত প্ৰতিষ্ঠানত কৰ্মৰত আছিল। দিহিঙিয়া চুবুৰিৰ ৰাইজে স্থানীয় নামঘৰত ভাওনাৰ আখৰা কৰি থকাৰ বিপৰীতে যুৱকজনো এই ভাওনাৰ এজন ভাৱৰীয়া আছিল। নিৰীহ যুৱকজন নিহত হোৱাৰ বিষয়ে জানিব পাৰি ভাওনাৰ আখৰাত ব্যস্ত থকা সকলো ভাৱৰীয়া তথা উপস্থিত ৰাইজ দুৰ্ঘটনাস্থলীত উপস্থিত হৈ শোকত ভাঙি পৰে। যুৱকজনে প্ৰয়োজনীয় কাম শেষ কৰি ঘৰলৈ ওভতাৰ পথত নিয়ন্ত্ৰণহীন ট্ৰাকখনে তেওঁক মহতিয়াই নিয়ে। দুৰ্ঘটনাটোৰ ফলত সদাব্যস্ত চাৰিআলিটোত যান-জঁটৰো সৃষ্টি হয়। আৰক্ষীয়ে ইতিমধ্যে ট্ৰাকখন জব্দ কৰাৰ লগতে নিহত যুৱকজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে তেজপুৰ কনকলতা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে। এই ঘটনাই ডিপোতা অঞ্চল গভীৰ শোকৰ ছাঁ পেলাইছে।

# ভৱেশ কলিতাৰ বিৰুদ্ধে

*এক পৃষ্ঠাৰ পৰা* খলকনি লগোৱাৰ সময়তে ৰাজ্যিক বিজেপিৰ সভাপতিজনে ইয়াক নস্যাৎ কৰিছে। আনকি অভিযোগ প্ৰমাণ কৰিব পাৰিলে ৰাজহুৱা জীৱন ত্যাগ কৰাৰো হুংকাৰ দিছে কলিতাই।

উল্লেখ্য যে বিগত ৰঙিয়া পৌৰসভা নিৰ্বাচনত বিজেপিৰ মিত্ৰ দল (অগপ)ৰ প্ৰাৰ্থী জয়া কলিতাই সম্প্ৰতি সামাজিক মাধ্যমৰ জৰিয়তে কলিতাৰ বিৰুদ্ধে চাকৰিৰ নামত ধন দাবী কৰাৰ অভিযোগ উত্থাপন কৰিছে। অগপ সদস্যা কলিতাই ফেচবুকত 'ভিক্টৰৰ দৰে ময়ো এদিন ভুক্তভোগী আছিলো' শীৰ্ষক লিখনিত তেওঁলৈ ২০১৮ৰ ১৭ ডিচেম্বৰৰ সন্ধিয়া এটা অচিনাকি নম্বৰৰ পৰা ফোন অহা বুলি উল্লেখ কৰে। অগপ সদস্যাগৰাকীয়ে লিখিছে যে তেওঁ কোন বুলি সোধাত ফোনৰ সিপাৰৰ পৰা বিধায়কে কোৱা বুলি কয়। লগে লগে তেওঁ ম'বাইলৰ ৰেকৰ্ডিং বুটামটো টিপি দি প্ৰশ্নৰ উত্তৰবোৰ দি যায়। বিধায়ক বুলি চিনাকি দিয়া লোকজনে তেওঁক জলসিঞ্চন বিভাগত চাকৰিৰ বাবে আবেদন কৰিবলৈ কৈ তেওঁৰ পৰা তিনি লাখ টকা বিচৰা বুলি কলিতাই উল্লেখ কৰে। আনে ছয়ৰ পৰা আঠ লাখ টকা দিছে যদিও তেওঁক অলপ ৰেহাই দিয়া বুলিও ফোনযোগে কোৱা বুলি অগপ সদস্যা কলিতাই ফেচবুকত উল্লেখ কৰে। লগতে তেওঁ পোনছাটেই সেই চাকৰি নকৰে আৰু পইচাও নিদিয়ে বুলি ফোনযোগে দিয়া প্ৰলোভন নাকচ কৰা বুলিও উল্লেখ কৰে। স্বাভাৱিকতে এই অভিযোগে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

ইপিনে, অগপ সদস্যাগৰাকীৰ এই ফেচবুক প'ষ্টত তীব্ৰ ক্ষোভ প্ৰকাশ কৰে বিজেপিৰ ৰাজ্যিক সভাপতিজনে। তেওঁ আজি দলীয় কৰ্মকৰ্তাসহ ৰঙিয়া আৰক্ষী থানাত উপস্থিত হৈ ৰঙিয়াৰ নিবাসী অগপ সদস্যা কলিতাৰ বিৰুদ্ধে এখন এজাহাৰ দাখিল কৰে। বিধায়ক কলিতাই লগতে অভিযোগকাৰীৰ বিৰুদ্ধে মানহানিৰ গোচৰ তৰাৰ উপৰি আদালতৰ কাষ চাপিব বুলি সংবাদ মাধ্যমৰ আগত সদৰী কৰে। লগতে অভিযোগ সত্য প্ৰমাণিত হ'লে ৰাজহুৱা জীৱন ত্যাগ কৰিব বুলিও ঘোষণা কৰে বিধায়ক কলিতাই। উল্লেখ্য যে একালৰ আছু নেত্ৰী তথা 'কা' আন্দোলনৰ সমৰ্থক অগপ সদস্যাগৰাকীয়ে ইয়াৰ পূৰ্বেও ফেচবুকৰ জৰিয়তে বিজেপিৰ একাধিক নেতা-নেত্ৰীৰ বিৰুদ্ধেও কেতবোৰ চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰাৰ উপৰি তেওঁলোকক কটু ভাষাৰে আক্ৰমণ কৰিছিল।

# প্ৰতিটো জাতি-জনগোষ্ঠীৰ বিশ্বাসভাজন

*এক পৃষ্ঠাৰ পৰা* এটা আঞ্চলিকতাবাদী দল। এনেদৰে ৰাজনৈতিক দল জন্ম হোৱা বিশ্বত নজিৰ নাই।' শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আজি অনুষ্ঠিত অসম গণ পৰিষদৰ এখন কৰ্মশালাত দলীয় নেতা-কৰ্মীসকলক উদ্দেশি এইদৰে মন্তব্য কৰে দলৰ সভাপতি অতুল বৰাই। সময়ৰ লগত খাপ খুৱাই দলটোক আগবঢ়াই নিয়াৰ উদ্দেশ্য ডিজিটেল মাধ্যমক অগ্ৰাধিকাৰ দিয়াৰ লক্ষ্যৰে আজি অনুষ্ঠিত আজি সাংগঠনিক কৰ্মশালাত সভাপতি বৰাই দলীয় নেতা-কৰ্মীসকলৰ সন্মুখত অগপৰ জন্ম বৃত্তান্তৰ লগতে পাৰ কৰি অহা ভাল-বেয়া দিনবোৰৰ ব্যাখ্যা আগবঢ়াই ৰাইজে গঢ়া দলটোৰ পৰিসৰ অনাগত দিনত বৃদ্ধিৰ লগতে সকলো জাতি-জনগোষ্ঠীৰ বিশ্বাসযোগ্য দল হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে প্ৰতিজন কৰ্মকৰ্তাক সেৱা আৰু কাৰ্যপন্থা হাতত ল'বলৈ আহ্বান জনায়। তেওঁ কয়, '১৯৮৫ৰ পৰাই বিভিন্ন ঘাত-প্ৰতিঘাত অতিক্ৰমী অসমবাসীৰ স্বাৰ্থ সুৰক্ষাৰ বাবে নিৰৱচ্ছিন্ন সেৱা আগবঢ়াই আহিছে অসম গণ পৰিষদে। দলটোক অধিক জনমুখী কৰি তোলাৰ উদ্দেশ্যে নতুন চিন্তা-ভাবনাৰ উন্মেষ ঘটাই দলটোক অধিক শক্তিশালী কৰি আগুৱাই নিবলৈ আমি প্ৰত্যেকে প্ৰচেষ্টা হাতত ল'ব লাগিব। দলীয় মজিয়াত বহু সিদ্ধান্ত গ্ৰহণ কৰা হয় যদিও এশ শতাংশ কাৰ্যত ৰূপায়িত প্ৰায় কম হয়। আমি বিজেপিৰ কৰ্মকৰ্তাসকলৰ দৰেই নিজৰ দলটোক শক্তিশালী কৰিবলৈ কাম কৰিব লাগিব। নতুন প্ৰজন্মক আমি আগবঢ়াই নিব লাগিব। এনেই পদবী খামুচি ধৰি থাকিব নালাগে, নিঃস্বাৰ্থভাৱে দলটোক আগুৱাই নিবলৈ প্ৰত্যেকে কৰ্মত ব্ৰতী হ'ব লাগে।' উল্লেখ্য যে কৰ্মশালাত মূলতঃ নতুন সদস্যভৰ্তি, নবীকৰণ আৰু পুঁজি সংগ্ৰহৰ ওপৰত বিশদভাৱে আলোচনা হোৱাৰ লগতে অনলাইন ব্যৱস্থা সম্পৰ্কেও কৰ্মীসকলক প্ৰশিক্ষণ দিয়া হয়। সভাপতি বৰাই সময়ৰ লগত খোজ মিলাই তথ্য প্ৰযুক্তিৰ সহায়ত দলটোক আগবঢ়াই নিয়াত গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনাই সাংগঠনিক ভেটি সকলো স্তৰতে মজবুত কৰি এক অপ্ৰতিৰোধ্য শক্তি হিচাপে দলটোক গঢ়িবলৈ আহ্বান জনায়। লগতে দলে জন্মলগ্নৰ মূল উদ্দেশ্যৰ পৰা বিচলিত নোহোৱাকৈ প্ৰগতিশীল আঞ্চলিকতাবাদৰ ধাৰণাৰে জনসাধাৰণৰ কাষত থাকি কাম কৰিবলৈ সভাপতি বৰাই আহ্বান জনায়। একেদৰে কাৰ্যকৰী সভাপতি তথা স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই এই কৰ্মশালাৰ জৰিয়তে দলটোৱে এক নতুন মাত্ৰা লাভ কৰা বুলি আশা প্ৰকাশ কৰি দলৰ প্ৰতিগৰাকী সদস্যকে একোজন যোদ্ধাৰূপে আত্মনিয়োগ কৰি দলৰ সিদ্ধান্তসমূহ কাৰ্যকৰীকৰণত অগ্ৰসৰ হ'বলৈ আহ্বান জনায়। উল্লেখ্য যে ৰাজ্যখনৰ প্ৰতিটো বিধান পৰিষদ, জিলা পৰিষদ আৰু ভ্ৰাতৃ-ভগ্নী সংগঠনৰ কেন্দ্ৰীয় সমিতিৰ চাৰি শতাধিক বিষয়ববীয়া আৰু সদস্যই অংশ গ্ৰহণ কৰা এই কৰ্মশালাৰ আঁতধৰে সাধাৰণ সম্পাদক মনোজ শইকীয়াই। কৰ্মশালাত অনলাইন ব্যৱস্থাৰ ওপৰত উপ-সভাপতি বিষ্ণু দাসে, সদস্য ভৰ্তিকৰণ আৰু নবীকৰণ সম্পৰ্কত নিপ কুমাৰ ফুকনে আৰু পুঁজি সংগ্ৰহৰ ওপৰত সম্পাদক (বিত্ত) জয়ন্ত খাউণ্ডে ব্যাখ্যা আগবঢ়ায়। সভাত দলৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি, সাধাৰণ সম্পাদককে ধৰি বহুকেইজন জ্যেষ্ঠ বিষয়ববীয়া উপস্থিত থাকে। কৰ্মশালাত অহা ছমাহৰ ভিতৰত ১০ লক্ষাধিক নতুন সদস্যভৰ্তি কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে ছেপ্টেম্বৰৰ ভিতৰত প্ৰতিখন জিলাতে কৰ্মশালা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে অগপই।

# দৌলগুৰিত পূৰ্ণানন্দ গ্ৰাম্য সংগ্ৰহালয়ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে বক্তৃতা অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ১২ ছেপ্টেম্বৰ ঃ** ঐতিহ্য সংৰক্ষণ আৰু সংগ্ৰহালয় সম্পৰ্কে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ লক্ষ্যৰে দৌলগুৰিত স্থাপিত পূৰ্ণানন্দ স্মৃতি গ্ৰাম্য সংগ্ৰহালয়ৰ ৩০ সংখ্যক বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ স'তে সংগতি ৰাখি কালি সংগ্ৰহালয় পৰিচালনা সমিতিৰ সভাপতি ড° নগেন্দ্ৰ নাথ শৰ্মাৰ সভাপতিত্বত বাৰ্ষিক বক্তৃতা অনুষ্ঠান সম্পন্ন হয়। দক্ষিণ-পশ্চিম দৰঙৰ পুৰাতাত্ত্বিক সম্পদ শীৰ্ষক লিখিত বক্তৃতা প্ৰদান কৰি বিষয়বস্তুৰ ওপৰত অনেক গৱেষণামূলক তথ্যৰ আলোকপাত কৰি এনে সম্পদসমূহৰ যথোপযুক্ত সংৰক্ষণত গুৰুত্ব আৰোপ কৰে গৰুখুঁটি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, ঐতিহ্যমণ্ডিত ধলপুৰ পাহাৰ সংৰক্ষণৰ অন্যতম সক্ৰিয় ব্যক্তি ধৰ্মকান্ত নাথে। সংস্কাৰ ভাৰতীৰ দৰং জিলা সমিতিৰ সভাপতি পৱন কুমাৰ কলিতা, লোক সংস্কৃতিৰ বিশিষ্ট গৱেষক ড° বিজয় কুমাৰ শৰ্মা, খটৰা স্নাতক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মোহিনী গোস্বামীয়ে আলোচ্য বিষয়ৰ ওপৰত চমু আলোচনা আগবঢ়ায়। বেবী কলিতাৰ দ্বাৰা পৰিৱেশিত আধুনিক গীতে শ্ৰোতাক আপ্লুত কৰে। অনুষ্ঠানৰ আৰম্ভণিতে উদ্দেশ্য বাখ্যা কৰে সংগ্ৰহালয় পৰিচালনা সমিতিৰ সম্পাদক সুনীল কুমাৰ গোস্বামীয়ে।

# আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ বাবে কঁকালত টঙালি বান্ধিছে মাজুলী জিলা ৰাইজৰ দলৰ কৰ্মকৰ্তা

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ১২ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ আন আন আঞ্চলিক দলসমূহৰ দৰে মাজুলীত অখিল গগৈ নেতৃত্বাধীন ৰাইজৰ দলৰ তৃণমূল পৰ্যায়ৰ কৰ্মীসকলৰ পৰা আৰম্ভ কৰি জিলা পৰ্যায়ৰ কৰ্মীসকললৈকে উঠি পৰি লাগিছে শাসনাধিষ্ঠিত বিজেপিক আগন্তুক পঞ্চায়ত নিৰ্বাচনত পৰাভূত কৰিবলৈ। যোৱা ১০ ছেপ্টেম্বৰত পকাজৰা পঞ্চায়তৰ অন্তৰ্গত কলিতাপাৰত ৰাইজৰ দল, মাজুলী জিলা সমিতিৰ সভাপতি বিষ্ণুপ্ৰসাদ দেউৰীয়ে সভাপতিত্ব কৰা সভাত উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক প্ৰাণজিৎ ৰাজখোৱাই। সভাতেই ৰাইজৰ দলৰ ভগ্নী সংগঠন জাতীয় নাৰী বাহিনীত মাজুলীৰ পৰা প্ৰতিনিধিত্ব কৰি কেন্দ্ৰীয় সম্পাদিকাৰ দায়িত্ব পোৱা অঞ্জুমণি পাংগিং আৰু কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক চৰমিলা দেউৰীক সম্বৰ্ধনা জনোৱা হয়। উক্ত সভাতেই আঞ্চলিক সমিতিসমূহ শক্তিশালী কৰি দলীয় সাংগঠনিক ভেটি অধিক দৃঢ় কৰাৰ উদ্দেশ্যে বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰি কাৰ্যকৰণাৰ্থে পদক্ষেপ গ্ৰহণ কৰা হৈছে। আনহাতে, বিজেপিৰ প্ৰতি মোহভংগ ঘটা বহু যুৱক-যুৱতীয়ে ৰাইজৰ দলত যোগাদান কৰা বুলি সাধাৰণ সম্পাদক প্ৰাণজিৎ ৰাজখোৱাই জানিবলৈ দিয়ে।

# শদিয়াত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় অধিবেশনৰ প্ৰস্তুতি

**ডুমডুমা, ১২ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ শদিয়াৰ চপাখোৱা ৰাজহুৱা মুকলি মঞ্চত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ বিংশতিতম কেন্দ্ৰীয় দ্বি-বাৰ্ষিক অধিবেশনৰ প্ৰস্তুতি পূৰ্ণ গতিত চলিছে। অভ্যৰ্থনা সমিতিৰ প্ৰথমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। অভ্যৰ্থনা সমিতিৰ সভাপতি গুণীন চুতীয়াই সভাপতিত্ব কৰা সভাখনত উদ্দেশ্য আৰু অধিবেশন উদ্‌যাপন সন্দৰ্ভত ব্যাখ্যা কৰে অভ্যৰ্থনা সমিতিৰ মুখ্য সম্পাদক সুৰজিৎ মৰাণে। উক্ত সভাতেই অভ্যৰ্থনা সমিতিৰ মুঠ ১৭ খন উপ-সমিতি গঠন কৰে। অধিবেশনৰ সন্দৰ্ভত অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি হিতেশ দেউৰী, কণ গগৈ, পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি সোণমণি চলিহা, সাধাৰণ সম্পাদক কাঞ্চন বৰা, শদিয়া বিশিষ্ট নাগৰিক মুনীন্দ্ৰ বুঢ়াগোহাঁই, পূৰ্ণ বুঢ়াগোহাঁই, মূল্যৱান গগৈ, পৰমেশ্বৰ বৰুৱা, ৰাজন দিহীঙীয়াই উপস্থিত থাকি মন্তব্য আগবঢ়ায়। সভাত কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। অহা পাঁচ, ছয় সাত আৰু ন জানুৱাৰী, ২০২৩ ত শদিয়াৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা, গ্ৰন্থ মেলা, প্ৰদৰ্শনী, দুখনকৈ গ্ৰন্থ প্ৰকাশ ইত্যাদি, অসমৰ জাতীয়, জনগোষ্ঠীয় নেতৃত্ববৃন্দ, বুদ্ধিজীৱীসকল, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মুখ্য উপদেষ্টা কমল ভৰালী, সভাপতি ৰাণা প্ৰতাপ বৰুৱা, সাধাৰণ সম্পাদক পলাশ চাংমাইৰ উপস্থিতিত মুকলি সভা অনুষ্ঠিত হ'ব। সাংস্কৃতিক অনুষ্ঠানত নৱ প্ৰজন্মৰ হাৰ্টথ্ৰব জুবিন গাৰ্গ আৰু মহেন্দ্ৰ হাজৰিকা, ৰাজীৱ শদিয়া, লোহিত গগৈয়ে গীত পৰিৱেশন কৰিব। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় অধিবেশনত সকলো ৰাইজৰ উপস্থিতি, সহযোগিতা অভ্যৰ্থনা সমিতিয়ে একান্তই কামনা কৰিছে।



উত্তৰ শালমৰাত নমঃশূদ্ৰ উন্নয়ন সমিতিৰ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা।

# যিয়ে যিমানে সমালোচনা নকৰক অবৈধ মদ-ভাঙৰ বিৰুদ্ধে অভিযান অধিক তীব্ৰতৰ হ'ব

## ■ পূৰ্ণখুমডুম হীৰাপাৰাত মহিলাৰ হুংকাৰ

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১২ ছেপ্টেম্বৰ ঃ** নলবাৰী আৰু কামৰূপ জিলাৰ সীমামুৰীয়া ঠাই পূৰ্ণখুমদুম হীৰাপাৰাত দেওবাৰে সন্ধিয়া শতাধিক মহিলাই অবৈধ মদ-ভাং প্ৰচলন বন্ধৰ ক্ষেত্ৰত তেওঁলোক অভিযান পূৰ্বতকৈ অধিক তীব্ৰতৰ কৰাৰ সংকল্প গ্ৰহণ কৰে। এই উপলক্ষে কালি সন্ধিয়া পূৰ্ণখুমডুম হীৰাপাৰা প্ৰাথমিক বিদ্যালয় প্ৰাংগণত মহিলা শান্তিৰক্ষা সমিতিৰ এখন সভা অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে সাংবাদিক নৰেন শৰ্মাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সমাজসেৱক অক্ষয় হুজুৰীয়ে। সভাখনত গাঁওৰক্ষা বাহিনীৰ সম্পাদক নুৰ হুছেইন, গাঁও উন্নয়ন সমিতিৰ সম্পাদক ৰজনী হীৰা, সাংবাদিক প্ৰাঞ্জল কলিতা আদিয়ে মহিলাসকলে অবৈধ মদ-ভাঙৰ প্ৰচলনৰ বিৰুদ্ধে লোৱা পদক্ষেপক আদৰণি জনাই আৰু এই ক্ষেত্ৰত তেওঁলোকৰ লগত সকলো সময়তে থাকিব বুলি উল্লেখ কৰে। উল্লেখ্য যে কে'বা দিনো ধৰি ধাৰাবাহিকভাবে কে'বাজনো অবৈধ চুলাই ব্যৱসায়ীৰ ঘাটি উচ্ছেদ কৰিছিল এইসকল মহিলাই। মনকৰিবলগীয়া যে দীৰ্ঘদিনৰ পৰা উক্ত ঠাইৰ লগতে নলবাৰী জিলাৰ বৰশিমলুৱা, উত্তৰকুছি আদি অঞ্চলত মদ-ভাং



তথা বিভিন্ন নিচাজাতীয় সামগ্ৰীৰ অবৈধ ব্যৱসায় গঢ়ি উঠাৰ লগতে সেৱনকাৰীৰ সংখ্যা দিনকদিনে বৃদ্ধি পায় আহিছে। ইতিমধ্যে একাংশ কিশোৰ তথা কম বয়সীয়া যুৱকেও চুলাই মদ, ভাং আদি সেৱন কৰিবলৈ লৈছে। ফলত বিভিন্ন অপ্ৰীতিকৰ ঘটনাৰো সৃষ্টি হৈ আহিছিল। সেইহেতু স্থানীয় কঞা আৰক্ষীয়ে মাজে মাজে পেট্ৰ'লিং দিলেও সেয়া পৰ্যন্ত নাছিল। আনহাতে, দেহাৰকুছি, সানেকুছি, উত্তৰকুছি, লৰমাবটাকুছি আদি অঞ্চল নলবাৰী জিলাৰ ঘগ্ৰাপাৰ থানাৰ অন্তৰ্গত যদিও আৰক্ষীৰ ভূমিকা সম্পূৰ্ণ নিষ্ক্ৰিয় আছিল। উপায়ান্তৰ হৈ উক্ত অঞ্চলৰ মহিলাসকলে কঞা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া প্ৰমোদ কোঁৱৰৰ সহযোগত তথা পূৰ্ণখুমদুম হীৰাপাৰা গাঁওৰক্ষী বাহিনীৰ উদ্যোগত এখন মহিলা শান্তিৰক্ষা সমিতি গঠন কৰি অঞ্চলটোত বিভিন্ন মাদক দ্ৰব্য প্ৰচলন বন্ধ কৰাৰ সংকল্প লয়। শান্তি ৰক্ষা সমিতিৰ সভানেত্ৰী লতিকা হীৰা আৰু সম্পাদিকা ৰুমী হীৰাৰ নেতৃত্বত পূৰ্বৰ ৫০ গৰাকী মহিলাৰ ঠাইত বৰ্তমান শতাধিক মহিলাই স্বতঃস্ফূৰ্তভাৱে ওলাই আহিছে। আনহাতে, মহিলাসকলৰ কাৰ্যক সমালোচনা কৰি একাংশ সমাজ বিৰোধী পুৰুষ-মহিলাই ছ'চিয়েল মিডিয়াযোগে অসাংবিধানিক মন্তব্য প্ৰকাশ কৰাত মহিলাসকল ক্ষোভিত হৈ পৰিছিল। দেওবাৰে সভাত তেওঁলোকে এইসকল সংকীৰ্ণ মানসিকতাৰ লোকক সভাৰ যোগে সকীয়াই দি কয় যে আমাৰ পদক্ষেপত বিৰোধিতা কৰাতকৈ সহযোগ কৰক আমি আদৰি ল'ম, কিন্তু তাকে নকৰি পুনৰ বিৰোধিতা কৰি কিবা পোষ্ট কৰিলে আমি কিন্তু বহি নাথাকিম। ইতিমধ্যে মহিলাসকলে বহুকেইজন অবৈধ চুলাই মদৰ বেপাৰীক সকীয়াই দিয়াৰ লগতে তেওঁলোকৰ লগত পোৱা চুলাই মদ গাত ঢালি দিয়ে। গাঁওখনৰ মহিলাসকলে সেই অঞ্চলটোক সম্পূৰ্ণ সুৰামুক্ত নকৰালৈ এই অভিযান চলি থাকিব বুলিও জানিবলৈ দিয়ে।

# অত্যধিক ভাড়া বৃদ্ধিৰে হাৰাশাস্তি যাত্ৰীক

## ■ ৰাজহ ফাকি দিয়া যাত্ৰীবাহী বাহনৰ প্ৰতি দৰদ শিৱসাগৰ পৰিবহণ বিভাগৰ

অগ্ৰদূত বাৰ্তা

**দিচাংমুখ, ১২ ছেপ্টেম্বৰ ঃ** যি সময়ত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পৰিবহণ, আৱকাৰী, আৰক্ষী বন আদি বিভাগক ৰাজহ সংগ্ৰহ কৰাৰ বাবে কঠোৰ নিৰ্দেশ জাৰি কৰিছে, সেই সময়তে শিৱসাগৰ পৰিবহণ বিভাগৰ একাংশ বিষয়াৰ লগত গোপন বুজাবুজিৰে আখৈফুটীয়া, ৰিৰিয়া, নামতি, জয়সাগৰ, বেচবাৰী, বলিয়াঘাট, ডিমৌ, জাঁজী, নাজিৰা আদি অঞ্চললৈ কোটি কোটি টকাৰ ৰাজহ ফাকি দি অধিকাংশ মেজিক আৰু টেম্প' চলাচল কৰি থকাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। উত্থাপিত অভিযোগ অনুসৰি, এই যাত্ৰীবাহী বাহনবিলাকৰ বহু চালকৰ অনুজ্ঞা পত্ৰ নথকাৰ লগতে বাহনবিলাকৰ ফিটনেচ, বীমাকৰণ, পঞ্জীয়ন কৰৰ ম্যাদ উকলি যোৱাৰ লগতে অত্যধিক যাত্ৰী কঢ়িয়ায়। আনহাতে, শিৱসাগৰ নগৰৰ পৰা চলাচল কৰা এই যাত্ৰীবাহী বাহনবিলাকে যাত্ৰীৰ পৰা অত্যধিক ভাড়া লোৱাৰো অভিযোগ উত্থাপিত কৰিছে যাত্ৰীসকলে। ইফালে, পৰিবহণ বিভাগৰ নিয়মমতে যাত্ৰীবাহী বাহনে ভাড়া বৃদ্ধি কৰিবলৈ হ'লে জিলা উপায়ুক্তৰ লগতে জিলা পৰিবহণ বিভাগৰ লগতে আলোচনা কৰিহে ভাড়া বৃদ্ধি কৰিব পাৰে। কিন্তু শিৱসাগৰ নগৰৰ পৰা আখৈফুটীয়া, দিচাংমুখ, গৌৰীসাগৰ, নামতি, বেতবাৰী, বলিয়াঘাট, কোঁৱৰপুৰ, নাজিৰা, ডিমৌ, মৰাণ, দিখৌমুখ, জাঁজীৰ লগতে শিৱসাগৰ নগৰৰ পৰা জয়সাগৰ অসামৰিক চিকিৎসালয়লৈ চলাচল কৰা মেজিক আৰু টেম্প'ৰ চালকসকলে নিজ ইচ্ছাৰে যাত্ৰীৰ পৰা অত্যাধিক ভাড়া আদায় কৰি আহিছে। আনকি এই অঞ্চলবিলাললৈ চলাচল কৰা মেজিক, গ্ৰাম্য টেক্সি টেম্প'বিলাকৰ খিৰিকীৰ গ্লাছ নথকাৰ লগতে ককাটোহে থকা বাহনে অতি বিপদসংকুলভাৱে বছৰ বছৰ যাত্ৰী ধৰি কঢ়িয়াই আহিছে। এই ক্ষেত্ৰত শিৱসাগৰ যানবাহন শাখাৰ ৰহস্যজনক ভূমিকাৰ লগতে দিনটোৰ ১৮ ঘণ্টাই পৰিবহণ বিভাগৰ গাড়ীখন লৈ পথত তলত দি থকা শিৱসাগৰ পৰিবহণ বিভাগৰ এনফৰ্ছমেণ্ট শাখাৰ বিষয়া আৰু কৰ্মচাৰীসকলে দেখা নোপোৱাটোহে সন্দেহজনক হৈ পৰিছে। শিৱসাগৰ জিলা পৰিবহণ বিভাগৰ বিষয়া আৰু কৰ্মচাৰীসকলৰ আশিষ নহ'লে কোটি কোটি টকাৰ ৰাজহ ফাকিৰে শিৱসাগৰ নগৰৰ লগতে ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত এই বাহনবিলাক কেনেদৰে চলিব পাৰিছে, সেয়াহে সৰ্বসাধাৰণ ৰাইজৰ বাবে এক নুবুজা সাঁথৰ হিচাপে বিবেচিত হৈছে।

# বিনোৱা ভাবেৰ ভু-দান আন্দোলনৰ লগত জড়িত সৰবৰহী মহিলা নুমলী দেৱীৰ দেহাৱসান

অগ্ৰদূত বাৰ্তা

**ডুমডুমা, ১২ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়াৰ বৰগুৰি অঞ্চলৰ পুৰণি সম্ভ্ৰান্ত পৰিয়ালৰ সৰবৰহী মহিলা নুমলী দেৱী (৮৪) ৰ কালি পৰলোক প্ৰাপ্তি ঘটে, বাৰ্ধক্যজনিত অসুখতে কালি সৰবৰহী মহিলাগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে। আজীৱন সমাজকৰ্মী নুমলী দেৱী তিনিচুকীয়াৰ বহু সামাজিক, সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত আছিল। বৰগুৰি হাইস্কুল আৰু সৰ্বানন্দ হাইস্কুলত প্ৰতিষ্ঠা কালত দীৰ্ঘ সময় ধৰি শিক্ষকতা কৰিছিল। পাছলৈ বৰগুৰি হাইস্কুলৰ পৰিচালনা সমিতিৰ সদস্যৰূপেও সেৱা আগবঢ়াইছিল। অসম আন্দোলনৰ অগ্ৰণী নেত্ৰীগৰাকীয়ে উক্ত সময়ছোৱাত সাংগঠনিক দিশত মুখ্য ভূমিকা পালন কৰিছিল। অগপ দল গঠনৰ সময়তো তেওঁ সক্ৰিয়তাৰে দলীয় কাম-কাজত জঁপিয়াই পৰিছিল। আজীৱন আঞ্চলিকতাবাদী দেৱীয়ে এটা সময়ত বিনোৱা ভাবেৰ ভূ-দান আন্দোলনৰ লগতো জড়িত হৈ গুজৰাটৰ ৰাধ্ৰা পৰ্যন্ত পাইছিলগৈ। তিনিচুকীয়া কেন্দ্ৰীয় মহিলা সমিতিত থাকোতে মহিলা সৱলীকৰণৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰিছিল । জ্যেষ্ঠ নাগৰিক সন্থাৰ লগতো জড়িত আছিল। বৰগুৰি সাৰ্বজনীন পূজা মন্দিৰত জন্ম লগ্নৰে পৰা জড়িত হৈ পাছলৈ উপদেষ্টাৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। আন কেঁবাটাও ধৰ্মীয় অনুষ্ঠানৰো সক্ৰিয় সদস্য আছিল। সাৰ্বজনীন বালিকা বিদ্যালয়ত অধ্যয়ন কৰি থকাৰ সময়ত ৰাজ্যখনৰ প্ৰাক্তন কেবিনেট মন্ত্ৰী হেমপ্ৰভা শইকীয়াৰ সহপাঠী আছিল। অবিবাহিতা দেৱীয়ে মৃত্যুৰ সময়ত আত্মীয়-স্বজনৰ লগতে অসংখ্য গুণমুগ্ধক এৰি গৈছে। সৰবৰহী মহিলাগৰাকীৰ মৃত্যুত তিনিচুকীয়াৰ প্ৰাক্তন পৌৰপতি প্ৰকাশ দত্ত, বৰগুৰি হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী নিবেদিতা নেওগ, সৰ্বানন্দ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ইন্দিৰা গোহাঁই আৰু পৰমানন্দ জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ববিতা শৰ্মাই শোক প্ৰকাশ কৰিছে ।



# সোণালী জয়ন্তী বৰ্ষ গৰকা দেৰগাঁৱৰ কমাৰগাঁও দুৰ্গোৎসৱৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**দেৰগাঁও, ১২ ছেপ্টেম্বৰ ঃ** প্ৰতিষ্ঠাৰ সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰা দেৰগাঁৱৰ কমাৰগাঁও সাৰ্বজনীন দুৰ্গোৎসৱ এইবাৰ একৰ পৰা পাঁচ অক্টোবৰলৈ বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপনৰ প্ৰস্তুতি চলিছে। বিনোদ কুমাৰ শৰ্মাক সভাপতি, পংকজ শৰ্মাক কাৰ্যকৰী সভাপতি, প্ৰণৱজ্যোতি বৰপূজাৰী, ড° পৰশমণি ঠাকুৰ আৰু ৰঞ্জন বৰপূজাৰীক সম্পাদকৰূপে লৈ ইতিমধ্যে গঠন কৰা উদ্‌যাপন সমিতিয়ে দুৰ্গোৎসৱৰ উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি প্ৰস্তুতি তীব্ৰতৰ কৰি তুলিছে। মূল পূজাৰ লগতে এই দুৰ্গোৎসৱৰ স্থলীত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। সেই অনুসৰি এইবাৰো প্ৰথমদিনা সন্ধিয়া গণেশ শৰ্মা সোঁৱৰণী ন্যাস বঁটা, মণি পূজাৰী, সূৰ্য শৰ্মা স্মৃতি শৈক্ষিক বঁটা প্ৰদান কৰাৰ লগতে দুৰ্গোৎসৱ উপলক্ষে ভাস্কৰ পূজাৰী সম্পাদিত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব শিক্ষাবিদ ড° পৰাগ কুমাৰ ঠাকুৰে। গধূলি শিশুসকলৰ সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা প্ৰমোদ বৰঠাকুৰৰ সোঁৱৰণত শিশু ভাওনা প্ৰদৰ্শিত হ'ব। উদ্বোধন কৰিব অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অৰূপ কুমাৰ বৰাই। তৃতীয় দিনা সন্ধিয়া নন্দেশ্বৰ ঠাকুৰ সোঁৱৰণী নাট্য সন্ধিয়াত সামাজিক নাটক 'কালসন্ধ্যা' উদ্বোধন কৰিব বোলছবি প্ৰযোজক নুৰুল চুলতানে। চাৰি অক্টোবৰত নগেন পূজাৰী সোঁৱৰণী সাংস্কৃতিক সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব শিল্পী বীৰেন্দ্ৰ কুমাৰ বৰাই। অনুষ্ঠানৰ সফলতাত ৰাইজৰ সহযোগিতা কামনা কৰিছে আয়োজকসকলে।

# দেৰগাঁৱৰ ফুকন নগৰত দুৰ্গোৎসৱ উপলক্ষে আবৃতি প্ৰতিযোগিতা

**দেৰগাঁও, ১২ ছেপ্টেম্বৰ ঃ** ১৯৩৮ তে প্ৰতিষ্ঠিত দেৰগাঁৱৰ ফুকন নগৰস্থিত ৰাজহুৱা পূজা মণ্ডপৰ দুৰ্গোৎসৱ এইবাৰো বিস্তৃত কাৰ্যক্ৰমণিকাৰে উদ্‌যাপনৰ আয়োজন কৰা হৈছে। এই উপলক্ষে গুণীন শৰ্মাক সভাপতি, প্ৰদীপ কুমাৰ ফুকনক কাৰ্যকৰী সভাপতি আৰু অংশুমান ফুকন, দুৰ্লগ ফুকনক যুটীয়া সম্পাদক ৰূপলৈ এখন উদযাপন সমিতি গঠন কৰি প্ৰস্তুতি তীব্ৰতৰ কৰি তুলিছে। উদ্‌যাপন সমিতিয়ে জনোৱা মতে, দুৰ্গোৎসৱত মূল পূজাৰ লগতে আবৃতি প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। সেই অনুসৰি, অষ্টমী পূজাৰ সন্ধিয়া নিম্ন শাখা (৮-১৫ বছৰ) ছাত্ৰ-ছাত্ৰীৰ মাজত আবৃতি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। নৱমী পূজাৰ দিনা উচ্চ (১৫ বছৰ ঊৰ্ধ্বৰ) শাখাত আবৃতি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ৫০ টক নামভৰ্তি মাচুল থকা নিম্ন শাখাৰ আবৃতি প্ৰতিযোগিতাৰ বিজয়ী প্ৰথম তিনিজনক ক্ৰমে তিনিহেজাৰ, দুহেজাৰ আৰু এহেজাৰ টকা নগদ ধনৰ পুৰস্কাৰ প্ৰদান কৰা হ'ব। এশ টকা নামভৰ্তি মাচুল থকা উচ্চ শাখাৰ বিজয়ী তিনিগৰাকীক ক্ৰমে পাছ, তিনি আৰু দুই হেজাৰ নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। আগ্ৰহীসকলে ৯১০১০২০৭০০-৬০০৩৩০২১৪২ নম্বৰত যোগাযোগ কৰি প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব পাৰিব।

# কৈৱৰ্ত সাহিত্য আৰু সাংস্কৃতিক সভাৰ তৃতীয় বৰ্ষপূৰ্তি অনুষ্ঠান সম্পন্ন



## ■ ঐতিহ্য সেউজকণ্ঠ যতীন বৰালৈ 'দিহা কণ্ঠ' সন্মান প্ৰদান

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ১২ ছেপ্টেম্বৰ ঃ** কৈৱৰ্ত সাহিত্য আৰু সাংস্কৃতিক সভা, অসমৰ উদ্যোগত, যোৰহাট জিলা সমিতিৰ সহযোগত তৃতীয় বৰ্ষপূৰ্তি অনুষ্ঠান কালি ১১ ছেপ্টেম্বৰত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে যোৰহাট মহাপুৰুষ শংকৰদেৱ কলাকৃষ্টি গৱেষণা কেন্দ্ৰৰ প্ৰাংগণত অনুষ্ঠিত হয়। তদুপলক্ষে পুৱা পতাকা উত্তোলন কৰে কৈৱৰ্ত সাহিত্য সাংস্কৃতিক সভাৰ সভাপতি সুতৰাম দাসে। ইয়াৰ পাছতেই কাৰ্যকৰী সভাপতি তিলক চন্দ্ৰ দাসে শ্ৰদ্ধাঞ্জলি, মাল্যাৰ্পণ আৰু জনতাৰ কবি ড° হেমন্ত কুমাৰ দাসে বন্তি প্ৰজ্বলন আৰু স্মৃতি তৰ্পণ কৰে উপ-সভাপতি লক্ষীৰাম হাজৰিকাই। ইয়াৰ পাছতেই অনুষ্ঠিত গীত-কবিতাৰে অন্তৰংগ আলাপ কাৰ্যসূচী সঞ্চালনা কৰে কবি তথা উপ-সভাপতি ভুবন দাসে। অনুষ্ঠান উদ্বোধন কৰে অৱসৰী উপাধ্যক্ষ জয়ন্ত কুমাৰ বৰুৱাই। বৰহাট কলেজৰ সহকাৰী অধ্যক্ষক ড° ৰবিন্দ্ৰ দাসে আঁত ধৰা অনুষ্ঠানৰ পাছতেই দুপৰীয়া গ্ৰন্থ উন্মোচনী আৰু বিশেষ সম্বৰ্ধনা সভাৰ পৌৰোহিত্য কৰে অনুষ্ঠানৰ সভাপতি সুতৰাম দাসে। যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱব্ৰত শৰ্মাই উদ্বোধনী ভাষণ প্ৰদান কৰা সভাতেই ক্ৰমে 'ফুলগুৰি ধেৱা আৰু বাহু কৈৱৰ্ত', মহাত্মা জ্যোতিবা ফুলে আৰু ৰাধিকা গ্ৰন্থ আনুষ্ঠানিকভাৱে উন্মোচন কৰে যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° ৰক্তিম ৰঞ্জন শইকীয়াই। উল্লেখ্য যে অসমৰ অন্যতম খিলঞ্জীয়া ভুমিপুত্ৰ কৈৱৰ্তসকলৰ একমাত্ৰ চৰকাৰী স্বীকৃতিপ্ৰাপ্ত কৈৱৰ্ত সাহিত্য আৰু সাংস্কৃতিক সভা অসমে ৰাজ্যতখনৰ ইমূৰৰ পৰা সিমূৰলৈ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ থকা তথা অসমৰ সাহিত্য, সাংস্কৃতিক তথা সমাজ জীৱনলৈ অৱদান আগবঢ়োৱা বৰেণ্য ব্যক্তিসকলক অনুষ্ঠানৰ লগত সংগতি ৰাখি ৰাজহুৱাভাৱে সন্মান আগবঢ়ায়। সেই অনুক্ৰমে বিশেষভাৱে বিশিষ্ট সত্ৰীয়া সংস্কৃতিৰ সাধক তথা 'ঐতিহ্য সেউজ কণ্ঠ' উপাধিৰে বিভূষিত যোৰহাটৰ নিবাসী যতীন বৰালৈ কৈৱৰ্ত সাহিত্য আৰু সাংস্কৃতিক সভাৰ তৰফৰ পৰা 'দিহা কণ্ঠ সন্মান' প্ৰদান কৰাৰ লগতে এখন চেলেং, গামোচা, এটি স্মাৰকসহ এখন সম্বৰ্ধনা পত্ৰৰে উষ্ম সম্বৰ্ধনা জনায়। অনুষ্ঠানতেই বিভিন্ন ক্ষেত্ৰত অৱদান আগবঢ়াই অহা ৰাজ্যখনৰ প্ৰায় ২৭ গৰাকী বিশিষ্ট ব্যক্তিক স্মাৰক, চেলেং, গামোচা আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনায়।

# আঠখেলীয়া নামঘৰলৈ অহা ভকত বৈষ্ণৱক খোৱাপানী যোগান বিজেপিৰ যুৱ মৰ্চাৰ



বিশেষ সংবাদদাতা

**নগাবাট, ১২ ছেপ্টেম্বৰ ঃ** ভাৰতীয় জনতা পাৰ্টি তিতাবৰ বৰহোলা মণ্ডল যুৱ মৰ্চাই দেওবাৰে গোলাঘাটস্থিত আঠখেলীয়া বৰনামঘৰলৈ অহা ভকত-বৈষ্ণৱক বিশুদ্ধ খোৱা পানীৰ যোগানৰ এক কাৰ্যসূচী গ্ৰহণ কৰে। বৰহোলাৰ নাঙল গাঁৱৰ ফুকন চুকত সমবেত যুৱ মৰ্চাৰ বহু সংখ্যক কৰ্মীয়ে নামঘৰলৈ অহা কে'বাশ লোকক খোৱাপানী যোগান ধৰে। ভাৰতীয় জনতা পাৰ্টি তিতাবৰ বৰহোলা মণ্ডল যুৱ মৰ্চা সভাপতি ভাস্কৰ দত্তৰ পৰিচালনাত ৰূপায়িত হোৱা কাৰ্যসূচীত যোৰহাট জিলা যুৱ মৰ্চা সভাপতি, সাধাৰণ সম্পাদক, বৰহোলা মণ্ডলৰ প্ৰভাৰি, ঠেঙাল কছাৰী পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য, অ'বিচি উপাধ্যক্ষ, সোণোৱাল কছাৰী বৰহোলা মণ্ডলৰ সদস্যা, তিতাবৰ বৰহোলা মণ্ডলৰ সভানেত্ৰী, সম্পাদক আৰু যুৱ মৰ্চাৰ বহু সংখ্যক কৰ্মীয়ে অংশগ্ৰহণ কৰে বুলি জানিবলৈ দিয়ে।

# আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত গুণগত মানৰ লগত আপোচ নকৰিবলৈ বিভাগসমূহক নিৰ্দেশ উপায়ুক্তৰ

## ■ তিনিচুকীয়া জিলা উন্নয়ন আয়োগৰ বৈঠক সম্পন্ন

**ডুমডুমা, ১২ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলা উপায়ুক্ত নৰসিং পৱাৰৰ পৌৰোহিত্যত জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা উন্নয়ন আয়োগৰ বৈঠক সম্পন্ন হয়। জিলা উপায়ুক্ত নৰসিং পৱাৰে কৃষি, পশুপালন, গ্ৰামোন্নয়ন, জলসম্পদ, জলসিঞ্চন, লোকনিৰ্মাণ পথ তথা লোকনিৰ্মাণ গৃহ, জনস্বাস্থ্য-কাৰিকৰী, বিদ্যুৎ, শিক্ষা, বন আদি বিভিন্ন বিভাগৰ উপস্থিত মুৰব্বী বিষয়াৰে স'তে বিভাগীয় কাম-কাজৰ অগ্ৰগতিৰ খতিয়ান লয়। বাৰিষাৰ বাবে বিঘ্নিত হৈ থকা বিভাগীয় উন্নয়নমূলক আঁচনিৰ কাম অক্টোবৰৰ ভিতৰত যিকোনো উপায়েৰে সম্পূৰ্ণ কৰিবলৈ বিভাগসমূহক জিলা উপায়ুক্তই নিৰ্দেশ দিয়ে। ইয়াৰ লগতে প্ৰতিটো উন্নয়নী বিভাগকে প্ৰাথমিকতাৰ আধাৰত আঁচনিসমূহৰ কামৰ গতি ত্বৰান্বিত কৰিবলৈয়ো নিৰ্দেশ দিয়ে। যিকোনো আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত গুণগত মানৰ লগত আপোচ নকৰিবলৈ বিভাগসমূহক আহ্বান জনায়। জিলাখনত কৃষি বিভাগৰ আঁচনিসমূহৰ অগ্ৰগতিৰ লগতে আধাৰ চিডিং সন্দৰ্ভতো আলোচনা কৰে। ইয়াৰ উপৰি জিলাখনত কৃষকৰ বাবে পৰ্যপ্ত সাৰ মজুত আছে নে নাই সেই বিষয়েও বুজ লয়। বৈঠক বিদ্যালয়সমূহত বিদ্যুতৰ সংযোগ, ছাত্ৰীৰ বাবে পৃথক প্ৰস্ৰাৱাগাৰ, তথা শ্ৰেণী কোঠাত পৰ্যাপ্ত ফেন-লাইট আদিৰ বিষয়েও বুজ লয়। বৈঠকত জিলা উপায়ুক্তই জিলাখনত ক'ভিড ১৯১ প্ৰতিষেধক প্ৰদানৰ অগ্ৰগতিৰো বুজ লয়। ১৮ বছৰৰ তলৰ সকলো যোগ্য ব্যক্তিকে অনতি পলমে ক'ভিড ১৯১ প্ৰতিষেধক প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে। জিলা পৰিবহণ বিভাগক মটৰ চাইকেল ষ্টাণ্ট আৰু তীব্ৰ বেগত বাহন চলোৱাসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'বলৈ আহ্বান জনায়। আনহাতে, তিনিচুকীয়া মাকুম বাইপাছৰ অৱস্থাৰ প্ৰতি উদ্বিগ্নতা প্ৰকাশ কৰি উপায়ুক্ত পৱাৰে লোকনিৰ্মাণ বিভাগ ৰাষ্ট্ৰীয় ঘাইপথ সংমণ্ডলক তাৎক্ষণিকভাৱে যাৱতীয় ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে। জিলাখনত অবৈধ চুলাই মদৰ বিৰুদ্ধে তীব্ৰ অভিযান চলাবলৈ আৰু বিশেষভাৱে আগন্তুক দুৰ্গা পূজাৰ সময়ছোৱাত অবৈধ চুলাই মদৰ বিৰুদ্ধে অভিযান অধিক তীব্ৰ কৰিবলৈ আহ্বান জনায়। জিলাখনক ৰেছম উৎপাদনৰ বাবে অতিকে সম্ভাৱনাপূৰ্ণ বুলি উল্লেখ কৰি বিভাগটোক এৰী উৎপাদনৰ বাবে যাৱতীয় ব্যৱস্থা ল'বলৈ আহ্বান জনায়। বৈঠকত গ্ৰামোন্নয়ন বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা মহাত্মা গান্ধী গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ আঁচনি, প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীণৰ অগ্ৰগতি সন্দৰ্ভত জিলা উপায়ুক্তই বিতংকৈ পৰ্যালোচনা কৰে। বৈঠকত আগন্তুক পহিলা অক্টোবৰত অনুষ্ঠিত হ'বলগীয়া তিনিচুকীয়া জিলা প্ৰতিষ্ঠা দিৱসৰ প্ৰস্তুতি সন্দৰ্ভতো আলোচনা কৰা হয়। সকলো বিভাগকে জিলা প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত আগভাগ ল'বলৈ জিলা উপায়ুক্তই আহ্বান জনায়। বৈঠকত জিলা উন্নয়ন আয়ুক্ত নয়নজ্যোতি ভাগৱতী, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মুনিন্দ্ৰ বৰদলৈ, অতিৰিক্ত উপায়ুক্ত দিপু কুমাৰ ডেকা, অতিৰিক্ত উপায়ুক্ত মনজিৎ বৰকাকতী, অতিৰিক্ত উপায়ুক্ত চৰফ্ৰাজ হক, শদিয়া মহকুমাৰ মহকুমাধিপতি অনুপম ডেকা প্ৰমুখ্যে জিলা প্ৰশাসনৰ অন্যান্য উচ্চ পদস্থ বিষয়া তথা ৰাজহ চক্ৰ বিষয়াসকল আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে।

# ভাল গ্ৰন্থৰ সুবাস সকলোতে বিয়পি পৰিবই

## ■ ৰূপজ্যোতি দুৱৰা শইকীয়াৰ কাব্য সংকলন 'পৃথিৱীৰ অসুখ' আৰু গল্প সংকলন 'জোনাকত বিৰিখৰ ছাঁ' উন্মোচন

বিশেষ সংবাদদাতা

**নগাঁও, ১২ ছেপ্টেম্বৰ ঃ** ভাষা, সাহিত্য, সংস্কৃতি চৰ্চা আৰু অনুশীলনৰ মুকলি মঞ্চ নগাঁৱৰ 'অৰুণোদয় সাহিত্য চ'ৰা'ৰ উদ্যোগত দুখনকৈ গ্ৰন্থ উন্মোচন কৰা হয়। গ্ৰন্থ দুখন হৈছে কুজীডাহ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী ৰূপজ্যোতি দুৱৰা শইকীয়াৰ কাব্য সংকলন 'পৃথিৱীৰ অসুখ' আৰু গল্প সংকলন 'জোনাকত বিৰিখৰ ছাঁ'। গ্ৰন্থ দুখন উন্মোচন কৰে নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক তথা সাহিত্যিক সদানন্দ পায়েং আৰু নগাঁৱৰ কনচেপ্ট ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ শিক্ষক ড° অনন্ত কুমাৰ বৰাই। 'অৰুণোদয় সাহিত্য চ'ৰা'ৰ সভাপতি সাহিত্যিক গুণধৰ নাথৰ সভাপতিত্বত আয়োজন কৰা এই গ্ৰন্থ উন্মোচনী সভাখনত কাব্য গ্ৰন্থ 'পৃথিৱীৰ অসুখ' উন্মোচন কৰি বিশিষ্ট সাহিত্যিক সদানন্দ পায়েঙে কয় যে গ্ৰন্থ এখন কিমান বিখ্যাত ব্যক্তিয়ে উন্মোচন কৰে সেয়া ডাঙৰ কথা নহয়। ভাল গ্ৰন্থ এখন পৃথিৱীৰ য'তেই নাথাকক কিয় সেই গ্ৰন্থখনৰ সুবাস সকলোতে বিয়পি পৰিবই। একেটা অনুষ্ঠানতে ৰূপজ্যোতি দুৱৰা শইকীয়াৰ গল্প সংকলন 'জোনাকত বিৰিখৰ ছাঁ' উন্মোচন কৰি ড° অনন্ত কুমাৰ বৰাই কয় যে মই সাহিত্যিক নহয়। কিন্তু এজন ভাল পাঠক হ'বলৈ সদায় যত্ন কৰো। প্ৰতিটো গল্প বা উপন্যাসে সমাজৰ প্ৰকৃত সত্য, সমস্যা আৰু অনুভৱসমূহৰ বাস্তৱ ছবিখন দাঙি ধৰিব পৰিব লাগে। এজন ব্যক্তিয়ে কিমান গল্প বা কবিতা লিখিছে সেয়া ডাঙৰ কথা নহয়। তেওঁ কিমান উৎকৃষ্ট সাহিত্য সৃষ্টি কৰিছে সেয়াহে ডাঙৰ কথা। নগাঁৱৰ অসম হোমিওপ্যাথিক চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত কালি বিয়লি অনুষ্ঠিত গ্ৰন্থ উন্মোচনী অনুষ্ঠানত সন্মানীয় অতিথিৰূপে উপস্থিত থাকে অৰুণোদয় সাহিত্য চ'ৰাৰ প্ৰাক্তন সভাপতি তথা মুখ্য উপদেষ্টা ভৱেশ মেধি, বিশিষ্ট শিক্ষাবিদ মৃদুল কুমাৰ শইকীয়া, প্ৰদীপ শইকীয়া, শিল্পী চিত্ৰ দেৱ মহন্ত, পৰাণ দাস, চিম্পী বৰাৰ লগতে যথেষ্ট সাহিত্যনুৰাগী উপস্থিত থাকে। গ্ৰন্থ উন্মোচনৰ পাছতেই পূৰ্বৰ দৰে নিয়মীয়া সাহিত্য পাঠৰ অনুষ্ঠান অনুষ্ঠিত হয়। সামগ্ৰিক অনুষ্ঠানৰ আঁত ধৰে সম্পাদক আবুল হুছেইনে ।



# জেহাদীৰে সম্পৰ্ক থকাৰ অভিযোগত মৰিগাঁৱত পুনৰ

*এক পৃষ্ঠাৰ পৰা* ইক্ৰামুল হুছেইন আৰু মৰিগাঁও জিলাৰ মৈৰাবাৰী আৰক্ষী থানাৰ অন্তৰ্গত চহৰীয়া পাম গাঁও নিবাসী মোছাদ্দিক হুছেইন।

উল্লেখ্য যে মৰিগাঁও জিলাৰ চহৰীয়া গাঁৱৰ জেহাদীৰ যোগসূত্ৰকাৰী মুফটি মহম্মদ মোস্তাফাৰ গ্ৰেপ্তাৰৰ পাছতে জেহাদীৰ আদিপাঠ গ্ৰহণ কৰা ইজনৰ পাছত সিজনকৈ জেহাদী গ্ৰেপ্তাৰ হৈছে মৰিগাঁও আৰক্ষীৰ হাতত। আনছাৰুল্লাহ বাংলা টীমৰ স'তে সম্পৰ্ক স্থাপনৰ প্ৰামাণিক তথ্যৰ ভিত্তিত আজি পুনৰ মৰিগাঁও আৰক্ষীয়ে এই দুজনক গ্ৰেপ্তাৰ কৰা ঘটনাই সমগ্ৰ জিলাখনতে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আৰক্ষীয়ে জনোৱা মতে, ধৃত মোছাদ্দিক পেছাত এজন মাছ বেপাৰী আৰু গাড়ী চালক আছিল। মোছাদ্দিকৰ ভ্ৰাতৃ মোজাম্মিল হুছেইনৰ ঘৰতে আনছাৰুল্লাহ বাংলা টীমৰ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী আবু তাল্লাহে ভাড়াঘৰ লৈ আছিল। ধৃত মোছাদ্দিকেই জ্যেষ্ঠ ভ্ৰাতৃ মোজাম্মিলৰ ঘৰত অসম আৰক্ষীৰ 'মষ্ট ৱাণ্টেড' সন্ত্ৰাসবাদী আবু তাল্লাহক থকাৰ ব্যৱস্থা কৰি দিছিল বুলি আৰক্ষী সূত্ৰই জনাইছে। আনজন ধৃত জেহাদী ইক্ৰামুলৰ ঘৰ নগাঁও জিলাত যদিও তেওঁ মৰিগাঁও জিলাৰ গৈৰামাৰী গাঁৱৰ এটা মছজিদৰ ইমামৰূপে কৰ্মৰত আছিল।

ইফালে, আজি মৰিগাঁও জিলা আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত উপ-আৰক্ষী অধীক্ষক মৌচুমী দাসে এক সংবাদমেল যোগে জনায় যে যোৱা নিশা গ্ৰেপ্তাৰ হোৱা দুয়োজনেই ইতিপূৰ্বে গ্ৰেপ্তাৰ হোৱা জেহাদীৰ 'লিংকমেন' আৰু মৈৰাবাৰী চহৰীয়া গাঁৱৰ জামিয়া উল হুদা মাদ্ৰাছাখনৰ প্ৰধান, মুফটি মহম্মদ মোস্তাফাই আয়োজন কৰা তিনিদিনীয়া জেহাদী প্ৰশিক্ষণত অংশগ্ৰহণ কৰিছিল। তিনিদিনীয়া প্ৰশিক্ষণ অনুষ্ঠিত হৈছিল মৰিগাঁও সদৰৰ পাৰ্শ্বৱৰ্তী অঞ্চল মিলনপুৰত। আনছাৰুল্লাহ বাংলা টীমৰ দুই সদস্য ক্ৰমে মেহবুবুৰ আৰু ওছমান এই তিনিদিনীয়া জেহাদী প্ৰশিক্ষণ শিবিৰটোত প্ৰশিক্ষকৰূপে উপস্থিত আছিল। মেহবুবুৰ আৰু ওছমানো সম্প্ৰতি আবু তাল্লাহৰ দৰে পলাতক অৱস্থাত আছে। ইফালে, বৰ্তমানলৈকে মৰিগাঁৱত জেহাদীৰ কাম-কাজৰ স'তে জড়িত হোৱাৰ অভিযোগত সাতজন লোক মৰিগাঁও আৰক্ষীৰ জালত পৰিছে। ইয়াৰে এজনক জুভেনাইলত ৰখাৰ বিপৰীতে আন ছজনক ইতিমধ্যে আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। অসমত কুটাঘাতমূলক কাম-কাজেৰে পৰিৱেশ অস্থিৰ কৰাৰ ব্লু-প্ৰিণ্ট ৰচনা কৰি মধ্য অসমত বাংলাদেশী জেহাদী সংগঠন আনছাৰুল্লাহ বাংলা টীমে ভয়ানক জাল পেলাইছিল। মৰিগাঁও আৰক্ষীয়ে জনোৱা মতে, যোৱা নিশা গ্ৰেপ্তাৰ হোৱা দুয়োজন লোকৰে আনছাৰুল্লাহ বাংলা টীমৰ স'তে সম্পৰ্ক থকাৰ ভালেমান তথ্য লাভ কৰিছে আৰক্ষীয়ে। ইপিনে, ধৃত মোছাদ্দিকৰ পৰিয়ালৰ লোকে জনাইছে যে দুদিনৰ পূৰ্বে মোছাদ্দিকক মৰিগাঁও আৰক্ষীয়ে সোধ-পোছৰ বাবে লৈ যায় আৰু আজি গ্ৰেপ্তাৰ কৰে। তদুপৰি চহৰীয়া পামৰ স্থানীয় লোকে জানিবলৈ দিয়ে যে মোছাদ্দিক এজন তেনেই সাধাৰণ লোক আৰু তেওঁৰ ঘৰৰ ভেটিটোৰ বাদে কোনো সম্পত্তি নাই। মোছাদ্দিকৰ জ্যেষ্ঠ ভ্ৰাতৃ মোজাম্মিলকো আৰক্ষীয়ে সম্প্ৰতি সোধপোছ অব্যাহত ৰাখিছে। উপ-আৰক্ষী অধীক্ষক দাসে জানিব দিয়ে যে জেহাদীৰে সম্পৰ্ক থকাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা লোক দুজনৰ পৰা আৰক্ষীয়ে কে'বাখনো জেহাদী সম্পৰ্কীয় কিতাপ, জেহাদী সম্পৰ্কীয় এপ থকা ম'বাইল ফোন আৰু আপত্তিজনক সামগ্ৰী। দেশবিৰোধী ইছলামিক মৌলবাদী শক্তিৰ কাৰ্যকলাপৰ লগত জড়িত থকা চক্ৰটোৰ বিৰুদ্ধে অভিযান অব্যাহত থাকিব বুলিও কয় আৰক্ষী বিষয়াগৰাকীয়ে।

# হেৰ'ইনসহ দুজনক গ্ৰেপ্তাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ১২ ছেপ্টেম্বৰ ঃ** আৰক্ষীয়ে আজি ২৬ গ্ৰাম ড্ৰাগছসহ দুই সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিছে। কলীয়া ভোমোৰা দলঙৰ সমীপত চলোৱা অভিযানত এই সন্দেহজনক হেৰ'ইন জব্দ কৰাৰ লগতে তেজপুৰ ভোজখোৱা চাপৰিৰ আইনুল হক (২০) নামৰ এজন ক কৰায়ত্ত কৰে। পাছত আনোৱাৰ হুছেইন (২৩) নামৰ আন এজনক আটক কৰে।

# ভিক্টৰ দাসৰ বাসগৃহত তালাচী

*এক পৃষ্ঠাৰ পৰা* বিভিন্ন দল-সংগঠন চৰকাৰৰ বিৰুদ্ধে সৰৱ হোৱাৰ সময়তে যোৱা নিশা মহানগৰ আৰক্ষী তেওঁৰ কামৰূপৰ দৰবাস্তিত বাসগৃহত তালাচী চলাই আৰু এটা লেপটপ জব্দ কৰে। আৰক্ষী সূত্ৰই দাবী কৰা মতে, ভিক্টৰ দাসে ব্যৱহাৰ কৰা লেপটপটো পৰীক্ষা কৰিলে বহু বিষয়ৰ সমল পোৱা যাব। তাৰ বিপৰীতে ধৃত দাসৰ মাতৃয়ে আজি পুনৰ দাবী কৰে যে তথ্য অবিহনে তেওঁৰ পুত্ৰই তেনে এক অভিযোগ অনা নাই। তদুপৰি তেওঁৰ পুত্ৰই চৰকাৰক সমালোচনা কৰা নাছিল, চৰকাৰক বিষয় এটা দৃষ্টিগোচৰহে কৰিছিল। এনে ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ মাজতে ২৬ হেজাৰ নিযুক্তি প্ৰাক্তন বিধায়কো দালালিত নমাৰ যি অভিযোগ ধৃত দাসে উত্থাপন কৰিছিল সেই বিষয়টোৱে আন এক চৰ্চা লাভ কৰিছে। আৰক্ষী আৰু চৰকাৰে দাবী কৰা অনুসৰি ভিক্টৰ দাসে কোনো প্ৰাক্তন বিধায়কৰ নাম সদৰী কৰিব পৰা নাই; কিন্তু এনে দাবী সত্ত্বেও বিষয়টোৰ চৰ্চাৰ অন্ত পৰা নাই। কিয়নো ইয়াৰ পূৰ্বে নিযুক্তি সংক্ৰান্তীয় বিষয়ত মধ্যভোগীৰ ভূমিকা লোৱা বুলি একাধিক প্ৰাক্তন বিধায়কৰ নাম চৰ্চালৈ আহিছিল।

ইপিনে, ভিক্টৰ দাসৰ বিষয়টোৱে আজি অসম বিধানসভা চৌহদতো উচ্চাৰিত হয়। বিৰোধী পক্ষই আৰক্ষীৰ গ্ৰেপ্তাৰ কাৰ্যক গৰিহণা দি উচিত তদন্ত দাবী কৰে। বিধানসভাত বিৰোধী দলপতি দেবব্ৰত শইকীয়াই কয় যে অভিযোগকাৰীক গ্ৰেপ্তাৰৰ জৰিয়তে চৰকাৰে বুজাই দিব বিচাৰিছে যে চৰকাৰক অভিযোগ দিয়া নচলিব। শইকীয়াই ভিক্টৰ দাসৰ অভিযোগৰ ভিত্তিত সমগ্ৰ ঘটনাক্ৰমৰ চিআইডি তদন্ত দাবী কৰে। এই গ্ৰেপ্তাৰক শইকীয়াই অসাংবিধানিক আখ্যা দিয়ে।

আনহাতে, ৰাইজৰ দলৰ সভাপতি তথা বিধায়ক অখিল গগৈয়ে আজি পুনৰ সৰৱ হৈ মন্তব্য কৰে যে অভিযোগকাৰীক গ্ৰেপ্তাৰৰ জৰিয়তে চৰকাৰে নাগৰিকৰ বাক স্বাধীনতা হৰণ কৰিছে। আনহাতে, এআইইউডিএফে ৰাজ্যত হিটলাৰী শাসন চলা বুলি মন্তব্য কৰে।

# আমি ৰাজহুৱা উদ্যোগ নাপাতো ঃ মুখ্যমন্ত্ৰী

*এক পৃষ্ঠাৰ পৰা* কয় যে বৰ্তমান চৰকাৰৰ কাৰ্যকালতে ৰাজ্যখনত সৌৰশক্তি উৎপাদন প্ৰকল্প স্থাপন, এনআৰএল, এপিএলত বৃহৎ অংকৰ ধন বিনিয়োগ হৈছে।

অহা ১৯ ছেপ্টেম্বৰত পুনৰ এটা সৌৰশক্তি উৎপাদন কেন্দ্ৰ নতুনকৈ আৰম্ভ কৰাৰ কথাও তেওঁ ঘোষণা কৰে। বিধায়ক গগৈক কটাক্ষ কৰি মুখ্যমন্ত্ৰীয়ে কয়, 'চৰকাৰ এখনে জনাদেশ লৈহে আহে। আমি উদ্যোগ স্থাপন কৰিম বুলি প্ৰতিশ্ৰুতি দি জনাদেশ লৈ অহা নাই। আমি উদ্যোগ ক্ষেত্ৰৰ বিকাশৰ বাবে পৰিৱেশ গঢ়িব খুজিছো, কিন্তু নতুনকৈ উদ্যোগ নাপাতো। আমাৰ বিষয়াসকলে উদ্যোগ পৰিচালনাৰ ক্ষেত্ৰত প্ৰশিক্ষিত নহয়।' উল্লেখ্য যে মুখ্যমন্ত্ৰীয়ে সদনত ৰাজহুৱা খণ্ডৰ উদ্যোগ স্থাপনৰ কোনো পৰিকল্পনা বা সিদ্ধান্ত নাই বুলি কৰা ঘোষণাৰ পাছতে ক্ষুব্ধ হৈ পৰা বিধায়ক গগৈয়ে বাছি থকা উদ্যোগকেইটা কেতিয়া বন্ধ কৰিব বুলি কটাক্ষ কৰাত ইয়াৰ প্ৰত্যুত্তৰত মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰে যেতিয়াই প্ৰয়োজন বুলি ভাবে তেতিয়াই উদ্যোগ বন্ধ কৰি দিব। ক্ষুব্ধ মুখ্যমন্ত্ৰীয়ে ওলোটাই গগৈক কঠোৰ সুৰত সকীয়াই দি কয়, 'সদনৰ মজিয়াত ৰাস্তাত কথা কোৱাৰ দৰে কথা নক'ব। যদিহে কিবা বিষয়ৰ ওপৰত জানিবলৈ ইচ্ছা থাকে তেতিয়া হ'লে নিজেই প্ৰশ্ন কৰিব।' মুখ্যমন্ত্ৰীয়ে গগৈক উদ্দেশি পুনৰ কয়, 'উদ্যোগ চলি থকা বা বন্ধ হোৱাৰ ক্ষেত্ৰত যদি কাৰোবাৰ অন্তৰে সঁচা অৰ্থত কান্দিলে হয়, তেন্তে সদনৰ মজিয়াত নিজেই প্ৰশ্ন উত্থাপন কৰিলে হয়।' আন এজন বিধায়কে অনা প্ৰশ্নত অংশ লৈ গগৈয়ে বাৰম্বাৰ তথ্য বিচাৰি প্ৰশ্ন সোধাত একপ্ৰকাৰ অতিষ্ঠ হৈ মুখ্যমন্ত্ৰীয়ে কয়, 'বেলেগে পতা বিয়াত মাজতে সোমোৱাটো ভাল নহয়, নিজে প্ৰশ্ন আনক।' মুখ্যমন্ত্ৰীয়ে গগৈ আৰু বাওপন্থী বিধায়ক মনোৰঞ্জন তালুকদাৰক উদ্দেশি এইবুলি কটাক্ষ কৰে, 'লেনিন-ষ্টেলিন মই নামানো, মোৰ চিধা কথা। কোনোবাই ভাল পালেও, বেয়া পালেও লেনিন-ষ্টেলিন মই নামানো।'

আজি বিধানসভাৰ শৰৎকালীন অধিবেশনৰ প্ৰথম দিনটোতে প্ৰশ্নোত্তৰ কালছোৱাত বিৰোধী বিধায়ক আব্দুল বাতিন খণ্ডকাৰে অসমত কিমানটা ৰাজহুৱা উদ্যোগ আছে আৰু ইয়াৰে কিমানটা বন্ধ হৈ আছে এই বিষয়ে সবিশেষ তথ্য বিচাৰি প্ৰশ্ন উত্থাপন কৰে। ইয়াৰ উত্তৰত উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বড়াই সদনক জনায় যে ৰাজ্যখনত মুঠতে ৪১টা ৰাজহুৱা খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠান আছে। ইয়াৰে ভিতৰত ২০০৫-০৬ৰ পৰা ২০১০-১১ বৰ্ষলৈ ১৪টা আৰু ৰাজ্যিক বাজেটৰ অধীনত তিনিটা উদ্যোগ প্ৰতিষ্ঠানক বন্ধ ঘোষণা কৰিছে। আকৌ আন তিনিটা ৰাজহুৱা প্ৰতিষ্ঠানো অচল হৈ আছে। ইয়াকে ধৰি মুঠতে ২০ টা উদ্যোগ বন্ধ হৈ আছে। অচল বা বন্ধ হৈ থকা উদ্যোগ প্ৰতিষ্ঠানসমূহৰ সা-সম্পত্তি, মাটিবাৰী, আন্তঃগাঁথনি ব্যৱহাৰ কৰি সেই স্থানত বিকল্প প্ৰতিষ্ঠান স্থাপনৰ চিন্তা-চৰ্চা কৰি থকা হৈছে। বিধায়ক খণ্ডকাৰে নোৱাপাৰা সূতাকলৰ ২৩৫ বিঘা মাটিত কিবা উদ্যোগ স্থাপন কৰিব নেকি বুলি সোধা প্ৰশ্নৰ উত্তৰত উদ্যোগ আৰু বাণিজ্যমন্ত্ৰীজনে কয় যে সেই মাটিখিনি ইতিমধ্যে অসম ঔদ্যোগিক উন্নয়ন নিগম (এআইডিচি)ক হস্তান্তৰ কৰা হৈছে। এআইডিচিয়ে উদ্যোগ পাম বিজনী নামৰে এখন উদ্যোগ পাম স্থাপনৰ কাম হাতত লৈছে। উল্লেখ্য যে ২০টাকৈ ৰাজহুৱা খণ্ডৰ উদ্যোগ বন্ধ হৈ থকা বুলি তথ্য সদৰী কৰাৰ লগে লগে বিধায়ক গগৈয়ে চৰকাৰক কটাক্ষ কৰি কয় যে নিজকে দক্ষ চৰকাৰ বুলি দাবী কৰা বৰ্তমানৰ চৰকাৰখনে অৱশিষ্ট থকা বাকীকেইটা উদ্যোগ মৰিব দিব নেকি নে বিক্ৰী কৰাৰ পৰিকল্পনা লৈছে সেয়াও সদনক জনাব লাগে। ইয়াৰ প্ৰত্যুত্তৰত উদ্যোগমন্ত্ৰী বিমল বড়াই কয় যে যিকেইটা উদ্যোগ বন্ধ হৈছে সেয়া বৰ্তমানৰ চৰকাৰৰ দিনত নহয়, বৰঞ্চ ২০০৫ৰ পৰা ২০১০ৰ ভিতৰতে বন্ধ হৈছিল।

# শৰৎকালীন অধিবেশনৰ প্ৰথম দিনাই

*এক পৃষ্ঠাৰ পৰা* দাবীত সদৌ অসম কোচ ৰাজবংশী সন্মিলনী, চাকৰি স্থায়ীকৰণ-দৰমহা বৃদ্ধিৰ দাবীত অংগনবাড়ী কৰ্মী-সহায়িকা সন্থা, দৰমহা বিচাৰি চাৰকাৰীভাৱে নিযুক্তিপ্ৰাপ্ত কৰ্মৰত প্ৰাথমিক শিক্ষক সন্থা, উচ্ছেদ বন্ধৰ দাবীত ভোটাৰ্ছ পাৰ্টি ইণ্টাৰনেছনেল আৰু কে'বাটাও দাবীৰে অ'বিবি শিক্ষক সন্থাই পৃথকে পৃথকে প্ৰতিবাদ সাব্যস্ত কৰি এই সমস্যাসমূহ শীঘ্ৰে সমাধান কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে সংশ্লিষ্ট মন্ত্ৰী তথা বিভাগলৈ একোখনকৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। উল্লেখ্য যে উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ অৱমাননা কৰা একাংশ বণিয়া, উদ্যোগপতি, পুঁজিপতিয়ে বিভিন্ন কৌশলৰে ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ ভূমি অবৈধভাৱে অধিগ্ৰহণ কৰাৰ অভিযোগ তুলি সদৌ অসম ট্ৰাইবেল সংঘৰ উদ্যোগত কে'বাশতাধিক প্ৰতিবাদকাৰীয়ে ইয়াৰ বিৰোধিতাৰে প্ৰতিবাদ সাব্যস্ত কৰি এইসমূহ দেখিও চৰকাৰে চকু মুদা কুলিৰ ভাও ধৰি অহা বুলি মন্তব্য কৰে। পূৰ্বাঞ্চল চিমেণ্ট প্ৰাইভেট লিমিটেডৰ সঞ্চালক সুনিল কুমাৰ আগৰৱাল, পৰিচালন সঞ্চালক মধুৰ আগৰৱালা আৰু দিপেন শৰ্মাৰ প্ৰতীকী ওলমাই 'জনজাতি ভূমিৰ পৰা অবৈধ কাৰখানা উচ্ছেদ কৰক, জনজাতিসকলৰ ভূমি সুৰক্ষিত কৰক, চৰকাৰে বণিয়া প্ৰীতি ত্যাগ কৰক' আদি শ্ল'গানেৰে উত্তাল হৈ পৰা প্ৰতিবাদস্থলীত উপস্থিত থকা সদৌ অসম ট্ৰাইবেল সংঘৰ সম্পাদকপ্ৰধান আদিত্য খাখলাৰীয়ে জনজাতি সংৰক্ষিত ভূমিৰ পৰা শীঘ্ৰে বেদখল উচ্ছেদ নকৰিলে ভয়াৱহ আন্দোলন আৰম্ভ কৰিব বুলি প্ৰকাশ কৰে। চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰি খাখলাৰীয়ে কয়, 'অত্যন্ত দুৰ্ভাগ্যজনক কথা যে ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ ভূমি আজি সুৰক্ষিত নহয়। বণিয়া, পুঁজিপতি, উদ্যোগপতিয়ে বিভিন্ন কৌশল তথা কাৰচাজিৰে চৰকাৰী মাটি অধিগ্ৰহণ কৰিছে, পট্টা মাটি অধিগ্ৰহণ কৰিছে। জৰীপ হোৱা আৰু নোহোৱা ভূমি অধিগ্ৰহণ কৰি অবৈধভাৱে বৃহৎ বৃহৎ উদ্যোগ নিৰ্মাণ কৰিছে। আইন থকাৰ পাছতো এইসমূহ অবৈধ বেদখল উচ্ছেদ কৰিবলৈ চৰকাৰে কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই।' উল্লেখ্য যে উচ্চ ন্যায়ালয়ে ৭৮/২০১২ নম্বৰৰ পিআইএল গোচৰত ৰায়দান কৰি অবৈধ বেদখল শীঘ্ৰে উচ্ছেদ কৰিবলৈ উপায়ুক্তসকলক নিৰ্দেশ জাৰি কৰিছিল যদিও চৰকাৰে বণিয়াসকলক উচ্ছেদ কৰিবলৈ সাহস গোটাব পৰা নাই বুলি ট্ৰাইবেল সংঘৰ সম্পাদকপ্ৰধানজনে অভিযোগ তুলি পুনৰ কয়, 'চৰকাৰে বণিয়াৰ প্ৰতি প্ৰীতি প্ৰদৰ্শন কৰিছে। ভূমিপুত্ৰতকৈ উদ্যোগপতি, পুঁজিপতিৰ প্ৰতি চৰকাৰৰ প্ৰীতি-দৰদ অধিক। সেয়ে আজি শৰৎকালীন অধিবেশনৰ প্ৰথম দিনটোতে ট্ৰাইবেল সংঘ আৰু ট্ৰাইবেল যুথ লীগে শীঘ্ৰে সোণাপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত সৰুটাৰীৰ অবৈধ ছুপাৰলাইট এ এ চি ব্লকছ ইণ্ডাষ্ট্ৰী, পূৰ্বাঞ্চল চিমেণ্ট প্ৰাইভেট লিমিটেডক উচ্ছেদ কৰিবলৈ চৰকাৰক দাবী জনাইছো।' সমান্তৰালভাৱে ৰাজ্যখনৰ ভূমিপুত্ৰ জনগোষ্ঠীসমূহৰ সমস্যা সমাধান কৰাটো চৰকাৰৰ প্ৰাথমিক দায়িত্ব আৰু কৰ্তব্য বুলি খাখলাৰীয়ে উল্লেখ কৰি পুনৰ কয় যে মুখ্যমন্ত্ৰীয়ে কৈছে যে জনজাতিসকলৰ সকলো সমস্যা সমাধান কৰিব। জনজাতিসকলৰ মূল সমস্যাই হৈছে ভূমি সমস্যা আৰু এতিয়ালৈকে এই সমস্যা নিষ্পত্তি হোৱা নাই। চৰকাৰে বণিয়াৰ প্ৰীতি ত্যাগ কৰক আৰু ভূমিপুত্ৰসকলৰ ভূমি উদ্ধাৰ কৰিবলৈ তেওঁ চৰকাৰক আহ্বান জনায়। উল্লেখ্য যে আজি প্ৰতিবাদৰ জৰিয়তে সংগঠন দুটাই বন অধিকাৰ আইন-২০০৬ ৰূপায়ণ কৰি জনজাতিক ভূমিস্বত্ব প্ৰদান কৰা, অসম ৰাজ্যিক ৰাজধানী সম্প্ৰসাৰণ আইন-২০১৭ৰ আওতাৰ পৰা ট্ৰাইবেল বেল্ট আৰু ব্লকৰ ভূমি বাহিৰত ৰখা, জনজাতি অধ্যুষিত অঞ্চলৰ ভূমি জৰীপ কৰি জনজাতিসকলে ভোগদখল কৰি থকা সম্পূৰ্ণ মাটিৰ পট্টা প্ৰদান কৰা, ট্ৰাইবেল বেল্ট এণ্ড ব্লকৰ অবৈধভাৱে হস্তান্তৰিত সকলো ভূমি বৈধ জনজাতি মালিকক ঘূৰাই দিয়াৰ দাবী উত্থাপন কৰে।

ইফালে, অংগনৱাড়ী কৰ্মী-সহায়িকাৰ চাকৰি স্থায়ীকৰণ, পদোন্নতি, অৱসৰকালীন পেন্সন আৰু দৰমহা বৃদ্ধিৰ দাবীৰে অসম অংগনৱাড়ী কৰ্মী-সহায়িকা সন্থাৰ উদ্যোগত কে'বা শতাধিকে প্ৰতিবাদ সাব্যস্ত কৰি প্ৰতিবাদস্থলীৰ পৰাই মুখ্যমন্ত্ৰীলৈ এক স্মাৰকপত্ৰ প্ৰদান কৰে। প্ৰতিবাদী কৰ্মী-সহায়িকাসকলে তেওঁলোকৰ সেৱাক চাকৰি হিচাপে গণ্য কৰি পদ স্থায়ীকৰণ কৰা, পদ স্থায়ী নোহোৱা পৰ্যন্ত ২১ হেজাৰ টকাৰ মাননি প্ৰদান কৰা, চলিত বৰ্ষৰ জুনত অৱসৰ গ্ৰহণ কৰাসকলৰ চৰকাৰী ঘোষণা অনুসৰি কৰ্মীসকলক চাৰি লাখ, সহায়িকাসকলক দুই লাখ টকাৰ পেন্সন শীঘ্ৰে প্ৰদান কৰা, ২০২০ৰ বাজেট অধিবেশনত ঘোষণা কৰা এহেজাৰ আৰু পাঁচশ টকা মাননি বৃদ্ধি কাৰ্যকৰী কৰা আদি দাবী উত্থাপন কৰে। সমান্তৰালভাৱে সদৌ অসম চৰকাৰীভাৱে নিযুক্তিপ্ৰাপ্ত (দৰমহা নোপোৱা) কৰ্মৰত প্ৰাথমিক শিক্ষক সন্থাৰ উদ্যোগত অৰ্ধ শতাধিকে আজি প্ৰতিবাদ সাব্যস্ত কৰি ১৯৯১ৰ পৰা ২০০১ৰ ভিতৰত বিভাগীয় কৰ্তৃপক্ষৰ দ্বাৰা চৰকাৰীভাৱে নিযুক্তি লাভ কৰা তথা দৰমহা নোপোৱা শিক্ষকসকলক পূৰ্ণাংগ শিক্ষকৰ মৰ্যাদা প্ৰদানৰ দাবী উত্থাপন কৰে। একেদৰে ভোটাৰ্ছ পাৰ্টি ইণ্টাৰনেছনেলৰ কে'বা শতাধিক কৰ্মীয়ে আজি প্ৰতিবাদ সাব্যস্ত কৰি বনভূমি, চৰ-চাপৰিৰ নামত কৰা অমানৱীয় উচ্ছেদ বন্ধ কৰা, নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ ওপৰত আৰোপিত কৰ প্ৰত্যাহাৰ কৰা, সীমা বিবাদ নিষ্পত্তি কৰা আদি দাবীৰে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰদান কৰে। উল্লেখ্য যে ভোটাৰ্ছ পাৰ্টি ইণ্টাৰনেছনেলৰ প্ৰতিবাদকাৰীসকলে 'ছেল্ফি মামাৰ কাম নাই', 'মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ যাদু নচলিব', 'সাংবিধানিক অধিকাৰ প্ৰদান কৰক', 'বিজেপি চৰকাৰৰ দাদাগিৰি নচলিব', 'মূল্যবৃদ্ধিৰ ভাট্টা দিয়ক' আদি শ্ল'গানেৰে কাঁহী-বাটি বজাই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে।

## আভুৱা ভাঁৰিবলৈহে অনা হৈছিল জনজাতিকৰণ বিধেয়ক

একমাত্ৰ নিৰ্বাচনী বৈতৰণী পাৰ হ'বলৈ আৰু সংশ্লিষ্ট জনগোষ্ঠীকেইটাক আভুৱা ভাঁৰিবলৈ সংসদত জনজাতিকৰণৰ বিধেয়ক অনা হৈছিল বুলি অভিযোগ উত্থাপন কৰিছে সদৌ অসম কোচ ৰাজবংশী সন্মিলনীয়ে। আজি চচলত জনজাতিকৰণৰ দাবীত সন্মিলনীৰ লগতে কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনী আৰু মহিলা সন্মিলনীয়ে যৌথভাৱে পুনৰ উত্তাল প্ৰতিবাদ সাব্যস্ত কৰি চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰে। সন্মিলনীৰ সভাপতি প্ৰণৱ নাৰায়ণ দেৱ আৰু সম্পাদক ৰাণাদিত্য কুমাৰ বৰ্মনে এই সন্দৰ্ভত কয় যে জনগোষ্ঠীটোৱে জনজাতিকৰণৰ দাবীত কৰি অহা দীঘলীয়া সংগ্ৰাম আৰু বিভিন্ন সময়ত চৰকাৰী পক্ষই দি অহা আশ্বাসসমূহে এটা শতিকা গৰকি আজি একবিংশ শতিকাৰ ২১টাকৈ বছৰ অতিক্ৰম কৰিলে যদিও অসমৰ ভূমিপুত্ৰ কোচ ৰাজবংশীসকলে জনজাতিৰ মৰ্যাদা লাভ নকৰিলে। বিভিন্ন সময়ত ৰাজনৈতিক দল আৰু চৰকাৰৰ চাকনৈয়াত পৰি জনগোষ্ঠীটোৱে ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত হৈ আহিছে বুলি উল্লেখ কৰি আজি শীঘ্ৰে জনজাতিকৰণ প্ৰদান কৰিবলৈ পুনৰ দাবী উত্থাপন কৰে। সন্মিলনীৰ সভাপতি তথা কোচ ৰাজবংশী উন্নয়ন পৰিষদৰ অধ্যক্ষ প্ৰণৱ নাৰায়ণ দেৱ আৰু সাধাৰণ সম্পাদক বৰ্মনে জনজাতিকৰণৰ কোনো বিকল্প তেওঁলোকে মানি নলয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কোচ ৰাজবংশীসকলকে ধৰি ছয়জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰসংগত অসম ৰক্তাক্ত হ'ব বুলি কৰা মন্তব্যক প্ৰত্যাহ্বান জনাই কয়, '১৯৯৬ত কোচ ৰাজবংশীসকলক অধ্যাদেশ জাৰি কৰি জনজাতিকৰণ কৰা হৈছিল। তেতিয়া অসম কিমান ৰক্তাক্ত হৈছিল মুখ্যমন্ত্ৰীয়ে জানে নেকি? কোচ ৰাজবংশীসকলে প্ৰাপ্য লাভৰ বাবে যিকোনো ধৰণৰ পৰিস্থিতিৰ মুখামুখি হ'বলৈ সাজু। কোচ, আহোম, চুতীয়া, বৰাহী আদি যুঁজাৰু জাতি আৰু আমি পূৰ্বে যুঁজ-বাগৰ কৰাৰ ইতিহাস আছে। আমাক অসম ৰক্তাক্ত হ'ব বুলি ভয় দেখুৱাই লাভ নাই। আমিতো দেখা নাই '৯৬ ত অধ্যাদেশৰ জৰিয়তে জনজাতিকৰণ কৰাৰ সময়ত মৰা-কটা হোৱা। মুখ্যমন্ত্ৰীয়ে ছলাহী আৰু মিছা কথা কৈছে। তেওঁ মডেলিটীৰ ৰিপ'ৰ্ট দিলেই অসম ৰক্তাক্ত হ'ব বুলি কাক ভয় খুৱাইছে?'

সমান্তৰালভাৱে নেতাদ্বয়ে চৰকাৰে প্ৰলোভন আৰু ভয়-ভাবুকিৰ ৰাজনীতিৰ লগতে বিভাজনকামী মনোভাৱেৰে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ অধিকাৰক নিঃশেষ কৰিবলৈ যিমানেই চেষ্টা চলাব সিমানেই শদিয়াৰ পৰা ধুবুৰীলৈ অধিক শক্তিশালী ৰূপত সংগঠিত হৈ জনজাতিকৰণৰ আন্দোলন তীব্ৰতৰ কৰি তুলিব বুলি হুংকাৰ প্ৰদান কৰে।

# গাহৰি পালন কৰা বাবেই

*এক পৃষ্ঠাৰ পৰা* হেৰুৱাইছে। উন্নত জাতৰ গাহৰি পালনেৰে স্বাৱলম্বী হোৱাৰ প্ৰয়াস চলোৱা গাঁওখনৰ এই দৰিদ্ৰ পৰিয়ালটোক ৰাজহুৱা নামঘৰত প্ৰৱেশ কৰা, গাঁওখনৰ আন লোকক মাত-বোল কৰাতো আনকি নিষেধাজ্ঞা আৰোপ কৰা হৈছে। নগাঁৱৰ দেওবালি কাকতিগাঁৱৰ এই আজৱ ঘটনাই সম্প্ৰতি সমগ্ৰ জিলাখনতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

উল্লেখ্য যে নগাঁও জিলাৰ দেওবালি কাকতিগাঁৱৰ নিবাসী হীৰেন চন্দ্ৰ নাথৰ পুত্ৰ ধন কুমাৰ নাথে নিজ ঘৰৰ পাছফালে সম্পূৰ্ণ বিজ্ঞানসন্মত পদ্ধতিৰে উন্নতজাতৰ গাহৰি পালন কৰি আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ সপোন দেখিছিল। বাংগালুৰুত শ্ৰমিকৰূপে চাৰি বছৰ অতি কষ্টৰে কাম কৰি সঞ্চিত ধনৰেই কৰ্মঠ যুৱকজনে আৰম্ভ কৰিছিল গাহৰিৰ ফাৰ্মখন। নাথে চাৰি লক্ষাধিক টকা ব্যয় কৰি এই গাহৰি ফাৰ্মখন খুলিছিল; কিন্তু তেওঁৰ এই কাৰ্যত নিষেধাজ্ঞা আৰোপ কৰে দেওবালি কাকতি গাঁৱৰ একাংশ ৰাইজে। ৰাইজৰ হেঁচাত উপায়ান্তৰ হৈ পিতৃয়ে নাথক নিজ ঘৰতে আছুতীয়াকৈ থাকিবলৈ কয়। সেই অনুসৰি নাথে পিতৃ-মাতৃৰ পৰা পৃথক হৈ আছুতীয়াকৈ থাকিবলৈ লয় যদিও ভাদৰ সংক্ৰান্তিৰ দিনা সমগ্ৰ পৰিয়ালটিকে গাহৰি পোহাৰ অপৰাধ (?)ত এঘৰীয়া কৰাৰ সিদ্ধান্ত লয় গাঁৱৰ ৰাইজে। কাকতিগাঁৱৰ ৰাইজে নাথৰ পৰিয়ালৰ ওপৰত নামঘৰত সোমোৱা, গাঁৱৰ আন মানুহৰ স'তে কথা-পতা, গাঁৱৰ ৰাস্তাত ৰৈ থকা আদিত নিষেধাজ্ঞা আৰোপ কৰে। আনকি কোনো লোকে এই পৰিয়ালটিৰ স'তে কথা পাতিলে তেওঁকো শান্তিপানী খুৱাই শুদ্ধিকৰণ কৰাৰো নিৰ্দেশ দিয়ে। ইমানতো সন্তুষ্ট নোহোৱা দেওবালি গাঁৱৰ ৰাইজে আৰক্ষীৰ দ্বাৰা স্বাৱলম্বী যুৱকজনৰ ফাৰ্মখন ভাঙি পেলোৱাৰ লগতে গাহৰিসমূহ তাৰ পৰা আঁতৰাই নিয়াৰ ভাবুকি দিয়ে। ইয়াৰ পাছতে শোকত ভাগি পৰিছে নাথৰ পৰিয়ালটো। সমাজৰ পৰা বিচ্ছিন্ন হোৱাৰ লগতে আগন্তুক দিনত উপাৰ্জনৰ আহিলা হেৰুওৱাৰ আশংকাত সম্প্ৰতি পৰিয়ালটোৱে বিনিদ্ৰ ৰজনী পাৰ কৰিবলগীয়া হৈছে। তীব্ৰ মানসিক অশান্তিত দিন অতিবাহিত কৰা এই পৰিয়ালটিৰ শেষ ভৰসা হৈ পৰিছে চৰকাৰ তথা নগাঁও জিলা প্ৰশাসন। গাহৰি পালক নাথে এই সন্দৰ্ভত সংবাদ মাধ্যমৰ সন্মুখত ক্ষোভেৰে কয়, 'চাকৰি নাপাই মই নিজাকৈ কিবা এটা কৰি পৰিয়ালটিক চলাবলৈ চেষ্টা কৰিছিলো। বেংকৰ পৰা ঋণ নোলোৱাকৈ কষ্টোপাৰ্জিত ধনৰে এই ব্যৱসায় আৰম্ভ কৰিছিলো। বানত বহু ক্ষতি হ'ল। তাৰ পাছত আমাৰ পৰিয়ালৰ ওপৰত এই মানসিক নিৰ্যাতন চলিছে। গাঁৱৰ ৰাইজৰ বাবেই মই কুকুৰা পালন কৰাও বাদ দিলো। এতিয়া গাহৰিবোৰো লৈ যাম বুলি কৈছে। মই কি কৰি খাম, আমি কেনেকৈ চলিম? মই কৰ্ম কৰিছো, সমাজৰ অনিষ্ট হোৱা একো কাম কৰা নাই। তেনেস্থলত মোৰ প্ৰতি, মোৰ পৰিয়ালটোৰ প্ৰতি এই অন্যায় কিয়?'

# ৰাজ্যত বৃদ্ধি যুৱতী-মহিলাৰ

*এক পৃষ্ঠাৰ পৰা* অধ্যয়নৰ সুযোগ নিদিয়ে তেন্তে তেনে লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

বিজেপি বিধায়ক দিগন্ত কলিতাই কামৰূপ গ্ৰাম্য জিলাকে ধৰি দৰং তথা সীমান্তৱৰ্তী জিলাকেইখনৰ পৰা শিশু মহিলাৰ চোৰাং সৰবৰাহৰ বিষয়টো উত্থাপন কৰি কয় যে কামৰূপ জিলাৰ পৰা বহিঃৰাজ্যৰ মানৱ সৰবৰাহকাৰীয়ে সঘনাই কৌশলৰে সৰবৰাহ কৰিছে শিশু কিশোৰী। এই বিষয়টো সন্দৰ্ভত চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাৱলীৰ বিষয়ে ব্যাখ্যা আগবঢ়াই মুখ্যমন্ত্ৰী ড° শৰ্মাই সদনত জনায় যে ২০২২ৰ জানুৱাৰীলৈকে কামৰূপ জিলাত শিশু-মহিলাৰ চোৰাং সৰবৰাহৰ চাৰিটা গোচৰ ৰুজু হৈছে আৰু আৰক্ষীয়ে অভিযান চলাই বহিঃৰাজ্যৰ পৰা চাৰিটি শিশু আৰু এগৰাকী মহিলাক উদ্ধাৰ কৰিছে। আৰক্ষীয়ে এনে চোৰাং সৰবৰাহত জড়িত সাতজন লোকক গ্ৰেপ্তাৰ কৰাৰ কথাও সদৰী কৰে। ৰাজ্যখনত বিগত ২০২১ৰ মে'ৰ পৰা ২০২২ৰ আগষ্টলৈকে সৰ্বমুঠ ১৭৪টা মানৱ সৰবৰাহৰ গোচৰ পঞ্জীয়নভুক্ত হৈছে। এই সময়ছোৱাত আৰক্ষীয়ে সৰ্বমুঠ ৩৮০গৰাকী শিশু-মহিলাক বিভিন্ন স্থানৰ পৰা উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। এনে ঘটনা সন্দৰ্ভত ৭৪ টা গোচৰ ৰুজু কৰাৰ লগতে ১৩৯ জন লোকক গ্ৰেপ্তাৰ কৰাৰ তথ্য সদৰী কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ পৰা শিশু-মহিলাৰ সৰ্বাধিক চোৰাং সৰবৰাহ হয় ছিকিমলৈ। একেদৰে আদিবাসী যুৱতী, চাহ শ্ৰমিকৰ কন্যা সন্তানক কে'বাখনো বহিঃৰাজ্যলৈ চোৰাংকৈ সৰবৰাহ কৰি তেওঁলোকক দেহ ব্যৱসায়ৰ দৰে নিকৃষ্ট কামত বলপূৰ্বক নিয়োজিত কৰিছে এই সৰবৰাহকাৰী চক্ৰই। মানৱ সৰবৰাহকাৰীৰ বিৰুদ্ধে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কঠোৰ স্থিতিৰ পাছত ৰাজ্যত এতিয়া এনে ঘটনা কিছু পৰিমাণে স্তিমিত হোৱা বুলি সদৰী কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ১৬ৰ পৰা ১৮ বছৰ বয়সৰ যুৱতীক বহিঃৰাজ্যলৈ লৈ যোৱাৰ সময়ত আৰক্ষীয়ে ধৰা পেলাইছে যদিও আৰক্ষীৰ আগত তেনে যুৱতীয়ে মন্তব্য কৰে যে তেওঁলোকে নিজৰ ইচ্ছা মতে বহিঃৰাজ্যত কাম কৰিবলৈ যাবলৈ ওলাইছে। গতিকে কিছু ক্ষেত্ৰত আৰক্ষীয়েও পিছ হোঁহকিবলৈ বাধ্য হয়। ৰাজ্যত শিশু-যুৱতী-মহিলাৰ চোৰাং সৰবৰাহ ঘটনা ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰাৰ সূত্ৰে প্ৰতিখন জিলাতে ৰাজ্য চৰকাৰে মানৱদেহ সৰবৰাহ প্ৰতিৰোধী কোষ স্থাপন কৰিছে। ইফালে, ইউনিচেফৰ স'তে ৰাজ্য চৰকাৰে যুটীয়াভাৱে গ্ৰামাঞ্চলত 'শিশু মিত্ৰ' নিয়োগ কৰিবলৈ ঠিৰাং কৰিছে যাতে তেওঁলোকে নিজৰ নিজৰ অঞ্চলৰ পৰা শিশু-মহিলাৰ চোৰাং সৰবৰাহ ৰোধ কৰিব পাৰে। অসমত এনে ঘটনা নোহোৱা কৰিবলৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰা বুলিও মুখ্যমন্ত্ৰীয়ে সদৰী কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে মানৱ সৰবৰাহকাৰীৰ কৱলত পৰি সৰ্বস্বান্ত হোৱা শিশু-কিশোৰী মহিলাক ওভতাই আনি পুনৰ সংস্থাপন কৰাটো ৰাজ্য চৰকাৰৰ বাবে এক নতুন প্ৰত্যাহ্বান হৈছে। বহু ক্ষেত্ৰত অভিভাৱকে বহিঃৰাজ্যৰ পৰা ওভতাই অনা এনে যুৱতী মহিলাক পুনৰ ঘৰত ৰাখিবলৈ অমান্তি প্ৰকাশ কৰাৰ ফলত তেওঁলোকক পুনৰ সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে। বহিঃৰাজ্যত অসমৰ যুৱতী-মহিলাক যৌন শোষণ কৰা চক্ৰটোৰ বাবে অসমৰ বদনাম হোৱাৰ কথা উনুকিয়াই মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে এতিয়া মানৱদেহৰ চোৰাং সৰবৰাহকাৰীক নিৰ্মূল কৰাটো মূল লক্ষ্যৰূপে লৈছে। মুখ্যমন্ত্ৰীয়ে এই কথাও কয় যে কেৱল বহিঃৰাজ্যই নহয়, অসমতো ভিন্ন প্ৰান্তত এনে কিশোৰীক কাম কৰা ছোৱালীৰূপে অনাৰ প্ৰৱণতা বাঢ়িছে। ওদালগুৰিৰ বাগিচাৰ পৰা গুৱাহাটীলৈ আনিলে সেয়াও মানৱদেহ সৰবৰাহ বুলি মন্তব্য কৰি এনে গৰ্হিত কাৰ্যৰ পৰা বিৰত থাকিবলৈ তেওঁ আহ্বান জনায়। ইফালে, সৰুক্ষেত্ৰীৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰে তেওঁৰ সমষ্টিৰ এগৰাকী যুৱতী মানৱ সৰবৰাহকাৰীৰ কৱলত পৰি হাৰিয়ানাত থকা বুলি পৰিয়ালৰ লোকে নিশ্চিত কৰি আৰক্ষীক জনোৱাৰ পাছতো এই চক্ৰটো উৎখাত কৰিবলৈ আৰক্ষী তৎপৰ নহ'ল বুলি অভিযোগ কৰে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে বিষয়টো গুৰুত্বসহকাৰে গ্ৰহণ কৰি তাৎক্ষণিকভাৱে তদন্ত কৰিবলৈ বিধানসভাত উপস্থিত থকা অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানক নিৰ্দেশ দিয়ে।

# মাধ্যম বিতৰ্কক লৈ উত্তাল হ'ল বিধানসভা

*এক পৃষ্ঠাৰ পৰা* ভয়ংকৰ সিদ্ধান্ত ল'ব ধৰিছে। তৃতীয় শ্ৰেণীৰ পৰা গণিত আৰু বিজ্ঞান বিষয় দুটা ইংৰাজী ভাষাত শিকোৱাৰ সিদ্ধান্ত মাতৃভাষাৰ মাধ্যমৰ পৰিপন্থী বুলি অভিহিত কৰি গগৈয়ে কয় যে ৰাষ্ট্ৰীয় শিক্ষানীতিতো ইয়াৰ বিৰোধিতা কৰা হৈছে। গতিকে বিদ্যালয় বন্ধ, বিদ্যালয় একত্ৰীকৰণ, মাধ্যম বিতৰ্কক লৈ বিধানসভাৰ মজিয়াত দিনটোৰ বাবে বিশেষ আলোচনাৰ দাবী উত্থাপন কৰে গগৈয়ে। ইয়াৰ উত্তৰত অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কয় যে বিৰোধীয়ে উত্থাপন কৰা বিষয়কেইটা গুৰুত্বপূৰ্ণ; কিন্তু সভাস্থগিত প্ৰস্তাৱটো গ্ৰহণ কৰিব পৰা নাযাব। সভাস্থগিতৰ পৰিৱৰ্তে অন্যান্য মাধ্যমেৰে বিষয়টো সদনৰ মজিয়াত উপস্থাপনৰ পৰামৰ্শ দিয়ে অধ্যক্ষই। তেওঁ লগতে কয় যে বিষয়টো ইমানো জৰুৰী নহয় যে সদনৰ আন সকলো কাম বাদ দি দিনটোত এই বিষয়টোকে আলোচনা কৰিব লাগে। পৰৱৰ্তী সময়ত এই বিষয়ত আলোচনাৰ সুযোগ দিয়াৰ প্ৰতিশ্ৰুতি দি অধ্যক্ষই কংগ্ৰেছ আৰু ৰাইজৰ দলৰ সভাস্থগিত প্ৰস্তাৱ দুটা অগ্ৰাহ্য কৰে। লগে লগে কংগ্ৰেছৰ বিধায়ক ৰকিবুল হুছেইন, ভৰত নৰহ আদিয়ে এই বিষয়টো অতি জৰুৰী বিষয় বুলি অভিহিত কৰি সভাস্থগিত প্ৰস্তাৱৰ সমৰ্থনত বক্তব্য দাঙি ধৰে। সমান্তৰালকৈ গগৈ, বিৰোধী দলপতিয়েও এই বিষয়টোক লৈ অধ্যক্ষৰ সিদ্ধান্তৰ বিৰোধিতা কৰে। বিৰোধী পক্ষৰ এই স্থিতিৰ তীব্ৰ বিৰোধিতা কৰে শাসকীয় বিজেপিৰ একাংশ বিধায়কে। স্বাভাৱিকতে সদনৰ মজিয়াত আৰম্ভ হয় হুলস্থূলীয়া পৰিস্থিতিৰ। সময় তেতিয়া প্ৰায় ১০-৫০ মিনিট। বিৰোধী কংগ্ৰেছৰ বিধায়কসকলে হঠাতে 'মাতৃভাষা মাধ্যম ৰক্ষা কৰক', 'মাতৃভাষাৰ মৰ্যাদা ৰক্ষা কৰক', 'ৰাইজে পতা বিদ্যালয় বন্ধ নকৰিব' আদি প্লেকাৰ্ড হাতত লৈ প্ৰতিবাদ আৰম্ভ কৰে। কংগ্ৰেছ বিধায়কসকলক সহযোগ কৰে ৰাইজৰ দলৰ বিধায়ক গগৈ আৰু চি পি আই এমৰ বিধায়ক মনোৰঞ্জন তালুকদাৰেও; কিন্তু বিৰোধীৰ প্ৰতিবাদৰ প্ৰতি ভ্ৰূক্ষেপ নকৰি অধ্যক্ষই সদনৰ কাম চলাই নিবলৈ চেষ্টা কৰাত কংগ্ৰেছ আৰু ৰাইজৰ দল-বাঁওপন্থী দলৰ বিধায়কসকলে অধ্যক্ষৰ আসনৰ সন্মুখলৈ উঠি আহি বিষয়টোৰ সন্দৰ্ভত সদনৰ মজিয়াত সভাস্থগিত প্ৰস্তাৱ মানি লৈ আলোচনাৰ সুযোগ দিবলৈ দাবী জনায়। বিৰোধীৰ এই প্ৰতিবাদে সদনৰ কাম-কাজ কাৰ্যতঃ স্তব্ধ কৰি তোলাত দিনৰ ১০-৫২ বজাত বিধানসভাৰ অধ্যক্ষই ১০ মিনিটৰ বাবে সদন স্থগিত ৰখাৰ সিদ্ধান্ত ঘোষণা কৰে। উল্লেখ্য যে সদন স্থগিত ৰখাৰ পাছতো শাসক-বিৰোধীৰ মাজত সদনৰ মজিয়াত বহু সময় ধৰি অব্যাহত থাকে বাক্‌বিতণ্ডা। পৰৱৰ্তী সময়ত সদনৰ কাম-কাজ পুনৰ আৰম্ভ হোৱাৰ লগে লগে বিৰোধী এআইইউডিএফৰ বিধায়ক আমিনুল ইছলামে অধ্যক্ষৰ দৃষ্টিগোচৰ কৰি কয় যে খহনীয়াত সৰ্বস্বান্ত হৈ চৰকাৰী ভূমিত আশ্ৰয় লৈ থকা লোকসকলক বেদখলকাৰী বুলি কৈ উচ্ছেদ কৰাটো চূড়ান্ত অমানৱীয় কথা। এই বিষয়টোৰ ওপৰত আলোচনাৰ বাবে সদনৰ দিনটোৰ অন্যান্য কাৰ্যসূচী বাতিল কৰিব লাগে বুলি তেওঁ দাবী জনায়। কিন্তু অধ্যক্ষই ইতিপূৰ্বে দিয়া ৰুলিং অনুসৰি, আজিৰ দিনটোত এই বিষয়কেইটাৰ ওপৰত আলোচনা সম্ভৱ নহয় বুলি স্পষ্ট কৰি দিয়াত এআইইউডিএফৰ বিধায়কসকলে থিয় হৈ হুলস্থূল আৰম্ভ কৰে। উচ্ছেদৰ লগতে মাদ্ৰাছা ভাঙি দিয়াৰ বিষয়টোও উত্থাপন কৰি এআইইউডিএফৰ বিধায়কসকলে সদন ত্যাগ কৰিবলৈ উদ্যত হয়। কিন্তু সেই সময়তে সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযুষ হাজৰিকাই এই বিষয়টোৰ ওপৰত আলোচনাৰ বাবে চৰকাৰ সাজু বুলি আশ্বস্ত কৰাত এআইইউডিএফ ক্ষান্ত হয়। কংগ্ৰেছ বিধায়ক ৰকিবুল হুছেইনেও মাধ্যম বিতৰ্ক সন্দৰ্ভত আলোচনাৰ প্ৰতিশ্ৰুতি দিয়াত তেওঁলোকৰ সভাস্থগিত প্ৰস্তাৱটো প্ৰত্যাহাৰৰ কথা ঘোষণা কৰে। একেদৰে বিধায়ক গগৈয়ে কয় যে যদিহে চৰকাৰে আলোচনাৰ বাবে সন্মত হয়, তেন্তে তেৰোঁ সভাস্থগিত প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিব। বিৰোধীৰ এই বক্তব্য সন্দৰ্ভত অধ্যক্ষই কয় যে বিষয়কেইটাক লৈ আলোচনাৰ বাবে পৰৱৰ্তী সময়ত দিন-বাৰ ধাৰ্য কৰা হ'ব; কিন্তু তেতিয়াই এআইইউডিএফৰ বিধায়ক ৰফিকুল ইছলাম, আমিনুল ইছলাম আদিয়ে উচ্ছেদৰ প্ৰসংগত আজিয়ে আলোচনা হ'ব লাগে বুলি দাবী কৰে। অধ্যক্ষই তেওঁলোকৰ দাবী অগ্ৰাহ্য কৰাত দিনৰ ১১-২০ বজাত এআইইউডিএফে সদন ত্যাগ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। লক্ষ্যণীয় যে জনস্বাৰ্থজড়িত বিষয়সমূহৰ ক্ষেত্ৰত আজি বিৰোধী পক্ষত স্পষ্ট বিভাজন প্ৰতিফলিত হয়। এআইইউডিএফ আৰু কংগ্ৰেছে সম্পূৰ্ণ এককভাৱে নিজস্ব বিষয়বস্তু উত্থাপন কৰি পৰস্পৰক সমৰ্থনৰ পৰা বিৰত থাকে। ইয়াৰ বিপৰীতে বিৰোধী কংগ্ৰেছৰ পক্ষ গ্ৰহণ কৰে বিধায়ক গগৈ আৰু বাঁওপন্থী বিধায়ক মনোৰঞ্জন তালুকদাৰে।

# শোভা

*এক পৃষ্ঠাৰ পৰা* আড়ম্বৰে বিভূষিত নকৰে বা কৰিব নোৱাৰে। মানুহৰ একমাত্ৰ ভূষণ হৈছে মুখৰ কথাষাৰেই— যি শ্ৰোতাৰ মাজত ৰোপণ কৰে চিৰস্থায়ী এক সংবাদ— ব্যক্তিজনৰ পৰিচয়বাহক হৈ। বাকী সকলো বাহ্যিক আভৰণ ক্ষন্তেকীয়া-ক্ষণভংগুৰ। মাত-কথাখিনিয়েই ব্যক্তিগৰাকীৰ প্ৰকৃত শোভা। কাৰণ এই শোভা ব্যক্তিগৰাকীৰ অন্তৰ্জগতৰ প্ৰতিভা তথা গুণৰ বাহ্যিক প্ৰকাশ। মাত-কথাৰ মাজেৰে প্ৰকাশ পায় তেওঁৰ জ্ঞানৰ গভীৰতা-চিন্তাৰ ব্যাপ্তি-প্ৰকাশৰ চাতুৰ্য্য আনৰ প্ৰতি সংবেদনশীলতা। ইয়াত এনেয়ে মিঠা কথা কোৱা বাকপটু মানুহৰ কথা কোৱা হোৱা নাই। মুখত এটা, পেটত এটা মানুহৰ কথাও কোৱা হোৱা নাই। সৎ মানুহৰ কথাহে ইয়াত কোৱা হৈছে।

কথাটো মনলৈ অহাৰ কাৰণ বহুত। প্ৰথম কথা হ'ল যে এই সুন্দৰ কথাটোৰ লগত মই কোনোদিনে খাপ খাব নোৱাৰিলো। মই খহটা মানুহ খহটা হৈয়েই থাকি গ'লো। মোক দুদিনমানহে লগ পোৱা মানুহে মোক বেয়া পাবলৈ বা মোৰ বিষয়ে বিৰূপ ধাৰণা ল'বলৈ বাধ্য। মই যেনেকুৱা তেনেকুৱাই। আনে কি ভাবিব সেইটো চাবলৈ মোৰ দৰকাৰ নাই— মই তেনেকৈয়ে ভাবো। গতিকে মই ভাৰতীয় সংস্কৃতিৰ এই মহান উপাদান আন্তৰিকতাৰে গ্ৰহণ কৰিব নোৱাৰাৰ বাবে অভিযুক্ত হৈয়ে থাকি গ'লো। এতিয়ানো আৰু কি সলনি হ'ম! দুদিন পাছতে অপ্ৰাসংগিক নহ'লেও অতীত হৈ যাম। হলিউডৰ বিখ্যাত অভিনেতা পিটাৰ ফন্দা (Peter Fonda) হ'ল হলিউডৰে আন দুই বিখ্যাত চৰিত্ৰ হেনৰি ফন্দা (Henri Fonda) আৰু জেন ফন্দা (Jane Fonda)ৰ দেউতাক। কামৰ খাতিৰত সকলো দিহিঙে-দিপাঙে ঘূৰি ফুৰে। হেনৰিয়ে পুতেক-জীয়েকক কৈছিল— I donot care where you go– where you stay– what you do, but when you are in town you must join me for breakfast and at 73, I am not going to change.

গতিকে ময়ো এতিয়া আৰু সলনি নহওঁ বুলিয়ে ভাবি থ'লো; কিন্তু তাৰ মানে এইটো নহয় যে এই মহান কথাকেইটা মই উলাই কৰিছো। মোৰ হয়তো 'মুখৰ শব্দ' বাক্‌ভূষণৰ শাৰীত নপৰিব পাৰে; কিন্তু মোৰ 'কলমৰ শব্দ' বাক্‌ভূষণৰ পৰা বহুত দূৰৈত অৱস্থান কৰা নাই বুলিয়ে মই ভাবো। সেয়ে মই এই ভাৰতীয় ঐতিহ্য একেবাৰে অগ্ৰাহ্য কৰিছো বুলি ভাবিব নোৱাৰি। অৰ্থাৎ কথাটোৰ লগত মই একেবাৰে খাপচৰা নহয়। তথাপি মই এটা আশংকাত অনবৰতে ভুগি থাকো।

দ্বিতীয় কথা হ'ল যে আমাৰ সমাজত শোভা বা ভূষণ বৰ্দ্ধনকাৰী মানুহ বাদেই, মানুহৰ নামেই নাই দেখোন! শোভা ব্ৰহ্মাৰ নামটোহে দেখোন একমাত্ৰ জাকত জিলিকা নাম চকুত পৰে। ছবি-ভাস্কৰ্যৰ মাজেৰে বা অনুচ্চ মাতেৰে, মিতব্যয়ী শব্দেৰে তেওঁ নিশ্চিতভাৱে আমাৰ সমাজৰ শোভা বৃদ্ধি কৰিছিল। শোভা লস্কৰ নামৰ আন এজনৰ নামো মনলৈ আহে কেতিয়াবা। বাকী নামবোৰ যেনে— সেউতী, ৰমলা, ৰম্ভা, জয়মতী, কাদম্বৰী, লখিমী, সোণমইনা, দধীচি, বিশ্বামিত্ৰ, ভীম, যুধিষ্ঠিৰ, ৰুদ্ৰ, ফুলেশ্বৰী, কনকলতা, ভোগেশ্বৰী, লাচিত আদি নামবোৰ অদৃশ্য-অশ্ৰুত হৈ গ'ল— অসমীয়া চিনেমাৰ নামৰ পৰা অসমীয়া শব্দও আঁতৰি যোৱাৰ দৰে। নামবোৰ নাইকিয়া হ'ল মানে মানুহে সেইবোৰ নামেৰে কাকো মাতিবলৈ নোহোৱা হ'ল। গতিকে সুন্দৰ শব্দ ধ্বনিবোৰ নোপোৱা হ'লো। সুন্দৰ শব্দৰেই যদি নিজৰ ঠাইৰ আকাশ-বতাহ মুখৰিত কৰি ৰাখিব নোৱাৰিলো, তেন্তে সুন্দৰ ঘটনানো কেনেকৈ ঘটিব!

তৃতীয় কথাটো হ'ল আমাৰ ৰাজহুৱা স্থানবিলাকত আমি আমাৰ মাত-কথাৰ কি পৰিচয় দিওঁ? ভালকৈ চালে দেখিম যে বাঙালী মুচী এজনেও যি সুন্দৰকৈ বাৰ্তালাপ কৰে, আমাৰ কলেজ-বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকায়ো তেনেকৈ নকৰে। আমাৰ নিজৰ শুৱলা শব্দবিলাক পৰিত্যাগ কৰি বিজতৰীয়া শব্দৰ বাহাৰ মেলি দিওঁ— নীলা শিয়ালৰ দৰে। ফলত সেইবোৰ একো নহয়গৈ— ৰসৰাজেও লাজ পায়, বেণুধৰেও লাজ পায়, শৰাইঘাট-হেমকোষ-চন্দ্ৰকান্ত-জ্যোতি দ্বিভাষিকেও লাজ পায়। এই মাত-কথাই আমাৰ সমাজৰ একো শোভা বৰ্দ্ধন নকৰে; বৰঞ্চ ঘৃণাৰ ভাব এটাহে শিপাবলৈ আৰম্ভ কৰে।

চতুৰ্থ কাৰণটো হ'ল আমাৰ তথাকথিত প্ৰতিভাধৰসকলৰ বীভৎস কথা-কামবিলাক। Public Conduct বুলি এটা বৰ ডাঙৰ কথা আছে। এই কথাটো ফৎকৈ অসমীয়া মানুহে বুজি নাপাব; কাৰণ কিছুমান অসমীয়া মানুহ ব্যক্তিগত পৰ্যায়ত কিছু কিছু ঠিক যেন লাগিলেও বহুত মানুহ ৰাজহুৱা তথা সামাজিক জীৱনত জঘন্য ধৰণে স্খলিত।

কথাটো সহজকৈ বুজাবলৈ হ'লে অমিতাভ বচ্চনলৈ চালেই হ'ল। মানুহজনে এই প্ৰায় ৮০ বছৰ বয়সতো কি সুন্দৰকৈ তেওঁৰ ৰাজহুৱা চৰিত্ৰ অক্ষুণ্ণ ৰাখিব পাৰিছে সেইটো সঁচাকৈয়ে ঈৰ্ষণীয়। কাপোৰ-কানি, খোজ-কাটল কি মাৰ্জিত! মাত-কথা কি পৰিশীলিত! যিকোনো বিষয় উত্থাপনৰ ধৰণ কি সম্ভ্ৰান্তসূচক! সদায় প্ৰস্তুত হৈ আহে। সকলো কথা কণ্ঠস্থ। পিতৃ কবি হোৱাৰ সূত্ৰে বা নিজে কবিতা ভালপোৱাৰ কাৰণে, কথা-বতৰাত এটা কাব্যিক সতেজতা ফুটি উঠে! বয়স অনুপাতে আচৰণ। কোনোদিনে ক'তো বিশৃংখলতা সৃষ্টি কৰা নাই। সমগ্ৰ দেশৰ সন্মান-আদৰ পাইছে Mega star, super star বুলিয়ে নহয়, নিজৰ সৰ্বাত্মক গুণৰাজিৰ বাবেহে বিশেষকৈ তেওঁৰ সুন্দৰ ৰাজহুৱা আচৰণৰ বাবেহে। হিন্দী ক'লে পৰিষ্কাৰ হিন্দীতে কথা কয়; ইংৰাজী ক'লে পৰিষ্কাৰ ইংৰাজীতে কথা কয়। ৰসবোধো প্ৰখৰ; কিন্তু কেতিয়াও শালীনতাৰ সীমা পাৰ নহয়। সময় জ্ঞানো সাংঘাতিক, প্ৰয়োজনতকৈ ক'তো অলপো সময় বেছি নলয়। সদায় সকলো কামতে সময়ানুৱৰ্তিতা সবাতোকৈ আগত। কেতিয়াবা ভগ্নস্বাস্থ্যৰেও কাম কৰে— কথা ৰাখিবৰ বাবে। এজমাকে আদি কৰি বহুত অসুখো আছে; কিন্তু সকলোৰে বাবে তেওঁ হৈ পৰে সুস্বাস্থ্য তথা জীৱনৰ প্ৰতি আগ্ৰহৰ জীৱন্ত ৰূপ।

কিন্তু আমাৰ জুবিনহঁতে কি কৰে? মইনো আৰু কি বেলেগকৈ লিখিম! তেওঁ কিবা কিতাপ পত্ৰ পঢ়েনে? আমাৰ কোনজন শিল্পীয়েনো কেইখন কিতাপ পঢ়িছে? কিবা পঢ়ি পাইছেনে— নিজৰ শিল্পৰ লগত ৰজিতা খোৱা কিবা! তেওঁৰ শিল্পৰ লগত জড়িত কিবা আলোচনাত কিবা তথ্য নিৰ্ভৰ-সূত্ৰ নিৰ্ভৰ-গুণ নিৰ্ভৰ কিবা কথা ক'ব পাৰেনে? ১০টা ইংৰাজী বাক্য ক'ব পাৰেনে? ১০টা হিন্দী বাক্য ক'ব পাৰেনে? ১০টা অসমীয়া বাক্যকে শুদ্ধকৈ ক'ব পাৰেনে? শিল্পী হয় জানো? আমাৰ গায়কহে আছে শিল্পী নাই নহয়, আমাৰ লেখকহে আছে সাহিত্যিক নথকাৰ নিচিনা এটা কথা।

যিহেতু একোৰে একো এটা চৰ্চা নাই, গতিকে প্ৰায়বিলাকৰে নিজৰ জ্ঞানৰ গভীৰতা শূন্য। গতিকে মুখত লেকামহীন কথা ওলায়। আমাৰ হাৰ্ট থ্ৰ'বলৈকে চালেই হ'ল। এই মানুহবোৰ কেৱল ৰেডিঅ'ৰ গায়ক হ'ব লাগিছিল। গান শুনি আমি আনন্দ পালোহেঁতেন আৰু বান্দৰামি-অশ্লীলতা আদি দেখাৰ দুৰ্ভাগ্যৰ পৰা মুক্তি পালোহেঁতেন।

মই ৰাজনীতি কৰা মানুহবিলাকৰ কথা ক'বলৈ বিচৰা নাই। কাৰণ সিবিলাকৰ সৰহভাগকে মানুহ বুলি ধৰিবলৈ মোৰ সৎ নাযায়। ৰাজনীতিবিদ বুলিও মই সেই কাৰণে লিখা নাই। তেওঁলোক ৰাজনীতি কৰা মানুহ হয়; কিন্তু ৰাষ্ট্ৰনায়ক বা ৰাজনীতিজ্ঞ নহয়। ৰাজনীতিজ্ঞ ব্যক্তি অতীতৰ ইতিহাস তথা জ্ঞানেৰে সমৃদ্ধ— অতীতক নিৰপেক্ষভাৱে চাব জনা মানুহ— অতীতৰ পৰা শিক্ষা ল'ব জনা মানুহ আৰু লগতে ভৱিষ্যদ্ৰষ্টাও। তেওঁলোকে ডাঙৰ কেনভাছত ছবি আঁকে, দেশৰ ৰূপৰেখা। সেয়ে তেওঁলোক ভদ্ৰ হয়, মাৰ্জিত হয়, সংস্কৃত হয়, নমনীয় হয়।

আমাৰ এইবিলাক হ'ল চিকাই বৰ চাং পোৱাৰ নিচিনা। কেইদিনমানৰ কাৰণে ৰজাৰ চকী এখন পাইছো, গতিকে 'খঁক' উথলি উঠে, ৰাক্ষসৰ দৰে সকলো খাবলৈ, পাবলৈ, ল'বলৈ, উপভোগ কৰিবলৈ লাগে। লগে লগে হাবিয়াস বাঢ়ে চকীখন চিৰদিন নিজৰ কৰি ৰখাব। ফলত হিতাহিত জ্ঞান শূন্য হৈ যায়। মুখেৰে কি কৈছে, ক'ব নোৱাৰে। কথা কয় কিবা এটা, কাম কৰে কিবা এটা।

কিন্তু শিল্পী-সাহিত্যিকসকল হ'ল সমাজৰ চূড়ামণি। তেওঁলোক আদৰ্শ, তেওঁলোকলৈ সকলোৱে চাই থাকে; কিন্তু লক্ষ্যই যদি মাতাল, অস্থিৰ, অহৌ-বলিয়া, লেকাম নোহোৱা পাষণ্ড হয়, তেন্তে পৰৱৰ্তী প্ৰজন্মই চাব কাইলৈ? কেনেকৈ চাব?

ঘৰৰ ভিতৰতে তুমি যি কৰা কৰি থাকা; কিন্তু ৰাজহুৱা স্থানত তুমি সংযম দেখুৱাবই লাগিব। পশ্চিমীয়া সংগীত বা শিল্প জগতৰ মদাহী-মাতাল-ড্ৰাগছ এডিক্ট, মঞ্চত মদৰ বটল ভঙা, গিটাৰ ভঙা, শৌচ কৰি দিয়া, নাঙঠ, অশ্লীলতা তুমি আমাৰ ৰাজহুৱা জীৱনলৈ কিয় আনিবা? তুমি আচলতে পিটন খাবৰহে যোগ্য। শিল্পীৰ স্বাধীনতা মানে এইবোৰ নহয়। সেয়ে মোৰ ক'বৰ মন যায়— আমাৰ ৰাজহুৱা মানুহবিলাকক— যে তোমালোকৰ অলংকাৰ, কেইটা 'টক শ্ব'ত কথা কৈছা সেইটোত নহয়, কি কৈছা, কেনেকৈ কৈছা সেইবিলাকতহে।

কিমান চিনেমা কৰিলা, কিমান লেখা লিখিলা, কিমান হিট হ'ল, কিমান টকা ঘটিলা সেইবিলাকত নহয়; কি চিনেমা কৰিলা, কি লিখিলা, কিহত কিমান উৎকৰ্ষতা দেখুৱালা সেইবিলাকতহে। এইবিলাক কথাক গুণ বুলি কয় আৰু মানুহৰ সামাজিক আচৰণ নিজৰ গুণৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। ৰাইজ নিম্নখাপৰ হ'লেও, ৰাইজে অশ্লীলতা বিচাৰিলেও, ৰাইজে চানাচুৰ জাতীয় সস্তীয়া বস্তু বিচাৰিলেও, তুমি সমাজৰ বৌদ্ধিক মান-সমাজ শিল্পক অৱনমিত কৰিব নোৱৰা। মাতৃভাষাৰ থুনুক-থানাক শব্দকেইটাৰেই তুমি পৃথিৱীত তোমাৰ ৬০-৭০-৮০ বছৰীয়া পৰিক্ৰমা আৰম্ভ কৰিছিলা, পাহৰি যোৱা কিয় সেই কথা?

নিজৰ মাতৃভাষাত কথা অলপমান শুদ্ধকৈ, সৰলকৈ, শুৱলাকৈ, চহকীকৈ ক'ব নোৱৰা মানুহ আচলতে মোৰ দৃষ্টিত ঘৃণনীয় ব্যক্তিহে। মাতৃভাষাক পেংলাই কৰা মানুহক মোৰ আচলতে মাতিবৰে মন নাযায়। ক'ৰবাত অত্যন্ত প্ৰয়োজনত দুটা-এটা বেলেগ শব্দ প্ৰয়োগ কৰাটো একো জগৰৰ কথা নহয় বুলি স্বয়ং ৰসৰাজেও লিখি থৈ গৈছে। আনকি তেৰোঁ তেনে লেখা লিখিছে। কিন্তু কথা কোৱাৰ নামত তুমি ভাষাটোক কলংকিত কিয় কৰিবা? মোৰ মাতৃভাষাই মোৰ আভৰণ। এইকণ আপুৰুগীয়া সম্পদৰেই মই চহকী। পৃথিৱীৰ সকলো সফল আৰু সুন্দৰৰ পূজাৰীয়ে নিজৰ নিজৰ মাত-কথাৰেই, নিজৰ বৰ্ণাঢ্য বক্তব্য তথা প্ৰকাশেৰে মানৱ সভ্যতা চহকী কৰি থৈ গৈছে। এই কথা এটা ঘটনা নহয়। ই এটা প্ৰবাহ, এটা ধাৰা। আমিবোৰ এই ধাৰাৰে বাহক। কম্পিউটাৰ, ইন্টাৰনেট, ৰবট আহিল বুলিয়েই এই ধাৰা ব্যাহত হ'ব নোৱাৰে। আমাক সকলোৱে চৰ-লাথ-গোৰ মাৰি ফুৰিব পাৰিছে; কাৰণ আমি ৰাজহুৱা জীৱনত আমাৰ ৰাজহুৱা আচৰণ বৰ নিম্নমানৰ কৰি পেলাইছো।

গতিকে ঘৰৰ ভিতৰত কোনোবাই লেতেৰা-দুৰ্গন্ধময়-অশ্লীল শব্দ কৈ থাকিব পাৰে। আমি তাত একো ক'বলৈ নাযাওঁ; কিন্তু ৰাজহুৱা স্থানত আমাৰ আচৰণ সম্ভ্ৰান্ত-ভদ্ৰোচিত আৰু আমাৰ ঐতিহ্যৰে চহকী হ'বই লাগিব। আমি ইমান পৰি মৰা জাতি নহয় যে ফাল্টু ধৰণেৰেই আমি বাহিৰত নিজৰ পৰিচয় দিম।

*ফোন ঃ ৯৮৬৪০-৪৪৪৭০*

# বৰহোলা মহাবিদ্যালয়ত বৰ্ণাঢ্য কাৰ্যসূচীৰে নৱাগত আদৰণি সভা সম্পন্ন



**বিশেষ সংবাদদাতা**

**নগাবাট, ১২ ছেপ্টেম্বৰ ঃ** বৰহোলাৰ অন্যতম শিক্ষানুষ্ঠান বৰহোলা মহাবিদ্যালয়ত ১০ ছেপ্তেম্বৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে নৱাগত আদৰণি সভা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি দীপ শইকীয়াই ছাত্ৰ একতা সভাৰ পতাকা উত্তোলন কৰাৰ পাছত মহাবিদ্যালয়ৰ পুৰণি ছাত্ৰ-ছাত্ৰীৰ মাজত চিনাকি চ'ৰা অনুষ্ঠান সঞ্চালন কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষা বৰ্ণালী কলিতাই। এই অনুষ্ঠানত সঞ্চালক হিচাপে মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ক্ৰমে ড° শিৱাণী ফুকন, ময়ূৰী বৰা আৰু মুনমণি শইকীয়া উপস্থিত থাকে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে গীত-মাত, নৃত্য প্ৰদৰ্শন কৰি জীপাল কৰি তোলে। ইয়াৰে পাছতে মহাবিদ্যালয়ৰ অধ্যক্ষ বীৰেণ দত্তই এগছি বন্তি প্ৰজ্বলন কৰি মুকলি সভাৰ আৰম্ভ কৰে। ছাত্ৰ একতা সভাৰ সভাপতি দীপ শইকীয়াই আঁত ধৰা সভাখন উদ্বোধন কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষা বৰ্ণালী কলিতাই। ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক সুব্ৰত ৰাজকুমাৰে উদ্দেশ্য ব্যাখ্যা কৰি আদৰণি ভাষণ প্ৰদান কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰস্তুত কৰি উলিওৱা মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকা উদ্দীপ্ত উন্মোচন কৰে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি প্ৰদীপ শইকীয়াই। সভাত উপস্থিত থকা অসম মহিলা বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপিকা ড° ছায়েস্তা বৰুৱাই প্ৰদান কৰা বক্তব্যত সকলো ছাত্ৰ অভিভূত হৈ পৰে। সভাত উপস্থিত থকা যোৰহাট জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণ্ময় গোস্বামীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ কৰ্তব্য, দায়িত্ব, সামাজিক দায়বদ্ধতা বিভিন্ন দিশ সামৰি এক বহুমূলীয়া বক্তব্য প্ৰদান কৰে। মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড° দিপ্তী বৰুৱাই তেওঁৰ প্ৰয়াত পুত্ৰ ৰাজদ্বীপ বৰাৰ সোঁৱৰণত শ্ৰেষ্ঠ স্নাতক বঁটা আৰু সহকাৰী অধ্যাপিকা মৃদুস্মিতা ফুকনে তেওঁৰ প্ৰয়াত স্বামী মহাবিদ্যালয়খনৰ সহকাৰী অধ্যাপক উজ্জ্বল চেতিয়াৰ সোঁৱৰণত বৰ্ষশ্ৰেষ্ঠ বুৰঞ্জী বিভাগৰ শ্ৰেষ্ঠ বঁটা প্ৰদান কৰে। ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ স্নাতক চূড়ান্ত পৰীক্ষাত প্ৰথম স্থানত উত্তীৰ্ণ হোৱা ৩৩জন ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। সভাত মহাবিদ্যালয়খনৰ সহকাৰী অধ্যাপক ক্ৰমে দিলীপ কুমাৰ খাউণ্ড, মঃ মেৰাজুল হুছেইন বৰদলৈ, ড° ৰাণা বৰাৰ সঞ্চালনাত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়।

# সুমধুৰ আধুনিক গীত 'ৰোমন্থন' উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**আঠখেলীয়া, ১২ ছেপ্টেম্বৰ ঃ** প্ৰাগ চেনেলৰ উজনি অসমৰ মুখ্য কাৰ্যালয়ত ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় বঁটা প্ৰাপক কবি গীতিকাৰ নলীন কোঁৱৰৰ ৰচিত 'ৰোমন্থন' শীৰ্ষক এটা সুমধুৰ আধুনিক গীত অলপতে উন্মোচন হয়। গীতটোৰ সুৰ মৃণ্ময় মৃত্তিক, সংগীতেৰে সজাইছে শ্যামল ভূঞাই আৰু গীতটোত কণ্ঠদান কৰিছে জনপ্ৰিয় কণ্ঠশিল্পী জয়ন্ত নাথে। সকলোৰে প্ৰিয় শৈশৱকাল ৰোমন্থনেই গীতটোৰ মূল কথা। গীতটো উন্মোচন কৰে জ্যেষ্ঠ শিল্পী, সুৰকাৰ মৃদুল ভূঞাই। গীতটোৰ উন্মোচনী অনুষ্ঠানত বিশিষ্ট অভিনেতা ৰূপ কুমাৰ বৰা, প্ৰাগ চেনেলৰ উজনি অসমৰ ব্যুৰ' চীফ উৎপল বৰা, সাংবাদিক অমৰ বৰুৱা, গীতটোৰ গীতিকাৰ, সুৰকাৰ, বাঁহী বাদক প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

# ৰঙাপৰাৰ নাগৰিক সমাজে মাটিৰ খাজনা হ্ৰাস কৰাৰ বাবে বিধায়কলৈ পত্ৰ প্ৰেৰণ

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ১২ ছেপ্টেম্বৰ ঃ** বৰ্তমান চৰকাৰে মাটিৰ খাজনা হাৰ যথেষ্ট বৃদ্ধি কৰিছে যদিও জনসাধাৰণে মাটিৰ খাজনা পাৰ্যমানে আদায় কৰি আহিছে। চাৰিদুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বালিপাৰা মৌজাৰ খাজনা চৰকাৰী নিৰ্দেশনা অনুসৰি জনসাধাৰণে বেছিকৈ দিব লগা হোৱা বুলি ৰঙপৰাৰ নাগৰিক সমাজ স্বাক্ষৰিত দাবী সম্বলিত এখন পত্ৰ বিধায়কজনৰ হাতত অলপতে অৰ্পণ কৰে। পত্ৰখনত উল্লেখ কৰে যে কম মাটি থকা ব্যক্তি আৰু বেছি মাটি থকা গৰাকীয়ে একে পৰিমাণৰ খাজনা নিৰিখত মাটিৰ খাজনা দিব লগা হৈছে। উল্লেখ্য যে চলিত বৰ্ষৰ ২৫ মে'ত মুখ্যমন্ত্ৰীক ৰঙাপৰা নাগৰিক সমাজৰ তৰফৰ পৰা এই সন্দৰ্ভত এখন স্বাক্ষৰিত পত্ৰ প্ৰেৰণ কৰিছে। বিধায়কজনক এই ক্ষেত্ৰত ৰাইজৰ এই সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰৰ স'তে আলোচনাত মিলিত হৈ যাৰ যি পৰিমাণৰ মাটি আছে সেই অনুসৰি মাটিৰ খাজনাৰ ব্যৱস্থা কৰি দিবলৈ পত্ৰখনৰ জৰিয়তে আহ্বান জনায়।

# ৰঙাপৰা চহৰত কদৰ্যময় পৰিৱেশ

## ■ চাফাই কৰ্মীৰ কৰ্মবিৰতি পালন

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ১২ ছেপ্টেম্বৰ ঃ** শোণিতপুৰ জিলাৰ ৰেল তথা বাণিজ্য নগৰী হিচাপে খ্যাত একমাত্ৰ চহৰখন হ'ল ৰঙাপৰা। সৌদিনাখনলৈকে চাফ-চিকুণতাৰে ধুনীয়া হৈ থকা ৰঙাপৰা চহৰখনত বৰ্তমান য'তে-ততে লেতেৰা জাঁৱৰৰে ভৰি পৰিছে। স্বচ্ছ ভাৰত অভিযানৰ বিপৰীত ছবি ৰঙাপৰাত প্ৰত্যক্ষ কৰা হৈছে। পথৰ কাষত পৰি থকা জাৰৰখিইন চাফ-চিকুণ কৰিবলৈ নাই চাফাই কৰ্মচাৰীসকল। প্ৰকৃততে ৰঙাপৰা পৌৰসভা কাৰ্যালয়ত কৰ্মৰত ৩০ জন চাফাই কৰ্মচাৰীয়ে প্ৰাপ্য মজুৰি দাবীত অনিৰ্দিষ্ট কাললৈ কৰ্মবিৰতি পালন কৰাত চহৰখনত আজি এনে পৰিৱেশে বিৰাজ কৰিছে। উল্লেখ্য যে চাফাই কৰ্মচাৰীসকলে গণতান্ত্ৰিকভাৱে নিজৰ প্ৰতিবাদী কাৰ্যসূচী অব্যাহত ৰাখিছে। ৰঙাপৰা পৌৰসভা কাৰ্যালয়ৰ অধীনত কৰ্মৰত চাফাই কৰ্মচাৰীসকলৰ ন্যূনতম ১০ হেজাৰ সাতশ টকা প্ৰদানৰ দাবীত সদৌ অসম হৰিজন মজদুৰ ইউনিয়নৰ ৰঙাপৰা শাখাই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছে। চলিত বৰ্ষৰ ১৬ মাৰ্চৰ অসম চৰকাৰৰ নিৰ্দেশনা অনুসৰি প্ৰতিজন চাফাই কৰ্মচাৰীক মাহিলি ১০ হেজাৰ সাতশ টকা লাভ কৰিব লাগিছিল। কিন্তু ৰঙাপৰা পৌৰসভা কাৰ্যালয়ৰ অধীনৰ কৰ্মৰত চাফাই কৰ্মচাৰীসকলে মাহিলি সাত হেজাৰ ৯০০ টকাহে লাভ কৰি আহিছে। বিগত কে'বাদিনো ধৰি চাফাই কৰ্মচাৰীসকলে অনিৰ্দিষ্টকালীন কৰ্মবিৰতি পালন কৰি অহাৰ পাছতো সংশ্লিষ্ট কৰ্তৃপক্ষই সমস্যা সমাধানৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ নকৰাত বৰ্তমান নগৰখনত এনে ধৰণৰ কদৰ্যময় পৰিৱেশে বিৰাজ কৰিছে বুলি ৰাইজে অভিযোগ তুলিছে।



# ঢেকীয়াজুলিত গাহৰি পালনৰ ১০ দিনীয়া প্ৰশিক্ষণ

## অসম গ্ৰামীণ বিকাশ বেংক-লাইফষ্টক প্ৰডিউচাৰ কোম্পানীৰ পদক্ষেপ

**অগ্ৰদূত বাৰ্তা**

**শিঙৰী, ১২ ছেপ্টেম্বৰ ঃ** গাহৰি পালনৰ জৰিয়তে আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ সপোন দেখা যুৱক-যুৱতীসকলৰ বাবে অসম গ্ৰামীণ বিকাশ বেংকৰ গ্ৰাম্য স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু শোণিতপুৰ লাইফষ্টক প্ৰডিউচাৰ কোম্পানীয়ে এলানি প্ৰশিক্ষণৰ ব্যৱস্থা কৰিছে। ঢেকিয়াজুলি আৰু বৰছলা উন্নয়ন খণ্ডৰ আগ্ৰহী নিবনুৱা যুৱক-যুৱতীসকলক গাহৰি পালন আৰু ইয়াৰ ব্যৱস্থাপনা সন্দৰ্ভত প্ৰশিক্ষণ দিয়াৰ লক্ষ্যৰে ঢেকিয়াজুলিত ১০ দিনীয়া প্ৰশিক্ষণ অনুষ্ঠিত কৰিছে। আজি পুৱা প্ৰশিক্ষণ আৰম্ভ কৰা হয়। গ্ৰাম্য স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সঞ্চালক গৌতম মিশ্ৰই এই ১০ দিনীয়া প্ৰশিক্ষণৰ আৰম্ভ কৰে। এই প্ৰশিক্ষণত ঢেকিয়াজুলি আৰু বৰছলা উন্নয়ন খণ্ডৰ বিভিন্ন পঞ্চায়তৰ পৰা অহা ৭০ গৰাকী যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰে। অসম গ্ৰামীণ বিকাশ বেংকৰ ক্ষেত্ৰীয় প্ৰবন্ধক জ্ঞানজ্যোতি শৰ্মা, ৰঞ্জন কটকী, জিতুমণি কলিতা, কবিতা শইকীয়া, বিজয় বসুমতাৰী, অশোক পৰিয়াৰ, টিকাৰাম বড়ো, গকুল বড়ো, পংকজ বাগলাৰীয়ে এই প্ৰশিক্ষণত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। এই ১০ দিনীয়া প্ৰশিক্ষণত প্ৰত্যেক দিনা পুৱা ন বজাৰ পৰা বিয়লি চাৰি বজালৈ প্ৰশিক্ষণ দিয়া হ'ব বুলি উদ্যোক্তাসকলে সদৰী কৰে। দুৰ্গা পূজাৰ পাছত দ্বিতীয় পৰ্যায় প্ৰশিক্ষণ অনুষ্ঠিত কৰা হ'ব বুলি তেওঁলোকে জানিবলৈ দিয়ে। এই সন্দৰ্ভত বিশেষ জানিবলগীয়া থাকিলে ৭০০২০-৬০৯৫৬ নম্বৰত যোগাযোগ কৰিবলৈ আগ্ৰহী যুৱক-যুৱতীসকলক শোণিতপুৰ লাইফষ্টক প্ৰডিউচাৰ কোম্পানীৰ বিষয়ববীয়াসকলৰ তৰফৰ পৰা আহ্বান জনোৱা হৈছে।

# জধে-মধে জাবৰ পেলোৱা ৰেষ্টুৰেণ্টৰ বিৰুদ্ধে অভিযান বিশ্বনাথ পৌৰসভাৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১২ ছেপ্টেম্বৰ ঃ** বিশ্বনাথৰ অতি ব্যস্ত পথ। বিশ্বনাথঘাট ৰোডত অৱস্থিত বিশ্বনাথ চাৰিআলি উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয় আৰু সন্মুখত আছে শোণিতপুৰ জিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠান। এই প্ৰতিষ্ঠান আৰু বিদ্যালয়খনত প্ৰতিদিনে বহু ছাত্ৰ-ছাত্ৰী অহা-যোৱা কৰে। পূৰ্বতে এই স্থানত এটা ডাষ্টবিনো আছিল। কিন্তু এই ডাষ্টবিনৰ পৰা ওলোৱা দুৰ্গন্ধৰ বাবে বহু লোকে অভিযোগ দিয়াত পৌৰসভাই উক্ত স্থানৰ পৰা সেই স্থানৰ পৰা সেয়া আঁতৰ কৰি দিয়ে। কিন্তু বৰ্তমান উক্ত স্থানত ডাষ্টবিন নাই যদিও একাংশ লোকে সেই স্থানত জাবৰ-জোঁথৰ পেলাই পৰিৱেশ বিনষ্ট কৰি আহিছে। কালিও উক্ত স্থানত বিশ্বনাথ নগৰৰ এখন ৰেষ্টুৰেণ্টৰ কৰ্মচাৰীয়ে ৰেষ্টুৰেণ্টখনৰ পেলনীয়া জাবৰ-জোঁথৰ এখন ই-ৰিক্সাত উঠাই উক্ত স্থানত পেলাবলৈ লওঁতেই বিশ্বনাথ চাৰিআলি পৌৰসভাৰ কাৰ্যবাহী বিষয়া দেৱাশীষ গোস্বামীয়ে অভিযান চলাই হাতে-লোটে ধৰা পেলায়। লগে লগে কাৰ্যবাহী বিষয়াজনে ৰেষ্টুৰেণ্টখনৰ স্বত্বাধিকাৰীক মাতি আনি তেওঁৰ বিৰুদ্ধে জৰিমনা বিহা আৰু উক্ত স্থানকণ চাফ-চিকুণ কৰিবলৈ নিৰ্দেশ প্ৰদান কৰে।



*প্ৰাপ্য দৰমহাৰ দাবীত ঠেলামৰাস্থিত পলিটেকনিক প্ৰতিষ্ঠানৰ চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ প্ৰতিবাদ, সোমবাৰে।*

# বৰিতোলা কীৰ্তন ঘৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্ম মহোৎসৱৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১২ ছেপ্টেম্বৰ ঃ** বৰভাগ ৰাজহ চক্ৰৰ অন্তৰ্গত বৰিতোলা কীৰ্তন ঘৰ প্ৰাংগণত অহা চাৰি আৰু পাঁচ অক্টোবৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক জন্ম মহোৎসৱৰ আয়োজন কৰিছে। তদুপলক্ষে চাৰি অক্টোবৰৰ পুৱা বন্তি প্ৰজ্বলন, কুইজ আৰু চিত্ৰাংকন প্ৰতিযোগিতা। সন্ধিয়া গুৰু আসন স্থাপন কৰিব নৃপেন লহকৰে (পাঠক)ৰ পাছত হৰিনাম সংকীৰ্তন। পাঁচ অক্টোবৰৰ পুৱা প্ৰভাতফেৰী, পৰিচালনা কৰিব বলেন লহকৰ আৰু মৃন্ময় লহকৰে, সাত বজাত পুৱাৰ প্ৰসংগ ধৰ্মীয় পতাকা উত্তোলন। উত্তোলন কৰিব উৎসৱ পৰিচালনা সমিতিৰ সভাপতি নগেন চৌধুৰীয়ে। স্মৃতিতৰ্পণ কৰিব পূৰ্ণদৈচপৰা (লহকৰপাৰা)ৰ দীনেশ দত্ত লহকৰে। বৃক্ষৰোপণ কৰিব মুনীন্দ্ৰ লহকৰে সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰিব পশ্চিম বড়িগোগ অম্বাপ্ৰিয়া চৌধুৰী হাইস্কুলৰ প্ৰধান শিক্ষক গিৰীন্দ্ৰ দেৱ শৰ্মাই। আইসকলৰ নাম, প্ৰসংগৰ পাছত দিনৰ দুই বজাত প্ৰীতি ভোজন, আবেলি ওজাপালি প্ৰদৰ্শন। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মনোজ মহন্তই। টোপধ্বনি আৰু গোপাল আতা থিয়নাম দল (ভৱানীপুৰ)ৰ থিয়নাম প্ৰদৰ্শন উদ্বোধন কৰিব হেমেন লহকৰে (নাওধন)। ইতিমধ্যে উৎসৱৰ পৰিচালনাৰ বাবে নগেন চৌধুৰীক সভাপতি, নৃপেন্দ্ৰ চন্দ্ৰ লহকৰক কাৰ্যকৰী সভাপতি, পাৰ্থপ্ৰতীম লহকৰ, সীমান্ত লহকৰক সম্পাদক সীমান্ত ডেকাক সহকাৰী সম্পাদক হিচাপে লৈ এখন সমিতি গঠন কৰিছে।

# চিৰাং জিলা সমিতি সংখ্যালঘু প্ৰগতিশীল মঞ্চৰ শপতগ্ৰহণ

## ■ পিছপৰা অঞ্চলত শিক্ষাৰ পোহৰ বিলোৱা কাৰ্যসূচী গ্ৰহণ

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ১২ ছেপ্টেম্বৰ ঃ** চিৰাং জিলাৰ বৰতালোৱা যুৱ কল্যাণ সমিতিত মঞ্চৰ সভাপতি শ্বাহ কামাল খণ্ডকাৰৰ সভাপতিত্বত কালি আয়োজিত শপত বাক্য পাঠ অনুষ্ঠানত নৱগঠিত চিৰাং জিলা সংখ্যালঘু প্ৰগতিশীল মঞ্চ অসম সমিতিৰ শপত বাক্য পাঠ কৰোৱায় সংখ্যালঘু প্ৰগতিশীল মঞ্চৰ উপদেষ্টা ছাইদুল ইছলাম আকদে। সংখ্যালঘুসকলৰ শৈক্ষিক, আৰ্থ সামাজিক তথা অন্যান্য বিভিন্ন দিশত কাম কৰাৰ উদ্দেশ্যে গঠিত হৈছিল সংখ্যালঘু প্ৰগতিশীল মঞ্চ অসম। চিৰাং জিলা সমিতিৰ শপত বাক্য অনুষ্ঠানত মঞ্চৰ সম্পাদক ছামছুল হক, কেন্দ্ৰীয় সাংস্কৃতিক সম্পাদক আবু ইলিয়াছ, শিক্ষা সম্পাদক মতলেবুল হক সহ মঞ্চৰ কে'বাগৰাকী কেন্দ্ৰীয় সদস্য উপস্থিত থাকি জিলাখনৰ অতিকে পিছপৰা অঞ্চলসমূহত শিক্ষাৰ পৰা আৰম্ভ কৰি বিভিন্ন দিশত আলোচনা হয়। এই শপতগ্ৰহণ অনুষ্ঠানত পিছপৰা অঞ্চলত শিক্ষাৰ পোহৰ বিলোৱা কাৰ্যসূচী গ্ৰহণ কৰে সংখ্যালঘু প্ৰগতিশীল মঞ্চত।

# পাৰিতোষিকৰ অনাদায়ৰ দাবীত অনিৰ্দিষ্টকালীন কৰ্মবিৰতি গোলাঘাট কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানৰ কৰ্মচাৰীৰ



**অগ্ৰদূত বাৰ্তা**

**ফৰকাটিং, ১২ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰে যি সময়ত তৃতীয় আৰু চতুৰ্থবৰ্গৰ পদৰ বাবে সাক্ষাৎকাৰ গ্ৰহণ কৰি নিযুক্তি প্ৰক্ৰিয়া অব্যাহত ৰাখিব বিচাৰিছে তেনে সময়তে গোলাঘাটৰ ফৰকাটিঙত স্থাপিত কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানৰ চতুথবৰ্গৰ কৰ্মচাৰীসকলে দীৰ্ঘদিন ধৰি প্ৰাপ্য পাৰিতোষিকৰ পৰা বঞ্চিত হৈ কৰ্মবিৰতি কাৰ্যসূচী গ্ৰহণ কৰিবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে। উল্লেখ্য যে সদৌ অসম নৱনিৰ্মিত ১১খন পলিটেকেটিনক আৰু দুখন ইঞ্জিনিয়াৰিং কলেজৰ চতুৰ্থবৰ্গৰ কৰ্মচাৰী সন্থাৰ উদ্যোগত আৰু কলেজখনৰ প্ৰাংগণত আজি কৰ্মবিৰতি কাৰ্যসূচী ৰূপায়ণ কৰে। স্মৰ্তব্য যে যোৱা ১১ মাহ পৰ্যন্ত দৰমহা অনাদায় হৈ থকা গুৰুত্বপূৰ্ণ বিষয়টোৰ সন্দৰ্ভত সংশ্লিষ্ট বিভাগৰ উপৰি বিত্তমন্ত্ৰীকো জনাই আহিছে যদিও কাৰ্যকৰীৰ পদক্ষেপ হাতত নোলোৱাত কৰ্মচাৰীসকলে বাধ্য হৈ এনে কৰ্মপন্থা ৰূপায়িত কৰিবলগীয়া হৈছে বুলি বিবৃতিত প্ৰকাশ। বিবৃতিটোত উল্লেখ যে ১১ মাহৰ অনাদায় হৈ থকা দৰমহা প্ৰদান, দৰমহা নিয়মীয়াকৰণ, দৰমহা বৃদ্ধি কৰা আৰু পদসমূহ স্থায়ীকৰণ কৰা আদি দাবীৰ প্ৰতিবাদত অনিৰ্দিষ্টকালীন কৰ্মবিৰতি কাৰ্যসূচী গ্ৰহণ কৰিছে। শীঘ্ৰে দাবীসমূহ দায়িত্বশীল কৰ্তৃপক্ষ তথা চৰকাৰে মানি নল'লে পৰৱৰ্তী সময়ত কৰ্মচাৰী সন্থাই প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিব বুলি সদৰী কৰিছে।

# দৈয়াং নদীত সলিল সমাধি ঘটা কিশোৰৰ মৃতদেহ উদ্ধাৰ

**উৰিয়ামঘাট, ১২ ছেপ্টেম্বৰ ঃ** ধনশিৰি মহকুমাৰ অসম-নগালেণ্ড সীমান্তৰ উৰিয়ামঘাটৰ দৈয়াং নদীত সমনীয়াৰ স'তে গা-ধুবলৈ বুলি গৈ কৰুণ মৃত্যুক আঁকোৱালি ল'বলগীয়া হোৱাৰ খবৰে উৰিয়ামঘাটত শোকৰ ছাঁ পেলাইছে। তথ্য অনুসৰি উৰিয়ামঘাটৰ দুই নম্বৰ চিলনীজান পিঠাঘাট গাঁৱৰ নিবাসী সোণেশ্বৰ গগৈৰ একমাত্ৰ পুত্ৰ তৰুণ গগৈ (১৭)য়ে প্ৰায় ১৬-১৭ জন সমনীয়াৰ স'তে দৈয়াং নদীত গা-ধুবলৈ বুলি গৈ কৰুণ মৃত্যুক আঁকোৱালি লয়। লগৰ সমনীয়াই জনোৱা মতে, আটাইকেইজনে নদীত গা-ধুই উঠাৰ পাছত তৰুণে নদীত গা-ধুবলৈ বুলি নামোতে দৈয়াঙৰ প্ৰবল সোঁতে উটুৱাই নিয়ে। ঘটনাস্থলীত আৰক্ষীসহ এছডিআৰএফৰ এটা দল উপস্থিত হৈ স্থানীয় ৰাইজৰ সহযোগত নদীত অনুসন্ধান কৰে যদিও সন্ধিয়া হোৱাৰ বাবে অনুসন্ধান আধাতে সামৰিব লগা হয়। আজি পুৱা পিঠাঘাট অঞ্চলত কিশোৰজনৰ অনুসন্ধান চলাই মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাট কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। উল্লেখ্য ছাত্ৰজন সৰুপথাৰ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ দ্বিতীয় বাৰ্ষিকত অধ্যয়নৰত আছিল।

# চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ টেঙাখাত আঞ্চলিক সমিতিৰ নতুন সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**টেঙাখাত, ১২ ছেপ্টেম্বৰ ঃ** অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত টেঙাখাতৰ সুধাকণ্ঠ ড° ভূপেন হাজৰিকা ৰংগমঞ্চত কালি দিনজোৰা কাৰ্যসূচীৰে টেঙাখাত আঞ্চলিক সমিতিৰ প্ৰতিনিধি সভা অনুষ্ঠিত কৰা হয়। পুৱা পতাকা উত্তোলন কৰে অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ টেঙাখাত আঞ্চলিক সমিতিৰ সভাপতি ৰাজেশ চবৰে। পতাকা উত্তোলন কাৰ্যসূচীতে জাতীয় মহাসভাৰ অন্তৰ্গত চাহ জনগোষ্ঠী সমাজসমূহৰ পতাকা উত্তোলন কৰে। স্মৃতি তৰ্পণ কাৰ্যসূচী বন্তি প্ৰজ্বলন কৰি মুকলি কৰে টেঙাখাত আঞ্চলিক সমিতিৰ সম্পাদক প্ৰহ্লাদ হাজনে। বৃক্ষৰোপণ কাৰ্যসূচী মুকলি কৰে টেঙাখাত থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া লক্ষীনাথ দলে। ইয়াৰ পাছতে প্ৰতিনিধি সভা অনুষ্ঠিত হয়। জাতীয় মহাসভাৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি মন্তোষ কুৰ্মীয়ে সভাপতিত্ব কৰা প্ৰতিনিধি সভাত কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক সঞ্জীৱ কালিন্দীয়ে কয় যে অসমৰ অসমীয়া জাতীৰ এক বৃহৎ অংগ চাহ জনগোষ্ঠীসকলৰ সমস্যাসমূহ সমাধান তথা জনগোষ্ঠীটোৰ কৃষ্টি-সংস্কৃতি সংৰক্ষণ, জাতিসমূহ একত্ৰিত কৰি জনগোষ্ঠীটোৰ কু-সংস্কাৰ, অন্ধবিশ্বাস দূৰীকৰণ কৰি বিজ্ঞানসম্মত সমাজ প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্যেৰে অসম চাহ জনগোষ্ঠী জাতীয় মহাসভা প্ৰতিষ্ঠা কৰা হৈছিল। কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি ৰাজেন কুমাৰ, সাংগঠনিক সম্পাদক বিজেশ গৰাইট, দীপক পাতৰ, শিক্ষা সম্পাদক মন্টু ৰবিদাস, ডিব্ৰুগড় জিলা সমিতিৰ উপ-সভাপতি হৰেশ্বৰ ঘাটোৱাৰ, সম্পাদক খগেন ৰাজুৱাৰ, উপ-সভাপতি বেনুদেৱ মাঝি, শিক্ষা সম্পাদক অমিত চাবাচি, শৰ্মিলা তুৰি, তথ্য সম্পাদক বিজয় চবৰ আৰু বাগ্ৰদীয়া চাহ বাগিচাৰ পৰিচালক বিপুল ভূমিজ, দয়ানন্দ শ্বাহে প্ৰতিনিধি সভাত অংশগ্ৰহণ কৰে। প্ৰতিনিধি সভাতে পুৰণা সমিতি ভংগ কৰি সভাৰ সৰ্বসন্মতি ক্ৰমে ৰাজেশ চবৰক সভাপতি, প্ৰহ্লাদ হাজমক উপ-সভাপতি, সাধাৰণ সম্পাদক শিৱা গড় আৰু সহকাৰী সম্পাদক ৰামেশ্বৰ পূৰ্তিক লৈ অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ টেঙাখাত আঞ্চলিক সমিতিখন নতুনকৈ গঠন কৰা হয়। সাংস্কৃতিক অনুষ্ঠানত চাহ জনগোষ্ঠীৰ গীত-নৃত্য পৰিৱেশন কৰা হয়।

# বৰভাগৰ আৰংগমৌত শাৰদীয় দুৰ্গা পূজাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ১২ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ বৰভাগৰ আৰঙ্গমৌত প্ৰত্যেক বছৰৰ দৰে এইবেলিও ১০৪ সংখ্যক আৰঙ্গমৌ সাৰ্বজনীন দুৰ্গা পূজা অহা পহিলা অক্টোবৰৰ পৰা পাঁচদিনীয়াকৈ বিভিন্ন কাৰ্যসূচীৰে আয়োজন কৰিছে। প্ৰথম দিনাৰ কাৰ্যসূচীত বন্তি প্ৰজ্বলন, টোপধ্বনি, দুই অক্টোবৰত স্বচ্ছতা অভিযান, বৃক্ষৰোপণ, আয়তীসকলৰ নাম, ভোগ গ্ৰহণ, ওজাপালি, আৰতি প্ৰদান আৰু সংকীৰ্তন প্ৰসাদ বিতৰণ, গোপাল দাস সোঁৱৰণী সাংসৃ মঞ্চ উদ্বোধন, একক নৃত্য প্ৰতিযোগিতা, তিনি অক্টোবৰত আয়তীসকলৰ নাম, ভোগ গ্ৰহণ, ওজাপালি, আৰতি প্ৰদান আৰু সংকীৰ্তন, প্ৰসাদ বিতৰণ, নাগাৰা নাম প্ৰদৰ্শন, চাৰি অক্টোবৰত শ্ৰী শ্ৰী দুৰ্গা দেৱীৰ মহানৱমী কল্পাৰম্ভ আৰু মহানৱমী বিক্ষিপ্ত পূজাৰম্ভ, আয়তীসকলৰ নাম, সামূহিক মহাশান্তি ভোগ গ্ৰহণ, ওজাপালি, আৰতি প্ৰদান আৰু সংকীৰ্তন, প্ৰসাদ বিতৰণ, গাঁৱৰ কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা, নৃত্যত একাডেমীৰ দ্বাৰা নৃত্য প্ৰদৰ্শন আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব। নিশা ১০ বজাত সাংস্কৃতিক এনিশাত সংগীত শিল্পী ভৃগু কাশ্যপে সংগীত পৰিবেশন কৰিব। পূজা পৰিচালনাৰ বাবে ইতিমধ্যে কনক চন্দ্ৰ শৰ্মাক সভাপতি, প্ৰদীপ দাসক কাৰ্যকৰী সভাপতি, সঞ্জীৱ তালুকদাৰক সম্পাদক আৰু অপূৰ্ব দাস, অলকেশ দাসক সহকাৰী সম্পাদকৰূপে লৈ পূজা পৰিচালনা সমিতি গঠন কৰিছে।

# বিহালীত শিশুৰ অধিকাৰ বিষয়ক দুদিনীয়া প্ৰশিক্ষণ শিবিৰৰ সামৰণি



**অগ্ৰদূত বাৰ্তা**

**বিহালী, ১২ ছেপ্টেম্বৰ ঃ** বিহালীৰ বৰগাং চাহ বাগিচাত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত বিহালী, বৰগাং আৰু বৰভীল চাহ বাগিচাৰ আশাকৰ্মী, এএনএম, লাইন চৰ্দাৰ, শিক্ষক আদিৰ মাজত অনুষ্ঠিত দুদিনীয়া শিশুৰ অধিকাৰ বিষয়ক প্ৰশিক্ষণৰ যোৱা কালি সামৰণি পৰে। এই প্ৰশিক্ষণ আয়োজন কৰে ইউনিচেফ আৰু এবিটাই। বাগিচাসমূহৰ আশা সহকাৰী মেনেজাৰ, ৱেলফেয়াৰ অফিচাৰ, চিকিৎসা বিষয়া, আশাকৰ্মী, নাৰ্ছ, লাইন চকীদাৰ, শিক্ষক আদিয়ে ভাগ লয়। শিশুৰ অধিকাৰ বিষয়ক ইউনাইটেড নেচনৰ চনদ, ভাৰত চৰকাৰৰ জুভিলীয়ান জাচটিচ আইন ২০১৫ আৰু তাৰ সংশোধনীসমূহ, শিশু শ্ৰমিক প্ৰসংগত আইন আৰু শাস্তি আৰু পুনৰ সংস্থাপন, শিশু সৰবৰাহ, শিশুৰ যৌন শোষণ আৰু ভুক্তভোগী শিশুৰ পুনৰসংস্থাপনৰ আঁচনি, শিশুৰ দত্তক গ্ৰহণ, শিশুৰ শিক্ষা বিষয়ক বিনামূলীয়া আইনৰ সুবিধাসমূহ, শিশু বিষয়ক জৰুৰী চৰকাৰী সুবিধাসমূহ, ভেকচিনেচন, এমচিডি কাৰ্ডৰ সুবিধা, জন্ম চৰকাৰী প্ৰমাণপত্ৰ, পুষ্টিহীনতা পোষণ আহাৰ, দিব্যাংগ শিশুৰ সমস্যা, পদপথ শিশুৰ চৰকাৰী আঁচনি আদি প্ৰায় সকলো বিষয়ত দুদিন আলোচনামূলকভাৱে এই প্ৰশিক্ষণ অনুষ্ঠিত কৰা হয়। এই প্ৰশিক্ষণত প্ৰশিক্ষক হিচাপে অংশ লয় শোণিতপুৰ জিলাৰ শিশু সুৰক্ষা সমিতিৰ প্ৰাক্তন সভাপতি তথা অভিজ্ঞ শিশু সুৰক্ষা কৰ্মী বিহালীৰে শিশু সাহিত্যিক দিলীপ কুমাৰ বৰুৱাই।

# অবৈধ কাৰ্যকলাপৰ ৰম্যভূমিত পৰিণত নগাঁৱৰ বাইপাছ

## ■ উপায়ুক্তক ব্যৱস্থা গ্ৰহণৰ দাবী নগাঁৱৰ সচেতন ৰাইজৰ

**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ১২ ছেপ্টেম্বৰ ঃ** অপকৰ্মৰ যেন ৰম্যভূমিত পৰিণত হৈছে নগাঁৱৰ বাইপাছ। আৰক্ষীৰ অমনোযোগিতাৰ সুবিধা গ্ৰহণ কৰি বিভিন্ন সময়ত বিভিন্ন চুৰি-ডকাইতিৰ ঘটনা সংঘটিত হৈ আহিছে ডিমৌৰ পৰা উৰিয়াগাঁৱৰ মাজৰ বাইপাছ পথত। আনহাতে, নগাঁও চহৰৰ পৰা প্ৰায় ছয় কিলোমিটাৰ দূৰেৰে পাৰ হৈ যোৱা ৩৬ নম্বৰ আৰু ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী এই বাইপাছৰ দাঁতিত গঢ় লৈ উঠা একাংশ ধাবা ৰেষ্টোৰাৰ কৰ্মকাণ্ডই অঞ্চলটোৰ সামাজিক-শৈক্ষিক পৰিৱেশ বিনষ্ট কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। বিশেষকৈ বৰঘাট বাইপাছ চ'কৰ পৰা ডিমৌলৈকে থকা একাংশ ধাবাত প্ৰায়ে অনৈতিক কাৰ্যকলাপ চলাৰ অভিযোগ কৰিছে একাংশ সচেতন নাগৰিকে। উক্ত ধাবাসমূহৰ একাংশই গোপন কোঠা আৰু সৰু-সৰু কটেজ নিৰ্মাণ কৰি প্ৰতিঘন্টাত ৩০০ৰ পৰা ৫৪০ টকাকৈ ভাড়া আদায় কৰি আহিছে বুলিও সূত্ৰটোৱে জানিবলৈ দিয়ে। উক্ত ধাবাসমূহৰ একাংশত দীৰ্ঘদিন ধৰি চলি আহিছে একাংশ কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ উপৰি দূৰ-দূৰণিৰ পৰা অহা যুৱক-যুৱতী, পুৰুষ-মহিলাৰ দ্বাৰা অনৈতিক কাৰ্যকলাপ। ইতিমধ্যে এখন ধাবাৰ পৰা সামাজিক সংগঠনৰ অভিযোগৰ ভিত্তিত একাংশ যুৱক-যুৱতীক আৰক্ষীয়ে আটকো কৰিছে বুলি জানিব পৰা গৈছে। অভিযোগ উঠা ধাবাৰ মালিক একাংশই অধিক মুনাফা লাভৰ বাবেই নিজৰ ব্যৱসায়িক প্ৰতিষ্ঠান এনে অবৈধ কাৰ্যকলাপৰ ঘাটিত পৰিণত কৰাৰ অভিযোগ উঠিছে। এই অনৈতিক কাৰ্যকলাপৰ সমান্তৰালকৈ এই ধাবাসমূহত চলে বিলাতী সুৰাৰ ৰমৰমীয়া ব্যৱসায়। যাৰ ফলত উক্ত ধাবা ৰেষ্টুৰেণ্টসমূহত পৰিয়াল লৈ আহাৰ গ্ৰহণ কৰিবলৈ যাবলৈ অসুবিধা হৈছে সাধাৰণ গ্ৰাহকৰ। প্ৰায়ে উক্ত ধাবাসমূহত একাংশ যুৱক-যুৱতীয়ে সুৰাপান কৰি ৰাজপথৰ মাজতে মাৰপিট-কাজিয়াত লিপ্ত হোৱাৰো বহু উদাহৰণ আছে। এই অবৈধ কাৰ্যকলাপৰ ঘাটিৰ লবীটো ইমানেই শক্তিশালী যে, কোনো স্থানীয় ৰাইজে ইয়াৰ প্ৰতিবাদ কৰিলে এনে প্ৰতিবাদক কেৰেপ নকৰি ওলোটাই ভাবুকি প্ৰদান কৰি মুখবন্ধ ৰাখিবলৈ সকীয়নি দিয়ে। এনে অবৈধ কাৰ্যকলাপৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে আৰক্ষী প্ৰশাসনৰ বিৰুদ্ধে। নগাঁৱৰ বৰঘাট আৰক্ষী চকীৰ অন্তৰ্গত একাংশ ধাবা কেনেকৈ অবৈধ কাৰ্যকলাপৰ ঘাটিত পৰিণত হ'বলৈ পাইছে সেয়া ৰহস্যজনক। এক গোপন সূত্ৰই জানিবলৈ দিয়া মতে একাংশ ধাবাই এনে কাৰ্যকলাপ চলোৱাৰ বাবে একাংশ আৰক্ষীক মেনেজৰ বাবত ধাবা একাংশই প্ৰতিমাহে ধন দিবলগীয়া হয় বুলি জানিব পৰা গৈছে। আনহাতে, বাইপাছত থকা একাংশ ধাবা কোনো ধৰণৰ ৱাইন বাৰৰ অনুজ্ঞাপত্ৰ নথকাৰ পাছতো অতি নিৰ্বিঘ্নে সুৰাৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। এই ক্ষেত্ৰত নগাঁও জিলা আবকাৰী বিভাগেও ৰহস্যজনক কাৰণত ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। এই ক্ষেত্ৰত নগাঁৱৰ সচেতন মহলে নগাঁও জিলাৰ উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ আৰু আৰক্ষী অধীক্ষক লীনা দলেক তদন্ত সাপেক্ষে কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

# কৃষ্ণকান্ত সন্দিকৈৰ নামত উৎসৰ্গিত পথৰ চৰম দুৰৱস্থা

## ■ আধাৰশিলা স্থাপনৰ দুবছৰেও সম্পূৰ্ণ নহ'ল যোৰহাট নগৰৰ মাজমজিয়াৰ ডেৰ কিলোমিটাৰ পথৰ নিৰ্মাণ



**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ১২ ছেপ্টেম্বৰ ঃ** ৰাজ্য চৰকাৰৰ নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজি চমুকৈ চিআইডিএফৰ দুশ কোটি টকাৰে যোৰহাট নগৰৰ আন্তঃগাঁথনি শক্তিশালী কৰা হ'ব। তাৰ বাবে ঐতিহাসিক নগৰখনক কেন্দ্ৰ কৰি এলানি আঁচনিও গ্ৰহণ কৰা হয়। কিন্তু বিগত সময়ছোৱাত চিআইডিএফৰ পুঁজিৰে নগৰখনত গ্ৰহণ কৰা আঁচনি অনুসৰি কাম কৰা দেখা নগ'ল। বহু আঁচনিৰ আধাৰশিলাতে ৰৈ আছে। আন কিছু সামান্য কৰা হৈছে যদিও সম্পূৰ্ণ হোৱা নাই। অৱশ্যে নগৰখনৰ ভালেকেইটা পথৰ নিৰ্মাণ ইতিমধ্যেই সম্পূৰ্ণ হৈ উঠিছে। কিন্তু এখন নগৰৰ আন্তঃগাঁথনি উন্নয়ন বুলি কলে যি ধৰণৰ কাম হ'ব লাগিছিল, তেনে কাম হোৱা দেখা নগ'ল যোৰহাটত। বাট-পথৰ নিৰ্মাণ লোক নিৰ্মাণ বিভাগৰ সাধাৰণ আঁচনিৰ জৰিয়তেও কৰা হয়, তাৰ বাবে চিআইডিএফৰ দৰে আছুতীয়া পুঁজিৰ ব্যৱহাৰ কিমান যুক্তিসংগত সেয়া চিন্তনীয় বিষয়। বাৰু সেয়া যি কি নহওক আঁচনি মতে কামবোৰ যোৰহাটত হৈ উঠক, তাকে সকলোৰে কামনা কৰে। কিন্তু এই পুঁজিৰে কৰা দুই-এক কামৰ গতি দেখি অনাগত দিনত সঠিক সময়ত আঁচনিবোৰ কিমান দূৰ ৰূপায়ণ হ'ব তাকে লৈ দুশ্চিন্তাত পৰিছে যোৰহাটৰ ৰাইজ। বিগত কংগ্ৰেছৰ দিনত আৰম্ভ কৰা অৰ্ধনিৰ্মিত বৃহৎ আৰু অভিলাষী আঁচনিসমূহে সেই কথাকে সোঁৱৰাই থাকে। শেহতীয়াকৈ এই পুঁজিৰে পুনঃনিৰ্মাণ আৰম্ভ কৰা যোৰহাটৰ গৌৰৱৰ ধ্বজা উৰুৱাই থকা শতিকা প্ৰাচীন বিস্তুৰাম বৰুৱা হ'লৰ ক্ষেত্ৰত যাতে তেনে নহয়, তাৰ প্ৰতি সচেষ্ট হ'বলৈ আহ্বান জনাইছে। ইপিনে, আন কিছু আঁচনিৰ লগতে যোৰহাট নগৰৰ মাজমজিয়াৰ পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈ পথৰ পুৰণি আবৰ্ত ভৱন পথ পুনঃনিৰ্মাণৰ গতি দেখি নগৰবাসী বাৰুকৈয়ে অতিষ্ঠ হৈ পৰিছে। উল্লেখ্য যে বিগত বিধানসভা নিৰ্বাচনৰ আগে আগে ভোটাৰৰ মন ভোলাবলৈ ২০২০ৰ ১৫ অক্টোবৰতে যোৰহাটৰ সু-সন্তান প্ৰাচ্যতত্ত্ববিদ কৃষ্ণকান্ত সন্দিকৈৰ নামত ২০০০তে উৎসৰ্গিত পুৰণা আবৰ্ত ভৱন পথ নামে জনাজাত প্ৰায় ডেৰ কিলোমিটাৰ দৈৰ্ঘৰ পথটোৰ আধাৰশিলা স্থাপন কৰিছিল যোৰহাট সমষ্টিৰ বিধায়ক তথা অসম বিধানসভাৰ তদানীন্তন অধ্যক্ষ হিতেন্দ্ৰনাথ গোস্বামীয়ে। এই শুভকৰ্মত উপস্থিত আছিল সাংসদ কামাখ্যা প্ৰসাদ তাছা। কিন্তু আশ্চৰ্যজনক কথাটো সামান্য দৈৰ্ঘৰ এই পথছোৱা আজি দুবছৰেও সম্পূৰ্ণ হৈ উঠা নাই। দুয়োকাষৰ দুটা ড্ৰেইন আৰু ১৩ পৃষ্ঠাত চাওক

# দিনৰ পোহৰতে চোৰে দুৱাৰৰ তলা ভাঙি লুটিলে ছয় লাখ মূল্যৰ আ-অলংকাৰসহ নগদ ধন



**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ১২ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাইত সংঘটিত হৈছে চুৰিকাণ্ড। ঘৰত কোনো নথকাৰ সুযোগত দিনৰ পোহৰতে চোৰে পৰিয়াল এটাৰ গৃহৰ তলা ভাঙি লুটি নিলে প্ৰায় ছয় লাখ টকা মূল্যৰ সোণৰ আ-অলংকাৰসহ লক্ষাধিক নগদ ধন। চুৰিকাণ্ডটো সংঘটিত হৈছে কৃষ্ণাইৰ আশুডুবিৰ ভজন পাল নামৰ ক্ষুদ্ৰ ব্যৱসায়ীজনৰ গৃহত। ঘটনা সন্দৰ্ভত পৰিয়ালৰ লোকে জানিবলৈ দিয়া মতে, কালি পুৱা প্ৰায় ১০-৩০ বজাত পৰিয়ালৰ গৃহিণীগৰাকীয়ে যাত্ৰা কৰে গুৱাহাটীলৈ। তাৰ পূৰ্বে ভজন পাল ওলাই যায় সাপ্তাহিক বজাৰত দোকান কৰিবলৈ। আবেলি বজাৰ কৰি ঘূৰি আহি ঘৰৰ তলা ভঙা দেখা পাই হতভম্ব হৈ পৰে ভজন পাল। তেওঁ ঘৰৰ দুৱাৰৰ তলা ভাঙি চোৰে ভিতৰত প্ৰৱেশ কৰি তিনিটাকৈ আলমিৰাৰ তলা ভাঙি প্ৰায় ছয় লাখ টকাৰ সোণৰ আ-অলংকাৰ আৰু নগদ প্ৰায় ৭০ হেজাৰৰো অধিক টকা লুটি লৈ যোৱাৰ বিষয়ে জ্ঞাত হয়। লগে লগে তেওঁ ঘটনাটো ম'বাইল ফোনযোগে পত্নীক জনায়। অনাকাংক্ষিত বাতৰিটো পায়ে গুৱাহাটীৰ পৰা উভতি আহে ভজন পালৰ পত্নীসহ পৰিয়ালৰ আন সদস্যসকল। মুহূৰ্ততে ১৩ পৃষ্ঠাত চাওক

# ডিগবৈ হোলোংহাবি চাহ বাগিচাত বোনাচ প্ৰদান

## ■ ধনৰ অপব্যৱহাৰ ৰোধৰ সন্দৰ্ভত মালিক পক্ষৰ সজাগতা সভা

**ডিগবৈ, ১২ ছেপ্টেম্বৰ ঃ** শাৰদীয় দুৰ্গা পূজাৰ প্ৰাক্‌ক্ষণত প্ৰায় সকলো চাহ বাগিচাৰ মালিকপক্ষই বাগিচাত কৰ্মৰত শ্ৰমিকক বনাচ প্ৰদান কৰাৰ দৰে হোলোংহাবি চাহ বাগিচাত আজি বনাচ প্ৰদান কৰা হয়। বনাচৰ প্ৰাপ্ত ধনৰ অপব্যয় ৰোধৰ প্ৰতি লক্ষ্য ৰাখি শ্ৰমিক আৰু মালিকপক্ষৰ সৰ্বসন্মতি ক্ৰমে নিৰ্ধাৰিত হোৱা ২০ শতাংশ বনাচৰ ধনৰ ১৩ শতাংশ প্ৰদান কৰে। বাকী ৰোৱা সাত শতাংশ ধন ২০২৩ৰ জানুৱাৰীৰ পহিলা সপ্তাহত প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। বনাচ প্ৰদান কৰা কাৰ্যসূচীৰ শেষত হোলোংহাবি চাহ বাগিচাৰ স্বত্বাধিকাৰ ৰঞ্জিত কুমাৰ বৰুৱা, ইন্দিৰা বৰুৱা, ৰোহিত কুমাৰ বৰুৱাৰ প্ৰমুখ্যে বাগিচাৰ জ্যেষ্ঠ চিকিৎসক ডাঃ ভৱেন তালুকদাৰৰ উপস্থিতিত শ্ৰমিকসকলে প্ৰাপ্ত বনাচৰ ধন অপব্যয় সন্দৰ্ভত শ্ৰমিকসকলৰ মাজত এখন সজাগতা সভা অনুষ্ঠিত কৰে। মালিকপক্ষই বনাচৰ প্ৰাপ্ত ধন অনাহকত অপব্যয় নকৰিবলৈ আহ্বান জনোৱাৰ লগতে শ্ৰমিকসকলৰ বিদ্যালয়ত পাঠ গ্ৰহণ কৰি থকা ল'ৰা-ছোৱালীক প্ৰয়োজনীয় সামগ্ৰী যোগান কৰি দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সজাগতা সভাত বাগিচা শ্ৰমিকসকলৰ মাজত কৰ্মদক্ষতা আৰু উপস্থিতি হাৰ অনুসাৰে বাগিচাখনৰ ছয়গৰাকী মহিলা আৰু চাৰি পুৰুষ শ্ৰমিকক পুৰস্কৃত কৰে।

# চিথিলা ডোংগেৰপাৰ বুঢ়া মন্দিৰ পৰিচালনা সমিতি গঠন

**অগ্ৰদূত বাৰ্তা**

**ফকিৰাগ্ৰাম, ১২ ছেপ্টেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ দোতমা ৰাজহ চক্ৰৰ অধীন চিথিলা ডোংগেৰপাৰ বুঢ়া মন্দিৰ পৰিচালনা সমিতি গঠন কৰে। বুঢ়া মন্দিৰ প্ৰাংগণত এক সভা অনুষ্ঠিত কৰি পৰিচালনা সমিতিখন গঠন কৰে। পৰিচালনা সমিতিৰ সভাপতিৰূপে কৰেন্দ্ৰ ৰায়ক সভাপতি আৰু সাধাৰণ সম্পাদকৰূপে পূৰ্বৰ সম্পাদক শৈলেন বৰ্মনক বাহাল ৰাখি ৫১ জনীয়া সমিতিখন গঠন কৰে। সমিতি গঠন সভাত চিথিলা অঞ্চলত থকা গাঁওসমূহৰ গাঁওবুঢ়াসকলৰ লগতে শতাধিক লোক উপস্থিত থাকে। সভাত সভাপতিত্ব কৰে চিথিলা শালবাৰী গাঁৰৰ গাঁওবুঢ়া ৰতিকান্ত বৰ্মনে। নতুনকৈ গঠন কৰা সমিতিখনক অনাগত দিনত মন্দিৰ উন্নয়নৰ বাবে দায়িত্ব অৰ্পণ কৰে।

# দৰঙত সাহিত্য বিষয়ক কৰ্মশালা

**অগ্ৰদূত বাৰ্তা**

**দুনী, ১২ ছেপ্টেম্বৰ ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘ, দৰং জিলা সাহিত্য শাখাৰ উদ্যোগত ১১ ছেপ্টেম্বৰত এখন সাহিত্য বিষয়ক কৰ্মশালা অনুষ্ঠিত হয়। মঙলদৈস্থিত জিলা শাখাৰ কেন্দ্ৰীয় নামঘৰ প্ৰাংগণত অনুষ্ঠিত হয় এই কৰ্মশালা। সেইদিনা দিনৰ ১০ বজাৰ পৰা আৰম্ভ হোৱা এই কৰ্মশালা সঞ্চালনা কৰে প্ৰবক্তা কমলা শইকীয়াই। জিলা সাহিত্য শাখাৰ সম্পাদক হিতেশ বৰুৱাই আঁত ধৰা অনুষ্ঠানটোত পাৰদৰ্শী ব্যক্তিৰূপে অংশগ্ৰহণ কৰি যুৱ বক্তা মৃগাংক কলিতা, ড° হেমন্ত বৰুৱা, শিক্ষক ৰামচন্দ্ৰ ডেকা, হিতেশ বৰুৱা আৰু দুনী শতদল শাখা সাহিত্যৰ সম্পাদক দিলীপ ডেকাই বক্তৃতা, কবিতা আবৃত্তি, ৰচনা, তৰ্ক আদি সাহিত্য বিষয়ত বিভিন্ন দিশ সামৰি বক্তব্য প্ৰদান কৰে। জিলা ভিত্তিত অনুষ্ঠিত এই কৰ্মশালাত বহুসংখ্যক সাহিত্যানুৰাগীয়ে অংশগ্ৰহণ কৰে।

# ঘগ্ৰাপাৰৰ পৈছাৰাত বিদ্যাঞ্জলি সন্দৰ্ভত দিক্‌দৰ্শী বৈঠক

## তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ ফলাফলৰ পৰ্যালোচনা



**অগ্ৰদূত বাৰ্তা**

**ঘগ্ৰাপাৰ, ১২ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশেষ গুৰুত্ব প্ৰদান কৰা 'বিদ্যাঞ্জলি' আঁচনিৰ অগ্ৰগতি আৰু বিদ্যালয় পৰ্যায়ত ইয়াৰ কাৰ্যকাৰিতা সন্দৰ্ভত আলোচনা কৰিবলৈ বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ অন্তৰ্গত পৈছাৰা প্ৰাথমিক বিদ্যালয়ত আজি ১৩ পৃষ্ঠাত চাওক

# ফুলকুমাৰী কলিতাৰ সৃষ্টিৰাজি অসমীয়া সাহিত্যৰ অমূল্য সম্পদ

## ■ হাউলীত লোক-নন্দিনী ফুলকুমাৰী কলিতাৰ স্মৃতিচাৰণ সভা

**অগ্ৰদূত বাৰ্তা**

**হাউলী, ১২ ছেপ্টেম্বৰ ঃ** লোক সংস্কৃতি বিকাশ কেন্দ্ৰৰ সহযোগত আৰু হাউলী সাহিত্য সভাৰ সহযোগত কালি হাউলী সাহিত্য সভাৰ প্ৰাংগণত লোক-সংস্কৃতিবিদ, সু-সাহিত্যিক, সমাজ সংগঠক তথা লোক-নন্দিনী ফুলকুমাৰী কলিতাৰ স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়।বন্তি প্ৰজ্বলন কৰে হাউলী সাহিত্য সভাৰ সভাপতি নৃপেন্দ্ৰ পূজাৰীয়ে। ইয়াৰ পাছত ফুলকুমাৰী কলিতাৰ প্ৰতিকৃতিত মাল্যাৰ্পণ আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান উদ্বোধন কৰে হাউলী বিএইছ কলেজৰ অধ্যক্ষ ড° ভূষণ চন্দ্ৰ পাঠকে। অনুষ্ঠানত লোক সংস্কৃতিৰ বিকাশ কেন্দ্ৰৰ ফটো এলবাম উন্মোচন কৰে অভিনেতা বিবেকা ৰঞ্জন ৰায় চৌধুৰীয়ে। ইয়াৰ পাছত বিশিষ্ট সাহিত্যিক অক্ষয় কুমাৰ মিশ্ৰৰ সভাপতিত্বত 'লোক-নন্দিনীৰ স্মৃতিকথা ফুলকুমাৰী কলিতাৰ জীৱন গাথা' শীৰ্ষক এক স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। অনুষ্ঠানত বিশিষ্ট সাহিত্যিক তথা অৱসৰপ্ৰাপ্ত সচিব থানেশ্বৰ মালাকাৰে ভাষণ প্ৰসংগত কয় যে ফুলকুমাৰী কলিতা মাত্ৰ মহাবিদ্যালয়ৰ অধ্যাপিকাই নাছিল। আছিল অসমক ভাল পোৱা, অসমৰ মাটি-পানীক ভাল পোৱা, অসমৰ লোক সংস্কৃতিক নিজৰ প্ৰাণ বুলি ভবা এগৰাকী প্ৰকৃত অসমপ্ৰেমী, সাধনাত ব্ৰতী এগৰাকী তপস্বিনী। জীৱনজোৰা সাধনাৰে অসমৰ লুপ্তপ্ৰায় লোক সংস্কৃতি উদ্ধাৰৰ ১৩ পৃষ্ঠাত চাওক

# স্মাৰ্ট মিটাৰ সলনিৰ দাবীত ১৫ ছেপ্টেম্বৰত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট

## গোৱালপাৰা জিলা বিদ্যুৎ উপভোক্তা সমিতিৰ সংবাদমেল



**মাটিয়া, ১২ ছেপ্টেম্বৰ ঃ** অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (এপিডিচিএল)-এ স্মাৰ্ট মিটাৰৰ জৰিয়তে উপভোক্তাসকলৰ পৰা অত্যধিক হাৰত মাচুল লোৱাৰ প্ৰতিবাদত গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত অহা ১৫ ছেপ্টেম্বৰত গোৱালপাৰা জিলা বিদ্যুৎ উপভোক্তা সমিতিয়ে দুঘণ্টীয়া অৱস্থান ধৰ্মঘট পালনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সসন্দৰ্ভত আজি গোৱালপাৰা জিলা সাংবাদিক সন্থাৰ কাৰ্যালয়ত এক সংবাদমেল সম্বোধন কৰি গোৱালপাৰা জিলা বিদ্যুৎ উপভোক্তা সমিতিৰ সভাপতি ননী দাসে কয় যে স্মাৰ্ট মিটাৰ লগোৱাৰ পাছত পূৰ্বৰ তুলনাত প্ৰতি মাহে পাঁচ-ছয় গুণকৈ অধিক বিল আদায় দিবলগীয়া হৈছে বিদ্যুতৰ উপভোক্তাসকলে। এনেকি বিদ্যুৎ ব্যৱহাৰ নকৰা সত্ত্বেও অৰ্থাৎ তলাবন্ধ থকা ঘৰৰ উপভোক্তাৰ নামতো নিয়মিতভাৱে বিল আহি আছে। ইপিনে, বিল আদায় নিদিলে এপিডিচিএলৰ কাৰ্যালয়ৰ পৰাই ছুইছ টিপি সংযোগ কৰ্তন কৰা হয়। লগতে বিল আদায় পোৱাৰ পাছত পুনৰ সংযোগ দিয়া হয় যদিও ছুইছ টিপি সংযোগ দিয়াৰ নামত ৰছিদবিহীনভাৱে চাৰ্জ লোৱা হয় বুলিও অভিযোগ কৰে ননী দাসে। এইদৰে কন্ট্ৰ'ল ৰূমৰ পৰা নিয়ন্ত্ৰণ কৰা স্মাৰ্ট মিটাৰে সাধাৰণ ৰাইজক মাধমাৰ শোধাই আহিছে। সেয়ে স্মাৰ্ট মিটাৰ সলনিৰ দাবীৰে অহা ১৫ ছেপ্টেম্বৰৰ দিনৰ ১১ বজাৰ পৰা গোৱালপাৰা জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট পালন কৰি উপায়ুক্তৰ ১৩ পৃষ্ঠাত চাওক

# মাধপুৰত শ্ৰীকৃষ্ণৰ সম্পূৰ্ণ ৰাসলীলা উদ্‌যাপনৰ প্ৰস্তুতি

## উদ্‌যাপন সমিতি গঠন

**বিশেষ সংবাদদাতা**

**নগাবাট, ১২ ছেপ্টেম্বৰ ঃ** তিতাবৰ মহকুমাৰা অন্তৰ্গত মাধপুৰৰ একমাত্ৰ সামাজিক আৰু সাংস্কৃতিক অনুষ্ঠান মাধপুৰ চেন্ট্ৰেল ক্লাবত অলপতে ৰাস উদ্‌যাপন কৰাৰ সম্পৰ্কত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। ক্লাবৰ সভাপতি যোগাৰাম বৰাই সভাপতিত্ব কৰা ৰাজহুৱা সভাত আগন্তুক ৰাস পূৰ্ণিমাত শ্ৰীকৃষ্ণৰ ৰাসলীলা উদ্‌যাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সভাৰ সিদ্ধান্তমৰ্মে শৈলেন্দ্ৰ নাথ বড়া সভাপতি, কমল বৰাক কাৰ্যকৰী সভাপতি, নৰজিৎ চাংমাই আৰু পংকজ খাটনিয়াৰক যুটীয়া সম্পাদক, যদুমণি চুতীয়াক প্ৰচাৰ সম্পাদক হিচাপে লৈ এখন উদ্‌যাপন সমিতি গঠন কৰে বুলি উদ্‌যাপন সমিতিৰ প্ৰচাৰ সম্পাদকে সদৰী কৰিছে। মাধপুৰ পদ্মৰাম শৰ্মা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৯৭৪ৰ পৰা ধাৰাবাহিকভাৱে ৰাস উদ্‌যাপন কৰি আহিছে। এইবাৰ পুনৰ ৰাস পূৰ্ণিমাত তিনিদিনীয়াকৈ ৰাস উদ্‌যাপন কৰিবলৈ লোৱা সিদ্ধান্তই ৰাইজক নষ্টালজিক আৰু উৎফুল্লিত কৰি তুলিছে।

# শিক্ষক দিৱসৰ লগত সংগতি ৰাখি ই-আলোচনী-হাতে লিখা আলোচনী উন্মোচন প্ৰাথমিক বিদ্যালয়ত

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১২ ছেপ্টেম্বৰ ঃ** শিক্ষক দিৱসৰ লগত সংগতি ৰাখি ডিব্ৰুগড়ৰ এখন প্ৰাথমিক বিদ্যালয়ত দুখনকৈ আলোচনী প্ৰকাশ কৰা হয়। ডিব্ৰুগড় জিলাৰ লাহোৱাল শিক্ষা খণ্ডৰ অন্তৰ্গত ৰহমৰীয়া কেন্দ্ৰৰ চামনি মাইজান প্ৰাথমিক বিদ্যালয়ত এই ব্যতিক্ৰমী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। জ্যেষ্ঠ শিক্ষক অনিল মূড়াই সভাপতিত্ব কৰা সভাখনত কেন্দ্ৰৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী সুভদ্ৰাই বন্তি প্ৰজ্বলনেৰে উক্ত অনুষ্ঠান মুকলি কৰে লগতে খণ্ড সমন্বয়ক বৰষা বৰুৱাই সৰস্বতী বন্দনাৰে অনুষ্ঠানৰ আৰম্ভণি কৰে। ২০২২ৰ শিক্ষক দিৱস উপলক্ষে কেন্দ্ৰৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগত তথা পুষ্পাঞ্জলি গগৈ আৰু লভিতা দাসে সম্পাদনা কৰা 'সমন্বয়' ই-আলোচনীখন উন্মোচন কৰে কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত শিক্ষক ঘন বৰুৱাই। আনহাতে, বনমালী গোহাঁই আৰু মণ্টু দত্তই সম্পাদনা কৰা হাতে লিখা 'সমন্বয়' আলোচনীখন উন্মোচন কৰে লাহোৱাল খণ্ডৰ সমল ব্যক্তি মঞ্জু কালোৱাৰে। শেষত জাতীয় সংগীতৰে অনুষ্ঠানৰ সামৰণি পৰে।

# কামপীঠ বাৰোৱাৰী শ্ৰীশ্ৰী দুৰ্গা পূজা-শ্ৰীশ্ৰীলক্ষ্মী পূজাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**বাহাৰঘাট, ১২ ছেপ্টেম্বৰ ঃ** ৰঙিয়া মহকুমাৰ কঞা ৰাজহ চক্ৰৰ অন্তৰ্গত কামপীঠত একৰ পৰা পাঁচ অক্টোবৰলৈ ৮২ সংখ্যক বাৰোৱাৰী শ্ৰীশ্ৰী দুৰ্গা পূজা আৰু ন-অক্টোবৰত শ্ৰীশ্ৰী লক্ষ্মী পূজাৰ আয়োজন কৰিছে। তদুপলক্ষে এক অক্টোবৰত পতাকা উত্তোলন কৰিব পূজা পৰিচালনা সমিতিৰ সভাপতি বীৰেন কলিতাই। স্মৃতি তৰ্পণ আৰু ধৰ্মদত্ত কলিতা সোঁৱৰণী ৰভাৰ দ্বাৰ উন্মোচনৰ পাছত বিশিষ্ট ব্যক্তিৰ দ্বাৰা গছপুলি ৰোপণ কৰাৰ হ'ব। সন্ধিয়া বিশিষ্ট ব্যক্তিৰ দ্বাৰা বন্তি প্ৰজ্বলন আৰু প্ৰতিমা স্থাপন। টোপধ্বনি প্ৰজ্বলন কৰিব কঞা বৰপুল্লা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি বিমান কলিতাই। পৰৱৰ্তী সময়ত বিল্ব বোধনৰ বাবে শোভাযাত্ৰা। দুই অক্টোবৰত সপ্তমী, আয়তীৰ নাম-প্ৰসংগ উদ্বোধন কৰিব কঞা বৰপুল্লা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্যা বৰ্ণালী তালুকদাৰে। দুপৰীয়া পুষ্পাঞ্জলি, ভোগ বিতৰণ মুকলি কৰিব কঞা-বৰপুল্লা গাঁও পঞ্চায়তৰ সভাপতি দীনেশ চন্দ্ৰ ভূঞাই। আবেলি ওজাপালি প্ৰদৰ্শন উদ্বোধন কৰিব কঞা ১৩ পৃষ্ঠাত চাওক

# ড° সৰ্বেশ্বৰ ৰাজগুৰুৰ বিষয়ে আজিও ভালদৰে চৰ্চা হোৱা নাই ঃ নাথ

## নগাঁৱৰ খাগৰিজান মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**বিশেষ সংবাদদাতা**

**নগাঁও, ১২ ছেপ্টেম্বৰ ঃ** নগাঁও চহৰৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান খাগৰিজান মহাবিদ্যালয়ৰ ৫১ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। সেই উপলক্ষে আজি পুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ নাথে পতাকা উত্তোলনৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী আৰম্ভ কৰে। ছহিদ তৰ্পণ অনুষ্ঠান মুকলি কৰে উপাধ্যক্ষ ড° জোনাৰাম নাথে। দিনৰ ১১ বজাৰ পৰা মহাবিদ্যালয়খনৰ উদ্যোগত আৰু নগাঁও জিলা সাহিত্য সভাৰ সহযোগত 'ক্ৰান্তদৰ্শী ড° সৰ্বেশ্বৰ ৰাজগুৰুৰ জীৱন আৰু সাহিত্য' শীৰ্ষক এক বক্তৃতা অনুষ্ঠান অনুষ্ঠিত হয়। বক্তৃতা অনুষ্ঠানত মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি বিশিষ্ট সাহিত্যিক তথা নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰতিমোহন নাথে কয়, 'নিখুঁত, পোনপটীয়া কথনভংগীৰ ৰচনা শৈলীৰে ড° সৰ্বেশ্বৰ ৰাজগুৰুৰে অসমীয়া সাহিত্যলৈ বৰ্ণাঢ্য অৱদান আগবঢ়াই থৈ গৈছে। সহজ-সৰল মনৰ অধিকাৰী এইজনা মহান সাহিত্যিকৰ অৱদানৰ বিষয়ে আজিও ভালদৰে চৰ্চা হোৱা নাই।' মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° দিলীপ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত বক্তৃতানুষ্ঠান উদ্বোধন কৰে নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱাই। অনুষ্ঠানতে মহাবিদ্যালয়খনৰ ইতিবৃত্ত আৰু খাগৰিজানৰ ইতিহাস ব্যাখ্যা কৰে প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষা চেলিমা চুলতানা খণ্ডকাৰে। সভাত নগাঁও জিলা সাহিত্য সভাৰ উপ-সভাপতি থগিত মহন্ত, সম্পাদক ৰেৱত কুমাৰ হাজৰিকা, প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষা চিত্ৰা বৰা, মামনি ভূঞা, প্ৰতিষ্ঠা কালৰ অধ্যক্ষ অৰুণ বিকাশ দত্ত আদিয়ে অংশগ্ৰহণ কৰে। সভাত মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সম্পাদক মুন চন্দ্ৰ গুণ, সাংবাদিক কনক হাজৰিকা আদি উপস্থিত থাকে। আদৰণি ভাষণ প্ৰদান কৰে অধ্যক্ষ ড° ৰমেশ নাথে। সভাতেই খাগৰিজান মহাবিদ্যালয়ত অসম সাহিত্য সভাৰ এটি শাখা গঠন কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সন্ধিয়া বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়খনৰ মুখ্য কাৰ্যালয় সহায়ক দিগেন বৰাই।

# দুৰ্নীতি-ভ্ৰষ্টাচাৰ-দালালৰাজ উৎখাত কৰি নতুন সমাজ গঠনৰ আহ্বান

## ■ কয়াকুছি প্ৰেছ এছ'চিয়েছনৰ দ্বি-বাৰ্ষিক অধিবেশন সম্পন্ন



**অগ্ৰদূত বাৰ্তা**

**কয়াকুছি, ১২ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ ৪৬ নম্বৰ সৰুক্ষেত্ৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত কয়াকুছি প্ৰেছ এছ'চিয়েছনৰ দ্বি-বাৰ্ষিক অধিবেশন কালি বিস্তীৰ্ণ কাৰ্যসূচীৰে অনুষ্ঠিত হয়। চাফাই অভিযান আৰু পতাকা উত্তোলন কৰা হয়। গছপুলি ৰোপণ কৰে কয়াকুছি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া দিজু কুমাৰ নাথ আৰু এছ'চিয়েছনৰ আইনী উপদেষ্টা ৰমিজ উদ্দিন আহমেদে। পাছত শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠান অনুষ্ঠিত হয়। পৰৱৰ্তী সময়ত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। আবেলি কয়াকুছি প্ৰেছ এছ'চিয়েছনৰ সভাপতি আহাম্মদ আলীৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাত স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি ছানোৱাৰ আল হাছান আৰু যুটীয়া সম্পাদকদ্বয় প্ৰদীপ কুমাৰ সৰকাৰৰ লগতে শ্বৰীফুল ইছলামৰ পৰিচালনাক্ৰমে 'সংবাদ শিখা' স্মৃতিগ্ৰন্থ উন্মোচন কৰে বৰপেটা বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাসে। সভাত সৰুক্ষেত্ৰী সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা অগপৰ ১৩ পৃষ্ঠাত চাওক

# পায়'নিয়াৰ একাডেমীৰ চাৰি ছাত্ৰৰ সাফল্য

**বৰমা, ১২ ছেপ্টেম্বৰ ঃ** বৰমাত থকা শিক্ষানুষ্ঠান পায়নিয়াৰ একাডেমীৰ চাৰিজন ছাত্ৰৰ সাফল্যই অঞ্চলটোৰ শিক্ষানুৰাগীক উৎফুল্লিত কৰি তুলিছে। সদ্যঘোষিত ২০২২ৰ সৰ্বভাৰতীয় পৰীক্ষাত উত্তীৰ্ণ হয় পায়নিয়াৰ একাডেমীৰ চাৰিজন ছাত্ৰ ক্ৰমে ডৈদেন মুছাহাৰী, হায়েছা ৰামছিয়াৰী, ত্ৰিদেৱ বসুমতাৰী আৰু হিমাংশু দেউৰী। চাৰিজন ছাত্ৰৰ ভিতৰত তিনিজনে জেইই আৰু এজনে এনইইটি পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হয়। বৰমা তথা বাগ্‌সা জিলালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱা বাবে আনন্দিত বুলি জানিবলৈ দিয়ে পায়নিয়াৰ একাডেমীৰ অধ্যক্ষই।

# গোলাঘাটত ভগ্নপ্ৰায় গ্ৰাম্য পথৰ দুৰৱস্থাত যাতনা ভুগিছে ৰাইজে



**অগ্ৰদূত বাৰ্তা**

**আঠখেলীয়া, ১২ ছেপ্টেম্বৰ ঃ** ৰাজ্যখনৰ প্ৰায় ২৬ হেজাৰখন গাঁৰৰ বৰ্তমান দুখলগা ভগ্নপ্ৰায় যাতায়তি ব্যৱস্থাই অতি সম্প্ৰতি গ্ৰাম্য জনতাক যেনে ধৰণৰ জীয়াতু ভোগাইছে তালৈ লক্ষ্য কৰি জনতাৰ মাজত প্ৰশ্ন উঠিছে এই পথসমূহৰ মেৰামতি বা পুনৰনিৰ্মাণ হ'বনে বা হ'লেও কোনটো যুগত হ'ব। উল্লেখনীয় অসমত কংগ্ৰেছ শাসনৰ আমোলত যিকেইটা নতুন নতুন পথ নতুনকৈ নিৰ্মাণ কৰা হ'ল বা উন্নীত কৰা হ'ল সেইকেইটা উল্লেখযোগ্য পথৰ বাহিৰে বিগত সোণোৱালৰ কাৰ্যকালত অথবা বৰ্তমানৰ ড° হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালত তেনে উল্লেখযোগ্য পথৰ নিৰ্মাণ সম্পন্ন হ'লনে বা হোৱাৰ আশা কৰিব পাৰিনে বুলি জনতাৰ মাজত প্ৰশ্ন উঠিছে। আশ্চৰ্যকৰ বিষয় যোৱা চাৰিটা বছৰত ৰাজ্যৰ ঐতিহাসিক-বুৰঞ্জীপ্ৰসিদ্ধ ধোদৰ আলিটোৰ কমাৰগাঁৱৰ পৰা নামৰূপ পৰ্যন্ত ২১১ কিলোমিটাৰ পথ দ্বৈত পথযুক্ত কৰাৰ আঁচনি অনুযায়ী জোখ-মাখৰ কামখিনিয়ে সমাপ্ত হ'লনে বুলি জনতাৰ মাজত প্ৰশ্ন উঠিছে। এনে ধৰণৰ কাছখুজীয়া পথ নিৰ্মাণ ব্যৱস্থাত গুৰুত্বপূৰ্ণ পথ একোটাৰে যদি এনে অৱস্থা হয় এই চৰকাৰৰ গ্ৰাম্য পথৰ ভগ্নতা দূৰ কৰিবলৈ সক্ষম হ'বনে বুলি উঠা প্ৰশ্ন নিশ্চয় অযুক্তিকৰ নে? সেয়াতো সিয়েই দেৰগাঁৱৰ পৰা ডিব্ৰুগড় পৰ্যন্ত দক্ষিণ অসমৰ এটি ৰোডটোৰ গুৰুত্বৰ কথা নিশ্চয় অসমৰ শাসকপক্ষই নজনা নহয়। এই ৰাষ্ট্ৰীয় ঘাইপথটোত উন্নয়ন চলি থকা অংশৰ উপৰি চেপন-মাৰণ অংশ পথ বাদ দিলে এই পথটো ভাৰতবৰ্ষৰ কোনখন ১৩ পৃষ্ঠাত চাওক

# নামৰূপ সাৰ কাৰখানা বিক্ৰী কৰিবলৈ দিয়া নহ'ব

## ■ প্ৰধানমন্ত্ৰীলৈ নিখিল ভাৰত কৃষক সভাৰ স্মাৰকপত্ৰ প্ৰেৰণ

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১২ ছেপ্টেম্বৰ ঃ** বিজেপি চৰকাৰে দেশৰ ৰাজহুৱা খণ্ডৰ সম্পদসমূহ এটাৰ পাছত এটাকৈ যেনেদৰে বিক্ৰী কৰি আহিছে, শেষত ডিব্ৰুগড়ৰ জিলাৰ একমাত্ৰ সাৰ কাৰখানাটোও বাদ নপৰিল। ৰাজহুৱা খণ্ডৰ এই উদ্যোগটোও ইতিমধ্যে বিক্ৰী কৰাৰ প্ৰস্তুতি চলোৱা হৈছে বুলি জানিব পাৰি চৰকাৰৰ এনে জনস্বাৰ্থ বিৰোধী কাৰ্যৰ প্ৰতিবাদকল্পে আজি নিখিল ভাৰত কৃষক সভাৰ ডিব্ৰুগড় জিলা সমিতিয়ে ডিব্ৰুগড় জিলাৰ উপায়ুক্তৰ যোগেদি ভাৰতৰ প্ৰধানমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। নিখিল ভাৰত কৃষক সভাৰ ৰাজ্যিক সম্পাদক জয়ন্ত গগৈ, ডিব্ৰুগড় জিলাৰ ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ সম্পাদক যতীন শইকীয়া আৰু সহকাৰী সম্পাদক দিগন্ত ফুকন স্বাক্ষৰিত স্মাৰকপত্ৰখনৰ যোগেদি এই ৰাজহুৱা খণ্ডৰ উদ্যোগটো বিক্ৰী কৰা কাৰ্য পৰিহাৰ কৰিবলৈ প্ৰধানমন্ত্ৰীৰ ওচৰত দাবী জনায়। কোনো কাৰণতে এই ৰাজহুৱা খণ্ডৰ উদ্যোগটো বিক্ৰী কৰিবলৈ দিয়া নহ'ব বুলি উল্লেখ কৰাৰ লগতে প্ৰয়োজন হ'লে তীব্ৰ আন্দোলন গঢ়ি তোলা হ'ব বুলিও উল্লেখ কৰে।

# কলিয়াবৰৰ লেংটেঙত উচ্ছেদৰ বিৰুদ্ধে সংস্থাপনৰ দাবীত প্ৰতিবাদ

## ■ ৰাইজে উত্তাল কৰিলে কলিয়াবৰ বৃহত্তৰ লেংটেং অঞ্চল ■ মুখ্যমন্ত্ৰী-স্বাস্থ্যমন্ত্ৰীৰ প্ৰতিকৃতি দাহ

**অগ্ৰদূত বাৰ্তা**

**কলিয়াবৰ, ১২ ছেপ্টেম্বৰ ঃ** জনাঞ্চলক বনাঞ্চল ঘোষণাৰ বিৰুদ্ধে কলিয়াবৰত অব্যাহত আছে প্ৰতিবাদ। হাতীমূৰা, দেওচুৰ চাঙৰ পাছত এইবাৰ প্ৰতিবাদী জনতাই আজি প্ৰতিবাদেৰে উত্তাল কৰিলে কলিয়াবৰৰ লেংটেং অঞ্চল। 'সংৰক্ষিত বনাঞ্চলৰ প্ৰস্তাৱ প্ৰত্যাহাৰ কৰক, প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল কেতিয়া কেনেকৈ কৰিলে তাৰ সকলো তথ্য ৰাজহুৱা কৰক, বন অধিকাৰ আইন প্ৰয়োগ কৰক, সকলো লোকক মাটিৰ পট্টা দিয়ক আদি শ্ল'গানেৰে আজি লেংটেং অঞ্চল উত্তাল কৰি তোলে



প্ৰতিবাদী জনতাই। কলিয়াবৰ ৰাজহ চক্ৰৰ অন্তৰ্গত চকুৰঙা, কঠালগুৰি, লালপাহাৰ, ধল পাহাৰ, বৰজুৰি, লেংটেং, শালবাৰী, হাতীমুৰা আৰু দেউচুৰ গাঁও প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলৰ পৰা সংৰক্ষিত বনাঞ্চল কৰাৰ চৰকাৰী সিদ্ধান্ত প্ৰত্যাহাৰ কৰাৰ দাবীত আজি জনাঞ্চলক সংৰক্ষিত বনাঞ্চললৈ উন্নীতকৰণৰ প্ৰতিবাদত কঁপিল কলিয়াবৰৰ বৃহত্তৰ লেংটেং অঞ্চল। প্ৰতিবাদৰ অংশস্বৰূপেই অৱৰোধ কৰিলে গড়কাপ্তানী পথ। লগতে তিনিগৰাকীকৈ মন্ত্ৰীৰ প্ৰতিমূৰ্তি দাহ কৰে প্ৰতিবাদী জনতাই। উল্লেখ্য যে কলিয়াবৰৰ লেংটেং, হাতীমূৰা, দেওচুৰ, শালনা অঞ্চলকে ধৰি আঠখন জনবসতিপূৰ্ণ গাঁৱক সংৰক্ষিত বনাঞ্চল হিচাপে উন্নীতকৰণৰ প্ৰক্ৰিয়াৰ বিৰুদ্ধে এই প্ৰতিবাদ সাব্যস্ত কৰে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ লগতে দুই শতাধিক ৰাইজে। চৰকাৰ বিৰোধী বিভিন্ন শ্ল'গান দি প্ৰতিবাদ সাব্যস্ত কৰে প্ৰতিবাদী ৰাইজে। জনবসতিপূৰ্ণ অঞ্চলক সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা নকৰাৰ দাবীত প্ৰতিবাদকাৰীসকলে অসম চৰকাৰৰ মুখ্যমন্ত্ৰী, বনমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰী প্ৰতিমূৰ্তিও দাহ কৰে। উল্লেখ্য যে এই গাঁওসমূহত বসবাস কৰা লোকসকলৰ বেছি ভাগৰে মাটিৰ ম্যাদী পট্টা মজুত আছে। আনকি বহু গাঁৱৰ মাটি চিলিং কৰাও আছে। সবাতোকৈ গুৰুত্বপূৰ্ণ কথা হৈছে এই গাঁওসমূহ কেতিয়া আৰু কেনেকৈ প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চল কৰা হ'ল বহু যুগৰ পৰা বসবাস কৰা ৰাইজে সেই সম্পৰ্কে অজ্ঞ। আনহাতে, সংৰক্ষিত বনাঞ্চলৰ বাবে যি শুনানি গ্ৰহণ কৰা হৈছিল তাত চৰকাৰী কোনো নিৰ্দেশনা দেখুওৱা হোৱা নাই আৰু কোনো সীমা নিৰ্ধাৰণ কৰাও হোৱা নাই। সেয়ে এই সমস্ত ঘটনা ষড়যন্ত্ৰমূলক বুলি ৰাইজে অভিহিত কৰিছে। এই চৰকাৰী নিৰ্দেশনা প্ৰত্যাহাৰ নকৰিলে আজিৰ কাৰ্যসূচীতকৈ আৰু অধিক জংগী কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ বাধ্য হ'ব বুলি চৰকাৰক সকীয়াই দিয়ে। লগতে এনে পৰিস্থিতিৰ বাবে চৰকাৰেই জগৰীয়া হ'ব বুলি প্ৰকাশ কৰে।

# অগপই নহয়, অখিল গগৈহে ৰাইজক বিশ্বাসঘাতকতা কৰিছে

## ■ ছয়গাঁৱত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত



**ছয়গাঁও, ১২ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও মিনি ষ্টেডিয়ামত অনুষ্ঠিত হৈ থকা পঞ্চম বাৰ্ষিক তুলসীৰাম কলিতা সোঁৱৰণী আমন্ত্ৰণমূলক ফুটবল খেলখন আজি উদ্বোধন কৰে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই। খাদী ব'ৰ্ডৰ অধ্যক্ষ ডাঃ কমলাকান্ত কলিতা উপস্থিত থকা এই অনুষ্ঠানৰ পাছত সাংবাদিকৰে এক বাৰ্তালাপত মিলিত হয় মন্ত্ৰী মহন্ত। সাংবাদিকে মন্ত্ৰীজনক 'কা' আন্দোলনৰ শুনানি সম্পৰ্কত অখিল গগৈয়ে অগপ দলক বিশ্বাসঘাটকতা কৰা বুলি কোৱাৰ পাছত তেওঁৰ প্ৰতিক্ৰিয়া জানিব বিচৰাত মন্ত্ৰী মহন্তই ৰাইজক অগপই বিশ্বাসঘাটকতা কৰা নাই বুলি দৃঢ়তাৰে কৈ গগৈয়েহে ৰাইজক বিশ্বাসঘাটকতা কৰিছে বুলি কয়। আনহাতে, ভিক্টৰ দাস সম্পৰ্কত বিষয়টো এৰাই চলি মহন্তই আইনে বিষয়টো সন্দৰ্ভত ব্যৱস্থা লৈ আছে, গতিকে এই বিষয়ে তেওঁ কি কম বুলি সাংবাদিকক প্ৰশ্ন কৰে ।

# বেতন বৃদ্ধিৰ দাবীত শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ চাফাই কৰ্মীৰ ধৰ্ণা



**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ১২ ছেপ্টেম্বৰ ঃ** মাহিলি বেতন বৃদ্ধিৰ দাবীত শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ অস্থায়ী চাফাই কৰ্মীসকলে আজি এক ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। অৰ্জুন বাছফৰ আৰু গেঠু বাছফৰৰ নেতৃত্বত চাফাই কৰ্মীসকলে চিকিৎসালয়ৰ সন্মুখত উক্ত ধৰ্ণা কাৰ্যসূচীৰে পৰিৱেশ উত্তাল কৰি তোলে। বেতন বৃদ্ধি কৰক, অন্যান্য সা-সুবিধা প্ৰদান কৰক' আদি শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰা চাফাই কৰ্মীসকলে ১২ হেজাৰ টকালৈ নিজৰ মাহেকীয়া বেতন বৃদ্ধি কৰাৰ দাবী জনায়। উল্লেখ্য যে দুশখন বিছনাযুক্ত চিকিৎসালয়খনত উক্ত চাফাই কৰ্মীসকল ২০০৫ৰে পৰা নিয়োজিত হৈ আছে। নিচেই কম পাৰিতোষিকৰ বিনিময়ত খাটি থকা চাফাই কৰ্মীসকলে দৈনিক আঠ ঘণ্টাকৈ কৰ্তব্য সম্পাদন কৰি আহিছে। পাছত চাফাই কৰ্মীসকলে চিকিৎসালয়খনৰ অধীক্ষকৰ জৰিয়তে জিলা উপায়ুক্তলৈ এখন বেতন বৃদ্ধিৰ দাবীত পত্ৰ প্ৰেৰণ কৰে।



*বিধানসভাৰ প্ৰথম দিনটোত চৰকাৰীভাৱে স্বীকৃতিপ্ৰাপ্ত দৰমহা নোপোৱা শিক্ষক সন্থাৰ লাষ্টগেটত প্ৰতিবাদ।*

# খুমটাইত ৰে'লৰ খুন্দাত যুৱকৰ মৃত্যু

**খুমটাই, ১২ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ খুমটাইৰ এক নম্বৰ ভোলাগুৰিত ৰেলৰ খুন্দাত এজন যুৱকৰ মৃত্যু হয়। যোৱা নিশা খুমটাইৰ এক নম্বৰ ভোলাগুৰিৰ নিতেন ভূমিজ (৩০) নামৰ এজন যুৱকৰ তীব্ৰবেগী ৰেলৰ খুন্দাত মৃত্যু হয়। পৰিয়ালৰ লোকে জানিবলৈ দিয়া অনুসৰি, কালি সন্ধিয়া ঘৰৰ পৰা ওলাই গৈছিল নিতেন। কিন্তু গোটেই নিশা নিতেন ঘৰলৈ উভতি নহাত চিন্তিত হৈ পৰিছিল পৰিয়ালৰ লোক। আনহাতে, আজি পুৱাই স্থানীয় লোকে ৰেল লাইনত নিতেনৰ মৃতদেহটো প্ৰত্যক্ষ কৰি পৰিয়ালৰ লোকক খবৰ দিয়ে। তাৰ পাছতেই স্থানীয় লোক আৰু গাঁওৰক্ষী বাহিনীয়ে ৰেল আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত উপস্থিত হয় ফৰকাটিঙৰ পৰা অহা ৰেল আৰক্ষীৰ এটা দল। ৰেল আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাট ছহিদ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# নগাঁৱৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত বিশ্ব ভ্ৰাতৃত্ব দিৱস উদ্‌যাপন



**বিশেষ সংবাদদাতা**

**নগাঁও, ১২ ছেপ্টেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত আজি বিবেকানন্দ কেন্দ্ৰ কন্যাকুমাৰী নগাঁও শাখাৰ উদ্যোগত বিশ্ব ভ্ৰাতৃত্ব দিৱস ২০২২ত উদ্‌যাপন কৰা হয়। সেই উপলক্ষে শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰেক্ষাগৃহত বিয়লি তিনি বজাত এক গাম্ভীৰ্যপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত বিশ্ব মানৱতাৰ শ্ৰেষ্ঠ মাৰ্গদৰ্শক স্বামী বিবেকানন্দ জীৱন দৰ্শনৰ ওপৰত বহলভাৱে আলোচনা কৰা হয়। সভাত মুখ্য বক্তাৰূপে উপস্থিত থাকে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ মৃদুল হাজৰিকাই। সভাত বিবেকানন্দ কেন্দ্ৰ কন্যাকুমাৰীৰ অসম প্ৰান্তৰ নগাঁও শাখাৰ নগৰ সঞ্চালক শিৱ প্ৰসাদ শৰ্মা, নগৰ প্ৰমুখ মল্লিকা শৰ্মাকে ধৰি বিশ্ববিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু প্ৰবক্তাসকল উপস্থিত থাকে।

# হাৰমতীত ৩৫ খন ব্যৱসায় প্ৰতিষ্ঠান ভস্মীভূত ঃ বহু কোটি টকাৰ সামগ্ৰী নষ্ট



**অগ্ৰদূত বাৰ্তা**

**বান্দৰদেৱা, ১২ ছেপ্টেম্বৰ ঃ** লখিমপুৰ জিলাৰ অসম-অৰুণাচল সীমান্ত অৰুণাচল লখিমপুৰকে ধৰি অসমৰ কে'বাখনো জিলাৰ অতি উল্লেখযোগ্য তথা অতি ব্যস্ততাপূৰ্ণ দৈনিক বজাৰ হাৰমতী। বজাৰখনত আজি পুৱতি নিশা হোৱা এক বিধ্বংসী অগ্নিকাণ্ডৰ ফলত ৩৫খনতকৈ অধিক সৰু-বৰ দোকান তথা ব্যৱসায় প্ৰতিষ্ঠান ভস্মীভূত হোৱাৰ লগতে প্ৰায় চাৰি কোটিৰো অধিক টকাৰ সামগ্ৰী মন্তব্য কৰিছে। অগ্নিকাণ্ড ইমানেই ভয়াৱহ আছিল যে কাষৰীয়া সকলো ৰাইজ ঘৰ এৰি বাহিৰলৈ ওলাই যাব লগা অৱস্থা হয়। পুৱতি নিশা হোৱা অগ্নিকাণ্ডৰ লেলিহান শিখাই চৌদিশ আগুৰি ধৰাৰ বহু পলমকৈ জুই নুমুৱা গাড়ী আহি পোৱাত চাৰিখনকৈ গাড়ীয়ে তিনি ঘণ্টা ধৰি পানী মাৰি জুই নুমুৱাবলৈ সক্ষম হয় যদিও সকলো শেষ হৈ যায়। স্থানীয় ৰাইজৰ অভিযোগত প্ৰকাশ যে এনে বৃহৎ অঞ্চলত প্ৰাকৃতিক দুৰ্যোগৰ পৰা তৎকালে ৰক্ষা পোৱাৰ কোনো ব্যৱস্থা নাই। এই ক্ষেত্ৰত চৰকাৰৰ চৰম গাফিলতি বুলি দাবী তুলি শীঘ্ৰে এক জৰুৰী ব্যৱস্থা ল'বলৈ দাবী জনাইছে। স্থানীয় ৰাইজ তথা জাতীয় সংগঠনে ক্ষতিগ্ৰস্ত হোৱা ব্যৱসায় প্ৰতিষ্ঠান চলাই পৰিয়াল পোহপাল দিয়া পৰিয়ালসমূহক স্থানীয় বিধায়ক, জিলা প্ৰশাসনক সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে।

# যোগদলত শোকাৱহ পথ দুৰ্ঘটনাত মহিলাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ১২ ছেপ্টেম্বৰ ঃ** ৰাষ্ট্ৰীয় ঘাইপথত গতিৰোধ আইন প্ৰৱৰ্তন হ'ল যদিও ৰোধ হোৱা নাই পথ দুৰ্ঘটনা। যাৰ ফলত দৈনিক বিভিন্নজনে দুৰ্ঘটনাজনিত কাৰণত অকালতে প্ৰাণ বিসৰ্জন দিব লগা হৈছে অথবা কোনোৰে আহত হৈ পংগুত্ব আঁকোৱালি লৈছে। আজিও সোণাপুৰৰ নিকটৱৰ্তী যোগদল তথা চাৰিপথযুক্ত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত হোৱা এক শোকাৱহ পথ দুৰ্ঘটনাত এগৰাকী ৫০ৰ উৰ্দ্ধৰ মহিলা নিহত হয়। বিয়লি প্ৰায় এক বজাত সংঘটিত হয় এই পথ দুৰ্ঘটনাটো। ঘটনাৰ বিৱৰণী মতে, নগাঁৱৰ পৰা গুৱাহাটী অভিমুখে অহা এ এছ-০২ কিউ-১৬৬৫ নম্বৰৰ ফৰচুনাৰ বাহনখনে পথ পাৰ হ'বলৈ ধৰা মহিলাগৰাকীক তীব্ৰবেগত খুন্দা মাৰি প্ৰায় ৩০ ফুট দূৰলৈ চোঁচৰাই নিয়ে। ফলত থিতাতে নিহত হয় মহিলাগৰাকী। ঘটনাৰ খবৰ পোৱা মাত্ৰকে সোণাপুৰৰ যানবাহন শাখাৰ আৰক্ষী উপস্থিত হয় আৰু মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। আদিবাসী সম্প্ৰদায়ৰ যেন লগা ৫০ৰ উৰ্ধ্বৰ মহিলাগৰাকীৰ পৰিচয় বাতৰি লিখা পৰলৈকে উদ্ধাৰ হোৱা নাই।

# ৰঙাপৰাত অগ্নিসংযোগ হৈ ভস্মীভূত দোকান

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ১২ ছেপ্টেম্বৰ ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰাত গেলামালৰ দোকানত বিদ্যুৎস্পৃষ্ট হৈ ভস্মীভূত হয়। ফলত প্ৰায় চাৰি লাখ টকা মূল্যৰ সা-সামগ্ৰী ভস্মীভূত হয়। ৰঙাপৰা ছয় নম্বৰ ৱাৰ্ডৰ নিবাসী সুশান্ত দত্তৰ জীৱিকাৰ একমাত্ৰ সম্বল আছিল ঘৰৰ কাষতে লাগি থকা দোকানখন। উল্লেখ্য যে আজি পুৱা পাঁচমান বজাত দোকান খুলিব আহি জুই জ্বলি থকা দেখা পায় ব্যৱসায়ী আৰু স্থানীয় ৰাইজৰ মাজত হুৰ-দুৰা লাগে। অগ্নিনিৰ্বাপক বাহিনী আৰু স্থানীয় ৰাইজৰ সহযোগত অৱশেষত জুই নুমাবলৈ সক্ষম হয়। ইতিমধ্যে আইচক্ৰীমৰ ফ্ৰিজত বিদ্যুৎস্পৃষ্ট হৈ অগ্নিসংযোগ হোৱাৰ সন্দেহ প্ৰকাশ কৰিছে স্বত্বাধিকাৰীজনে। ৰঙাপৰা পৌৰসভাৰ পৌৰপতি হৰিসাধন দাস ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়।

# বেকাজানত সদৌ অসম ভাওনা প্ৰতিযোগিতাৰ লাইখুঁটা স্থাপন

**বিশেষ সংবাদদাতা**

**নগাবাট, ১২ ছেপ্টেম্বৰ ঃ** তিতাবৰ মহকুমাৰ অসম নগালেণ্ড সীমান্তৱৰ্তী অঞ্চল বেকাজানৰ বেকাজান উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আঠ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগীয়া সদৌ অসম ভাওনা প্ৰতিযোগিতাৰ দেওবাৰে লাইখুঁটা স্থাপন কৰে। কাৰ্যসূচীত সদৌ অসম ভাওনা প্ৰতিযোগিতাৰ যোৰহাট জিলা সমিতিৰ উপ-সভাপতি অমিতাভ বৰদলৈ, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বুধিন্দ্ৰ নাথ বৰচেতীয়া, সমাজকৰ্মী প্ৰকাশ শইকীয়া, প্ৰশান্ত বৰা, অৰুণ শৰ্মা আদিৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি আৰু উদ্‌যাপন সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। উল্লেখ্য যে ন অক্টোবৰৰ পৰা ১৬ অক্টোবৰলৈ বেকাজান উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব এই ভাওনা প্ৰতিযোগিতা।

# নুমলীগড়ত আঘাতপ্ৰাপ্ত বন্যহস্তীৰ আৰ্তনাদ

## ■ ধৃতৰাষ্ট্ৰৰ ভূমিকাত বন বিভাগ

**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ১২ ছেপ্টেম্বৰ ঃ** গোলাঘাট বন সংমণ্ডলৰ অধীনস্থ বৃহত্তৰ নুমলীগড়-মৰঙি অঞ্চলত এটা প্ৰাপ্তবয়স্ক বন্যহস্তীয়ে আঘাতপ্ৰাপ্ত হৈ আৰ্তনাদ কৰাৰ ঘটনাক কেন্দ্ৰ কৰি প্ৰকৃতিপ্ৰেমীৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আজি প্ৰায় এসপ্তাহ ধৰি বকিয়াল খণ্ড বন কাৰ্যালয়ৰ অধীনস্থ অঞ্চলৰটোত আঘাতপ্ৰাপ্ত ভৰিৰে খোজ দিওঁ নিদিওঁকৈ এটা জাকৰ স'তে হাতীটোৱে ইনাই-বিনাই ঘূৰি ফুৰিছে। উল্লেখ্য যে ইতিমধ্যে বৰ্ষটোত পাঁচটাকৈ বন্যহস্তীয়ে হাতী-মানুহৰ সংঘাতৰ চৰম পৰিণতি স্বৰূপে মৃত্যুক আঁকোৱালি ল'ব লগাত পৰিছে। তেনে সময়তে পুনৰ অন্য এটা হাতীয়ে আঘাতপ্ৰাপ্ত হৈ তিলতিলকৈ মৃত্যুৰ দিশে গতি কৰাৰ আশংকা কৰি একাংশ প্ৰকৃতিপ্ৰেমী মহল চিন্তাত পৰিছে। কিন্তু, এই পৰ্যন্ত ৰাজ্যৰ বিয়াগোম বন



বিভাগে হাতীটোক চিকিৎসাৰ ক্ষেত্ৰত কোনো গুৰুত্ব প্ৰদান নকৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। একাংশ ৰাইজে অভিযোগ কৰি কয় যে গোলাঘাটৰ বন বিভাগৰ অধীনৰ বকিয়াল খণ্ড বন কাৰ্যালয়ৰ বিষয়া-কৰ্মীসকলৰ বাবে বনজ সম্পদৰ সুৰক্ষাই প্ৰাথমিকতা পোৱাৰ বিপৰীতে সদায় চোৰাং বালি আৰু কাঠৰ ব্যৱসায়ীসকলেহে প্ৰাথমিকতা পাই আহিছে। শিল আৰু বালি সংগ্ৰহৰ বাবে দৈগ্ৰোং নদীৰ লগতে নামবৰ-দৈগ্ৰোং বন্যপ্ৰাণী অভয়াৰণ্যৰ ভিতৰত খন্দা বৃহৎ গাঁতবোৰত পৰিও বনৰীয়া হাতী আঘাতপ্ৰাপ্ত হোৱাটো সাধাৰণ ঘটনালৈ পৰিণত হৈছে বুলিও উল্লেখ কৰে। তদুপৰি, একাংশ লোকে অভিযোগ কৰি কয় যে হাতীটোৱে চৰম যন্ত্ৰণা ভুগি থকা সময়তো বন বিভাগৰ লোকে ধৃতৰাষ্ট্ৰৰ ভূমিকা গ্ৰহণ কৰাৰ বিষয়টো তাৎপৰ্যপূৰ্ণ। কিয়নো, সঠিক সময়ত চিকিৎসা প্ৰদান নকৰি হাতীটো মৰাৰ পাছত ঘঁৰিয়ালৰ চকুলো টুকি কোনো লাভ নাই বুলিও অভিযোগ কৰে। ইপিনে, হাতীটোক অতি শীঘ্ৰে উপযুক্ত চিকিৎসা প্ৰদান কৰি সুস্থ কৰি তোলাৰ বাবে ৰাইজে আহ্বান জনাইছে।

# মাখিবাহা ছহিদ ভৱনত সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন



**অগ্ৰদূত বাৰ্তা**

**টিহু, ১২ ছেপ্টেম্বৰ ঃ** সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সভা এখন আজি মাখিবাহা আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয় ছহিদ ভৱনত অনুষ্ঠিত হয়। সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সভাপতি গুণজ্যোতি পাঠকৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সদৌ নলবাৰী জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অক্ষয় ডেকাই। সভাত সদৌ অসম ছাত্ৰ সন্থাৰ দৃষ্টিভংগী সম্পৰ্কে বক্তব্য প্ৰদান কৰে সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ভৱজিৎ বেজবৰুৱা আৰু কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ৰিয়াজউদ্দিন আহমেদে। সভাত নলবাৰী জিলা ছাত্ৰ সন্থাক পৰৱৰ্তী সময়ত কেনেকৈ সাংগঠনিকভাৱে আগুৱাই নিয়া হ'ব তাৰ ওপৰত আলোচনা কৰা হয়। কাৰ্যনিৰ্বাহক সভাত জিলাখনৰ শৈক্ষিক, সাংগঠনিক আদি কে'বাটাও বিষয়ৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰা হয়। লগতে নলবাৰী জিলাৰ জৰাজীৰ্ণ মুখ্য পথ পুনৰ নিৰ্মাণ কৰাৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ বাবেও সিদ্ধান্ত কৰা হয়। আনহাতে, সভাত জিলা ছাত্ৰ সন্থাৰ সাংগঠনিক কৰ্মশালা এখন চলিত মাহৰ শেষত এদিনীয়া কাৰ্যসূচীৰে নলবাৰীত অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি, প্ৰাক্তন ছাত্ৰ নেতা অমিয় বৰ্মনৰ সোঁৱৰণত এখন খেল অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয়। লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত কেৰিয়াৰ-গাইডৰ ওপৰত কৰ্মশালা অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তাৱ লোৱা হয়।

# হোজাইত বিদ্যুৎস্পৃষ্ট হৈ লাহৰীঘাটৰ যুৱকৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**লাহৰীঘাট, ১২ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত দক্ষিণ ছেনিমাৰী গাঁৱৰ মন্নাছ আলীৰ দ্বিতীয় পুত্ৰ আবু ছুফিয়ান (৩০)ৰ বিদ্যুৎস্পৃষ্ট হৈ কালি মৃত্যু হয়। এই মৃত্যুৰ খবৰে সমগ্ৰ অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে। প্ৰাপ্ত তথ্য মতে, কৰ্মসূত্ৰে হোজাইত থকা যুৱকজনে কালি দিনৰ প্ৰায় ১১-৩০ বজাত নিজ বাসগৃহৰ কোঠালিৰ বাথৰূমত গা ধুবলৈ গৈ বিদ্যুৎ চালিত মটৰ অন কৰোতেই দুৰ্ভাগ্যবশতঃ বিদ্যুৎস্পৃষ্ট হৈ পৰে যুৱকজন। যুৱকজনৰ পৰিয়ালৰ লোকে ততাতৈয়াকৈ চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে যুৱকজনৰ মৃত্যু হোৱা বুলি ঘোষণা কৰে। পৰৱৰ্তী সময়ত যুৱকজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষা কৰি লাহৰীঘাটৰ নিজ বাসগৃহলৈ অনাৰ লগে লগে আত্মীয়-স্বজনৰ মাজত এক অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি হয়।

# হাটিঙা পদুমণিত কৰম উৎসৱ উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১২ ছেপ্টেম্বৰ ঃ** নদুৱাৰৰ অন্তৰ্গত ইটাখোলাস্থিত হাটিঙা পদুমণিতো বিগত বৰ্ষবোৰৰ দৰে এইবেলিও ৰাইজে উদ্‌যাপন কৰিলে চাহ জনগোষ্ঠীৰ বাপতি সাহোন কৰম উৎসৱ। বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলন ভূমি হাটিঙাৰ পদুমণি গাঁৱত পাঁচগৰাকী কুমাৰী ছোৱালী আৰু এজন যুৱকৰ দ্বাৰা চাকি-বন্তি-নৈবেদ্যৰে জাৰা উঠোৱা পৰ্বৰে আৰম্ভ কৰি কালি বিয়লি কৰম ডাল (চিকামৰলীয়া ডাল) ধূপ চাকিৰে সেৱা জনাই নিয়ম-নীতিৰ মাজেৰে কাটি আনি কৰম উদ্‌যাপনস্থলীত স্থাপন কৰে আৰু গাঁৱৰ সমাজকৰ্মী প্ৰেম ঘাটোৱালৰ পৌৰোহিত্যত কৰম কাহিনী সম্পন্ন কৰে। গাঁওখনৰ বুঢ়া-বেথা আদি কৰি অঞ্চলটোৰ সকলো লোকে অংশগ্ৰহণ কৰা অনুষ্ঠানত অঞ্চলটোৰ শিক্ষক, সমাজকৰ্মী কনক চন্দ্ৰ শইকীয়া, সমাজকৰ্মী সনত বৰুৱা, ক্ষুদ্ৰ চাহ খেতিয়ক দীপতুল দাস আৰু চন্দ্ৰা খাড়িয়াকে আদি



কৰি কে'বাগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে চাহ জনগোষ্ঠীৰ লোক সংস্কৃতি কৰম উৎসৱ ভাগ জনগোষ্ঠীটোৰ জাতীয় উৎসৱ হিচাপে পৰম্পৰাগতভাৱে পালন কৰি আহিছে পদুমণিবাসীৰ সমূহ জাতি-জনগোষ্ঠীৰ ৰাইজে। উদ্‌যাপন সমিতিৰ মিঠুন নাগ, ৰঞ্জিত খাড়ীয়া,, লক্ষীৰাম ঘাটোৱাল, অনুজ ৰায়, খেলু গোৱালা, ৰমেশ ৰাজৱাৰ আৰু ৰতন ৰাজৱাৰৰ ব্যৱস্থাপনাত সন্ধ্যাভাগৰ পৰা আৰম্ভ হোৱা মুকলি আখৰাৰ গীত-নৃত্য অনুষ্ঠানটোত দিকৰাই উপ-শাখাৰ আটছাৰ সম্পাদক দয়াল তচা, কাৰ্যনিৰ্বাহক নন্দু তচা, হাটিঙা ৰত্নপুৰ নিবাসী তথা সমাজকৰ্মী বালি গড়, ভাইটি গড়কে আদি কৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। গাঁওখনৰ উদীয়মান যুৱ সমাজকৰ্মী বনাচ ৰাজৱাৰে আঁত ধৰা কৰম উৎসৱত অঞ্চলটোৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সাংস্কৃতিক প্ৰেমী ৰাইজ উপস্থিত থকাৰ লগতে নদুৱাৰ শাখা আটছাৰ অৰুণ গোৱালাৰ কৰম গীত পৰিৱেশন আৰু টুপীয়া চাহ বাগিচা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক কান্ত মুৰ্মুৰ ঢোলবাদনে অনুষ্ঠান অধিক সুন্দৰ কৰি তোলে।

# ছেমিফাইনেল খেল খেলিবলৈ গৈ লখিমপুৰত কেটেলা ফুটবল দল দুৰ্ঘটনাত পতিত ঃ আহত পাঁচ

**অগ্ৰদূত বাৰ্তা**

**বিহালী, ১২ ছেপ্টেম্বৰ ঃ** কেটেলা চাহ বাগিচা আৰু কেটেলা যুৱ সংঘই সন্মিলিতভাৱে লখিমপুৰ জিলাৰ চিলনীবাৰী চাহ বাগিচা খেলপথাৰত ছেমিফাইনেল খেল খেলিবলৈ গৈ পথ দুৰ্ঘটনাত পাঁচজন লোক আহত হয়। দলটোৱে দুপৰীয়াৰ ৰেলত গৈ চিলনীবাৰী ষ্টেছনত নামি টেম্প'ৰে খেলপথাৰলৈ গৈ থকা অৱস্থাত দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত ৰমল প্ৰজা, কৃষ্ণ লোহাৰ, দীপক মহানদীয়া, পিতু মহানদীয়া আৰু সুৰেশ নাহেকীয়া আহত হয়। দীপক মহানদীয়া, সুৰেশ মহানদীয়া আৰু কৃষ্ণ লোহাৰক উন্নত চিকিৎসাৰ বাবে লখিমপুৰ চাবতি চিকিৎসালয়লৈ প্ৰেৰণ কৰে।



# বিশ্ব ষ্ট্ৰেংথ লিফটিঙত অসমৰ তিনিটা পদক লাভ



**গুৱাহাটী, ১২ ছেপ্টেম্বৰ ঃ** অসমৰ তিনিগৰাকী খেলুৱৈয়ে কিৰ্গিস্তানত অনুষ্ঠিত হোৱা বিশ্ব ষ্ট্ৰেংথ লিফটিং প্ৰতিযোগিতাত দলক লাভ কৰি দেশ আৰু ৰাজ্যলৈ গৌৰৱময় সফলতা কঢ়িয়াই আনিছে। উল্লেখ্য যে ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি কিৰ্গিস্তানত অনুষ্ঠিত হোৱা বিশ্ব ষ্ট্ৰেংথ লিফটিং প্ৰতিযোগিতাত অংশ লৈছিল অসমৰ কৈলাশ শৰ্মা, ৰাজকুমাৰ দাস আৰু সিদ্ধাৰ্থ শইকীয়াই। ইয়াৰে সিদ্ধাৰ্থই বিশ্ব অভিলেখ ভংগ কৰি সোণৰ পদক লাভ কৰাৰ বিপৰীতে ৰাজকুমাৰে ৰূপ আৰু কৈলাশ শৰ্মাই ব্ৰঞ্জৰ পদক লাভ কৰি দেশ আৰু ৰাজ্যলৈ গৌৰৱময় সফলতা কঢ়িয়াই আনিছে। আজি আহি নতুন দিল্লীত উপস্থিত হোৱা ভাৰতীয় দলটোক ৰাজকীয় আদৰণি জনোৱা হয়। কাইলৈ গুৱাহাটীত উপস্থিত হ'ব ভাৰতীয় দলক প্ৰতিনিধিত্ব কৰি পদক লাভ কৰা অসমৰ কৈলাশ শৰ্মা, ৰাজকুমাৰ দাস আৰু সিদ্ধাৰ্থ শইকীয়া।

# ছাফ ফুটবলৰ ফাইনেলত ভাৰতীয় দল

**কলম্বো, ১২ ছেপ্টেম্বৰ ঃ** শ্ৰীলংকাত চলি থকা ছাফ ১৭ বছৰ অনূৰ্ধ্ব ফুটবল চেম্পিয়নশ্বিপৰ ফাইনেলত প্ৰৱেশ কৰিছে ভাৰত। আজি হোৱা ছেমিফাইনেলত ভাৰতে বাংলাদেশক ২-১ গ'লত পৰাস্ত কৰি খিতাপৰ যুঁজত নিজৰ স্থান নিশ্চিত কৰে। উল্লেখ্য যে ষ্ট্ৰাইকাৰ থাংলালছৌন গাংটে ভাৰতৰ হৈ গ'ল কৰি খেলখনত জয়লাভ কৰে। বিপৰীতে ৬২ মিনিটত মিৰাজুল ইছলামৰ পেনাল্টিৰ জৰিয়তে বাংলাদেশে এটা গ'ল কৰে। প্ৰথমাৰ্ধত দুয়োটা দলে কেইবাটাও সুযোগ সৃষ্টি কৰিছিল যদিও সকলোবোৰ অপচয় হয়।

# টি-২০ বিশ্বকাপৰ ভাৰতীয় দল ঘোষণা

**নতুন দিল্লী, ১২ ছেপ্টেম্বৰ ঃ** আঘাতৰ বাবে এছিয়া কাপত খেলিব নোৱাৰা পেচ বলাৰদ্বয় যশপ্ৰীত বুমৰাহ আৰু হৰ্ষল পেটেলে অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেটত খেলিব। উল্লেখ্য যে বি চি চি আয়ে আজি প্ৰতিযোগিতাৰ দলটো ঘোষণা কৰিছে। ভাৰতীয় দলটোক নেতৃত্ব দিব ৰোহিত শৰ্মাই। আনহাতে, কে এল ৰাহুল সহঃঅধিনায়ক। ১৫ জনীয়া দলত আঘাতৰ বাবে নিৰ্বাচকে স্থান দিয়া নাই অলৰাউণ্ডাৰ ৰবীন্দ্ৰ জাডেজাক। উল্লেখ্য যে ১৬ অক্টোবৰৰ পৰা অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া বিশ্বকাপত পাকিস্তানৰ বিৰুদ্ধে প্ৰথমখন খেল খেলিব ভাৰতে। ইফালে, প্ৰবীণ উইকেটৰক্ষক-বেটছমেন দীনেশ কাৰ্তিকক অন্তৰ্ভুক্ত কৰা হৈছে আৰু ঋষভ পন্তৰ সৈতে দ্বিতীয় ৰক্ষক হ'ব তেওঁ। ঘোষিত দলৰ সদস্যসকল হ'ল ঃ ৰোহিত শৰ্মা, কে এল ৰাহুল , বিৰাট কোহলী, সূৰ্যকুমাৰ যাদৱ, দীপক হুডা, ঋষভ পণ্ট, দীনেশ কাৰ্তিক , হাৰ্দিক পাণ্ডিয়া, ৰবীচন্দ্ৰন আশ্বিন, যুজবেন্দ্ৰ চাহল, অক্ষৰ পেটেল, যশপ্ৰীত বুমৰাহ, ভূৱনেশ্বৰ কুমাৰ, হৰ্ষল পেটেল আৰু আৰ্শদীপ সিং। ষ্টেণ্ডবাই খেলুৱৈ ঃ মহম্মদ ছামি, শ্ৰেয়াস আয়াৰ, ৰবি বিষ্ণোই, দীপক চাহাৰ।




## গ্ৰেণ্ডশ্লাম টেনিছ ইউ এছ অপেন
# কাৰ্লোছৰ খিতাপ লাভ

**নিউয়ৰ্ক, ১২ ছেপ্টেম্বৰ ঃ** গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ইউ এছ অপেনত এইবাৰ নতুন চেম্পিয়নৰ জন্ম হ'ল। শীৰ্ষ বাচনিৰ ইগা শ্বিয়াটেকে মহিলাৰ একক শাখাৰ খিতাপ দখল কৰাৰ পাছত পুৰুষৰ একক শাখাৰ খিতাপ দখল কৰিছে কাৰ্লোছ আলকাৰাজে। যোৱানিশা হোৱা পুৰুষৰ একক শাখাৰ খিতাপৰ যুঁজত কাৰ্লোছ আলকাৰাজে ৬-৪, ২-৬, ৭-৬ ত্ত্ব৭ ।১ৰগ্ন, ৬-৩ ৰ ব্যৱধানত পৰাস্ত কৰে কেছপাৰ ৰুডক। সফলতাৰ পাছত ২৩ বছৰীয়া নৱৰেৰ আলকাৰাজে কয় যে তেওঁৰ এই সফলতা জীৱনৰ বাবে স্মৰণীয়। ইফালে, স্পেনিছ কিশোৰগৰাকীয়ে বিশ্ব ৰেংকিঙৰ শীৰ্ষত উপনীত হোৱাৰ পিছত কেছপাৰ ৰুডে কাৰ্লোছ আলকাৰাজক সাফল্যৰ বাবে প্ৰণাম জনায়। ৰুডে এনে এজন খেলুৱৈৰ বিৰুদ্ধে পৰাজয়ৰ পিছত কোনো অভিযোগ নাই বুলি প্ৰশংসা কৰে কাৰ্লোছক। 'এই মুহূৰ্তত তেওঁ মোৰ দৃষ্টিত বিশ্বৰ শ্ৰেষ্ঠ খেলুৱৈ। তেওঁ সেই স্থানৰ যোগ্য। তেওঁ এই কেইজনমান বিৰল প্ৰতিভাৰ ভিতৰত এজন যি ক্ৰীড়াত মাজে মাজে ওলাই আহে।' ৰুডে ব্যক্ত কৰে।

# অষ্ট্ৰেলিয়া-দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে শৃংখলাৰো দল বাছনি

**নতুন দিল্লী, ১২ ছেপ্টেম্বৰ ঃ** বি চি চি আয়ে আজি অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ভাৰতীয় দল ঘোষণা কৰাৰ লগতে বিশ্বকাপৰ পূৰ্বে ঘৰত অষ্ট্ৰেলিয়া আৰু দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব লগা টি-২০ শৃংখলাৰ বাবেও ভাৰতীয় দল ঘোষণা কৰিছে। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ভাৰতীয় দলটো ঃ ৰোহিত শৰ্মা, কে এল ৰাহুল, বিৰাট কোহলী, সূৰ্যকুমাৰ যাদৱ, দীপক হুডা, ঋষভ পন্ত , দীনেশ কাৰ্তিক , হাৰ্দিক পাণ্ডিয়া, ৰবীচন্দ্ৰন আশ্বিন, যুজবেন্দ্ৰ চাহাল, অক্ষৰ পেটেল, ভুৱনেশ্বৰ কুমাৰ, মহম্মদ ছামি, হৰ্ষল পেটেল, দীপক চাহাৰ আৰু যশপ্ৰীত বুমৰাহ। ইফালে, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব লগা ভাৰতৰ দলটো হ'ল ঃ ৰোহিত শৰ্মা, কে এল ৰাহুল, বিৰাট কোহলী, সূৰ্যকুমাৰ যাদৱ, দীপক হুডা, ঋষভ পণ্ট, দীনেশ কাৰ্তিক, ৰবীচন্দ্ৰন আশ্বিন, যুজবেন্দ্ৰ চাহল, অক্ষৰ পেটেল, আৰ্শ্বদীপ সিং, মহম্মদ ছামি, হৰ্ষল পেটেল, দীপক চাহাৰ, যশপ্ৰীত বুমৰাহ।

# লোহাৰকাঠা ফাইনেলত

**অগ্ৰদুত বাৰ্তা, ঘগ্ৰাপাৰ,১২ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰৰ শিলপোতাবড়ি খেলপথাৰত গুৱাকুছি ক্ৰীঞ্জা সন্থাৰ উদ্যোগত চলি থকা প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি প্ৰথমখন ছেমিফাইনেলত লোহাৰকাঠা আঞ্চলিক ক্ৰীড়া সন্থাই ২-০ গ'লৰ ব্যৱধানত কৈঠালকুছি আঞ্চলিক ক্ৰীড়া সন্থাক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

## ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতা
# চেন্নাইয়ানক হৰুৱাই ছেমিত মুম্বাই চিটী

**কলকাতা, ১২ ছেপ্টেম্বৰ ঃ** মুম্বাই চিটী এফ চিয়ে চলিত ঐতিহ্যমণ্ডিত ১৩১ সংখ্যক ইণ্ডিয়ান অইল ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে। কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত তৃতীয়খন কোৱাৰ্টাৰ ফাইনেলত দলে ৫-৩ গ'লত পৰাস্ত কৰে চেন্নাইয়ান এফ চিক। আই এছ এলৰ দুই পূৰ্ব চেম্পিয়ন দলৰ মাজত হোৱা ৰোমাঞ্চকৰ মেচখনত প্ৰথমে গ'ল কৰে মুম্বাই চিটীয়ে। খেলৰ ৪০ মিনিটত পেনাল্টি লাভ কৰাত ষ্টেৱাৰ্টে প্ৰথমটো গ'ল কৰি মুম্বাইক বিৰতিলৈ ১-০ ত আগুৱাই ৰাখে। কিন্তু দ্বিতীয়াৰ্ধৰ খেল আৰম্ভ হোৱাত প্ৰত্যাৱৰ্তন কৰে চেন্নাইয়ানে। খেলৰ ৫৯ মিনিটত শ্লিক'ভিকে গ'ল কৰি মেচত ১-১ ত সমতা স্থাপন কৰে। ৭৮ মিনিটত মুম্বাইক পুনৰ ২-১ ৰ অগ্ৰগতি দিয়ে চচাংটে গ'ল কৰি। কিন্তু ৮৯ মিনিটত চেন্নাইয়ানৰ হৈ জেকছনে গ'ল কৰি পুনৰ ২-২ ত সমতা স্থাপন কৰে। ৯০ মিনিটৰ খেল ২-২ ত সমাপ্ত হোৱাত ফলাফলৰ বাবে অতিৰিক্ত সময় খেলোৱা হয়। অতিৰিক্ত সময়ত চাৰিটা গ'ল হয় আৰু ইয়াৰে তিনিটা গ'ল কৰে মুম্বাই চিটীয়ে। ৯৪ মিনিটত মুম্বাইক নিজৰ দ্বিতীয় গ'লেৰে চচাংটে ৩-২ ৰ অগ্ৰগতি দিয়াৰ পাছত ১০০ মিনিটত ষ্টেৱাৰ্টে দ্বিতীয়টো গ'ল কৰি ব্যৱধান ৪-২ কৰে। কিন্তু ১১২ মিনিটত চেন্নাইয়ানৰ হৈ ৰহিম আলীয়ে গ'ল কৰি ব্যৱধান ৪-৩ লৈ হ্ৰাস কৰি মেচলৈ ৰোমাঞ্চ নমাই আনে যদিও ১১৮ মিনিটত মুম্বাইক নিজৰ তৃতীয় তথা হেট্ৰিক গ'লেৰে ষ্টেৱাৰ্টে ৫-৩ ৰ বিজয় নিশ্চিত কৰে। এই জয়ৰে ছেমিফাইনেলত প্ৰৱেশ কৰা মুম্বাই দলে এতিয়া অহা ১৪ ছেপ্টেম্বৰত খিতাপৰ যুঁজলৈ অগ্ৰসৰ হোৱাৰ মেচত মুখামুখি হ'ব মহামেদান স্প'ৰ্টিং দলৰ।




# ফাইনেলত বৰ্ষণগাঁও

**অগ্ৰদূত বাৰ্তা, বৰভাগ, ১২ ছেপ্টেম্বৰ ঃ** বঙাইগাঁৱৰ বৰ্ষণগাঁও স্প'ৰ্টছ ক্লাবে চন্দন কলিতা, ব্ৰজনাথ বৈশ্য আৰু প্ৰাণেশ্বৰ ডাউকা সোঁৱৰণী দ্বিতীয় বাৰ্ষিক প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰবেশ কৰিছে। জোনাক যুৱমঞ্চ বৰভাগৰ উদ্যোগত কৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন ছেমিফাইনেলত দলটোৱে দলৈতোলা নয়নজ্যোতি স্প'ৰ্টছ ক্লাবক ৪-২ গ'লত পৰাস্ত কৰে। প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেল মুকালমুৱাৰ আৰিয়ান স্প'ৰ্টছ ক্লাব আৰু বৰমা ইউনাইটেড স্প'ৰ্টছ ক্লাবৰ মাজত অনুষ্ঠিত হব।

# ১৩ অক্টোবৰৰ পৰা আৰম্ভ ৰাজেন বৰঠাকুৰ তেজপুৰ চেলেঞ্জ ফুটবল

**ষ্টাফ ৰিপ'ৰ্টাৰ,তেজপুৰ,১২ ছেপ্টেম্বৰ ঃ** তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত অহা ১৩ অক্টোবৰৰ পৰা পলফিল্ডত আৰম্ভ হ'ব ৰাজেন বৰঠাকুৰ সোঁৱৰণি তেজপুৰ চেলেঞ্জ ফুটবল প্ৰতিযোগিতা। উল্লেখ্য যে, ঐতিহ্যমণ্ডিত ডুগৰ শ্বিল্ড প্ৰতিযোগিতাৰ বিকল্প হিচাপে তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ প্ৰাক্তন সভাপতি, সক্ৰীয় সংগঠক তথা দ্বিতীয় শ্ৰেণীৰ ফুটবল ৰেফাৰী প্ৰয়াত ৰাজেন বৰঠাকুৰৰ তৎপৰতাত আৰম্ভ হৈছিল তেজপুৰ চেলেঞ্জ ফুটবল প্ৰতিযোগিতাৰ। কিন্তু যোৱা দুবছৰে কৰ'নাৰ বাবে এই প্ৰতিযোগিতাখন হোৱা নাছিল। আজি তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদ মেলত সভাপতি জিতেন বৰঠাকুৰে কয় যে অহা ১৩-২৩ অক্টোবৰলৈ অনুষ্ঠিতব্য তেজপুৰ চেলেঞ্জ ফুটবল প্ৰতিযোগিতাখন এইবাৰ ৰাজেন বৰঠাকুৰৰ সোঁৱৰণত উৎসৰ্গা কৰা হৈছে। উপদেষ্টা মৃদুল শৰ্মা,সম্পাদক জিতেন বৰা আৰু ফুটবল বিভাগৰ সম্পাদক অশ্বিনী বৰাই অংশ লোৱা এই সংবাদমেলত ফুটবল সম্পাদক বৰাই কয় যে ইতিমধ্যেই দেশ তথা ৰাজ্যৰ মুঠ ১৪ টা আগশাৰীৰ ফুটবল দলৰ স'তে যোগাযোগ কৰা হৈছে তথা ১০ টা দলে যোগদান কৰাটো নিশ্চিত হৈছে। ইয়াৰে ভিতৰত মহমেদান স্পৰ্টিং ক্লাৱ,চিকিম ফুটবল একাডেমি,অইল ইণ্ডিয়া,বিদ্যুৎ পৰিষদ,অসম পুলিচ,ছিলঙৰ অসম ৰেজিমেন্টেল চেন্টাৰ,বঙাইগাঁও একাদশ,গোৰ্খা ৰেজিমেন্টেল চেন্টাৰ ছিলং,অসম ৰাইফলছ,নগালেণ্ড পুলিছ আৰু গ্ৰীণ ভেলী। ১৫-২০ লাখ টকা বাজেটৰ এই প্ৰতিযোগিতাখনত বিজয়ী দলে ট্ৰফী সহ একলাখ আৰু বিজিত দলে ট্ৰফীসহ ৫০ হেজাৰ টকা লাভ কৰিব। তদুপৰি প্ৰতিযোগিতাৰ প্ৰতিখন খেলৰে শ্ৰেষ্ঠ খেলুৱৈ নিৰ্বাচিত কৰাৰ লগতে ফাইনেলত ব্যক্তিগত প্ৰদৰ্শনৰ একাধিক পুৰস্কাৰ থাকিব। সংবাদ মেলত বৰাই লগতে কয় যে, প্ৰতিযোগিতাখনৰ দুখন ছেমিফাইনেল আৰু ফাইনেল খেলখন নৈশলোকত অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰা কৰা হৈছে।



# গজেন্দ্ৰ-পুলিনা ফুটবলৰ সামৰণি

**অগ্ৰদূত বাৰ্তা, কলিয়াবৰ, ১২ ছেপ্টেম্বৰ ঃ** কলিয়াবৰৰ মিছা আঞ্চলিক মিলন সংঘৰ ব্যৱস্থাপনাত মিছা উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত সপ্তম বৰ্ষৰ বাবে অনুষ্ঠিত গজেন্দ্ৰ নাথ বৰুৱা, পুলিনা বৰুৱা সোঁৱৰণি চলন্ত কাপ ফুটবল প্ৰতিযোগিতাখনিৰ আজি সামৰণি পৰে। ঢেকিয়াজুলি টাউন ক্লাব আৰু বৰঘূলী যুৱক সংঘৰ মাজত হোৱা উত্তেজনাপূৰ্ণ চূড়ান্ত খেলখনত ঢেকেয়াজুলি টাউন ক্লাবে ১-০ গ'লৰ ব্যৱধানত জয়লাভ কৰে। প্ৰতিযোগিতাখনিৰ অন্তত খেল পৰিচালনা সমিতিৰ সভাপতি দিলীপ বৰুৱাৰ সভপতিত্বত অনুষ্ঠিত বঁটা বিতৰণী সভাত উপস্থিত থাকে দাতা প্ৰাঞ্জিত বৰুৱা, আইৰিণা বৰুৱা, কলিয়াবৰৰ অতিৰিক্ত আয়ুক্ত তৰংগজিত বৰুৱা, মিচা হাইস্কুলৰ প্ৰধান শিক্ষক জিতেন বৰুৱাকে ধৰি বহুকেইগৰাকী গণ্যমান্য ব্যক্তি। মিচা আঞ্চলিক মিলন সংঘৰ সম্পাদক জগত মেধিয়ে আঁত ধৰা বঁটা বিতৰণী সভাখনত বিজয়ী দলক ২৫ হেজাৰ, বিজিত দলক ১৫ হেজাৰ নগদ ধনৰ লগতে চলন্ত বঁটা প্ৰদান কৰা হয়। প্ৰতিযোগিতাখনিৰ শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে ঢেকিয়াজুলি টাউন ক্লাবৰ জেফলিন ভদাই।



# স্বাধীনতা দিৱস কাপ ফুটবলত বৰষুণৰ বাধা

**অগ্ৰদূত বাৰ্তা,বেবেজীয়া, ১২ ছেপ্টেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা সৰ্বভাৰতীয় স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ আজি আসাম ৰাইফলছ বনাম যোৰহাট টাউন ক্লাবৰ মাজত অনুষ্ঠিত দিবা-নৈশ প্ৰি-কোৱাৰ্টাৰ ফাইনেল খেলখন বিৰতিৰ সময়তে মুষলধাৰ বৰষুণৰ বাবে স্থগিত ৰাখিবলগীয়া হয়। সেই সময়লৈ ডেভিদ লালৰিন চানাই দিয়া গ'লযোগে আসাম ৰাইফলছ ১-০ গলত আগবাঢ়ি আছিল। এতিয়া অৰ্ধ-সমাপ্ত খেলখনৰ দ্বিতীয়াৰ্ধ কাইলৈ বিয়লি ৪- ৩০ বজাত অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জনাইছে। **পি বি জে বি ক্লাব ফাইনেলত ঃ** জাজৰি আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত দলংঘাটৰ বৰমণিপুৰস্থিত সন্থাৰ নিজা খেলপথাৰত চলি থকা ফুটবল লীগ প্ৰতিযোগিতাৰ আজি দ্বিতীয়খন ছেমিফাইনেলত পানবাৰীৰ পি.বি.জে.বি ক্লাৱে নিচানতলৰ এভাৰগ্ৰীণ ক্লাৱক ১০-০ গ'লত বিধ্বস্ত কৰি ফাইনেলত উপনীত হৈছে। একপক্ষীয় খেলখনত পি.বি.জে.বি. ক্লাৱৰহৈ অনুপম কোঁৱৰ আৰু ধ্ৰুৱ ডেকাই দুটাকৈ, ডনি বৰা, অংকুৰ ডেকা, মৃণাল ডেকা, ডেভিদ বড়ো, অনুপম বৰদলৈ আৰু জ্ঞানজ্যোতি বৰদলৈয়ে এটাকৈ গ'ল দিয়ে। প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা ১৮ ছেপ্টেম্বৰত মাজগাঁও কোচিং ক্লাৱে পানবাৰীৰ পি.বি.জে.বি. ক্লাৱৰ বিৰুদ্ধে খেলিব।

# আলিপুৰ দুৱাৰ ছেমিফাইনেলত

**অগ্ৰদূত বাৰ্তা, টংলা, ১২ ছেপ্টেম্বৰ ঃ** ভেৰগাঁৱত চলি থকা বড়োলেণ্ড ছহিদ সোঁৱৰণী মহিলা ফুটবলত আলিপুৰ দুৱাৰৰ কালাচিনি ডি এফ টি দলে ছেমিফাইনেলত প্ৰৱেশ কৰিছে। আজিৰ খেলত দলটোৱে কাৰ্বি আংলঙৰ কাছা এফ চি চিক ২-১ গ'লত পৰাস্ত কৰে। ভেৰগাঁও আঞ্চলিক এবছু আৰু ক্ৰীড়া সন্থাই আয়োজন কৰা প্ৰতিযোগিতাৰ খেলখনত আলিপুৰ দুৱাৰৰ সঞ্জনাই আৰু অনিতাই গল দুটা দিয়ে । আনহাতে কাৰ্বি আংলঙৰ হীৰা বড়োৱে এটা গ'ল পৰিশোধ কৰে। প্ৰতিযোগিতাৰ প্ৰথম ছেমিফাইনেলত শুক্লাই ছেৰফাং দলে আছাম ৰাইফলছ (তেজপুৰ) দলৰৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

# আত্মা এফ চি কোৱাৰ্টাৰত

**চেপন, ১২ ছেপ্তেম্বৰ ঃ** চতুৰ্থ বাৰ্ষিক অতুল গগৈ আৰু মনাই গগৈ সোঁৱৰণি আমন্ত্ৰণমূলক প্ৰাইজমাণি ফুটবল প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেললৈ অগ্ৰসৰ হৈছে বিগত বৰ্ষৰ ৰাৰ্ণাচ আপ্ দল আত্মা এফ.চি। চৰাইদেউ জিলা ক্ৰীড়া সন্থাৰ তত্বাৱধানত চলি থকা প্ৰতিযোগিতাখনৰ গ্ৰুপ 'এ'ৰ প্ৰথম পৰ্যায়ৰ তৃতীয়খন খেলত আজি আত্মা এফ.চিয়ে কে.এম.টি ৰাঙলী এফ.চিক ২-১ গলৰ ব্যৱধানত পৰাস্ত কৰে। খেলখন পৰিচালনা কৰে গৌতম বড়াই। লাইলনত সহায় কৰে কিৰণ বড়া আৰু ৰাহুল মল্লিকে। চতুৰ্থ ডম্বৰু চাংমাই । আজিৰ খেলখনত শ্ৰেষ্ঠ খেলুৱৈৰ বটাঁ লাভ কৰে কে.এম.টি ৰাঙলী এফ.চিৰ গলৰক্ষক জিতুল সোণোৱালে । কাইলৈ প্ৰতিযোগিতাৰ গ্ৰুপ 'বি'ৰ তৃতীয়খন প্ৰি-কোৱাৰ্টাৰ ফাইনেল খেল অনুষ্ঠিত হ'ব। খেলখনত বিগত বৰ্ষৰ চেম্পিয়ন দল বিহুবৰ এফ.চিয়ে ডিব্ৰুগড় জিলাৰ পথালিবাম নৱজ্যোতি এফ.চিৰ মুখামুখি হ'ব।



# ডুমনীপাৰা-নেপালীখুঁটি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ

**অগ্ৰদূত বাৰ্তা, মাটিয়া, ১২ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা জিলাৰ সৈনিক স্কুলৰ নিকটৱৰ্তী ৰাজাপাৰা আঞ্চলিক ক্ৰীড়া সন্থাৰ সৌজন্যত ৰাজাপাৰা প্ৰাথমিক বিদ্যালয় খেল পথাৰত আয়োজিত ষষ্ঠ বাৰ্ষিক প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন খেলত ডুমনীপাৰা ফুটবল দলে শালমাৰা ফুটবল দলক ৪-০ গলত পৰাজিত কৰে । আনহাতে দ্বিতীয়খন খেলত নেপালীখুটি ফুটবল দলে গোপালপুৰ মিক্সাৰ ফুটবল দলক ১-০ গলত পৰাজিত কৰি পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰে।


পাকিস্তানক হৰুৱাই এছিয়া কাপ দখল শ্ৰীলংকাৰ

# ফাইনেলত মুছলিম ঘোপা দল

**অগ্ৰদূত বাৰ্তা, ছিপাঝাৰ, ১২ ছেপ্টেম্বৰ ঃ** ছিপাঝাৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা ভুচন্দ্ৰ বৰুৱা সোঁৱৰণী ফুটবল লীগ প্ৰতিযোগিতাত ছিপাঝাৰ দক্ষিণ চুবুৰী ফুটবল ক্লাবক টাইব্ৰেকাৰত ৪-৩ গলৰ ব্যৱধানত পৰাজিত কৰি মুছলিমঘোপাই ফাইনেলত প্ৰবেশ কৰিছে। ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয় খেলপথাৰত অনুষ্ঠিত আজিৰ প্ৰথমখন ছেমিফাইনেল নিৰ্ধাৰিত সময়ত ২-২ গলৰ ব্যৱধানত ড্ৰ হোৱাত টাইব্ৰেকাৰৰ সহায় ল'বলগীয়া হয়। কাইলৈ দ্বিতীয় খন ছেমি ফাইনেলত পশ্চিম দৰং ফুটবল একাদশ লাওজান ফুটবল দলৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

# ৰাণা ক্লাবৰ জয়লাভ

**মৰিগাঁও,১২ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় ক্ষীৰোদ বৰুৱাৰ ষ্টেডিয়ামত চলি থকা আন্তঃক্লাৱ এ ডিভিজন ফুটবলত আজি অনুষ্ঠিত খেলত স্পৰ্টিং ক্লাৱৰ বিৰুদ্ধে ৰানা ক্লাবে ৩-০ গ'লৰ ব্যৱধানত জয়ী হৈ সম্পুৰ্ণ পইন্ট অৰ্জন কৰিবলৈ সক্ষম হৈছে। ৰানা ক্লাৱৰ হৈ চ্ৰাজা টিমুং, ৰন্টু দলৈ আৰু অংকুৰ বৰদলৈয়ে গল দিয়ে।

# তুলসী ফুটবলত বঙাইগাঁও ইলেভেন ষ্টাৰ চেম্পিয়ন



**ছয়গাঁও, ১২ ছেপ্টেম্বৰ ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত ছয়গাঁও মিনি ষ্টেডিয়ামত অনুষ্ঠিত পঞ্চম বাৰ্ষিক তুলসীৰাম কলিতা সোঁৱৰণী আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাত বঙাইগাঁৱৰ এলেভেন ষ্টাৰে ১-০ গ'লৰ ব্যৱধানত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক পৰাস্ত কৰি চেম্পিয়ন হয়। শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে বঙাইগাঁৱৰ বেংখাৰচেন চিমিলাংচেং। উল্লেখ্য যে আজিৰ ফাইনেল উদ্বোধন কৰে স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই। আনহাতে, খেলত খেলৰ অন্তত মুকুট ঠাকুৰীয়াই পৰিচালনা কৰা বঁটা বিতৰণ সভাত প্ৰাক্তন মন্ত্ৰী তথা ট্ৰফীদাতা ডাঃ কমলাকান্ত কলিতা, অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰ, উপ সভাপতি ৰাজ কাকতি, ছয়গাঁৱৰ সংলগ্ন চক্ৰ বিষয়া অম্বৰীশ বৰা, খণ্ড উন্নয়ন বিষয়া কাশ্যপী কাশ্যপ, ক্ৰীড়া সন্থাৰ সভাপতি অম্বিকা প্ৰদান দেৱ শৰ্মা, সম্পাদক ধীৰেণ দাস প্ৰমুখ্যে ভালেমান বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# চিকিৎসক, নাৰ্ছৰ দায়িত্বহীনতাৰ বাবেই ঘৰলৈ ওভতাই নি কৰোৱালে প্ৰসৱ



**কলগাছিয়া, ১২ ছেপ্টেম্বৰ ঃ** যিসময়ত চৰকাৰে চিকিৎসালয়ত সন্তান প্ৰসৱ কৰোৱাটো বাধ্যতামূলক কৰিছে ঠিক তেনে সময়ত চিকিৎসালয়ত চিকিৎসক, নাৰ্ছ নাপাই ঘৰত নি সন্তান প্ৰসৱ কৰাবলগীয়া হোৱা ঘটনা এটি পোহৰলৈ আহিছে। এনে ঘটনা সংঘটিত হৈছে বৰপেটা যুটীয়া স্বাস্থ্য সঞ্চালক কাৰ্যালয়ৰ অধীনস্থ জনীয়া ৰাজ্যিক চিকিৎসালয়ৰ গাতে লাগি থকা সালেকুৰা গাঁৱৰ জব্বৰ আলীৰ ঘৰত। ঘটনাৰ বিৱৰণীত প্ৰকাশ পোৱা মতে, ১০ ছেপ্টেম্বৰত জনীয়া ৰাজ্যিক চিকিৎসালয়ৰ গাতে লাগি থকা ঠিক পূব প্ৰান্তৰ জব্বাৰ আলীৰ গৰ্ভৱতী বোৱাৰীক আবেলি আঢ়ৈ বজাত চিকিৎসালয়খনলৈ প্ৰসৱ কৰোৱাৰ বাবে লৈ যায়। লগত আশাকৰ্মী লালমতিও যায়। চিকিৎসালয়ত যোৱাৰ পাছত কোনো এগৰাকী স্বাস্থ্য কৰ্মী নাপাই হতভম্ভ হৈ পৰে গৰ্ভৱতী মহিলাৰ পৰিয়ালবৰ্গই আৰু এক উত্তেজনাময় পৰিৱেশৰ সৃষ্টি হয়। পাছত উপায়ান্তৰ হৈ উক্ত সময়ত কৰ্মচাৰী শূন্য চিকিৎসালয়ৰ পৰা গৰ্ভৱতী মহিলাগৰাকীক ঘৰলৈ উভতাই লৈ যায়। উপযুক্ত কোৱাৰ্টাৰ থকা সত্ত্বেও পাঁচ বজালৈ কোনো এগৰাকী নাৰ্ছ নথকাটোৱে চিকিৎসা বিভাগৰ ফোঁপোলা স্বৰূপটো উদঙাই দিছে। বিভাগীয় কৰ্তৃপৰ সোপাটিলা স্বভাৱ আৰু দায়িত্বহীনতাৰ বাবে তেনে হ'বলৈ পাইছে বুলি অভিযোগ উত্থাপিত হৈছে।

আনহাতে, জি এন এমৰ দুৰ্ব্যৱহাৰৰ উপৰি প্ৰসৱৰ সময়ত ধন দাবীৰ অভিযোগো দীৰ্ঘদিনীয়া। জি এন এম এগৰাকীৰ দুৰ্ব্যৱহাৰ সম্পৰ্কে বিভাগীয় কৰ্তৃপক্ষক জনায়ো ভুক্তভোগীয়ে সুফল পোৱা নাই। বৰপেটা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ ছত্ৰছায়াত চিকিৎসালয়খনত এনে হৈ আছে বুলি অভিযোগ উত্থাপিত হৈছে। পিছে এইক্ষেত্ৰত চৰকাৰ তথা স্বাস্থ্যমন্ত্ৰী গৰাকীয়ে কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰে সেয়া হ'ব লক্ষ্যণীয়।



মানৱ জীৱনৰ অন্যতম বিষাদৰ বিষয় হৈছে বিবাহ বিচ্ছেদ। সংসাৰত নানা জটিলতা থাকিলেও মানুহে সততে বিবাহ বিচ্ছেদ নিবিচাৰে। পৰিস্থিতি সহ্যৰ বাহিৰলৈ গ'লেহে মানুহে এই বিষয়ত ভাবিবলৈ আৰম্ভ কৰে। সেইবাবেই সততে বিবাহ বিচ্ছেদ হোৱাৰ পাছত মানুহে ইয়াত আনন্দৰ থল বিচাৰি নাপায়।

# মহাআড়ম্বৰেৰে বিবাহ বিচ্ছেদ 'উদ্‌যাপন' ভূপালত

## ১৮জন পুৰুষে এই অনুষ্ঠানৰ বাবে ছপা কৰিলে আমন্ত্ৰণী পত্ৰও

■ **নিউজ ব্যুৰ'**
**ভূপাল, ১২ ছেপ্টেম্বৰ ঃ** মানৱ জীৱনৰ অন্যতম বিষাদৰ বিষয় হৈছে বিবাহ বিচ্ছেদ। সংসাৰত নানা জটিলতা থাকিলেও মানুহে সততে বিবাহ বিচ্ছেদ নিবিচাৰে। পৰিস্থিতি সহ্যৰ বাহিৰলৈ গ'লেহে মানুহে এই বিষয়ত ভাবিবলৈ আৰম্ভ কৰে। সেইবাবেই সততে বিবাহ বিচ্ছেদ হোৱাৰ পাছত মানুহে ইয়াত আনন্দৰ থল বিচাৰি নাপায়। অৱশ্যে বিবাহ বিচ্ছেদ ঘটাই ১৮জন পুৰুষে একেলগে আনন্দ-উৎসৱত মতলীয়া হোৱা এক ঘটনা সংঘটিত হৈছে মধ্যপ্ৰদেশৰ ভূপালত। এই সকল লোকৰ ভিতৰত কাৰোবাৰ হয়তো বিয়াৰ এদিনৰ পাছতে দাম্পত্যৰ সম্পৰ্কত ফাট মেলিছে। আন কোনোবাই হয়তো ৩০ বছৰ পৰ্যন্ত সংসাৰ অব্যাহত ৰখাৰ পাছত অৱশেষত বিচ্ছেদৰ সিদ্ধান্ত ল'বলৈ বাধ্য হৈছে। দীৰ্ঘদিন ধৰি চলা বিবাহ বিচ্ছেদৰ মামলাত জয়লাভৰ পাছত মনৰ আনন্দতে সেই জয় 'উদ্‌যাপন' কৰিলে ১৮জন বিবাহ বিচ্ছেদিত লোকে।

উল্লেখ্য যে এটা বেচৰকাৰী সংস্থাই এই ১৮জন পুৰুষৰ হৈ বিবাহ বিচ্ছেদৰ মামলাত আইনী যুঁজ দিছিল। সেই সংস্থাই এই জয় 'উদ্‌যাপন'ৰ ব্যৱস্থা কৰিছিল। ভূপালৰ সেই বেচৰকাৰী সংস্থাটোৱে দাবী কৰিছে যে আইনী যুঁজ চলাই চলাই এই ১৮জন লোক আৰ্থিক, সামাজিক, পাৰিবাৰিক আৰু মানসিকভাৱে বিপৰ্যস্ত হৈ পৰিছিল। এই ধৰণৰ অনুষ্ঠানৰ মাধ্যমেৰে বিবাহ বিচ্ছেদিত পুৰুষসকলৰ মানসিক শক্তি বৃদ্ধি কৰা হয় বুলিও সংস্থাটোৱে দাবী কৰিছে। বিবাহ বিচ্ছেদিত পুৰুষসকলৰ এই জয় 'উদ্‌যাপন'ৰ সময়তে এক সংবাদ মাধ্যমে মহিলা আয়োগৰ স'তে যোগাযোগ কৰি তেওঁলোকৰ প্ৰতিক্ৰিয়া জানিব বিচাৰিছিল। অৱশ্যে আয়োগৰ সদস্যাসকলে জনায় যে বিষয়টোৰ সন্দৰ্ভত আলোচনাৰ পাছতহে আয়োগে প্ৰতিক্ৰিয়া জনাব।

আনহাতে, বেচৰকাৰী সংস্থাটোৰ ওজন সদস্যই কয়, 'আমাৰ সংস্থাই এই ধৰণৰ পুৰুষৰ হৈ আইনী যুঁজ দিয়ে। বিগত আঢ়ৈ বছৰ ধৰি ১৮জনৰ বিবাহ বিচ্ছেদৰ হকে যুঁজ দিছিলো। হেল্পলাইনৰ মাধ্যমেৰে তেওঁলোকৰ মানসিক শক্তি বৃদ্ধি কৰাৰ বাবে চেষ্টা চলাই আহিছো। আদালতৰ যুঁজ, বিপুল টকাৰ ক্ষতিপূৰণ আদিৰ বাবে তেওঁলোক আৰ্থিক, সামাজিক তথা মানসিকভাৱে বিধ্বস্ত হৈ পৰিছিল। সেয়ে তেওঁলোকৰ মনোবল বৃদ্ধিৰ বাবেই এই উদ্যোগ লোৱা হৈছে।' উল্লেখ্য যে অনুষ্ঠানৰ বাবে সংস্থাটোৰ তৰফৰ পৰা আমন্ত্ৰণী পত্ৰও ছপা কৰা হয়। সেই আমন্ত্ৰণী পত্ৰ ইতিমধ্যে সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে।



# অসমত মুকুতা খেতিৰ অন্যতম বাটকটীয়া ৰুলেন হাজৰিকাৰ নতুন চমৎকাৰ

## কাণখোলা শামুকৰ পেলনীয়া খোলাৰে তৈয়াৰ কৰিছে আকৰ্ষণীয় অলংকাৰ

■ **হেমেন কুমাৰ দাস**
**নগাঁও, ১২ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ বিভিন্ন অঞ্চলৰ খাল-বিল-জলাশয়সমূহত উপলব্ধ কাণখোলা শামুকৰ জৰিয়তে মুকুতা উৎপাদনেৰে অসমত মুকুতা বিপ্লৱৰ সূচনা কৰা নগাঁও জিলাৰ ধিং বেছামাৰীৰ ৰুলেন হাজৰিকাই এইবাৰ কাণখোলা শামুকৰ খোলাৰে অতি আকৰ্ষণীয় কাণফুলি তৈয়াৰ কৰি আন এক চমৎকাৰ সৃষ্টি কৰিছে। উল্লেখ্য যে সাগৰীয় শামুকৰ পেটতহে মুকুতা পোৱা যায় বুলি সৰ্বসাধাৰণ ৰাইজৰ মনত থকা ধাৰণাক মিছা প্ৰমাণিত কৰি ঘৰৰ পুখুৰীত থকা কাণখোলা শামুকৰ জৰিয়তেও উৎকৃষ্ট মানদণ্ডৰ মুকুতা উৎপাদনেৰে ৰাজ্যখনত এক মুকুতা বিপ্লৱৰ সূচনা কৰা উদ্যমী যুৱক ৰুলেনে প্ৰতি বছৰে ১২-১৫ হেজাৰ উৎকৃষ্ট মানৰ মুকুতা তৈয়াৰ কৰি আহিছে। চলিত বৰ্ষত তেওঁ ২০ হেজাৰ মুকুতা উৎপাদন কৰিবলৈ সক্ষম হয়। উৎপাদিত মুকুতাসমূহ বিক্ৰী কৰি তেওঁ যথেষ্ট লাভান্বিত হৈছে। প্ৰতিটো মুকুতা এশ টকাকৈ, একোডাল মুকুতা মণি এহেজাৰ টকাকৈ, ৰূপৰ স'তে ছবি মুকুতা ৭৫০ টকাকৈ দামত বিক্ৰী কৰা বুলি জানিব পৰা গৈছে। কাণখোলা শামুকৰ পেটত বিশেষ পদ্ধতিৰে মুকুতা উৎপাদন কৰি তাৰ পেটৰ পৰা মুকুতা বাহিৰ কৰা হয়। তেতিয়াই সেই শামুকটোৰ মৃত্যু হয়। কাণখোলা শামুকৰ পেটৰ পৰা মুকুতা বাহিৰ কৰাৰ পাছত তাৰ খোলাবোৰ পেলাই দিয়া হৈছিল। কিন্তু শেহতীয়াকৈ তেওঁ কাণখোলা শামুকৰ পেলনীয়া খোলাৰে মহিলাৰ বাবে অতি আকৰ্ষণীয় কাণফুলি তৈয়াৰ কৰাৰ বিশেষ প্ৰশিক্ষণ লোৱাৰ পাছত ভুৱনেশ্বৰৰ আই চি এ আৰ-চেন্ট্ৰল ইনষ্টিটিউট অৱ ফ্ৰেছৱাটাৰ একুৱা কালছাৰৰ পৰা এই সন্দৰ্ভত স্বীকৃতি লাভ কৰে। তাৰ পাছৰ পৰাই অৰ্থাৎ চলিত বৰ্ষৰ জানুৱাৰী-ফেব্ৰুৱাৰীৰ পৰাই হাজৰিকাই কাণখোলা শামুকৰ পেলনীয়া খোলাৰে অলংকাৰ তৈয়াৰ কৰা কামো আৰম্ভ কৰে। এই কামৰ বাবে বিশেষ পাৰদৰ্শিতা থকা চাৰিজন লোক নিয়োগ কৰা হৈছে। কাণখোলা শামুকৰ পেলনীয়া খোলাৰে তৈয়াৰী এযোৰ কাণফুলিৰ দাম ৪০০-৪৫০ টকা। এই ফুলিয়ে বজাৰো দখল কৰিবলৈ সক্ষম হৈছে। মুকুতা খেতিৰে এক নতুন নীল বিপ্লৱৰ সূচনা কৰা ৰুলেন হাজৰিকাই আজি 'দৈনিক অগ্ৰদূত'ক কয়, 'এই পৰ্যন্ত মই কোনো ধৰণৰ চৰকাৰী আৰ্থিক অনুদান লাভ কৰিবলৈ সক্ষম হোৱা নাই। কেৱল বিভিন্ন সভা-সমিতিত সম্বৰ্ধনা জনায়। চৰকাৰী সাহায্যৰ বাবে আৰু অপেক্ষা নকৰি মই মুকুতা খেতি অধিক সম্প্ৰসাৰণৰ আঁচনি গ্ৰহণ কৰিছো। ইয়াৰ বাবে ৫৫০ জন কৃষকক লৈ 'আসাম পাল ডেভলপমেন্ট কো-অপাৰেটিভ ছ'চাইটি' নামেৰে এখন ১৯ জনীয়া সদস্যৰ সমবায় গঠন কৰিছো। সমবায়খনৰ সভাপতি মই নিজেই। এইবাৰ আমি ১২ বিঘা মাটিৰ এটা প্ৰকাণ্ড পুখুৰীত তিনি লাখ মুকুতা পালন কৰিম আৰু তিনি লাখ মুকুতা উৎপাদন কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছো। লগতে এই তিনি লাখ কাণখোলা শামুকৰ পৰা মুকুতা বাহিৰ কৰাৰ পাছত ৰৈ যোৱা তাৰ খোলাৰে কাণফুলি তৈয়াৰ কৰিম। এইবাৰ আমাৰ ব্যৱসায় গুৱাহাটীৰ লগতে বহিঃৰাজ্যলৈকো সম্প্ৰসাৰণ কৰা হ'ব।' স্মৰ্তব্য যে মুকুতা খেতিৰে চমৎকাৰ সৃষ্টি কৰা ৰুলেন হাজৰিকাৰ বিষয়ে এতিয়া চি আই এফ এৰ ৱেবছাইটতটো উপলব্ধ। তেওঁ কয়, 'মুকুতা খেতিৰে নিঃসন্দেহে স্বাৱলম্বী হ'ব পাৰি। ইতিমধ্যে মোৰ ওচৰত কে'বাশ যুৱকে মুকুতা খেতিৰ প্ৰশিক্ষণ গ্ৰহণ কৰি এতিয়া ইয়াৰে বহুতেই নিজাববীয়াকৈ মুকুতা খেতি আৰম্ভ কৰি স্বাৱলম্বী হ'বলৈ চেষ্টা কৰিছে।

উল্লেখ্য যে নগাঁও জিলাৰ ধিঙৰ বেছামাৰী গাঁৱৰ হাফিজুৰ ৰহমানৰ পুত্ৰ ৰুলেন হাজৰিকাই ধিং মহাবিদ্যালয়ৰ পৰা বিজ্ঞানৰ স্নাতক ডিগ্ৰী লাভ কৰাৰ পাছত আন ১০ জন শিক্ষিত নিবনুৱাৰ নিচিনাকৈ চৰকাৰী চাকৰিৰ পাছত দৌৰি হাবাথুৰি খাবলগীয়া হৈছিল। কিন্তু তেওঁৰ চৰকাৰী চাকৰিৰ প্ৰতি মোহ ভংগ হ'বলৈ সৰহ দিন নালাগিল। ২০১৮ত দুৰ্ভাৱনা আৰু দুঃচিন্তাই গ্ৰাস কৰি ৰখাৰ সময়তে এদিন তেওঁ ম'বাইলৰ জৰিয়তে ইউটিউবত মাছৰ খেতিৰ বিষয়ে চাই থাকোতে হঠাৎ চীন দেশৰ মুকুতা খেতিৰ এটা ভিডিঅ' দেখা পায়। কৌতূহলবশতঃ তেওঁ চীন দেশৰ মুকুতা খেতিৰ ভিডিঅ'টো অতি গুৰুত্বসহকাৰে চায়। সেই ভি ডি অ'টোৰ পৰা তেওঁ মুকুতা খেতিৰ বিষয়ে কিছু তথ্য আহৰণ কৰে। তাৰ পাছত তেওঁ গুগলৰ তথ্যৰ জৰিয়তে জানিব পাৰে যে অকল চীনতেই নহয় বাংলাদেশ, ভিয়েটনাম, জাপান আদি দেশতো বৈজ্ঞানিক পদ্ধতিত মুকুতা খেতি কৰি আছে। মুকুতা খেতিৰ সন্দৰ্ভত হাজৰিকাই ইউটিউৱত বাংলাদেশৰ যিটো ভিডিঅ' চাই তাত দেখা কাণখোলা প্ৰজাতিৰ শামুকটো অসমৰো খালে, বিলে, জলাশয়ে উভৈনদী। এই বিষয়ে তেওঁ নিশ্চিত হোৱাত তেওঁৰ মনত মুকুতা খেতিৰ বিষয়টোৱে উগুল-থুগুল কৰিবলৈ ধৰে। তেনে সময়তে তেওঁ ইউটিউৱত চাৰ্চ কৰি ভাৰতবৰ্ষৰ ৰাজস্থান, কৰ্ণাটক, ওড়িছা, ঝাৰখণ্ড আৰু পশ্চিমবংগতো ছয়-সাত বছৰ মানৰ পৰা মুকুতা খেতি কৰাৰ তথ্য আহৰণ কৰে। যিহেতু ভাৰতবৰ্ষৰ আন ৰাজ্যত মুকুতাৰ খেতি কৰা হৈছে গতিকে অসমতো শামুক পুহি মুকুতাৰ খেতি কৰিব পৰা যাব বুলি তেওঁ এই সন্দৰ্ভত প্ৰশিক্ষণ ল'বলৈ অসমৰ বাহিৰলৈ যায়। তেওঁ ঝাৰখণ্ডত লগ কৰে বিশিষ্ট গৱেষক তৰুণ শ্যামন্তক। তেওঁ ঝাৰখণ্ড চৰকাৰৰ অধীনত মুকুতা গৱেষক হিচাপে কাম কৰি আছে। পশ্চিমবংগৰ নাগৰিক বিশিষ্ট বিজ্ঞানী তৰুণ শ্যামন্তৰ ওচৰত তেওঁ ঝাৰখণ্ডত এক প্ৰতিষ্ঠানত মুকুতা খেতিৰ সন্দৰ্ভত যাৱতীয় জ্ঞান আহৰণৰ বাবে এক দীঘলীয়া প্ৰশিক্ষণ গ্ৰহণ কৰে। সেই প্ৰশিক্ষণ লোৱাৰ পাছত এক উদ্যমী মন লৈ ৰুলেন হাজৰিকা ঘৰলৈ উভতি আহে আৰু মাত্ৰ ৬৫ হেজাৰ টকা মূলধন হাতত লৈ ঘৰৰ ওচৰৰ ছয়কঠা মাটিৰ এটা পুখুৰীত মাত্ৰ তিনি হেজাৰটা কাণখোলা শামুকৰে ২০১৮ বৰ্ষৰ ছেপ্টেম্বৰৰ পৰা মুকুতা খেতি আৰম্ভ কৰে। তেওঁ দাবী কৰা অনুসৰি তেৱেঁই অসমত প্ৰথমবাৰৰ বাবে মুকুতা খেতি আৰম্ভ কৰে। হাজৰিকাই কোনো ধৰণৰ চৰকাৰী সহযোগিতাৰ অবিহনেই একক প্ৰচেষ্টাৰে পৰৱৰ্তী সময়ত মুকুতা খেতি সম্প্ৰসাৰণ কৰে। সম্প্ৰতি ৰুলেন হাজৰিকা এজন প্ৰতিষ্ঠিত মুকুতা খেতিয়ক। যাৰ নাম-যশ সমগ্ৰ দেশজুৰি আছে।



ৰাণী দ্বিতীয় এলিজাবেথৰ মৃত্যুৰ পাছত ব্ৰিটেইনৰ ৰাজ সিংহাসনত আৰোহণ কৰিলে তেওঁৰ বৰপুত্ৰ তৃতীয় চাৰ্লছে। ইয়াৰ লগে লগে নিশ্চিত হ'ল দেশখনৰ অনেক পৰিৱৰ্তন। কিয়নো সিংহাসন সলনি হোৱাৰ লগে লগে পৰিৱৰ্তন ঘটে দেশখনৰ নিয়ম-কানুনতো।

# ৰাণীৰ মৃত্যুত 'নোট বাতিল' হ'ব ব্ৰিটেইনত

## সলনি হ'ল জাতীয় সংগীত-পতাকা, বিভিন্ন বিভাগৰ ৰঙো

■ **নিউজ ব্যুৰ'**
**লণ্ডন, ১২ ছেপ্টেম্বৰ ঃ** ৰাণী দ্বিতীয় এলিজাবেথৰ মৃত্যুৰ পাছত ব্ৰিটেইনৰ ৰাজ সিংহাসনত আৰোহণ কৰিলে তেওঁৰ বৰপুত্ৰ তৃতীয় চাৰ্লছে। ইয়াৰ লগে লগে নিশ্চিত হ'ল দেশখনৰ অনেক পৰিৱৰ্তন। কিয়নো সিংহাসন সলনি হোৱাৰ লগে লগে পৰিৱৰ্তন ঘটে দেশখনৰ নিয়ম-কানুনতো। সেই বাবেই দ্বিতীয় এলিজাবেথৰ মৃত্যু কেৱল সিংহাসনৰ অধিকাৰী সলনিৰ কাহিনী নহয়, তাৰ লগতে সমগ্ৰ দেশৰ ব্যৱস্থাটো নতুনকৈ সজোৱাৰ কাহিনীও। যোৱা বৃহস্পতিবাৰে ৰাণীৰ মৃত্যু হোৱা বুলি ঘোষণা কৰা হয়। তাৰ লগে লগে পৰিৱৰ্তনৰ ধাৰা আৰম্ভ হয়। 'গড ছেভ দ্য কুইন', বিগত সাতটা দশক ধৰি এইটোৱেই আছিল ইংলণ্ডৰ জাতীয় সংগীত। ৰাণীৰ মৃত্যুৰ লগে লগে চাৰ্লছ সিংহাসনৰ অধিকাৰী হোৱাৰ লগে লগে সাত দশকৰ পৰা চলি অহা জাতীয় সংগীতটো গুৰুত্বহীন হৈ পৰে। ইয়াৰ পৰিৱৰ্তে গীতটো আৰম্ভ হ'ল 'গড ছেভ দ্য কিং' বাক্যশাৰীৰে। ইতিমধ্যেই চলিত ইংলণ্ড আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ টেষ্ট ক্ৰিকেটত ঘৰুৱা দলটোৱে 'গড ছেভ দ্য কিং' বুলি জাতীয় সংগীত গায়। জাতীয় সংগীত পৰিৱৰ্তনতে শেষ নহয়। ইয়াৰ লগে লগে সলনিৰ সন্মুখীন হৈছে দেশখনৰ কাৰেন্সী অৰ্থাৎ বেংক নোট। ব্ৰিটেইনৰ বহু সংখ্যক নোটতে ৰাণীৰ ফটো ছপা হৈছিল। এতিয়াৰ পৰা সেই নোট সলনি কৰা হ'ব। পুৰণি নোট বাতিল কৰি নতুন নোটত থাকিব ৰজা চাৰ্লছৰ ফটো। 'দ্য বেংক অৱ ইংলণ্ড'ৰ তৰফৰ পৰা ইতিমধ্যে জনাইছে যে যিসকলৰ হাতত ৰাণীৰ ফটো সম্বলিত নোট আছে, তেওঁলোকে সেইবোৰ জমা দি পৰিৱৰ্তিত নোট সংগ্ৰহ কৰিব পাৰিব। সম্প্ৰতি প্ৰায় আঠ হেজাৰ কোটি ব্ৰিটিছ পাউণ্ড মূল্যৰ ৰাণীৰ ফটো সম্বলিত কমেও ৪৫০ কোটি নোট বজাৰত আছে। নিয়ম অনুসৰি, সেই সকলোবোৰ নোট নষ্ট কৰিব লাগিব। তদুপৰি সলনি হ'ব আৰু বহুতো। যাৰ ভিতৰত আছে জাতীয়ও পতাকাও। 'ইআইআইআৰ', এই চাৰিটা আখৰ মুদ্ৰিত হৈ থকা ৰাজকীয় সংকেত লিখনো সলনি কৰিব লাগিব। চৰকাৰী ভৱন, দপ্তৰ বা সেনা বিভাগৰ বিভিন্ন দপ্তৰকে ধৰি ব্ৰিটিছ সেনাৰ সকলো বিভাগত ইমানদিনে 'ৰাণীৰ ৰং'ৰূপে নীলা-ৰঙা-সোণালী ৰঙৰ আধিপত্য আছিল। কেতিয়াবা আকৌ কেৱল সোণালী ৰঙেৰে অংকিত হৈছিল প্ৰতীক। এই সকলো ৰঙেই 'ৰাণীৰ ৰং'ৰূপে চিহ্নিত। এতিয়া সেই ৰংবোৰো সলনি কৰা হ'ব। ইমানদিনে 'এআৰ' অক্ষৰ বহন কৰা ব্ৰিটেইনৰ সকলো ৰয়েল প'ষ্টৰ চিহ্নৰ সলনি এতিয়াৰ পৰা বহিব ৰজাৰ নতুন প্ৰতীক। সমান্তৰালকৈ ব্ৰিটিছ সংসদৰ প্ৰতিজন সদস্যই ইমানদিনে শপতবাক্য পাঠ কৰাৰ সময়ত ঈশ্বৰৰ লগতে ৰাণীৰ নামো উল্লেখ কৰিছিল। এতিয়াৰ পৰা সেই শপতবাক্যও সলনি হ'ব। অৰ্থাৎ নিশাৰ ভিতৰতে সলনি হ'ল বিগত সাত দশকৰ ব্ৰিটিছসকলৰ অভ্যাস।



অষ্ট্ৰেলিয়াৰ দক্ষিণ অংশত ৭৬ হেজাৰ বৰ্গ মাইল জুৰি বিস্তীৰ্ণ মৰুভূমি আছে। সেই স্থানতে প্ৰায় এক কোটি ৪০ লাখ বছৰৰ পূৰ্বে সাগৰৰ তলত এই প্ৰবাল প্ৰাচীৰৰ অস্তিত্ব আছিল বুলি ধাৰণা কৰা হৈছে।

# অষ্ট্ৰেলিয়াৰ মৰুভূমিত সন্ধান ওলাল চাৰি হেজাৰ ফুটৰ প্ৰবাল প্ৰাচীৰৰ ধ্বংসাৱশেষ

■ **নিউজ ব্যুৰ'**
**মেলবৰ্ণ, ১২ ছেপ্টেম্বৰ ঃ** অষ্ট্ৰেলিয়াৰ মৰুভূমিত সন্ধান ওলাল লক্ষ লক্ষ বছৰৰ পুৰণি প্ৰবাল প্ৰাচীৰৰ ধ্বংসাৱশেষ। এটা সময়ত এই প্ৰবাল প্ৰাচীৰৰ উচ্চতা চাৰি হেজাৰ ফুট আছিল বুলি বিজ্ঞানীসকলে দাবী কৰিছে। অষ্ট্ৰেলিয়াৰ দক্ষিণ অংশত ৭৬ হেজাৰ বৰ্গ মাইল জুৰি বিস্তীৰ্ণ মৰুভূমি আছে। সেই স্থানতে প্ৰায় এক কোটি ৪০ লাখ বছৰৰ পূৰ্বে সাগৰৰ তলত এই প্ৰবাল প্ৰাচীৰৰ অস্তিত্ব আছিল বুলি ধাৰণা কৰা হৈছে।

অষ্ট্ৰেলিয়াৰ পাৰ্থ কাটিন বিশ্ববিদ্যালয়ৰ স্কুল অৱ আৰ্থ এণ্ড প্লেনেটৰী ছায়েন্সৰ বিজ্ঞানীসকলে জনাইছে যে সাগৰৰ তলত বছৰৰ পাছত বছৰি ধৰি নিমজ্জিত অৱস্থাত আছিল এই প্ৰবাল প্ৰাচীৰ। এই বিষয়ত তেওঁলোক কৃত্ৰিম উপগ্ৰহ চিত্ৰৰ মাধ্যমেৰে এই তথ্য সম্পৰ্কে নিশ্চিত হয়। অষ্ট্ৰেলিয়াৰ বিজ্ঞানীসকলৰ এই আৱিষ্কাৰক ইতিহাসৰ ক্ষেত্ৰতো অত্যন্ত গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হৈছে। প্ৰবাল প্ৰাচীৰৰ ধ্বংসাৱশেষ প্ৰত্যক্ষ কৰি বিজ্ঞানীসকল নিশ্চিত হৈছে যে দ্বীপৰাষ্ট্ৰখনৰ দক্ষিণ অংশৰ ভূ-প্ৰকৃতিত বতৰজনিত বিশেষ কোনো পৰিৱৰ্তন ঘটা নাই। ফলত অনেক প্ৰাচীন নিদৰ্শন তাত অক্ষত অৱস্থাত আছে। সংবাদ মাধ্যমৰ তথ্যই জনাইছে যে সম্প্ৰতি অষ্ট্ৰেলিয়াৰ মূল ভূ-খণ্ডৰ ১৮ শতাংশই মৰুভূমি। অৱশ্যে এটা সময়ত এই দ্বীপৰাষ্ট্ৰৰ ভূ-খণ্ড ঘন জংঘলেৰে ঢাক খাই আছিল। তাৰ লগতে চাৰিওদিশে উত্তাল সমুদ্ৰ। সেই সমুদ্ৰৰ তলতে সোমাই আছিল বিশাল প্ৰবাল প্ৰাচীৰ। কালক্ৰমত সাগৰৰ পানী শুকাই অঞ্চলটো মৰুভূমিত পৰিণত হয়। ফলত সেই মৰুভূমিতে সোমাই পৰে প্ৰবাল প্ৰাচীৰখন। উল্লেখ্য যে প্ৰবাল হৈছে এক প্ৰকাৰৰ অমেৰুদণ্ডী সামুদ্ৰিক প্ৰাণী। একো একোটা ক্ষুদ্ৰাকাৰ প্ৰবালকীট সংযুক্ত হৈ কালক্ৰমত বিশাল প্ৰবাল প্ৰাচীৰ গঢ়ি তোলে। প্ৰবাল প্ৰাচীৰে সংলগ্ন ভূ-খণ্ডক সামুদ্ৰিক ধুমুহা আৰু অন্যান্য প্ৰাকৃতিক বিপৰ্যয়ৰ পৰা ৰক্ষা কৰে। অষ্ট্ৰেলিয়াৰ উপকূল অঞ্চলত এতিয়াও প্ৰবাল প্ৰাচীৰৰ অস্তিত্ব আছে। অষ্ট্ৰেলিয়াৰ জনসংখ্যাৰ এটা বৃহৎ অংশ এই প্ৰবালৰ ওপৰতে নিৰ্ভৰশীল।

# চাবুৱাত একেলগে দুৰ্ঘটনাত পতিত হ'ল পাঁচখন বাহন

## সংকটজনক অৱস্থাত এজনক এএমচিলৈ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা
চাবুৱা, ১২ ছেপ্টেম্বৰ ঃ চাবুৱাৰ বাইপাছত আজি দিনৰ ভাগত এক ভয়াৱহ দুৰ্ঘটনা সংঘটিত হয়। ডিব্ৰুগড়ৰ পৰা তিনিচুকীয়া অভিমুখে গৈ থকা পাঁচখনকৈ বাহন একেলগে খুন্দা মৰাৰ ফলত ছজন আহত হোৱাত তেওঁলোকক চাবুৱা মডেল হাস্পতালত প্ৰথমে ভৰ্তি কৰোৱা হয় যদিও সংকটজনক অৱস্থাত অসম চিকিৎসা মহাবিদ্যালয় ডিব্ৰুগড়লৈ প্ৰেৰণ কৰা হয়। এই ঘটনাত ক্ৰমে এএছ-০১-বিডি-৩৩৯৭ ছুইফট ডিজায়াৰে এএছ-০১-বিচি-৬৬৪১ ট্ৰেংকাৰ আৰু এআৰ-এফ-৯১৩৭ এখন গাড়ীক খুন্দা মাৰে, এই কেইখনে খুন্দা খাই নিয়ন্ত্ৰণ হেৰুৱাই এএছ-২৩-ৱাই-০২৫০ বেলেন' আৰু এআৰ-১০-১৪৬০ অল্ট' খুন্দা মৰাৰ ফলত ভয়ংকৰ দুৰ্ঘটনাটো সংঘটিত হয়। ইয়াৰ ফলত সমগ্ৰ বাইপাছ পথটোত এক আতংকময় পৰিস্থিতিৰ সৃষ্টি হয়। ছুইফট বাহনখনে এটা গতিৰোধক নেদেখাৰ ফলতে এই ঘটনা সংঘটিত হয়। উল্লেখ্য যে উক্ত স্থানত গতিৰোধকৰ বাবে পূৰ্বে কে'বাটাও ঘটনা সংঘটিত হোৱাত কে'বাজন লোকৰ মৃত্যু হৈছে। তদুপৰি আজি ঘটনা সংঘটিত হোৱা দিনজয় এমইএছ তিনিআলি সংযোগী পথটোৱে বাইপাছ অতিক্ৰম কৰা এটা চাৰিআলি হৈছে। দুটা গতিৰোধক থকা চাৰিআলিটোৰ আশে-পাশে সৰু সৰু দোকান স্থাপন কৰা হৈছে। তাৰে এখন দোকান মহটিয়াই নিয়ে দুৰ্ঘটনাগ্ৰস্ত হোৱা এখন বাহনে। কোনো উপযুক্ত সাংকেতিক চিহ্ন স্থাপন স্থাপন নকৰাকৈ গতিৰোধক স্থাপন কৰা হৈছে। কোনো সাংকেতিক চিহ্ন নথকাৰ বাবে চালকৰ দৃষ্টিগোচৰ নহ'ল বুলি চালকে কয়।

**PHYSIOTHERAPY CENTRE**
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720



# গংগাধৰত বিলীন হোৱাৰ পথত গৌৰীপুৰৰ ৰৌয়াৰকুটি প্ৰাথমিক বিদ্যালয়

## নিশাৰ টোপনি হেৰুৱাইছে নৈপৰীয়া বাসিন্দাই

**ধুবুৰী, ১২ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ গৌৰীপুৰ সমষ্টিৰ অন্তৰ্গত গোলকগঞ্জ শিক্ষাখণ্ডৰ বেৰভাংগী দ্বিতীয় খণ্ডৰ ১৭২২ নম্বৰ ৰৌয়াৰকুটি প্ৰাথমিক বিদ্যালয়খন সম্প্ৰতি গংগাধৰ নৈত বিলীন হোৱাৰ উপক্ৰম ঘটিছে। ১৯৫৭তে স্থাপিত চৰকাৰী বিদ্যালয়খনত প্ৰায় তিনি শতাধিক ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাগ্ৰহণ কৰি আছে আৰু তাৰ বিপৰীতে আঠ শিক্ষক-শিক্ষয়িত্ৰীয়ে পাঠদান কৰি আছে। বিগত কে'বা বছৰ ধৰি বিদ্যালয়খন গৰাখহনীয়াৰ কবলত পৰি আছে, যাৰ ফলত এতিয়া বিদ্যালয়খন গংগাধৰ নৈত উটি যোৱাৰ পথত। একেদৰে, বেৰভাংগী দ্বিতীয় খণ্ডৰ গংগাধৰ নৈ পাৰত বসবাস কৰা পৰিয়ালৰ লোকসকলেও নিশাৰ টোপনি হেৰুৱাই নিৰাপত্তাহীনতাত ভুগিবলগীয়া হৈছে বুলি নৈপৰীয়া লোকসকলে জানিবলৈ দিয়ে। স্থানীয় বিধায়ক তথা লোকসভাৰ সাংসদ বদৰুদ্দিন আজমলে উক্ত নৈপৰীয়া লোকসকলৰ খা-খবৰ নোলোৱাত তেওঁলোকে ক্ষোভ উজাৰা পৰিলক্ষিত হয়। স্থানীয় ৰাইজে কয় যে অকল ভোটৰ সময়তহে বহু ৰথী-মহাৰথীক লগ পোৱা যায়, কিন্তু বিপদৰ সময়ত কোনো বিধায়ক বা সাংসদক লগ পোৱা নাযায় আৰু খা-খবৰ ল'বলৈও নাহে। চৰকাৰে বাঁহৰ পাৰ্কুপাইনেৰে কাম চলাই লৈ গৈ আছে, কিন্তু স্থায়ী খহনীয়া ৰোধ কৰাৰ কোনো পৰিকল্পনা কৰা নাই বুলিও স্থানীয় ৰাইজে জানিবলৈ দিয়ে। গংগাধৰ নৈপৰীয়া অঞ্চলত বসবাস কৰা লোকসকলে অনতিপলমে গৰাখহনীয়া ৰোধ কৰাৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰি স্থায়ী পৰিকল্পনা কৰিবলৈ চৰকাৰলৈ দাবী উত্থাপন কৰে।

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com